


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত


# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ২৮৪ ■ গুৱাহাটী ■ মঙলবাৰ, ২৪ মে’, ২০২২, ৯ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 284 Dainandin Barta ■ Guwahati, Tuesday ■ 24 May, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only









# এফালে চেপা উত্তেজনা আনফালে খহনীয়াৰ তাণ্ডৱ

## মামা আমাৰ বিদ্যালয় নৈৰ বুকুত জাহ গ’ল

# আমি পঢ়িব বিচাৰো কিবা এটা কৰক

### চেঙাৰ কাছুমাৰাত খহনীয়াৰ পৰা পৰিত্ৰাণ বিচাৰি ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ ছাত্ৰ-ছাত্ৰীৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৩ মে’ ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত কাছুমাৰাত খহনীয়াই ভয়ংকৰ ৰূপ লৈছে। ইতিমধ্যে নৈৰ বুকুত যাহ গৈছে অঞ্চলটোৰ বহু লোকৰ ঘৰ-দুৱাৰ, খেতি মাটি, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান। ব্ৰহ্মপুত্ৰৰ সুঁতি নৈৰ ■ ৮ পৃষ্ঠাত



## বটদ্ৰৱা থানা কাণ্ড

### চিনাক্ত কৰিলে আৰক্ষীয়ে

■ নগাঁৱৰ চোৰাংচোৱা আৰু নিৰাপত্তাৰ দায়িত্বত থকা উপ-আৰক্ষী অধীক্ষকক বদলিৰ নিৰ্দেশ

■ নগাঁও আৰক্ষীৰ কেইবাজনো বিষয়াৰ বিৰুদ্ধে লোৱা হ’ব পাৰে ব্যৱস্থা

বটদ্ৰৱাত চেঁপা উত্তেজনা অব্যাহত

বটদ্ৰৱা থানাত অগ্নি সংযোগৰে জড়িত ২০ জনক চিনাক্ত ঃ ৬ জনক আৰক্ষীৰ জিম্মালৈ

## থানাত অগ্নিসংযোগ কৰিবলৈ উচটনি দিছিল ছাদ্দাম আলীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৩ মে’ ঃ** ছফিকুল ইছলাম নামৰ লোক এজনৰ বটদ্ৰৱা আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা ঘটনাক লৈ এচাম সমাজবিৰোধী লোকে বটদ্ৰৱা থানা আক্ৰমণ কৰি থানাখনৰ কেছ ডায়েৰীকে প্ৰমুখ্য কৰি গুৰুত্বপূৰ্ণ নথিসমূহ জ্বলাই নষ্ট কৰাৰ লগতে থানাখন আৰু অস্ত্ৰ ভাণ্ডাৰ জ্বলাই ছাৰখাৰ কৰা ঘটনাই সৃষ্টি কৰা চাঞ্চল্য আজিও অব্যাহত আছে। সমগ্ৰ ঘটনা সন্দৰ্ভত নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলেৰ তত্বাৱধানত নগাঁও আৰক্ষীয়ে তদন্ত আৰম্ভ কৰোতেই নিতৌ ন ন তথ্য উন্মোচিত হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ২২গৰাকী লোকক সোধা-পোছাৰ বাবে আটক কৰিছিল যদিও ইয়াৰে ছগৰাকী লোককহে গ্ৰেপ্তাৰ কৰিছে। ■ ৮ পৃষ্ঠাত



### শৰ্মিষ্ঠা বৰাক এজনীয়া তদন্ত আয়োগৰ সচিব নিয়োগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ মে’ ঃ** ৰাজ্য চৰকাৰে আজি এক নিৰ্দেশনা যোগে গৃহ আৰু ■ ৮ পৃষ্ঠাত

## বিটিআৰৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৪ প্ৰাৰ্থীৰ মনোনয়ন দাখিল

# বিটিআৰত তুংগত বাকযুদ্ধ



বিটিআৰত এদিন শূন্য হৈ যাব বিপিএফ

বিপিএফৰ একাংশই এতিয়া ইউপিপিএলত আৰু আন একাংশই বিজেপিত যোগদান কৰিছে ঃ প্ৰমোদ বড়ো

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৩ মে’ ঃ** বিটিচিত পুনৰ পৰিৱৰ্তন হ’ব চৰকাৰৰ। শীঘ্ৰেই প্ৰমোদ বড়োক ওফৰাই বিপিএফৰ হাতলৈ আহিব ক্ষমতাৰ বাঘজৰী। এই মন্তব্য বিপিএফ দলৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য ■ ৮ পৃষ্ঠাত



শীঘ্ৰেই প্ৰমোদ বড়োক ওফৰাই বিপিএফৰ হাতলৈ আহিব ক্ষমতাৰ বাঘজৰী

উপ-নিৰ্বাচনৰ পিছতেই বিটিচিত পুনৰ হ’ব বিপিএফৰ চৰকাৰ ঃ হাগ্ৰামা মহিলাৰী

কাজিৰঙাৰ জীৱকুলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য

## কলিয়াবৰ মহকুমা প্ৰশাসনৰ ১৪৪ ধাৰা বলবৎ

### বন শিবিৰৰ প্ৰয়োজন অনুসৰি নিৰ্মাণ কৰা হৈছে নাও, সাজু হৈছে মেচিন নাও

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৩ মে’ ঃ** এইবেলি আগতীয়া বাৰিষাৰ ফলত অসমৰ প্ৰায়কেইখন জিলাই বানৰ প্ৰকোপত পৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ■ ৮ পৃষ্ঠাত

৮ জুনত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন

## ৯ পৰিষদীয় সমষ্টিত ৫০ প্ৰাৰ্থীৰ মনোনয়ন

### কপিলী সমষ্টিত সৰ্বাধিক সাতগৰাকীৰ মনোনয়ন দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ’, ২৩ মে’ ঃ** সমাগত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদীয় নিৰ্বাচনৰ বাবে পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ নটাকৈ পৰিষদীয় সমষ্টিৰ বাবে ৫০ গৰাকী প্ৰাৰ্থীয়ে আজি পশ্চিম কাৰ্বি আংলং জিলা উপায়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰে ভিতৰত কাৰ্বি পৰিষদৰ প্ৰথম পৰিষদীয় সমষ্টি ১ নং দোৱাৰ আমলা পৰিষদীয় সমষ্টিৰ বাবে বিজেপি দলৰ হৈ প্ৰভাত চন্দ্ৰ তাৰ’, কংগ্ৰেছ দলৰ হৈ বিজয় টেৰন, এএছডিচি দলৰ হৈ চৰকাৰ ফাংছ’, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে ৰাংছিং ইংতি আৰু লংকি টিমুঙকে ধৰি মুঠ পাঁচগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। সমান্তৰালকৈ ২ নং আমৰি পৰিষদীয় সমষ্টিৰ পৰা বিজেপি দলৰ প্ৰাৰ্থী ডি উফিং মাছলাই, কংগ্ৰেছ দলৰ হৈ জেনীছন টেৰন, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে এলউইন টেৰন, ৰাজেন্দ্ৰ টিছ’ আৰু ইমলাং লুমফুইকে ধৰি পাঁচগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। আনহাতে ৩নং চিন্থং ■ ৮ পৃষ্ঠাত





## কন্দলীত বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঢ়মপুৰ, ২৩ মে’ ঃ** নগাঁও জিলাৰ কঠীয়াতলী আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত কন্দলীৰ ১৩ নং বাগানৰ পাহাৰৰ নামনিত আজি এটা বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ ■ ৮ পৃষ্ঠাত

# বিধ্বস্ত ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধেৰে প্ৰতিবাদ শিৱসাগৰ আছুৰ

### শীঘ্ৰে যাতায়াতৰ সুচল হোৱাকৈ পথৰ মেৰামতি সম্পন্ন কৰা, নিৰ্মাণ কাৰ্যৰ বিসংগতিৰ উচ্চ পৰ্যায়ৰ তদন্ত, সময় নিৰ্দিষ্ট কৰ্মপন্থাৰে ফ’ৰলেনৰ কাম সমাপ্ত কৰাৰ দাবী, অৱৰোধস্থলীত দাবী পূৰণৰ ক্ষেত্ৰত এনএইচআইডিচিএল আৰু জিলা প্ৰশাসনৰ লিখিত প্ৰতিশ্ৰুতিত প্ৰত্যাহাৰ অৱৰোধ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৩ মে’ ঃ** উজনি-নামনিৰ পথ সংযোগৰ একমাত্ৰ মূল পথ শিৱসাগৰ জিলাৰ মাজেৰে পাৰ হৈ যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বিধ্বস্ত ৰূপে জনসাধাৰণক জীয়াতু ভোগাই অহাৰ পাছতো চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ ■ ৮ পৃষ্ঠাত




# ২২ জুনত প্ৰবৃত্তি, ২৬ জুনত নিবৃত্তি

### দুবছৰৰ পিছত কামাখ্যাত অম্বুবাচী মেলাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ২৩ মে’ ঃ** ক’ভিড সংক্ৰমণ হ্ৰাস হোৱাৰ লগে লগে অন্যান্য ধৰ্মপীঠসমূহত ধৰ্মীয় কাম-কাজ আৰম্ভ হোৱাৰ দৰে অসমৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰতো এইবাৰ ধুমধামেৰে অম্বুবাচী মেলা আয়োজনৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। অৱশ্যে জিলা প্ৰশাসন আৰু মন্দিৰ পৰিচালনা সমিতিয়ে বৰ্তমানলৈকে মেলাৰ ■ ৮ পৃষ্ঠাত



*ধৰ্ণাস্থলীত তৃণমূলৰ সভাপতি ৰিপুণ বৰা আৰু ৰাইজৰ দলৰ নেতা তথা বিধায়ক অখিল গগৈৰ কথোপকথন, গুৱাহাটীত সোমবাৰে*

গোৱালপাৰাৰ লক্ষীপুৰত হৃদয় বিদাৰক ঘটনা

## নিশা বন্যহস্তীৰ গচকত তিনিজনৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২৩ মে’ ঃ** গোৱালপাৰা জিলাৰ লক্ষীপুৰত নিশা বন্যহস্তীৰ গচকত তিনিজন লোকৰ মৃত্যুয়ে অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলোৱা পৰিলক্ষিত হৈছে। জানিব পৰা মতে একেটা পৰিয়ালৰে তিনিগৰাকীকৈ সদস্যই বন্যহস্তীৰ গচকত ■ ৮ পৃষ্ঠাত

### ৰাজ্যৰ সৰ্বশিক্ষা অভিযান মিছনৰ অধীনস্থ ৯৬খন আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ জুন মাহৰ পৰা হ’ব বন্ধ

## ৮০০টাকৈ পৰিয়ালৰ জীৱনলৈ নামি আহিব কাল অমানিশা

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২৩ মে’ ঃ** ৰাজ্যৰ সৰ্বশিক্ষা অভিযান মিছনৰ অধীনস্থ ৰাজ্যৰ ৯৬খন আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ অহা জুন মাহৰ এক তাৰিখৰ পৰা বন্ধ হ’ব বুলি ঘোষণা হোৱাৰ পিছতে অন্ধকাৰ নামি আহিল ৰাজ্যৰ সহস্ৰাধিক কৰ্মচাৰীৰ ■ ৮ পৃষ্ঠাত

## কোৱেড সন্মিলন জাপানত উপস্থিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৩ মে’ ঃ** কোৱেড সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে আজি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাপানত গৈ উপস্থিত হৈছে। টকিঅ’ বিমান বন্দৰত অৱতৰণ কৰাৰ পিছতে তেওঁক জাপান চৰকাৰৰ তৰফৰ পৰা উষ্ম আদৰণি জনোৱা হয়। কাইলৈ মোদীয়ে কোৱেড ■ ৮ পৃষ্ঠাত

# পেট্ৰল-ডিজেলৰ দৰে খোৱাতেলৰ দাম হ্ৰাস হোৱাৰ সম্ভাৱনা

### ইণ্ডোনেছিয়াই প্লাম অইলৰ ৰপ্তানিত সন্মতি

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ২৩ মে’ ঃ** দেশত কেন্দ্ৰীয় চৰকাৰে ইন্ধনজাতীয় সামগ্ৰীৰ ওপৰত আৰোপিত কেন্দ্ৰীয় শুল্ক হ্ৰাস কৰিছে। ফলত যোৱা দুদিন ধৰি অসমৰ লগতে সমগ্ৰ দেশত পেট্ৰল, ডিজেল, ৰন্ধন গেছ আদিৰ দাম নিম্নগামী হৈছে। দেশবাসীয়ে ক’ভিড সংক্ৰমণৰ ফলত সন্মুখীন হোৱা কঠোৰ বিত্তীয় সংকটৰ পৰা কিছু হ’লেও সকাহ লাভ কৰা বুলি চৰ্চা হৈছে। ইয়াৰ মাজতে ক’ভিড সংক্ৰমণৰ ফলত আমদানি আৰু ৰপ্তানি ব্যৱসায় কেতবোৰ দেশত বন্ধ হৈ থকা বাবে ভাৰতত খোৱা তেলৰ দাম ঊৰ্ধ্বমুখী হৈছে। ভাৰতে প্লাম আৰু অন্যান্য তৈলজাতীয় শস্য সৰ্বাধিক পৰিমাণে ইণ্ডোনেছিয়াৰ পৰা আমদানি কৰে বুলি প্ৰকাশ পাইছে। শেহতীয়াকৈ ইণ্ডোনেছিয়াই নিজ দেশৰ তৈল শস্যৰ ৰপ্তানিৰ বাবে সকলোবোৰ নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিছে। ফলত ভাৰতে এই সামগ্ৰীসমূহ পূৰ্বৰ দৰে আমদানি কৰিবলৈ সমৰ্থ হ’ব। যোৱা কিছুদিনত সৰিয়হৰ পাক্কা ঘানী আৰু কাচ্চী ঘানীৰ তেলৰ মূল্য হ্ৰাস পাব বুলি কোৱা হৈছে। কিয়নো এক টিন পাক্কা আৰু কাচ্চী ঘানীৰ তেলৰ বিনিময়ত ৪০ টকালৈকে দাম হ্ৰাস পাইছে। আনহাতে, ইন্ধনৰ মূল্য হ্ৰাস পোৱাৰ বাবে পৰিবহণ ব্যয় কিছু পৰিমাণে নিম্নগামী হ’ব বুলি ধাৰণা কৰা হৈছে। ফলত ইন্ধনৰ দৰে খোৱা তেলৰ দাম নিম্নগামী হৈ পৰিব বুলি ব্যৱসায়ী মহলে ধাৰণা কৰিছে।




### বৰপেটা শিক্ষাখণ্ডত আৰম্ভ হ'ল গুণোৎসৱ

# বানপানীৰ বাবে বাতিল বৰপেটা শিক্ষাখণ্ডৰ ৫৩খন বিদ্যালয়ৰ গুণোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাউলী, ২৩ মে' ঃ** আজিৰ পৰা ৰাজ্যখনৰ আন কেইখনমান জিলাৰ লগতে বৰপেটা জিলাৰ বৰপেটা শিক্ষাখণ্ডত গুণোৎসৱ আৰম্ভ হৈছে । বৰপেটা শিক্ষাখণ্ডত ৩৫০ খন বিদ্যালয়ৰ মাজত গুণোৎসৱ হোৱাৰ কথা আছিল, কিন্তু বানপানীৰ বাবে ৫৩খন বিদ্যালয়ৰ গুণোৎসৱ বাতিল কৰে জিলা প্ৰশাসনে। যোৱা কিছুদিন ধৰি হোৱা নেৰে-নেপেৰা বৰষুণৰ বাবে আগতীয়া বানপানীৰ ফলত প্ৰথম অৱস্থাত শতাধিক বিদ্যালয়ৰ গুণোৎসৱ বাতিল হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছিল। কিন্তু পৰহিৰ পৰা বতৰ কিছু উন্নত হোৱাত ৫৩ খন বিদ্যালয়ৰ বাহিৰে বৰপেটা শিক্ষাখণ্ডত মুঠ ২৯৭ খন বিদ্যালয়ত আজিৰ পৰা গুণোৎসৱ আৰম্ভ হৈছে। আজি সকলো বিদ্যালয়ত স্ব-মূল্যায়ন আছিল। আজি ২৯৭ খন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ পঠন দক্ষতাৰ মৌখিক পৰীক্ষা অনুষ্ঠিত কৰে । আজি অনুষ্ঠিত হোৱা মৌখিক পৰীক্ষাত ২০২০-২১ বৰ্ষৰ দ্বিতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল পৰীক্ষাত অৱতীৰ্ণ হয়। পৰৱৰ্তী তিনিটা দিনৰ যিকোনো এদিন বহি:মূল্যায়নকাৰীসকলে প্ৰতিখন বিদ্যালয়ত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীৰ পঠন আৰু লিখন দক্ষতাৰ পৰীক্ষা অনুষ্ঠিত কৰিব। আজি অনুষ্ঠিত পৰীক্ষা অনুষ্ঠিত হয় বৰপেটা শিক্ষাখণ্ডৰ ২৯৭ খন বিদ্যালয়ৰ ভিতৰত ২০৭খন প্ৰাথমিক, ২১ খন উচ্চ প্ৰাথমিক, ১৬ খন মজলীয়া, ১২খন উচ্চ মাধ্যমিক আৰু ৪১ খন মিশ্ৰিত বিদ্যালয়ত। বানপানীৰ বাবে গুণোৎসৱ বাতিল হোৱা বিদ্যালয়কেইখন হৈছে ১৬১০ নং কাৰৈমাৰী ১২ নং ব্লক প্ৰাথমিক বিদ্যালয়, কাৰৈমাৰী আঞ্চলিক হাইস্কুল, ১৯৫২ নং গাড়ীভিটা প্ৰাথমিক বিদ্যালয়, ১৪৬৫ নং কাৰৈমাৰী ১২ নং ব্লক প্ৰাথমিক বিদ্যালয়, হানিফুল উদ্দিন প্ৰাথমিক বিদ্যালয়, ১৪৬৪ নং কাৰৈমাৰী ৩ নং ব্লক প্ৰাথমিক বিদ্যালয়, লাচিত বৰফুকন এম ই স্কুল, হাঁহচৰা উত্তৰ চুবুৰি প্ৰাথমিক বিদ্যালয়, পাকা মৌজা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যাপীঠ, বালাপাৰা আঞ্চলিক হাইস্কুল, তাপাৰবৰী প্ৰাথমিক বিদ্যালয়, ১৯৪৫ নং কৰাগাড়ী ৯ নং ব্লক আলোক প্ৰাথমিক বিদ্যালয়, ১৩৫৪/৯ কাৰৈমাৰী প্ৰাথমিক বিদ্যালয়, ১৬০৮ পানী মৰিছা প্ৰাথমিক বিদ্যালয়, জালকাৰা পশ্চিম চুপা প্ৰাথমিক বিদ্যালয়, ১১৭২ নং ঠেকা বালাপাৰা প্ৰাথমিক বিদ্যালয়, ঠেকা গাঁও প্ৰাথমিক বিদ্যালয়, ঠেকা পাথাৰ প্ৰাথমিক বিদ্যালয়, ১৩৮৭ নং কাৰৈমাৰী ৮ নং ব্লক প্ৰাথমিক বিদ্যালয়, ১১৭৯ নং এৰা বৈঠাভাংগা প্ৰাথমিক বিদ্যালয়, দক্ষিণ পাকা হাইস্কুল, ৭৪৫ নং বৈঠাভাংগা প্ৰাথমিক বিদ্যালয়, ১৭৩০ নং এৰা কাছাৰীপাৰা প্ৰাথমিক বিদ্যালয়, ১৬২০ নং এৰা কাছাৰীপাৰা প্ৰাথমিক বিদ্যালয়, বামুন্দী ৰনন জয় বালিকা প্ৰাথমিক বিদ্যালয়, ১৪৬৬ নং বিলপাৰ প্ৰাথমিক বিদ্যালয়, ১৬১৩ নং কাৰৈমাৰী ৪ নং ব্লক প্ৰাথমিক বিদ্যালয়, ৬০৭ নং মৰিপুৰ প্ৰাথমিক বিদ্যালয়, মিলন প্ৰাথমিক বিদ্যালয়, ১৬০৪ নং কাৰৈমাৰী ৬ নং ব্লক প্ৰাথমিক বিদ্যালয়, কাৰৈমাৰী অতিৰিক্ত ঘ ব্লক মাকালি প্ৰাথমিক বিদ্যালয়, কপাহৰটাৰী প্ৰাথমিক বিদ্যালয়, ৮৯৩ নং বতিয়া প্ৰাথমিক বিদ্যালয়, ১৯৫০ নং পাৰাহকুছি পাম প্ৰাথমিক বিদ্যালয়, বহুৰাম খেৰকটাৰী বড়ো মাধ্যম প্ৰাথমিক বিদ্যালয়, ১৩৭০ নং বাথানৰতাৰী প্ৰাথমিক বিদ্যালয়, নামশলা পল্লাৰ পাম প্ৰাথমিক বিদ্যালয়, ৭২৪ নং নেউলাৰভিটা প্ৰাথমিক বিদ্যালয়, ১৭৫৬ নং কাৰৈমাৰী ঘ ব্লক প্ৰাথমিক বিদ্যালয়, জনপ্ৰিয় এম ই স্কুল, ১৯৪৯নং নককে কৰাগাড়ী ঘ ব্লক, ১৩৫১ নং কাৰৈমাৰী ব্লক নং ৭ প্ৰাথমিক বিদ্যালয়, ১২৭৮ নং দক্ষিণ নলীৰ পাম প্ৰাথমিক বিদ্যালয়, হেলছা নলীৰপাম এম ই মাদ্ৰাছা, ১০৩৮ নং তেলেৰীয়া প্ৰাথমিক বিদ্যালয়, কয়াকুছি মিলন এম ই স্কুল, ১৬১৪ নং জয়ন্তীপুৰ প্ৰাথমিক বিদ্যালয়, বাগোদী পশ্চিমপাৰা প্ৰাথমিক বিদ্যালয়, দক্ষিণ পাকা ভেঞ্চাৰ প্ৰাথমিক বিদ্যালয়, ১৪৪৬ নং কাৰৈমাৰী ১০ নং ব্লক প্ৰাথমিক বিদ্যালয়, ১১ নং ব্লক কাৰৈমাৰী জীৱন লতা প্ৰাথমিক বিদ্যালয়, ১৩৮ নং এৰা প্ৰাথমিক বিদ্যালয় আৰু ১৩০০ নম্বৰ নেউলাৰভিটা প্ৰাথমিক বিদ্যালয়।





# শ্ৰীশ্ৰী তাম্ৰেশ্বৰ দেৱালয়ৰ উদ্যোগত 'ওদালগুৰি জিলা দেৱালয় সংঘ'ৰ প্ৰথম কাৰ্যনিৰ্বাহক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৩ মে' ঃ** 'ওদালগুৰি জিলা দেৱালয় সংঘ'ৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা খৈৰাবাৰীৰ দেউৰীয়াপাৰাস্থিত শ্ৰীশ্ৰী তাম্ৰেশ্বৰ দেৱালয়ৰ প্ৰাঙ্গণত আজি অনুষ্ঠিত হৈ যায়। দেৱালয় সংঘৰ জিলা সভাপতি, বিশিষ্ট পুৰোহিত, জ্যোতিষী, সুলেখক গোপাল দেৱশৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত জিলাখনৰ দহখনমান দেৱালয়ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সংঘৰ জিলা সম্পাদক কমল কুমাৰ ডেকাই আঁত ধৰা সভাখনত আহ্বায়ক সমিতিৰ হৈ আদৰণী ভাষণ ৰাখে তাম্ৰেশ্বৰ দেৱালয়ৰ নিৰ্মাণ সমিতিৰ সদস্য ডঃ পৱিত্ৰ শৰ্মাই । সভাৰ বিভিন্ন কাৰ্যসূচীৰ প্ৰসংগত গঠনমূলক বক্তব্য আগবঢ়ায় ক্ৰমে জিলা দেৱালয় সংঘৰ উপদেষ্টা- মূৰাদেৱৰ দেৱালয়ৰ প্ৰতিনিধি শুকুৰাম বড়ো, শ্ৰীশ্ৰী তাম্ৰেশ্বৰ দেৱালয় পৰিচালনা সমিতিৰ সভাপতি ইন্দ্ৰ বড়ো, বসুন্ধৰ কছাৰী, ভাঙাবৰুৱা শিৱ মন্দিৰৰ কৃষ্ণকান্ত ডেকা, মূৰা দেৱালয়ৰ তৰুণ মেধি, মুক্তেশ্বৰী দেৱালয়ৰ জ্যোতিষ বৰ্মন, দমৰাপোটা শিৱ মন্দিৰৰ পোহৰ চন্দ্ৰ কেওট, বেংবাৰী শিৱলিংগ মন্দিৰৰ প্ৰণৱ ৰাভা, বাসুদেৱ থানৰ জয়পতি চহৰীয়া, খাচবোকোৰাঝাৰ কেঁচাইখাইতী থানৰ ফুলেন হাজৰিকা , খৈৰাবাৰী বাবাজী মন্দিৰৰ মন্টু বসুমতাৰীকে আদি কৰি বহুকেইজন গুণী-জ্ঞানী ব্যক্তিয়ে। সভাত জিলা সংঘক পৰিচালনা কৰাত সুচল কৰি তুলিবলৈ এখন সংবিধান নিয়মাৱলী প্ৰস্তুত কৰা, জিলা দেৱালয় সংঘৰ স্থায়ী কাৰ্যালয় স্থাপন কৰা, দেৱালয়সমূহৰ ইতিহাস সম্বলিত গ্ৰন্থ/স্মৃতিগ্ৰন্থ বছৰেকীয়াভাৱে প্ৰকাশ কৰা, জিলা কৰ্ণধাৰ সমিতি গঠন কৰা, দেৱালয়সমূহৰ ভিন্ন আৰু স্বকীয় পৰম্পৰা অক্ষুণ্ণ ৰাখি প্ৰতি দেৱালয়ৰ পূজাপদ্ধতি সম্পৰ্কে সুকীয়াকৈ কৰ্মশালাৰ আয়োজন কৰা, জিলা সংঘৰ নামত পেড-মোহৰ বনোৱা, আজি পৰ্যন্ত দেৱালয় সংঘৰ বাহিৰত থকা/আঁতৰি থকা জিলাখনৰ প্ৰাচীন ধৰ্মীয় অনুষ্ঠানসমূহক এখন মঞ্চত একত্ৰিত কৰা, পৰৱৰ্তী ২য়খন কাৰ্যনিৰ্বাহক সভা অডলাৰ মুক্তেশ্বৰী দেৱালয়ত জুলাই মাহত অনুষ্ঠিত কৰাৰ সৰ্বসন্মতিক্ৰমে কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

### মহৰ্ষি নাৰদ জয়ন্তী উপলক্ষে বিশ্ব সংবাদ কেন্দ্ৰ, অসমৰ বক্তৃতানুষ্ঠান

# মহৰ্ষি নাৰদ জয়ন্তী বঁটা-২০২২ 'আমাৰ অসম' কাকতৰ ডেপুটী এডিটৰ গৌতম শৰ্মালৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ মে' ঃ** 'দেশ তথা সমাজৰ প্ৰতিকূল পৰিস্থিতিত ৰাইজক সজাগ আৰু সতৰ্ক কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সংবাদ মাধ্যমে। বিশ্বৰ প্ৰথমগৰাকী সাংবাদিক মহৰ্ষি নাৰদ মহাপ্ৰভুৱেও সমাজক সজাগ-সচেতন কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। এনে এক ভাবাদৰ্শৰে বিশ্ব সংবাদ কেন্দ্ৰ, অসমে প্ৰতিবছৰে মহৰ্ষি নাৰদ জয়ন্তী উদ্‌যাপন কৰি এক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে এগৰাকী বিশিষ্ট সাংবাদিকক মহৰ্ষি নাৰদ জয়ন্তী বঁটা দুই-চাৰিগৰাকী সাংবাদিকক ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰি আহিছে। এই উদ্দেশ্য আগত ৰাখি এইবেলি মহৰ্ষি নাৰদ জয়ন্তী বঁটা-২০২২ বৰ্ষৰ বাবে নিৰ্বাচিত হয় 'আমাৰ অসম' কাকতৰ ডেপুটী এডিটৰ, বিশিষ্ট সাংবাদিক গৌতম শৰ্মা। আনহাতে, নাৰদ জয়ন্তী উপলক্ষে অসমৰ তিনিগৰাকী সাংবাদিকক বিশেষভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ কথা ঘোষণা কৰিছে বিশ্ব সংবাদ কেন্দ্ৰ, অসমৰ সম্পাদক কিশোৰ শিৱমে। এক প্ৰেছ বাৰ্তা যোগে বিশ্ব সংবাদ কেন্দ্ৰ, অসমৰ সম্পাদক কিশোৰ শিৱমে জানিবলৈ দিয়া অনুসৰি, নাৰদ জয়ন্তী উপলক্ষে বিশেষভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰিবলগীয়া তিনিগৰাকী সাংবাদিক ক্ৰমে 'নিউজ লাইভ'ৰ জ্যেষ্ঠ সাংবাদিক প্ৰাঞ্জল বৰুৱা, 'অসমীয়া খবৰ' কাকতৰ জ্যেষ্ঠ উপ-সম্পাদক অৰুণিমা কলিতা আৰু 'অসমীয়া প্ৰতিদিন' কাকতৰ জ্যেষ্ঠ ষ্টাফ ৰিপোৰ্টাৰ হেমেন বৰ্মন। আনহাতে মহৰ্ষি নাৰদৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰৰ দৰে এইবেলিও বিশ্ব সংবাদ কেন্দ্ৰ, অসমৰ উদ্যোগত অহা ২ জুন, বৃহস্পতিবাৰে আবেলি ৩ বজাত গুৱাহাটীৰ বৰবাৰীস্থ সুদৰ্শনালয়ত আয়োজন কৰা হৈছে এক বক্তৃতানুষ্ঠানৰ । উক্ত অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকিব সাপ্তাহিক অৰ্গেনাইজাৰৰ সম্পাদক প্ৰফুল্ল কেটকাৰ। উক্ত অনুষ্ঠানতে নাৰদ জয়ন্তী বঁটা-২০২২ প্ৰদান কৰাৰ লগতে আন তিনিগৰাকী সাংবাদিকক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হ'ব। উল্লেখ্য, মহৰ্ষি নাৰদ জয়ন্তী বঁটাত নগদ ধনৰ লগতে মানপত্ৰ প্ৰদান কৰা হ'ব বুলি বিশ্ব সংবাদ কেন্দ্ৰ, অসমৰ সম্পাদকগৰাকীয়ে জানিবলৈ দিছে।

# গহপুৰৰ কলাবাৰীৰ দেৱাৰ্শনা বৰাৰ সফলতা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুবিয়া, ২৩ মে' ঃ** চিকিৎসা বিজ্ঞানৰ এম বি বি এছ পাঠ্যক্ৰমৰ স্নাতক ডিগ্ৰীৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সমগ্ৰ গহপুৰ মহকুমালৈ গৌৰৱ কঢ়িয়াই আনিছে দেৱাৰ্শনা বৰাই। দেৱাৰ্শনা এগৰাকী প্ৰবল আত্মবিশ্বাসী, কঠোৰ পৰিশ্ৰমী আৰু অতি মেধাৱী ছাত্ৰী। চিকিৎসা বিজ্ঞানৰ দৰে মহান সেৱাৰ পথ বাছি লৈ সমাজৰ বাবে কিবা এটা কৰাৰ প্ৰবল ইচ্ছা দেৱাৰ্শনাৰ। এনে সফলতাৰ বাবে সমগ্ৰ গহপুৰবাসী গৌৰৱান্বিত হৈছে। মানৱ সেৱাৰ বাবে আগবাঢ়ি অহা দেৱাৰ্শনা বৰা হ'ল গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰা আৰু সৰস্বতী বৰাৰ জ্যেষ্ঠ কন্যা। গহপুৰৰ বিভিন্ন দল-সংগঠন, ব্যক্তি আৰু বৌদ্ধিক সমাজে তেওঁৰ এই কৃতিত্বৰ বাবে দেৱাৰ্শনা বৰাক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

# আইন-শৃংখলা নিয়ন্ত্ৰণত ব্যৰ্থ হৈছে গৃহ বিভাগ বটদ্ৰৱা-কাণ্ডক লৈ পিএফআইৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৩ মে' ঃ** নগাঁও জিলাৰ বটদ্ৰৱা থানাত আৰক্ষীৰ জিম্মাত থকা এজন ব্যক্তিৰ মৃত্যু হোৱাক লৈ যি অপ্ৰীতিকৰ ঘটনা সংঘটিত হৈছে সেয়া অতিকৈ দুৰ্ভাগ্যজনক আৰু নিন্দনীয়। এই ঘটনাৰ সঠিক তদন্ত কৰি প্ৰকৃত অপৰাধীক শাস্তি দিবলৈ দাবী জনাই আজি সংবাদ মাধ্যমলৈ এক বিবৃতি প্ৰেৰণ কৰে পপুলাৰ ফ্ৰন্ট অৱ ইণ্ডিয়া, চমুকৈ পিএফআইৰ অসম ৰাজ্যিক সভাপতি আবুশামা আহমেদে। বিবৃতিত আহমেদে কয় যে বটদ্ৰৱাৰ ঘটনাৰ লগত পিএফআই জড়িত বুলি শাসকপক্ষই যি অভিযোগ আনিছে সেয়া গোকাট মিছা কথা । পিএফআয়ে কেতিয়াও কোনো সমাজবিৰোধী কাৰ্যত জড়িত নাথাকে বা তেনে কাৰ্যক সমৰ্থনো নকৰে। তাৰ পাছতো অসম চৰকাৰৰ বৰমূৰীয়াসকলে মাজে-সময়ে পিএফআইৰ নামত কিছুমান ভিত্তিহীন অভিযোগ আনি সংগঠনটোক ৰাইজৰ চকুত হেয় কৰিবলৈ অপচেষ্টা কৰি অহা দেখা গৈছে । আৰ এছ এছ নেতৃত্বাধীন বিজেপি চৰকাৰে মিছা আস্ফালন কৰি ৰাইজক বিভ্ৰান্ত কৰিবলৈ অপচেষ্টা কৰিছে বুলি কৈ চৰকাৰখনক এনে নিকৃষ্ট কাৰ্যৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিয়ে। বটদ্ৰৱা থানাত যি অনাকাংক্ষিত ঘটনা হ'ল তাৰ প্ৰকৃত কাৰণ আৰক্ষীৰ কৰ্মকাণ্ড বুলি অভিযোগ আনি ঘটনাৰ ন্যায়িক তদন্তৰ দাবী জনোৱাৰ লগতে দোষী আৰক্ষীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈও দাবী জনায় সংগঠনটোৰ সভাপতিজনে । তেওঁ আৰু কয় যে আইন হাতত তুলি লোৱাৰ অধিকাৰ কাৰো নাই, থানা জ্বলোৱাত জড়িত প্ৰকৃত দোষীৰ ওপৰত আইনী ব্যৱস্থা লোৱা হওক। কিন্তু তাৰ বিপৰীতে দেখা গৈছে ভাৰতবৰ্ষৰ নিচিনা এখন কল্যাণকামী ৰাষ্ট্ৰৰ ৰাজ্য চৰকাৰখনে প্ৰতিশোধমূলকভাৱে সাধাৰণ নাগৰিকৰ বাসগৃহত বুলড'জাৰ চলাই ঘৰ-দুৱাৰ ধ্বংস কৰিছে, সেয়া কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। ই গৰিহণাযোগ্য। তদুপৰি আৰক্ষীৰ জিম্মাত থাকোতে আচামীজনৰ কেনেকৈ মৃত্যু হ'ব পাৰে বুলি প্ৰশ্ন কৰি তেওঁ সমগ্ৰ ঘটনাৰ এক উচ্চ পৰ্যায়ৰ ন্যায়িক তদন্তৰ দাবী জনাই কয় যে আইন-শৃংখলা ৰক্ষা কৰাৰ ক্ষেত্ৰত চৰকাৰে সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। নহ'লে সাধাৰণ কিছু ৰাইজে এখন থানা কেনেকৈ জ্বলাই দিব পাৰিলে, অৱশ্যে সেয়াও এক ৰহস্যজনক, সেয়ে এই বিষয়টোও তদন্তৰ আওতাত আনি আৰক্ষী প্ৰশাসনৰ বিৰুদ্ধেও কঠোৰ আইনী ব্যৱস্থা লোৱা হওক।

### ড্ৰাগ্ছ ব্যৱসায়ীক কঠোৰ সকীয়নি বৰপেটা আৰক্ষীৰ

# 'ড্ৰাগ্ছ এৰক নাইবা আত্মসমৰ্পণ কৰক'

### ভেল্লা, পালহাজীত ড্ৰাগ্ছৰ বিৰুদ্ধে বাটৰ নাট প্ৰদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৩ মে' ঃ** ড্ৰাগ্ছৰ বিৰুদ্ধে অধিক সৰৱ হোৱা পৰিলক্ষিত হৈছে বৰপেটা আৰক্ষীক। ড্ৰাগ্ছমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে ড্ৰাগ্ছ ব্যৱসায়ীক কঠোৰ সকীয়নি প্ৰদান কৰিছে বৰপেটা আৰক্ষীয়ে। ড্ৰাগ্ছ সেৱনকাৰী, ব্যৱসায়ীসকলে ড্ৰাগ্ছৰ সৈতে সম্পৰ্ক এৰিব লাগিব নতুবা আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰিব লাগিব বুলি কঠোৰ সকীয়নি প্ৰদান কৰে আজি। ড্ৰাগ্ছৰ বিৰুদ্ধে সজাগতামূলক অভিযান চলাই আজি ভেল্লা, পালহাজীত বাটৰ নাট প্ৰদৰ্শনেৰে এই সকীয়নি প্ৰদান কৰে বৰপেটা আৰক্ষীয়ে। বৰপেটা আৰক্ষী প্ৰশাসনৰ উদ্যোগত আৰু মানৱ সমাজ কল্যাণ সমিতিৰ সহযোগত প্ৰদৰ্শিত বাটৰ নাটে ৰাইজক অভিভূত কৰে। বাটৰ নাটৰ অন্তত বৰপেটা সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জন দলেই ড্ৰাগ্ছৰ বিৰুদ্ধে ৰাইজক সজাগ হোৱাৰ লগতে ড্ৰাগ্ছৰ সৈতে জড়িত থকা ব্যক্তিৰ খবৰ পালে আৰক্ষীক জনাবলৈ আহ্বান জনায়। আৰক্ষীৰ এই সজাগতামূলক অভিযানৰ শলাগ লৈ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ লগতে বাটৰ নাটত অভিনয় কৰা শিল্পীক ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় বৃহত্তৰ ভেল্লা প্ৰেছ ক্লাবৰ সভাপতি আজিজুল হক, সম্পাদক চাইজুৰ ৰহমানৰ লগতে মুকুত আলী, ভেল্লা আঞ্চলিক মদ-জুৱা নিবাৰণী সমিতিৰ বিষয়ববীয়া খাইৰাত আলীসহ আন বহুতে। সজাগতা সভাখনত বৰপেটা আৰক্ষী অধীক্ষক অমিতাভ সিন্‌হা, অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰদীপ শইকীয়া, উপ-আৰক্ষী মদন কলিতাসহ বৰপেটা আৰক্ষীৰ বহুকেইগৰাকী বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# অসমৰ বানাক্ৰান্ত কৃষক আৰু কৃষিৰ সৈতে জড়িত লোকসকলৰ বাবে ৪,০০০ কোটি টকাৰ পেকেজ ঘোষণাৰ দাবী সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৩ মে' ঃ** যি সময়ত ৰাজ্যখনত এইবাৰৰ প্ৰলয়ংকৰী জেঠমহীয়া বানে প্ৰায় দুই লক্ষাধিক কৃষক তথা কৃষিৰ সৈতে জড়িত লোকে বিভিন্ন সমস্যাত জুৰুলা হৈ চকুত সৰিয়হ ফুল দেখা পৰিলক্ষিত হৈছে। বানাক্ৰান্ত কৃষকসকলৰ বৰোধানৰ লগতে শাক-পাচলিকে ধৰি অন্যান্য উদ্যানশস্য অভিশপ্ত বানে বিধ্বস্ত কৰি পেলাইছে। ৰাজ্য চৰকাৰে উদ্ধাৰ অভিযানৰ লগতে ত্ৰাণ সামগ্ৰী বিতৰণৰ কাম অব্যাহত ৰাখিছে যদিও প্ৰকৃতিৰ তাণ্ডৱ লাহে লাহে বৃদ্ধি পাব ধৰাত চৰকাৰৰ জলসম্পদ বিভাগ এক জটিল সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। এইবাৰৰ বানত বিধ্বস্ত হোৱা কৃষক, কৃষি ব্যৱসায়ী আৰু কৃষিৰ লগত পৰোক্ষভাৱে জড়িত লোক সখলৰ এতিয়া প্ৰয়োজন পৰ্যাপ্ত পৰিমাণৰ সাহায্য সামগ্ৰীৰ। আজি এক যুটীয়া প্ৰেছ বিবৃতিত এইদৰে মন্তব্য কৰে সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ সভাপতি সাহেদ আহমেদ চৌধুৰী আৰু সম্পাদক প্ৰধান বীৰেন গগৈয়ে। বিবৃতিটোত আৰু কয় যে ৰাজ্যখনৰ বানাক্ৰান্ত কৃষক, কৃষি ব্যৱসায়ী আৰু পৰোক্ষভাৱে জড়িত লোকসকলক পুনৰ সংস্থাপন, পৰ্যাপ্ত পৰিমাণে সাহায্য প্ৰদান, ৰাস্তা-ঘাট আৰু দলং আদি পুনৰ নিৰ্মাণ, ক্ষতিপুৰণ আদিৰ বাবে কেন্দ্ৰীয় চৰকাৰে নিম্নতম ৪,০০০ কোটি টকাৰ বিশেষ পেকেজ ঘোষণা কৰিব লাগে। ইমানখিনি টকাৰ বিশেষ পেকেজ ঘোষণা কৰিলেহে বানত বিধ্বস্ত লোকসকলৰ সমস্যা সমাধান হোৱাটো সম্ভৱ হ'ব বুলি ভাবিছো। বানাক্ৰান্ত লোকলৈ সহায়ৰ হাত আগবঢ়োৱাৰ ক্ষেত্ৰত আমি চৰকাৰক শ্ৰমদানেৰে পূৰ্ণ সহযোগ কৰিবলৈ মানসিকভাৱে প্ৰস্তুত হৈ আছো। ৰাজ্যখনৰ কেইটামান জিলাৰ বাদে সকলো জিলাত সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ জিলা শাখা সমিতি আছে।

# পাটিঙ্গাতোলাত জাইল'ৰ খুন্দাত দুই মটৰচাইকেল আৰোহী গুৰুতৰভাৱে আহত

### সংকটজনক অৱস্থাত গোৱালপাৰালৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ২৩ মে' ঃ** আজি দিনৰ প্ৰায় ১ বজাত মানকাচৰৰ পাটিঙ্গাতোলাত এখন জাইল' গাড়ীৰ খুন্ধাত দুজন বাইক আৰোহী গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে মানকাচৰৰ কালাপানী আৰক্ষী চকী এলেকাৰ পাটিঙ্গাতোলাত এখন জাইল' গাড়ীয়ে এম এল-০৮ই-৩৪৬৭ নম্বৰৰ মটৰচাইকেলক পিছফালৰ পৰা খুন্দা মাৰে। কালাপানীৰ পৰা দিয়াৰা অভিমুখে গৈ থকা মটৰচাইকেলক জাইল' গাড়ীখনে পিছফালৰ পৰা খুন্দা মৰাৰ ফলত মটৰচাইকেলখন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত বাগৰি পৰি ছাইফুল ইছলাম আৰু ছকিবৰ ৰহমান নামৰ দুজন ব্যক্তি গুৰুতৰভাৱে আহত হয়। জাইল' গাড়ীখন মটৰচাইকেলখনত খুন্দা মাৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে বুলি জানিব পৰা গৈছে। গুৰুতৰভাৱে আহত দুয়োকে ততাতৈয়াকৈ গজাৰিকান্দি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰাই প্ৰাথমিক চিকিৎসা প্ৰদান কৰা হয়। দুয়োৰে অৱস্থা অতি সংকটজনক হোৱা বাবে উন্নত চিকিৎসাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণ কৰা হয়। ঘটনাস্থলীত কালাপানী আৰক্ষী উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। দুৰ্ঘটনা সংঘটিত কৰি জাইল' গাড়ীখনে পলায়ন কৰে, কিন্তু আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

**LOST**

I have lost my HSLC Marksheet,Roll-0172, No.10291 date 02/06/2016.

**Satish Boro**
Halikuchi Tulsibari,
Kamrup-781376

**NIT no.KW/CW/APFBC Phase-II/ 2022/2683**

**CORRIGENDUM**

Duo to some unavoidable circumstances the date of opening of tender vide NIT no. KW/ CW/APFBC Phase-II/ 2022/2428,dated 04.05.2022 is hereby extended up to **27/05/ 2022.**

Sd/-
(Smti. Dimpi Bora, IFS)
**Divisional Forest Officer, Kamrup West Division Bamunigaon**

Janasanyog /C/2960/22

# ধুবুৰী কংগ্ৰেছ কমিটীৰ সাংগঠনিক সভা




**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৩ মে' ঃ** ধুবুৰী জিলা কংগ্ৰেছ কমিটীৰ ৰাজীৱ ভৱনত দলীয় সাংগঠনিক বিষয় আৰু দলৰ সাংগঠনিক নিৰ্বাচন সম্পৰ্কত এখন সভা অনুষ্ঠিত হয় । ধুবুৰী জিলা কংগ্ৰেছৰ সন্মানীয় সভাপতি ছামছুল ইছলাম ডাঙৰীয়াৰ নেতৃত্বত অনুষ্ঠিত হোৱা সভাখনত উপস্থিত থাকে জিলা নিৰ্বাচনী তত্ত্বাৱধায়ক বিষয়া কামাখ্যা সিং ডাঙৰীয়া, গোলকগঞ্জ সমষ্টিৰ মাননীয় বিধায়ক ছুবাহান আলী চৰকাৰ, ধুবুৰী জিলা কংগ্ৰেছ কমিটীৰ তত্ত্বাৱধায়ক এপিচিচিৰ সাধাৰণ সম্পাদক ৰাজেশ যোশী, উপ-সভানেত্ৰী জেনিফা ৰহমান, সম্পাদক ৰফিকুল ইছলাম, যুটীয়া সম্পাদক জিন্টু হাজৰিকাকে ধৰি ধুবুৰী জিলা কংগ্ৰেছ কমিটীৰ সমূহ বিষয়ববীয়া, ব্লক কংগ্ৰেছৰ সভাপতি, মণ্ডল কংগ্ৰেছৰ সভাপতি, যুৱ কংগ্ৰেছ, এন এছ ইউ আই সমূহ নেতৃবৃন্দ উপস্থিত থাকে।

# বাসুগাঁও ছিনিয়ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাত হিচাপ পৰীক্ষা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাসুগাঁও, ২৩ মে' ঃ** বাসুগাঁও চিনিয়ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰথমখন সভা যোৱা ২২মেত বাসুগাঁও কলেজত অনুষ্ঠিত হয়।পূৰ্বৰ সভাপতি তথা বাসুগাঁও কলেজৰ গৱৰ্ণিং কমিটীৰ সভাপতি দেৰহাসাৎ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত নতুন সমিতিক দায়িত্বভাৰ অৰ্পণ কৰিবলৈ লোৱাত নৱগঠিত পৰিচালনা সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক জয়ন্ত বসুমতাৰীয়ে বিদ্যালয়ৰ হিচাপ পৰীক্ষা অবিহনে দায়িত্ব গ্ৰহণ কৰাত অপাৰগতা প্ৰকাশ কৰে। সভাপতি বসুমতাৰীয়ে কলেজৰ অধ্যক্ষ ডঃ ৰণেন মুছাহাৰীৰ সহযোগিতাৰে আৰু বিদ্যালয়ৰ গাণনিক তথা কাৰ্যালয়ৰ সহায়কক অহা ১০ দিনৰ ভিতৰত হিচাপ পৰীক্ষা কাৰ্য সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। সভাতেই পৰিচালনা সমিতিৰ তিনিগৰাকী সদস্য ক্ৰমে দেৱেন ৰায়, প্ৰদীপ দত্ত আৰু ৰবীন বড়োক হিচাপ পৰীক্ষক হিচাপে মনোনীত কৰা হয়। সভাত বাসুগাঁও ছিনিয়ৰ উচ্চতৰ মাধ্যমিক স্কুলৰ সুকীয়া অধ্যক্ষ মাংফুঙছাৰ বসুমতাৰীক দায়িত্ব দিয়া হয় যদিও বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোটে বিষয়টো এৰাই চলা দেখা যায়। হিচাপ পৰীক্ষা সম্পন্নৰ লগতে সভাপতি তথা বিধায়কৰ সন্মতি সাপেক্ষে পৰৱৰ্তী সভাখন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়।

# ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক থানেশ্বৰ বৰাৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৩ মে' ঃ** বিশিষ্ট সমাজকৰ্মী তথা ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, ডিব্ৰুগড় উদয়পুৰৰ নিবাসী থানেশ্বৰ বৰাই দিল্লীস্থিত ইন্দ্ৰপ্ৰস্থ এপল' হাস্পতালত আজি বিয়লি ৪ বজাত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত থানেশ্বৰ বৰাৰ বয়স আছিল ৭৩ বছৰ। প্ৰায় দুটা সপ্তাহ ধৰি যকৃৎ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল বৰা। তেখেতৰ উন্নত চিকিৎসাৰ বাবে দেওবাৰে দিল্লীলৈ লৈ যোৱা হৈছিল। উল্লেখ্য যে প্ৰয়াত সমাজকৰ্মী থানেশ্বৰ বৰা সদৌ অসম নামঘৰ সমন্বয় সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি হোৱাৰ উপৰি বৰ অসম নাট্যগোষ্ঠীৰ আহ্বায়কৰ দায়িত্বত আছিল। লগতে বহু সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰেও জড়িত আছিল। মৃত্যুৰ সময়ত বৰাই এনডি২৪ নিউজ চেনেলৰ স্বত্বাধিকাৰী তথা একমাত্ৰ পুত্ৰ কিশোৰ বৰা, বোৱাৰী, নাতি-নাতিনীৰ লগতে দুগৰাকী বিবাহিতা কন্যাক ইহসংসাৰত এৰি থৈ গৈছে।

# বৰপেটাৰোডত ড্ৰাগ্ছসহ তিনিজন যুৱকক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৩ মে' ঃ** দেওবাৰে বৰপেটাৰোডত ২৮টা কন্টেনাৰ ভৰ্তি ড্ৰাগ্ছসহ তিনিজন যুৱকক আৰক্ষীয়ে আটক কৰে। আটকাধীন যুৱক তিনিজন শ্বফি আলম, মুজামুল উদ্দিন আৰু সিদ্ধাৰ্থ ব্ৰহ্ম বুলি জানিব পৰা গৈছে। বৰপেটাৰোড চহৰৰ ২ নং ৱাৰ্ডত ভাৰাতীয়া হিচাপে থকা সিদ্ধাৰ্থ ব্ৰহ্মৰ পৰা বাক্সাৰ শালবাৰীৰ ভকুৱামাৰী গাঁৱৰ দুই যুৱক শ্বফি আলম, মুজামুল উদ্দিনে ড্ৰাগ্ছ ক্ৰয় কৰিবলৈ আহিছিল । সেই সময়ত যুৱক তিনিজনৰ লগত কিবা কথাক লৈ কাজিয়া হৈছিল। স্থানীয় লোকে কাজিয়া প্ৰত্যক্ষ কৰি সোধাপোছা কৰাত ড্ৰাগ্ছ ব্যৱসায়ী বুলি উমান পাই বৰপেটাৰোড আৰক্ষীক খবৰ দিয়ে । আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ যুৱক তিনিজনক আটক কৰাৰ লগতে যুৱক তিনিজনৰ পৰা ৪৮.২১ গ্ৰাম ড্ৰাগ্ছ উদ্ধাৰ কৰে । ড্ৰাগ্ছৰ ব্যৱসায় কৰা যুৱক তিনিজনৰ পৰা ২৮টা কন্টেনাৰ ভৰ্তি ড্ৰাগ্ছ, ২টা মোবাইল ফোন আৰু এখন বাইকো জব্দ কৰে আৰক্ষীয়ে।



## ৰাশিফলত আজিৰ দিনটো

**৯ জেঠ, মঙলবাৰ, ২৪ মে', ১৪২৯ ভাস্কৰাব্দ, তিথি ঃ কৃষ্ণা নৱমী, নক্ষত্ৰ ঃ পূৰ্বভাদ্ৰপদ, জন্ম ৰাশি ঃ কুম্ভ সূৰ্যোদয়- ৪-৩৬-১৮ সূৰ্যাস্ত- ৬-১-৩৯**



■ **মেষ** ঃ কৰ্ম লাভ ■ **বৃষ** ঃ সন্মান লাভ ■ **মিথুন** ঃ বন্ধুৰ সহায় ■ **কৰ্কট** ঃ উদ্বিগ্নতা ■ **সিংহ** ঃ ক্ৰীড়াত শুভ ■ **কন্যা** ঃ কৰ্মফল লাভ ■ **তুলা** ঃ কৃতকাৰ্যতা ■ **বৃশ্চিক** ঃ অপমানিত ■ **ধনু** ঃ সমস্যা সমাধান ■ **মকৰ** ঃ দ্ৰব্য লাভ ■ **কুম্ভ** ঃ কৃষিত জটিলতা ■ **মীন** ঃ অযথা ব্যয়।

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
২৪ মে', ২০২২ ■ মঙ্গলবাৰ ■ গুৱাহাটী ■ ৯ জেঠ, ১৯৪৪ শক


## কৰৰা মিনি ষ্টেডিয়ামত হিতাধিকাৰীৰ মাজত প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু মাইক্ৰ'ফাইনেঞ্চৰ চেক বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২৩ মে' ঃ** যোৱা বিধান সভা নিৰ্বাচনৰ প্ৰত্যেকেখন নিৰ্বাচনী সভাত ডঃ হিমন্ত বিশ্ব শৰ্মাই মাইক্ৰফাইনেঞ্চৰ ঋণ ৰেহাই কৰাৰ কথা ঘোষণা কৰিছিল।বৰ্তমান হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে নিৰ্বাচনী সভাত দিয়া প্ৰতিশ্ৰুতি সমূহ এতিয়া আখৰে আখৰে পালন কৰিবলৈ সক্ষম হৈছে। ৰাজ্যৰ আন আন প্ৰান্তৰ দৰে কমলপুৰ বিধানসভা সমষ্টিৰ কৰৰাত মিনি ষ্টেডিয়ামত আজি অসম মাইক্ৰফাইনেঞ্চ উদগনি আৰু সকাহ আঁচনি ২০২১ আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ ২০২১-২২ বৰ্ষৰ সজগতা আৰু হিতাধিকাৰী পত্ৰ প্ৰদান অনুষ্ঠান আয়োজন কৰা হয়।সমষ্টিটোৰ প্ৰায় ৮ হাজাৰ লোকৰ মাজত মাইক্ৰফাইঞ্চৰ চেক হিতাধিকাৰীৰ মাজত বিতৰণ কৰা হয়।ইয়াৰে কমলপুৰ বিজেপি মণ্ডলত ৩৮১২ গৰাকী আৰু বিহদিয়া জাজীকোণা মণ্ডলত ৪৯৭৯ গৰাকীক চেক প্ৰদান কৰা হয়। আনহাতে প্ৰধানমন্ত্ৰী আৱাস গৃহ বিহদিয়া জাজিকোণা উন্নয়ন খণ্ডত ৩৮৭৯ গৰাকী আৰু কমলপুৰ উন্নয়ন খণ্ডত ২৬৭৩ গৰাকী হিতাধীকাৰীয়ে প্ৰথম কিস্তিৰ অনুদান বত্ৰিশ হাজাৰ টকাৰ চেক লাভ কৰে। বিধায়ক দিগন্ত কলিতাই হিতাধীকাৰীসকলক উদ্দেশি কয় যে তেওঁলোকে যাতে কোনো দালালক প্ৰশ্ৰয় নিদিয়ে আৰু যদিহে কোনো ব্যক্তি ধনৰ লেন দেনত জড়িত হয় তেনেহলে দিওঁতা আৰু লঞ্জওঁতাজনো সমানে দায়ী হব। লগতে জেললৈ যাব বুলি সকিয়নী প্ৰদান কৰে বিধায়ক দিগন্ত কলিতাই।আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে অসম চৰকাৰৰ পৰিবহণ আৰু উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু মংগলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শঞ্জইকীয়া,কামৰূপ জিলা উন্নয়ন আয়ুক্ত নৰসিং বে ,প্ৰকল্প সঞ্চালক পৰাগ কাকতি ,ৰঙিয়া মহকুমাধিপতি ৰাহুল সুৰেশ,জিলা কাৰ্যবাহী বিষয়া অপূৰ্ব বৰুৱা ,কমলপুৰ ৰাজহ চক্ৰ বিষয়া পৰিক্ষীত ফুকন ,কমলপুৰ খণ্ড উন্নয়ন বিষয়া কান্তা কাকতি,বিহদিয়া জাজিকোণা খণ্ড উন্নয়ন বিষয়া হেমন্ত ডেকাৰ লগতে কমলপুৰ মণ্ডল বিজেপি সভাপতি কুমুদ কাকতি আৰু বিহদিয়া জাজিকোণা মণ্ডল সভাপতি উমেশ ডেকা উপস্থিত থাকে।

**সম্পূৰ্ণ হোৱাৰ দিশে আমগুৰি সৌৰপ্ৰকল্প**

# চলিত মাহতে আমগুৰি সৌৰশক্তি প্ৰকল্প উদ্বোধন কৰিব মুখ্যমন্ত্ৰীয়ে ঃ ব্যাপক প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ২৩ মে' ঃ** বহুপ্ৰতিক্ষিত আমগুৰি সৌৰপ্ৰকল্প সম্পূৰ্ণ হোৱাৰ দিশে। আমগুৰিৰ ৰাজনীতিত বিশেষ চৰ্চিত, ভোটবেংকৰ ৰাজনীতিলৈ পৰ্যবেসিত হোৱা আমগুৰি তাপ বিদ্যুত প্ৰকল্পৰ বিকল্প হিচাপে আমগুৰি সৌৰশক্তি প্ৰকল্পৰ ৮০ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। চলিত মাহতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৭০ মেগাৱট ক্ষমতা সম্পন্ন প্ৰকল্পৰ উদ্বোধন কৰিব । উল্লেখ্য যে ১৯৯০ চনৰ পৰাই চৰ্চাত থকা আমগুৰি লালিম চাপৰিত এই প্ৰকল্পটো অৱশেষত পৰিবৰ্তিত ৰূপত সম্পূৰ্ণ কৰি তোলা হৈছে। ১৯৯০ চনত তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই আমগুৰিত তাপ বিদ্যুত প্ৰকল্পৰ বাবে আধাৰ শিলা স্থাপন কৰিছিল । প্ৰথম পৰ্যায়ত তাপ বিদ্যুত প্ৰকল্পৰ মাটি অধিগ্ৰহণকে ধৰি অফিচৰ কাম-কাজ চলিছিল যদিও চৰকাৰ সলনি হোৱাৰ পিছতে তাপ বিদ্যুত প্ৰকল্প গেঠেলা মাৰে। পৰৱৰ্তী সময়ত প্ৰত্যেক পাঁচ বছৰৰ অন্তত নিৰ্বাচনৰ সময়ত প্ৰতিটো ৰাজনৈতিক দলেই তাপ বিদ্যুত প্ৰকল্পক ঢাল হিচাপে ব্যৱহাৰ কৰি আহিছিল। ৰাজনৈতিক অৰিয়াঅৰিত প্ৰকল্পটো হৈ নুঠিল। পৰৱৰ্ত্তী সময়ত ইয়াক সৌৰপ্ৰকল্পলৈ পৰিবৰ্তন কৰা হয়। ইয়াৰ পাচত ২০১৯ চনৰ ২৭ ফেব্ৰুৱাৰীত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালে ইয়াৰ আধাৰশিলা স্থাপন কৰে আৰু ৭০ মেগাৱট ক্ষমতা সম্পন্ন প্ৰকল্পৰ এই প্ৰকল্পৰ কাম দিল্লীস্থ জেকচন কোম্পানীক নিৰ্মাণৰ দায়িত্ব অৰ্পন কৰে। উল্লেখযোগ্য যে আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাই তেওঁৰ ৰাজনৈতিক জীৱনৰ আৰম্ভণীৰ পৰাই এই প্ৰকল্পৰ বাবে অক্লান্ত ভাবে চেষ্টা অব্যাহত ৰাখিছে। কংগ্ৰেছ চৰকাৰৰ দিনত প্ৰকল্পটো ইয়াৰ পৰা লৈ যোৱাৰ এক ষড়যন্ত্ৰও কৰা হৈছিল । সেই সময়ত কেৱল ৰাজনৈতিক কাৰনতে প্ৰকল্প সম্পূৰ্ণ হৈ নুঠিল। বিজেপি চৰকাৰে কাৰ্যভাৰ লোৱাৰ পাচৰ পৰা প্ৰকল্পৰ কাম তৰান্বিত হয় আৰু অসম ৰাজ্যিক বিদ্যুত পৰিষদে (উৎপাদন) ইয়াৰ নিৰ্মাণৰ বাবে জেকচন কোম্পানীক দায়িত্ব দিয়ে। কোম্পানীটোৱে কাম আৰম্ভ কৰাৰ পাচত বৰ্তমান ইয়াৰ কাম উদ্বোধন কৰিব পৰা অৱস্থা পাইছে। যোৱা ২২ মে'ত শক্তি মন্ত্ৰীয়ে বিমল বৰাই এই প্ৰকল্প পৰিদৰ্শন কৰি উদ্বোধনৰ প্ৰস্তুতি বুজ লোৱাৰ লগতে চলিত মাহতে উদ্বোধন কৰিব বুলি প্ৰকাশ কৰে। আনহাতে অহা ২৬ মেত মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্পটো ৰাইজৰ সেৱাত উৎসৰ্গা কৰাৰ কথা আছিল যদিও ৰাজ্যৰ শেহতীয়া বান আৰু আইন শৃংখলাজড়িত কাৰণত দুই-এদিনৰ পিছত উদ্বোধনৰ ব্যৱস্থা কৰিব বুলি প্ৰকাশ। মুখ্যমন্ত্ৰীয়ে আমগুৰিৰ জ্ঞানবিকাশ বিদ্যাপীঠৰ খেলপথাৰত এক জনসভাত ভাগ লব বুলি প্ৰকাশ।

**ডিব্ৰুগড়ত আছুৰ সংবাদমেল**

## আছুৰ নামত সংগঠন গঠনৰ প্ৰস্তুতি, ষড়যন্ত্ৰৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৩ মে' ঃ** সদৌ অসম ছাত্ৰ সন্থাক জনমানসত হেয় প্ৰতিপন্ন কৰিবলৈ উঠি-পৰি লাগিছে শাসকীয় বিজেপিয়ে। আছুৰ নাম লৈ প্ৰাক্তন কৰ্মীয়ে সংগঠন কৰি আছুক বদনাম কৰাৰ ষড়যন্ত্ৰৰ অভিযোগ উত্থাপন কৰিছে সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাই। ডিব্ৰুগড় শ্বহীদ ন্যাসত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাই আজি সন্ধিয়া এক সংবাদমেল অনুষ্ঠিত কৰি বিজেপি আৰু চৰকাৰৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে। আছু নেতা-কৰ্মীৰ বিৰুদ্ধে গোচৰ পৰ্যন্ত দিবলৈ কুন্ঠাবোধ নকৰা প্ৰাক্তন আছু কৰ্মী নামধাৰীসকলে গঠন কৰিব খোজা এই সংগঠনক আছুৱে কোনো কাৰণতে মানি নলয় আৰু ন্যায্যতা প্ৰদান নকৰে বুলি স্পষ্ট কৰি দিছে। সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে আলোচনা নকৰাকৈ ইতিমধ্যে ডিব্ৰুগড় জিলাতো ইয়াৰ জিলা সমিতি গঠনৰ প্ৰস্তুতি চলাই থকা বুলি উল্লেখ কৰি অহা ৩০ মে'ত ডিব্ৰুগড়ৰ টেঙাখাটত আছুৰ প্ৰাক্তন সতীৰ্থ সন্থা গঠনৰ প্ৰস্তুতি চলাই থকা বুলি জানিবলৈ দিছে। আনহাতে এই সংগঠনটোত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালকে ধৰি অগপ, বিজেপি, কংগ্ৰেছকে ধৰি আন ৰাজনৈতিক দলত থকা নেতা-কৰ্মীসকলেও নেতৃত্ব প্ৰদান কৰিব। আছুৰ নামত শাসক-বিৰোধীয়ে সংগঠন গঠন কৰিব কেৱল ব্যক্তি স্বাৰ্থৰ বাবে। সংগঠন কৰিব নোৱাৰো বুলি ছাত্ৰ সন্থা ত্যাগ কৰাসকলে পুনৰ সংগঠন কৰিব খোজা কাৰ্যই নিহিত হৈ আছে তেওঁলোকৰ ব্যক্তি স্বাৰ্থ। তেনেস্থলত এই সংগঠনটোক কোনো পধ্যে ডিব্ৰুগড় জিলাত গঠন কৰিবলৈ নিদিয়াৰ হুংকাৰ প্ৰদান কৰি এক অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি কৰাৰ হুংকাৰ প্ৰদান কৰিছে। কেৱল মাত্ৰ কেইজনমান নামধাৰী প্ৰাক্তন আছু কৰ্মীৰ দ্বাৰা গঠন কৰিব খোজা এই সংগঠনে আছুক হেয়প্ৰতিপন্নহে কৰিব বুলি স্পষ্ট কৰি দিছে। যদিহে প্ৰাক্তন আছু কৰ্মীসকলে সংগঠন কৰিব খোজে তেন্তে আছুৰ ভাতৃ সংগঠন অসম সেনাত যোগদান কৰিবলৈ আহ্বান জনাইছে। সংবাদমেলত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অনিল গগৈ, সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সভাপতি বুলবুল দত্ত আৰু সাধাৰণ সম্পাদক অৱনী গগৈয়ে উপস্থিত থাকে।

**বকোৰ কালাতলীত আৰক্ষীৰ সফল অভিযান**

## হাতে-লোটে আটক ড্ৰাগছভৰ্তি কন্টেনাৰসহ এজন ব্যৱসায়ী যুৱক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ মে' ঃ** মাৰাত্মক এই ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষী বাহিনীয়ে দিনে- নিশাই অভিযান চলাই অহা সময়তে আজি কামৰূপৰ জিলাৰ বকো আৰক্ষীয়ে কালাতলীৰ নতুন কাঠমী বজাৰত চলায় এক সফল অভিযান । গ্ৰাহকৰ বেশত বকো আৰক্ষীয়ে এক গোপন সূত্ৰৰ পমখেদি চলাইছিল এই অভিযান। বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া খনিন্দ্ৰ নাথ শৰ্মাৰ নেতৃত্বত আৰু সোণতলী আৰক্ষী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ননী গোপালৰ সহযোগত আৰক্ষীৰ দল এটাই চলা এই অভিযান। অভিযানত ড্ৰাগছসহ হাতে লোটে আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয় এজন কুখ্যাত ড্ৰাগছ ব্যৱসায়ীক। আটকাধীন ড্ৰাগছ ব্যৱসায়ীজন বকোৰ নতুন কাঠমী গাঁৱৰ ছাহেদ আলীৰ পুত্ৰ ৰাবুল আলম বুলি জানিব পৰা গৈছে । উল্লেখ্য,ব্যৱসায়ী ৰাবুলৰ পৰা ৮টাকৈ ড্ৰাগছ ভৰ্তি কন্টেনাৰ জব্দ কৰে আৰক্ষীয়ে। জব্দকৃত ড্ৰাগছখিনিৰ পৰিমান ১০.৭৭ গ্ৰাম বুলি জানিব পৰা গৈছে। ধৃত ড্ৰাগছ ব্যৱসায়ী ৰাবুলক সম্প্ৰতি সোণতলী আৰক্ষীয়ে জিম্মাত লৈ অধিক তথ্য আহৰণৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## বকতা দেউৰীটিঙত মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকতা, ২৩ মে' ঃ** শিৱসাগৰ জিলাৰ বকতা, নেমুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত দেউৰীটিং বাগিচাৰ বৰলাইনত আজি দিনৰ ১২ বজাত এটা মৃতদেহ উদ্ধাৰ কৰা হৈছে। জানিব পৰা মতে মৃতদেহটো বাগিচাখনৰ বাসিন্দা প্ৰদীপ নায়ক (৪৫) নামৰ এজন লোকৰ। আজি দুপৰীয়া স্থানীয় লোকৰ জানটোৰ পানীত কেৱল মূৰটো ওপঙি থকা অস্বাভাৱিক বস্তুটো দেখি কৌতূহলৰ সৃষ্টি হয়। পিছত ৰাইজে অনুসন্ধান কৰি এইটো যোৱা ২১ মে'ৰ পৰা সন্ধানহীন হৈ থকা বৰলাইনৰ বাসিন্দা প্ৰদীপ নায়কৰ বুলি জানিব পাৰে। পত্নী বিয়োগ হোৱা এটা সন্তানৰ পিতৃ লোকজনৰ কি পৰিস্থিতিত মৃত্যু হ'ল জানিব পৰা হোৱা নাই। পিছত ঘটনাস্থলীত বহু পলমকৈ নেমুগুৰি আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে শিৱসাগৰলৈ প্ৰেৰণ কৰে।

## সোণাৰিত দুটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন সাংসদ-বিধায়কৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ২৩ মে' ঃ** "শিশুসকল আমাৰ দেশৰ ভৱিষ্যত । তেওঁলোকক সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ এক সুস্থ পৰিৱেশ দিব লাগিব । এইক্ষেত্ৰত অংগনবাড়ী কেন্দ্ৰসমূহে এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব পাৰে ।" আজি চৰাইদেউ জিলাৰ সোণাৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত দুটাকৈ আদৰ্শ অংগনবাড়ী কেন্দ্ৰ উদ্বোধন কৰি এই মন্তব্য কৰে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়ে ।অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ পুঁজিৰে নিৰ্মাণ কৰা চফ্ৰাই বাগিছা ১ নং আদৰ্শ অংগনবাড়ী কেন্দ্ৰ আৰু সোণাৰি বাগিছা আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰেও ভাষণ প্ৰসংগত কয় যে -"অসম চৰকাৰে পৰ্যায়ক্ৰমে প্ৰতিটো অংগনবাড়ী কেন্দ্ৰকেই আদৰ্শ অংগনবাড়ী কেন্দ্ৰলৈ উন্নীত কৰিবৰ বাবে পৰিকল্পনা কৰিছে । প্ৰথম পৰ্যায়ত চৰাইদেউ জিলাৰ দুয়োটা সমষ্টিৰ প্ৰতিটোতে ১১টাকৈ আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ আবন্টন লাভ কৰিছে ।" পোষণ অভিযানৰ জিলা সমন্বয়ক দ্বীপেন বৰুৱাই আঁত ধৰা সভাকেইখনৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় জিলা সমাজ কল্যাণ বিষয়া জাহ্নৱী গোস্বামীয়ে ।সভাত উপস্থিত থাকি জিলা উপায়ুক্ত পল বৰুৱাই কয়- "ইতিমধ্যে চৰাইদেউ জিলাত চাৰিটা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ উদ্বোধন কৰা হৈছে । অৱশিষ্ট কেন্দ্ৰসমূহো অহা জুন মাহৰ ভিতৰতে সম্পূৰ্ণ কৰি তোলা হ'ব ।" সভাত অতিৰিক্ত উপায়ুক্ত জাবেদ আৰমানেও বক্তব্য ৰাখে । আজি আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ উদ্বোধনী সভাত এ.পি.জি.চি.এল.ৰ সঞ্চালক(স্বতন্ত্ৰ) অনুপ সিং ৰাজপুৰোহিত, উপ-আৰক্ষী অধীক্ষক অনিতা কোঁৱৰ, সোণাৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া(সংলগ্ন) নৱজ্যোতি চহৰীয়া, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ তৌফিক



হুছেইন, সাপেখাতী আৰু সোণাৰি উন্নয়ণ খণ্ডৰ খণ্ড উন্নয়ণ বিষয়াদ্বয় ক্ৰমে ৰণ্টু বৰুৱা আৰু ৰেণু দেউৰী, বিশিষ্ট সমাজকৰ্মী ক্ৰমে লক্ষ্মীনাথ তাচা, কাজল দে, দিলীপ কোঁৱৰ, ৰাজেন গগৈ, অভিজিত চেলেং, দেৱজিত হাজৰিকা, পবী গগৈ প্ৰমুখ্যে অভয়পুৰ সংহত শিশু উন্নয়ণ প্ৰকল্পৰ মুখ্য সেৱিকাবৃন্দ আৰু পোষণ অভিযানৰ কৰ্মচাৰীসকলৰ লগতে ভালেসংখ্যক অংগনবাড়ী কৰ্মী-সহায়িকা উপস্থিত থা

## অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী সৰ্বেশ্বৰ দত্তৰ পৰলোকপ্ৰাপ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২৩ মে' ঃ** দেৰগাঁৱৰ শিৰিছটিকা গাঁৱৰ নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক সৰ্বেশ্বৰ দত্ত (৮০) কিছুদিন ধৰি অসুস্থতাত ভুগি ২১ মে'ত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত পৰলোকপ্ৰাপ্তি হয়। পঞ্চৰত্ন এম ভি স্কুলৰ পৰা প্ৰধান শিক্ষক ৰূপে অৱসৰ গ্ৰহণ কৰা দত্ত ব্ৰহ্মপুত্ৰ আঞ্চলিক নাম-কীৰ্তন আৰু শঙ্কৰী কলা-কৃষ্টি বিকাশ সমিতিৰ একালৰ সম্পাদক হোৱাৰ উপৰি আজীৱন সদস্য আছিল। ইয়াৰোপৰি বৃহত্তৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ লগতে সমীপৱৰ্তী দক্ষিণ আঁহতগুৰি অঞ্চলৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ আছিল। ব্ৰহ্মপুত্ৰ অঞ্চলটোৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান ব্ৰহ্মপুত্ৰ কনিষ্ঠ মহাবিদ্যালয়ৰ ভূমিদাতা, সৰবৰহী ব্যক্তি সৰ্বেশ্বৰ দত্তই মৃত্যুৰ সময়ত পত্নী, দুজন পুত্ৰ, বোৱাৰী, এগৰাকী জীয়াৰী, দুজন ভাতৃ, ভতিজা, নাতি-নাতিনীসহ বহু আত্মীয়ক এৰি থৈ যায়। অঞ্চলটোৰ সামাজিক জীৱনলৈ অনবদ্য বৰঙনি আগবঢ়োৱা ব্যক্তিগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।




## সাংবাদিক ৰাজু বৰুৱাৰ চিকিৎসাৰ বাবে বিধায়ক পদ্ম হাজৰিকাই আগবঢ়ালে ২ লাখ টকাৰ অনুদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২৩ এপ্ৰিল ঃ** লিভাৰ চিৰোচিচত আক্ৰান্ত জামুগুৰিহাটৰ ধলাইবিল চামধৰা গাঁৱৰ যুৱ সাংবাদিক ৰাজু বৰুৱা সম্প্ৰতি লিভাৰ ট্ৰান্সপন্টৰ বাবে চেন্নাইৰ গেনিগ'লচ্ গ'বেল হেলথ চিটিত ভৰ্তি হৈ বৰ্তমান চিকিৎসাধীন অৱস্থাত আছে।ইতিমধ্যে ৰাজ্যৰ মন্ত্ৰী বিধায়ক তথা অন্যান্য মানৱদৰদী লোকসকলে সাংবাদিকগৰাকীৰ চিকিৎসাৰ বাবে আগবঢ়োৱা সহায়ক সাহস হিচাপে লৈ চিকিৎসাধীন হৈ থকা সাংবাদিক ৰাজু বৰুৱাৰ অহাকাইলৈ চিকিৎসকে অস্ত্ৰোপচাৰ কৰিব।য'ত লিভাৰ অস্ত্ৰোপচাৰৰ বাবে লিভাৰ আগবঢ়াব সাংবাদিকগৰাকী ভাতৃ শৰৎ বৰুৱাই।সাংবাদিকগৰাকীৰ লগতে পৰিয়ালটিক এই জটিল সময়খিনিত সহায়ক হ'ব পৰাকৈ চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই চিকিৎসাৰ বাবে আজি দুই লক্ষ টকা অনুদান হিচাপে আগবঢ়ায়।আজি ধলাইবিল চামধৰাস্থিত ৰাজু বৰুৱাৰ বাসগৃহত বিজেপি দলৰ কেবাগৰাকীও বিষয়ববীয়া উপস্থিত হৈ সাংবাদিক ৰাজু বৰুৱাৰ পিতৃ-মাতৃৰ হাতত এই ধনৰ টোপোলা চমজি দিয়ে।চতিয়া সমষ্টিৰ বিধায়কগৰাকীৰ হৈ এই সহায়ৰ টোপোলা প্ৰদান কৰে নদুৱাৰ মণ্ডল বিজেপিৰ সভাপতি জয়ন্ত বৰাই।সমগ্ৰ কাৰ্যসুচীটোত সংগ দিয়ে যুৱ নেতা বুলু আহমেদ,গৌতম লাহন,যুৱ মৰ্চাৰ সভাপতি ভাস্কৰ শইকীয়াকে ধৰি কেবাগৰাকীও বিষয়ববীয়াই।উপস্থিত সকলোৱে সাংবাদিক ৰাজু বৰুৱা শীঘ্ৰে সুস্থ হৈ পুণৰ সংবাদক্ষেত্ৰৰ জগতখনলৈ উভতি অহাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে ৰাজু বৰুৱাৰ পিতৃ-মাতৃয়েও বিধায়ক পদ্ম হাজৰিকাই পৰিয়ালটিক কৰা এই সহায়ৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।উল্লেখ্য যে ৰাজু বৰুৱা গুৱাহাটীস্থিত এটি চেটেলাইট চেনেলত কৰ্মৰত সাংবাদিক আছিল।



**ৰহাৰ বানাক্ৰান্ত ৰাইজৰ মাজত লুৰীণজ্যোতি গগৈ**

## উদ্ধাৰ অভিযান খৰতকীয়া কৰাৰ লগতে বানাক্ৰান্তক পৰ্যাপ্ত খাদ্যসামগ্ৰী আৰু খোৱাপানী যোগানৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৩ মে' ঃ** ৰহাৰ বানবিধ্বস্ত এলেকাত আজি উপস্থিত হয় অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ। আজি দুপৰীয়া জাতীয় পৰিষদৰ আন বিষয়ববীয়াসকলৰ সৈতে ৰহাত উপস্থিত হৈ পৰিষদৰ সভাপতিগৰাকীয়ে ৰহাৰ জোঙালবলহু গড় , ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আশ্ৰয় শিবিৰৰ লগতে ডিমৌ,জাগীয়াল আদিৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি বানাক্ৰান্ত ৰাইজৰ অভাৱ অভিযোগৰ বুজ লোৱাৰ লগতে বানাক্ৰান্তসকলৰ মাজত খাদ্যসামগ্ৰী আৰু খোৱাপানী আদিৰ যোগান ধৰে। পৰিষদৰ নেতাগৰাকীয়ে ৰহাত বানত বিধস্ত কেতবোৰ অঞ্চল আৰু মথাউৰিও পৰিদৰ্শন কৰে।ইয়াৰ পিছতে ৰহাৰ সাংবাদিকৰ আগত গগৈয়ে বানাক্ৰান্তসকলৰ দুখ দুৰ্দশা বুজাব নোৱাৰা বুলি মন্তব্য কৰাৰ লগতে এই সংকটৰ সময়ত সকলোৱে এইসকল দুৰ্গতৰ সহায়ৰ বাবে আগবাঢ়ি আহিব লাগে বুলি কয় ।আনহাতেদি চৰকাৰে সাহাৰ্য দিছে যদিও যথোপযুক্ত নহয় বুলি উল্লেখ কৰি পৰিষদৰ সভাপতিগৰাকীয়ে বানবিধস্ত অঞ্চলত উদ্ধাৰ অভিযান ক্ষিপ্ৰতৰ কৰাৰ লগতে বানাক্ৰান্ত ৰাইজক পৰ্যাপ্ত পৰিমাণৰ খাদ্য সামগ্ৰী, খোৱা পানী আৰু ঔষধপাতিৰ যোগান ধৰিবলৈ চৰকাৰক দাবী জনায়। আজিৰ এই পৰিদৰ্শন কালত গগৈৰ সৈতে অসম জাতীয় পৰিষদৰ প্ৰচাৰ সম্পাদক জিয়াউৰ ৰহমান, পৰিষদৰ অনুসুচীত জাতিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উৎপল বনিয়াকে ধৰি বহু কেইজন নেতাও উপস্থিত থাকে। **অসমৰ নৈৰাজ্যবাদী পৰিৱেশৰ বাবে চৰকাৰ তথা মুখ্যমন্ত্ৰীয়েই দায়ী**— বটদ্ৰবা কাণ্ড এখন সুস্হ গণতন্ত্ৰৰ বাবে কেতিয়াও গ্ৰহণযোগ্য হব নোৱাৰে এনেধৰণৰ ঘটনাক আমি কঠোৰ ভাষাৰে গৰিহণা দিছো।আজি ৰহাত সাংবাদিকৰ আগত এইমন্তব্য কৰি অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে অসমৰ এনে নৈৰাজ্যবাদী পৰিৱেশৰ বাবে মুখ্যমন্ত্ৰী তথা চৰকাৰক জগৰীয়া কৰি এনে ঘটনাৰ বাবে যিদৰে আইন হাতত তুলি লোৱাসকল দায়ী ঠিক তেনেদৰে থানাৰ আৰক্ষীয়ো দায়ী বুলি মন্তব্য কৰি এই সকলোবোৰৰ নিৰপেক্ষভাৱে তদন্ত কৰি দোষী সকলোকে শাস্তি প্ৰদান কৰিব লাগে বুলি কয়।বটদ্ৰবাত থানা জ্বলাই দিয়াৰ সময়ত কথাই কথাই এনকাউন্টাৰ কৰা আৰক্ষীৰ গুলী কিয় নুফুটিল বুলিও প্ৰশ্ন কৰি গগৈয়ে অসমত বৰ্তমান গৃহ বিভাগৰ জৰিয়তে চলাইথকা জংঘলৰাজ,পুলিচৰাজৰ অৱসান ঘটাই প্ৰকৃত গণতান্ত্ৰিক ব্যৱস্থা আৰু প্ৰকৃত আইনী শাসণ ব্যৱস্থা ঘূৰাই আনিবৰ বাবেও তেওঁ দাবী জনায়।

## ডিব্ৰুগড়ত দুই আনলা কেডাৰৰ আত্মসমৰ্পণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৩ মে' ঃ** আদিবাসী সশস্ত্ৰ বিদ্ৰোহী সংগঠন অল আদিবাসী নেশ্যনেল লিবাৰেছন আৰ্মী চমুকৈ আনলাক মোক্ষম আঘাত সানি আজি পুনৰ আত্মসমৰ্পণ কৰিলে দুই কেডাৰে। দুদিনমানৰ পূৰ্বে ডিব্ৰুগড় জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত দুজন আনলা কেডাৰে আত্মসমৰ্পণৰ পিছতে আজি পুনৰ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰাৰ সন্মুখত আত্মসমৰ্পণ কৰে দুই কেডাৰে। ভাৰতীয় সেনাৰ ১৮ গাৰ্ডৱাল আৰু চি আৰ পি এফৰ ১৭১ বেটেলিয়নৰ জৰিয়তে গোলাঘাট ৰঙাপাৰাৰ দীপক গোৱালা আৰু ৰাজ সাহানিয়ে ডিব্ৰুগড় জিলা SP শ্বেতাংক মিশ্ৰৰ সন্মুখত আত্মসমৰ্পণ কৰাৰ কথা জানিবলৈ দিছে ডিব্ৰুগড় আৰক্ষীয়ে। ইফালে আনলাৰ দুই কেডাৰে আত্মসমৰ্পণৰ সময়ত এটা সক্ৰিয় গুলীসহ এটা ৭.৬৫ পিষ্টল, ৬ জাই সক্ৰিয় গুলীসহ এটা .২২ পিষ্টল আৰু তিনিটা এ কে ৪৭ৰ সক্ৰিয় গুলী জমা দিছে। ইফালে ডিব্ৰুগড় আৰক্ষীয়ে দুই আনলা কেডাৰক নিজৰ জিন্মালৈ লৈ স্বাস্থ্য পৰীক্ষাৰ অন্তত সোধপোছ আৰম্ভ কৰিছে।



## ইণ্ডিয়া কাৰ্বন লিমিটেড

পঞ্জীয়ন কাৰ্যালয় ঃ নুনমাটি, গুৱাহাটী ৭৮১০২০, অসম
চিআইএন নম্বৰ ঃ এল ২৩১০১ এএছ ১৯৬১ পিএলচি ০০১১৭৩
ফোন ঃ (০৩৩) ২২৪৮৭ ৮৫৬/৯, ফেক্স নম্বৰ ঃ ৯১-৩৩-২২৩০-৭৫০৭
ই-মেইল ঃ icl@indiacarbonltd.com,ৱেবছাইট ঃ www.indiacarbonltd.com
৩১ মাৰ্চ, ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক
ষ্টেণ্ডালোন অডিটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ

(লাখৰ হিচাপত)

| ক্ৰ নং | বিষয়-বস্তু | ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২১ (অডিটেড) | চলিত বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | পূৰ্বৰ বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২১ (অডিটেড) |
|---|---|---|---|---|---|---|
| ১ | লেনদেনৰ পৰা মুঠ আয় | ১১৪৮১.৪৩ | ৪৫৬১২.৩৭ | ৫৭১১.১৩ | ৪৫৬১২.৩৭ | ১৯৬২৪.৬১ |
| ২ | উক্ত সময়ৰ মুঠ লাভ /(লোকচান) (কৰৰ পূৰ্বে, এক্সেপচনেল আৰু/বা এক্সট্ৰা অৰ্ডিনেৰী আইটেমছ) | (১৯১.০০) | ১১৬২৭.০৩ | ১৯৬৭.০৬ | ১১৬২৭.০৩ | ৫২২০.৫৯ |
| ৩ | উক্ত সময়ৰ মুঠ লাভ /(লোকচান) (কৰৰ পূৰ্বে, পিছত এক্সেপচনেল আৰু/বা এক্সট্ৰা অৰ্ডিনেৰী আইটেমছ) | (১৯১.০০) | ১১৬২৭.০৩ | ১৯৬৭.০৬ | ১১৬২৭.০৩ | ৫২২০.৫৯ |
| ৪ | উক্ত সময়ৰ মুঠ লাভ /(লোকচান) কৰৰ পিছত (পিছত এক্সেপচনেল আৰু/বা এক্সট্ৰা অৰ্ডিনেৰী আইটেমছ) | (৬৯৯.৭৩) | ৮১৩৪.৮৩ | ৩২৩৭.৮৫ | ৮১৩৪.৮৩ | ৫২৯২.৪৮ |
| ৫ | উক্ত সময়ৰ মুঠ সামগ্ৰিক আয় (লাভসহ/ (লোকচান) উক্ত সময়ৰ কাৰণে (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰিক আয় (কৰৰ পিছত)) | (৬৩৪.৫৫) | ১০৩১৪.৬০ | ৪৭৭০.৯৬ | ১০৩১৪.৬০ | ৮৯৯৩.৫৫ |
| ৬ | ইকুইটি শ্বেয়াৰ কেপিটেল | ২৬৫.০০ | ২৬৫.০০ | ২৬৫.০০ | ২৬৫.০০ | ২৬৫.০০ |
| ৭ | প্ৰতিটো শ্বেয়াৰৰ আয় (১০ টকা প্ৰতিটো) (নট এনুৱেলাইজড) | | | | | |
| | ক) বেচিক | (২৬.৪০) | ৩০৬.৯৭ | ১২২.১৮ | ৩০৬.৯৭ | ১৯৯.৭২ |
| | খ) ডাইলোডেট | (২৬.৪০) | ৩০৬.৯৭ | ১২২.১৮ | ৩০৬.৯৭ | ১৯৯.৭২ |

টোকা ঃ

১) উপৰোক্ত তথ্যসমূহ ছেবি (লিষ্টিং অব্লিগেচন এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) ৰেগুলেছনছ- ২০১৫ ৰ ৰেগুলেচন- ৩৩ ৰ অধীনত ৩১ মাৰ্চ, ২০২২ত সমাপ্ত ত্ৰৈমাসিক / বাৰ্ষিক আন-অডিটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ, ষ্টক এক্সেঞ্জত দাখিল কৰা ধৰণে। ওপৰত উল্লেখ কৰা ফলাফলসমূহৰ সম্পূৰ্ণ তথ্যসমূহ উপলব্ধ আছে ষ্টক এক্সেঞ্জৰ ৱেবছাইট ঃ **www.cse-india.com** আৰু কোম্পানীৰ ৱেবছাইট **www.indiacarbonltd.com** ত।

২) উপৰোক্ত ফলাফলসমূহ অডিট কমিটীয়ে পুনৰীক্ষণ কৰাৰ পিছত যোৱা ২৩ মে', ২০২২ তাৰিখে অনুষ্ঠিত হোৱা কোম্পানীৰ সঞ্চালক মণ্ডলীৰ বৈঠকত অনুমোদন জনোৱা হৈছে।

৩) প্ৰয়োজন সাপেক্ষে তথ্যসমূহ পুনৰ সজোৱা হৈছে।

মেচাৰ্ছ ইণ্ডিয়া কাৰ্বন লিঃৰ হৈ
স্বাক্ষৰ
**ৰাকেশ হিম্মতছিংকা**
মেনেজিং সঞ্চালক
**ডি আই এন ঃ ০০৬৩২১৫৬**

স্থান ঃ কলকাতা
তাৰিখ ঃ ২৩ মে' ২০২২

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২৪ মে’ ■ ২০২২ ■ ৯ জেঠ ■ গুৱাহাটী

# কৃত্ৰিম বানত বিধ্বস্ত ৰাজ্য আৰু বিধ্বস্ত বিদ্যালয় চৌহদ

স্বাধীনতাৰ আগৰে পৰাই অসমৰ বান আৰু খহনীয়াত ৰাজ্যবাসী হাহাকাৰ পৰিস্থিতিৰ সন্মুখীন হৈ আতংকিত হৈ পৰাতো কোনো নতুন কথা হৈ থকা নাই। স্বাধীনতাৰ পিছতো ৰাজ্যখনত এই সমস্যাই কোনো এখন চৰকাৰৰ পৰা সু-বিচাৰ পোৱা বুলি বিবেচিত হোৱা নাই। এই বছৰৰ প্ৰথমটো বানে ভয়াৱহ ৰূপ ধাৰণ কৰিছে ৰাজ্যত। ধাৰাসাৰ বৰষুণৰ ফলত জলপ্ৰলয়ৰ সৃষ্টি হৈছে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত। ৰাজ্যৰ ৩৪খন জিলাৰ ৩২খন জিলাই সম্প্ৰতি বানৰ কবলত। তাৰ ভিতৰত নগাঁও, হোজাই, কাছাৰ আৰু দৰং জিলাৰ পৰিস্থিতি অতি গম্ভীৰ। কেন্দ্ৰীয় জল আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি ব্ৰহ্মপুত্ৰ বিপদসীমাৰ ওপৰেদি আৰু জিলাৰ উপনৈসমূহো জলপৃষ্ঠ বিপদসীমাৰ ওপৰেৰে বৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি স্তম্ভ লিখা সময়লৈ ৰাজ্যৰ ৩২খন জিলাৰ ৩২৪৬খন গাঁৱৰ আঠ লাখ ৩৯ হাজাৰ ৬৫১ জনসংখ্যা সম্প্ৰতি বানৰ কবলত আৰু ১৪জনে প্ৰাণ হেৰুৱাইছে আৰু বহুতে সকলো হেৰুৱাই সৰ্বস্বান্ত হৈছে। লগতে বিস্তৰ কৃষিভূমিৰ শস্য নষ্ট হোৱাৰ শংকা কৰা হৈছে। উল্লেখ্য যে এক লাখ ৭৩১ হেক্টৰো অধিক কৃষি ভূমি পানীৰ তলত বুৰ গৈ আছে। এই পৰ্যন্ত বানপানী আৰু ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা বৃদ্ধি হৈছে ১০গৰাকী লোকৰ। জলপ্ৰলয়ৰ ফলত এতিয়ালৈকে সন্ধানহীন হৈ আছে ৭গৰাকী লোক। সেনা, অৰ্ধসামৰিক বাহিনী, এনডিআৰএফ, অসামৰিক প্ৰশাসন, প্ৰশিক্ষিত স্বেচ্ছাসেৱক, অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা আৰু স্থানীয় লোকে নাও আৰু হেলিকপ্টাৰৰ সহায়ত বানপীড়িত অঞ্চলসমূহৰ পৰা বহু লোকক সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰা হৈছে। হাজাৰ হাজাৰ বিঘা কৃষি ভূমিৰ ধান খেতি বড়ো ধান, মাকৈ, মৰাপাটৰ খেতি নষ্ট হয় বানত। বহু অঞ্চল সম্পূৰ্ণৰূপে পানীত ডুব গৈ আছে আৰু পথো বন্ধ হৈ বিৰাজ কৰিছে তীব্ৰ আতংক। দেশৰ বাকী অংশৰে বিচ্ছিন্ন হৈ পৰা ডিমা হাচাও জিলাত অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী যোগানৰ বাবে বায়ু সেনাৰ হেলিকপ্টাৰ নিয়োগ কৰা হৈছে। আনহাতে, বিশেষজ্ঞৰ এটা দলে ইতিমধ্যে ড্ৰোন আৰু উপগ্ৰহৰ তথ্যৰ সহায়ত জিলাত বান-ভূমিস্খলনত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন আৰম্ভ কৰিছে। মুঠতে পৰিস্থিতি স্তম্ভ লিখাৰ সময়লৈ জটিল অৱস্থাতে আছে। যোৱা ১০ দিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত হোৱা প্ৰবল বান আৰু ভূমিস্খলনৰ ফলত হোৱা প্ৰবল পৰিস্থিতিত মৃতকৰ সংখ্যাও দুটি শিশুকে ধৰি ২৪জনে প্ৰাণ হেৰুৱাইছে। চৰকাৰৰ তথ্য অনুসৰি ৰাজ্যৰ ২২খন জিলাৰ ৬৪টা ৰাজহ চক্ৰৰ ২০৯৫খন গাঁও এতিয়াও পানীত বুৰ গৈ আছে। সাত লাখ ১৯ হাজাৰ ৪২৫ জনসংখ্যা আজিও বানৰ কবলত আছে। আনহাতে, ৯৫ হাজাৰ ৪৭৩ হেক্টৰ কৃষি ভূমি পানীত বুৰ গৈ আছে? আমাৰ বাতৰি যোগনীয়াৰৰ বাতৰিত প্ৰকাশ পোৱা প্ৰায় আটাইকেইখন জিলাতে সেই অঞ্চলসমূহৰ বাট-পথ তথা বিদ্যালয়বোৰৰ ব্যাপক ক্ষতি-সাধন হৈছে, ভীষণ সমস্যাৰ সন্মুখীন হৈছে। যোৱা দুমাহ ধৰি অব্যাহত থকা ধুমুহা আৰু বৰষুণে শতাধিক বিদ্যালয় গৃহৰ ক্ষতি-সাধন কৰিছে। একেদৰে বহু বিদ্যালয় চৌহদ এতিয়াও পানীত বুৰ গৈ আছে। বহু বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীসকল অহিব পৰা নাই। বেছি ভাগ গাঁৱৰ পথবোৰ বানত বুৰি আছে। উপযুক্ত মেৰামতিৰ অভাৱত পথ আৰু শ্ৰেণীকোঠাসমূহ জহি-খহি গৈছে। এক অৰণ্যসদৃশ হৈ পৰিছে। এনে অস্বাস্থ্যকৰ পৰিৱেশত স্কুলৰ স্বাভাৱিক কাম-কাজ ব্যাঘাত হৈছে। এইক্ষেত্ৰত চৰকাৰৰ লগতে সকলো শ্ৰেণীৰ লোকে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু উপযুক্তভাৱে আৰ্থিক সাহায্য প্ৰদান কৰিলেহে স্বাভাৱিক অৱস্থাৰে উন্নতমানৰ পৰ্যায় পুনৰ ঘূৰি আহিব।

---

বছৰে বছৰে বানাক্ৰান্তৰ ওচৰলৈ হেলিকপ্টাৰ, বিলাসী গাড়ীত উঠি অথবা কাৰোবাৰ পিঠিত উঠি বান চাবলৈ যোৱাৰ ব্যৱস্থা বন্ধ কৰক। বানৰ স্থায়ী সমাধানৰ চিন্তা কৰক। আজিলৈ অসমৰ এখন চৰকাৰেও অসমৰ বান সমস্যাক ‘ৰাষ্ট্ৰীয় সমস্যা’ৰূপে স্বীকৃতি আদায় কৰিব নোৱাৰিলে কেন্দ্ৰৰ চৰকাৰৰ পৰা। কিন্তু কিয়? বানাক্ৰান্ত ৰাইজক এতিয়া তাৰ উত্তৰ লাগে। বৰ্তমান কেন্দ্ৰতো বিজেপি চৰকাৰ, ৰাজ্যতো বিজেপি চৰকাৰ। অসমৰ মুখ্যমন্ত্ৰী ড° হিমত বিশ্ব শৰ্মা এগৰাকী দক্ষ মন্ত্ৰী। গতিকে এইগৰাকী মুখ্যমন্ত্ৰীৰ পৰা আমি অসমৰ বানপানী সমস্যাৰ স্থায়ী সমাধান বিচাৰিছো। অসমৰ বানপানী সমস্যা ‘ৰাষ্ট্ৰীয় সমস্যা’ বুলি স্বীকৃত হোৱাটো বিচাৰিছোঁ...

## অসমৰ বান

# কিমান দিনলৈ সহিব বানৰ বোজা অসমীয়াই





আকৌ ভয়াৱহ বানৰ কবলত অসমৰ জনসাধাৰণ। বানৰ তাণ্ডৱে এতিয়া জলা-কলা খুৱাইছে সৰ্বসাধাৰণ ৰাইজক। চাৰিওফালে এতিয়া বানৰ সংহাৰ, আক্ৰান্তৰ হাহাকাৰ, চাৰিওফালে হিয়া ভগা কান্দোন। অসমৰ সৰ্বত্ৰ এতিয়া পানী আৰু পানী। বানত আক্ৰান্ত বহু লোক এতিয়া সৰ্বস্ব হেৰুৱাই শৰণাৰ্থী শিবিৰত নিজৰ প্ৰাণটো বচাই কোনোৰকম জীয়াই আছে। আজি আৰু নাই আপোন ঘৰখনৰ কোনো অস্তিত্ব। সকলো নিঃচিহ্ন হৈ গ’ল বছৰৰ প্ৰথমটো ভয়াৱহ বানতে। পশুধনৰতো কথাই নাই, ক’ত কিমান ধ্বংস গৈ গ’ল পশুধন। এইখন ভয়াৱহ ছবি অসমৰ ৰাইজে আৰু কিমান দিনলৈ চাই থাকিব। কিমান দিনলৈ ভুক্তভোগী হৈ থাকিব। বান আহিলেই দিছপুৰৰ পৰা বান অহাৰ দৰেই নামি অহা মন্ত্ৰী-বিধায়কৰ দলে ভিৰ কৰেহি বান আক্ৰান্ত অঞ্চলবোৰত। কোনো আহিব হেলিকপ্টাৰত, কোনো আহিব বিলাসী গাড়ীত পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে। বানাক্ৰান্ত ৰাইজে শুনাকৈ অঞ্চলটোৰ ৰাইজক বানৰ পৰা মুক্ত কৰাৰ বাবে বিভিন্ন কথাও ক’ব। লগত অহা বিষয়া-কৰ্মচাৰীক ধমকিও দিব, ব্যৱস্থা গ্ৰহণৰ বাবে তাকো তাৎক্ষণিকভাৱে পৰামৰ্শও দিব। আক্ৰান্ত ৰাইজে ভাবিবলৈ লয়, এইবাৰ হয়তো তেওঁলোকৰ সমস্যাৰ স্থায়ী সমাধান হ’বই। আৰু হয়তো জীয়াতু ভুগিবলগীয়া অৱস্থা নহ’ব। কিন্তু কি হ’ব, মন্ত্ৰী-বিধায়কো গৈ দিছপুৰত সোমাব আৰু ঘোষিত আঁচনিও ঘোষণাতে থাকি যাব। অৱশ্যে মন্ত্ৰী-বিধায়ক অহাৰ নামতে বানপানীত হাবু-ডুবু খাই থকা ৰাইজে কিছু খাদ্য-সামগ্ৰী লাভ কৰিবলৈ সক্ষম হয় সাময়িকভাৱে। যদিও সেয়া পৰ্যাপ্ত নহয়। আজিলৈ ৰাইজে এইখন ছবিকেই দেখি আহিছে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছৰে পৰাই। বৰ্তমানেও সেই ছবিখনৰ কোনো পৰিৱৰ্তন হোৱা পৰিলক্ষিত হোৱা নাই। কিন্তু এই ভয়াৱহ বানপৰিস্থিতিৰ পৰা কেতিয়া পৰিত্ৰাণ পাব অসমৰ ৰাইজে? ইয়ো এটা আজিৰ তাৰিখত বৃহৎ প্ৰশ্ন। অসমৰ বান সমস্যাৰ আশু সমাধান এইবাৰ হৈ যাব বুলি বাৰে বাৰে প্ৰতিখন চৰকাৰে কৈ থকাৰ পিছতো কিন্তু সমস্যাৰ ভয়াৱহতা আজিও সামান্য পৰিমাণেও হ্ৰাস পোৱা নাই। বৰঞ্চ ন ন অঞ্চললৈ বানৰ তাণ্ডৱ সম্প্ৰসাৰিত হোৱাহে দেখা পোৱা গৈছে। বৰ্তমান হৈ থকা বানে পূৰ্বৰ অঞ্চলবোৰৰ উপৰি অসমৰ ন ন অঞ্চললৈ সম্প্ৰসাৰিত হৈহে গৈ আছে। নগাঁও, দৰং, হোজাই, শোণিতপুৰ, লখিমপুৰ, বিশ্বনাথ, ধুবুৰী, গোৱালপাৰা আদিকে ধৰি বছৰৰ প্ৰথমটো বানতে প্ৰায় ৩০খন জিলা প্লাৱিত হৈছে। প্ৰায় ৩০গৰাকী লোকে সাম্প্ৰতিক বানত প্ৰাণ হেৰুৱাইছে। এই ভয়াৱহ দৃশ্য অসমত হোৱা প্ৰথমটো বানতে দেখা গৈছে। বাৰিষাৰ আগন্তুক দিনবোৰত আৰু বা কি ভয়াৱহ, অৱৰ্ণনীয় দৃশ্য দেখিবলৈ পোৱা যাব সেয়া আৰু কেইটামান দিন অপেক্ষা কৰিলেই হয়তো গম পোৱা যাব। অসমীয়া মানুহৰ কাৰণে বানপানী যেন এক বাৰ্ষিক দুঃসহ উৎসৱতহে পৰিণত হৈছে। প্ৰতিবাৰেই বাৰিষাৰ আগে আগে চৰকাৰীভাৱেই হওক অথবা বেচৰকাৰীভাৱেই হওক সৰ্বত্ৰ সৰৱ চৰ্চা হৈ থাকে বান প্ৰতিৰোধৰ আগতীয়া ব্যৱস্থা গ্ৰহণৰ বিষয়ে। এনেবোৰ আলোচনা চলি থাকোতেই বানৰ তাণ্ডৱে অসমৰ ৰাইজক আকৌ জুৰুলা কৰেহি। সংহাৰ মূৰ্তি ধৰি এফালৰ পৰা গ্ৰাস কৰি যায় ঘৰ-দুৱাৰ, খেতি-বাতি, পোহনীয়া জীৱ-জন্তু, ৰাস্তা-ঘাট, দলং আদি। ইয়াৰ মাজত অসহায় হৈ পৰে সাধাৰণ জনতা। সৰ্বত্ৰ হৈ পৰে সাগৰসদৃশ পৰিৱেশ। আৰু তাৰ মাজতে ওপঙি থাকে সাধাৰণ জনতা, হিতাধিকাৰী।

**ভূপেন মহন্ত**

এইবাৰো সেই একেই দৃশ্য। কেইদিনমানৰ নেৰানেপেৰা বৰষুণৰ ফলতে উটি গ’ল ৰজাঘৰীয়াৰ দম্ভ-অহংকাৰ। চাৰিওফালে বানৰ সংহাৰ। প্ৰথমটো বানতে বৃহৎ ক্ষতিৰ সন্মুখীন হ’ল দৰঙৰ প্ৰায় ১৫৩খন গাঁও। প্ৰায় ৬১,৭৩৬গৰাকী লোকৰ এতিয়া পানীত হাঁহ নচৰা অৱস্থা। ইতিমধ্যে দুজন লোকে এই অঞ্চলত প্ৰাণ হেৰুৱাইছে। নগাঁৱত আজিও অব্যাহত আছে বানৰ তাণ্ডৱ। বিশ্বনাথ জিলাৰ গহপুৰৰ অৱস্থা অতি দুখ লগা। সেইদৰে তামুলপুৰ, ধুবুৰী আদি প্ৰায়বোৰ জিলাতে বানৰ তাণ্ডৱত ৰাইজে ত্ৰাহি মধুসূদন সুঁৱৰিব লগা হৈছে। তচ্‌নচ্‌ কৰি দিছে ৰাইজৰ সপোন। পথাৰৰ শস্য পথাৰতে নিঃশেষ হৈ গ’ল। মৃতদেহ জ্বলাবলৈ ঠাইৰ অভাৱ। ধ্বংস্তূপত পৰিণত হ’ল পূবৰ ছুইজাৰলেণ্ড হাফলং। তচ্‌নচ্‌ কৰি পেলালে বছৰৰ প্ৰথমটো বানে পূবৰ ছুইজাৰলেণ্ডক। এতিয়া সকলো ফালে খাদ্য সংকট, বানাক্ৰান্তৰ জীয়াই থকাৰ তাড়না। আকৌ সেই একেই দৃশ্য— পালি-পহৰীয়াসহিতে মন্ত্ৰী-বিধায়কৰ বান আক্ৰান্ত অঞ্চল পৰিদৰ্শন, বিভিন্ন সাহায্য ঘোষণা, বানাক্ৰান্তৰ সন্মুখতে বিষয়াক ধমকি। মুঠতে নানান ধৰণৰ নিজকে আস্থাত ৰখাৰ চেষ্টা সেইসকলৰ। কিন্তু কথা হ’ল, এইবোৰ কৰাৰ ফলত জানো বান সমস্যাৰ কিবা অকণমানো হ’লেও পৰিৱৰ্তন হৈছে? নে সমস্যাৰ সমাধানেই হৈছে। বানৰ সময়ত আক্ৰান্তক উদ্ধাৰ কৰি ওখ ঠাইলৈ স্থানান্তৰ, কিছু খাদ্য-সামগ্ৰী আৰু আশ্বাসৰ উপৰি আশ্বাস দিলেই জানো বান সমস্যাৰ সমাধান কৰিব পৰা যাব। ৰাইজক লাগে এতিয়া বানৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ পোৱাৰ স্থায়ী সমাধান। পিছে কাৰো মুখত নাই বানপানীৰ স্থায়ী সমাধানৰ সূত্ৰ। সেইটো বিষয় সাধাৰণ ৰাইজৰ অজ্ঞাতেই থাকি যায়। ৰাইজৰ প্ৰকৃত সেৱা কৰাৰ মনোভাব থাকিলে ৰজা-মন্ত্ৰী, নেতা-পালিনেতাসকলে তেওঁলোকৰ কাৰ্যালয়ৰ পৰাই সকলো নিয়ন্ত্ৰণ কৰিব পাৰে, সমস্যাৰ স্থায়ী সমাধান কৰিব পাৰে। কিন্তু তাকে নকৰি কোন নেতা-মন্ত্ৰী কিমানবাৰ বানাক্ৰান্তসকলৰ ওচৰলৈ যাব পাৰে, কিমান আশ্বাস বৰসিব পাৰে তাৰেহে যেন প্ৰতিযোগিতা চলে। মই এইতো কোৱা নাই যে আক্ৰান্তসকলৰ ওচৰলৈ মন্ত্ৰী-বিধায়কসকল নাযাব। তেওঁলোক যাবই লাগিব। তেওঁলোক আমাৰ প্ৰতিনিধি। ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ ল’ব লাগিব। কিন্তু ৰাইজৰ ওচৰত থিয় হৈ তেওঁলোকে বান সমস্যাৰ স্থায়ী সমাধানৰ কথা কওক, কৰি দেখুৱাওক। বছৰে বছৰে বানাক্ৰান্তৰ ওচৰলৈ হেলিকপ্টাৰ, বিলাসী গাড়ীত উঠি অথবা কাৰোবাৰ পিঠিত উঠি বান চাবলৈ যোৱাৰ ব্যৱস্থা বন্ধ কৰক। বানৰ স্থায়ী সমাধানৰ চিন্তা কৰক। আজিলৈ অসমৰ এখন চৰকাৰেও অসমৰ বান সমস্যাক ‘ৰাষ্ট্ৰীয় সমস্যা’ৰূপে স্বীকৃতি আদায় কৰিব নোৱাৰিলে কেন্দ্ৰৰ চৰকাৰৰ পৰা। কিন্তু কিয়? বানাক্ৰান্ত ৰাইজক এতিয়া তাৰ উত্তৰ লাগে। বৰ্তমান কেন্দ্ৰতো বিজেপি চৰকাৰ, ৰাজ্যতো বিজেপি চৰকাৰ। অসমৰ মুখ্যমন্ত্ৰী ড° হিমত বিশ্ব শৰ্মা এগৰাকী দক্ষ মন্ত্ৰী। গতিকে এইগৰাকী মুখ্যমন্ত্ৰীৰ পৰা আমি অসমৰ বানপানী সমস্যাৰ স্থায়ী সমাধান বিচাৰিছো। অসমৰ বানপানী সমস্যা ‘ৰাষ্ট্ৰীয় সমস্যা’ বুলি স্বীকৃত হোৱাটো বিচাৰিছো। আকৌ এবাৰ অসমৰ ৰাইজ বানত বুৰ গৈ কক্‌বকাই থাকক সেইটো আমি বিচৰা নাই। আমাক আশ্বাস নালাগে, লাগে স্থায়ী সমাধান। আমি সততে দেখি আহিছো, এগৰাকী নেতা বা মন্ত্ৰীয়ে বান পৰিস্থিতিৰ পৰিদৰ্শন কৰিবলৈ গৈ অথবা সভাই - সমিতিয়ে খুব সহজতে কৈ দিয়ে ‘বানমুক্ত’ অসম গঢ়িম বুলি। কিন্তু শাসক দলৰ এগৰাকী কৰ্তৃত্বশীল ব্যক্তিয়ে কিহৰ ভিত্তিত ইমান সহজতে এনে মন্তব্য কৰিব পাৰে। ‘বানমুক্ত অসম’ শব্দটো যিমান সহজে কৈ দিয়ে, তেনেহ’লে ইয়াক আজিও বাস্তৱত ৰূপায়ণ কৰিব পৰা নাই কিয়? অসমৰ নদ-নদী, পাহাৰ আদিৰ অ-নিয়ন্ত্ৰিতভাৱে ধ্বংস কাৰ্য চলাই থকাৰ ফলতো বৰ্তমানৰ এই ভয়াৱহ বান সমস্যাৰ সৃষ্টি হৈছে। দুটামান মথাউৰি নিৰ্মাণ কৰি দিলেই সমস্যাৰ শেষ নহয়। সমস্যাবোৰৰ গভীৰলৈ সোমাই চাব লাগিব। আন্তৰিকতাৰে তাক বিশ্লেষণ কৰিব লাগিব, সমন্বিত প্ৰচেষ্টাৰে কাম সুচাৰুৰূপে আগবঢ়াই নিব পাৰিব লাগিব। আৰু এনে মনোভাব ল’ব নোৱাৰিলে বছৰে বছৰে বানপানীৰ তাণ্ডৱ চলিয়েই থাকিব, বানত মানুহ মৰিয়েই থাকিব, ঘৰ-মাটি হেৰুৱাবই লাগিব, সৰ্বস্বান্ত হৈয়ে থাকিব অসমৰ জনসাধাৰণ। এনেই বাহ বাহ ল’বৰ বাবেই ‘বানমুক্ত অসম’ গঢ়িম বুলি ক’লেই বানমুক্ত অসম গঢ় লৈ নুঠে। বান সমস্যা স্থায়ী সমাধান কৰক প্ৰথমে। এনেদৰে থাকিবলৈ হ’লে সদায়ে আমাৰ পিঠিত উঠি কোনোবা বান চাবলৈ আহিয়েই থাকিব। ‘কথাৰে নহয় বন্ধু কামত পৰিচয়’।

*ফোন ঃ ৭৮৯৬১-৩৭২৬৪*

---

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# শংকৰদেৱৰ জন্মস্থানত এয়া কি ঘটিল?



জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাত এয়া কি ঘটি গ’ল? এই প্ৰশ্ন এতিয়া সকলোৰে মুখে মুখে। য’ত ধৰ্ম, ধৰ্মশাস্ত্ৰ, আধ্যাত্মিকতা তথা নৈতিকতাৰ জ্ঞান বিলোৱাৰ নিকেতন হ’ব লাগিছিল। য’ৰ পৰা কেৱল ধৰ্মৰ গুঞ্জন ভাহি আহিব লাগিছিল। য’ত মানৱতা, উদাৰতা, মহানুভৱতা, শিষ্টতা আৰু মূল্যবোধৰ পীঠস্থান হ’ব লাগিছিল। য’ত ভাতৃত্ববোধৰ এক সুন্দৰ মিচাল হ’ব লাগিছিল। য’ৰ মানুহবোৰ ধাৰ্মিক, নম্ৰ, ভদ্ৰ, বিনয়ী, ধৈৰ্যশীল, ত্যাগী, আতিথ্য পৰায়ণ আৰু শিষ্টাচাৰী হ’ব লাগিছিল। য’ত শান্তি, মৈত্ৰী, ধৰ্ম বিশ্বাস, ভক্তি-আৰাধনাৰ জোনাক ৰাতি উদিত হ’ব লাগিছিল। য’ৰ পৰা সমন্বয়, সম্প্ৰীতিৰ নিজৰা প্ৰবাহিত হ’ব লাগিছিল। য’ৰ পৰা সৰগীয় সুঘ্ৰাণ নিগৰিত হ’ব লাগিছিল। যি ঠাইৰ আকাশে বতাহে উৰিব লাগিছিল কেৱল শান্তি, একতাৰ পতাকা। য’ত চাকৰি কৰা পুলিচ বা অন্য চৰকাৰী বিষয়া-কৰ্মচাৰীসকল জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ভক্তিৰ ৰসত প্ৰভাৱিত হৈ তেওঁৰ আদৰ্শৰ দ্বাৰা পৰিচালিত হ’ব লাগিছিল কিন্তু পৰিতাপৰ বিষয়ঃ আজি সেইজনা শংকৰ গুৰুৰ জন্মস্থানতেই লংকা কাণ্ড সংগঠিত হৈ গ’ল। ধিক্কাৰ সেইসকল আসুৰীক প্ৰবৃত্তিৰ মানুহক, যিসকলে গুৰুজনাৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাৰ নামত আজি কালিমা সানিলে। যিজনা শংকৰ গুৰুক লৈ সমগ্ৰ অসমবাসীয়ে গৌৰৱ কৰে। যাক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈ অসমবাসীয়ে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে, আজি সেইজনা মহাপুৰুষৰ জন্মস্থানত যি ঘটি গ’ল সেয়া অত্যন্ত গৰ্হিত, নিন্দনীয়, জঘন্য, ঘৃণনীয়, অমানৱীয় আৰু ক্ষমাৰ অযোগ্য। এটা হাঁহ আৰু দহ হাজাৰ টকাৰ বাবে মৰিয়াই খতিয়াই হত্যা কৰা পুলিচৰ ৰূপত দানৱ আৰক্ষী বিষয়া গৰাকী যেনেকৈ মানুহৰ শাৰীত নপৰে ঠিক তেনেদৰে তালিবানী কাইদাৰে ৰাজহুৱা সম্পত্তি বা ৰাইজৰ অনুষ্ঠান ‘আৰক্ষী থানা’ জ্বলাই দিয়াসকলো কিন্তু মানুহৰ শাৰীত নপৰে। বটদ্ৰৱাৰ এই দুয়োটা ঘটনাই আমাক ব্যথিত, লজ্জানত কৰাই নহয় বিশ্বদৰবাৰত গুৰুজনাৰ জন্মস্থানক কালিমালিপ্ত কৰিলে। আচলতে সন্ত্ৰাসবাদীৰ বাহিৰে কোনো সুস্থ বিবেকসম্পন্ন মানুহে ৰাইজৰ সেৱাত উৎসৰ্গিত থানা এখনক এইদৰে জ্বলাই নিঃশেষ কৰাৰ কল্পনাও কৰিব নোৱাৰে। যিসকলে এই বৰ্বৰোচিত কাৰ্য কৰিছে তেওঁলোক কাৰোবাৰ দ্বাৰা প্ৰভাৱিত হৈ এই কাম কৰিছে যেন অনুভৱ হয়। সংবাদ মাধ্যমৰ আগত মন্ত্ৰী পীযূষ হাজৰিকাই কোৱাৰ দৰে অপৰাধ-অপকৰ্ম তথা অসামাজিক কাৰ্যকলাপৰ লগত জড়িত দাগী অপৰাধী বিশেষকৈ ড্ৰাগছ মাফিয়া সকলৰ মুৰৰ কামোৰণি হৈ পৰিছে অসম আৰক্ষী। কিয়নো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত অসম আৰক্ষীয়ে শূন্য সহনশীল নীতিৰ আধাৰত প্ৰতিদিন ড্ৰাগছৰ বিৰুদ্ধে শক্তিশালী প্ৰদক্ষেপ গ্ৰহণ কৰি আহিছে। প্ৰয়োজন অনুসাৰে অপৰাধীক লক্ষ্য কৰি আৰক্ষীয়ে গুলী চালনা পৰ্যন্ত কৰিব লগীয়া হৈছে। পুলিচৰ বাবেই আজি ড্ৰাগ্‌ছৰ দৰে এটা লাভজনক ব্যৱসায় একপ্ৰকাৰ স্থবিৰ হৈ পৰিছে। সেয়ে পুলিচৰ ওপৰত ক্ষোভ। পুলিচক এসেকা দিবলৈ সুযোগৰ অপেক্ষাত আছিল ড্ৰাগ্‌ছ ব্যৱসায়ীসকল। এনেতে পুলিচৰ জিম্মাত মৃত্যু হয় ছফিকুল ইছলাম নামৰ এক মাছৰ ব্যৱসায়ী যুৱকৰ। অৱশেষত সুযোগ সন্ধানীসকলে ইয়াক কামত লগালে। পিছে দুষ্কৃতিকাৰীসকলক এই সুযোগ কৰি দিয়াজন হৈছে বটদ্ৰৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিজেই। সংবাদ মাধ্যমৰ বাতৰি মতে মাত্ৰ এটা হাঁহ আৰু দহ হাজাৰ টকাৰ বাবে ছফিকুল ইছলামক হত্যা কৰি ড্ৰাগ্‌ছ ব্যৱসায়ীসকলক এই সুযোগ দিয়া বুলি অভিযোগ উঠিছে। মানুহ এজন কিমান নিৰ্দয়, নিষ্ঠুৰ আৰু পাষণ্ড হ’লে এইদৰে মৰিয়াই মৰিয়াই আন এজন মানুহক হত্যা কৰিব পাৰে? যি কি নহওক, বটদ্ৰৱাত সংগঠিত দুয়োটা ঘটনাই গৰিহণাৰ যোগ্য আৰু অক্ষমণীয় অপৰাধ, সেয়ে উচিত তদন্ত মৰ্মে দোষীক দৃষ্টান্তমূলক শাস্তিৰ ব্যৱস্থা কৰিব লাগে আৰু লগতে ড্ৰাগ্‌ছৰ দৰে প্ৰাণঘাতী নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে আৰু অধিক শক্তিশালী ৰূপত অৱতীৰ্ণ হ’ব লাগে ৰাজ্যৰ চৰকাৰ-প্ৰশাসন। তদুপৰি বটদ্ৰৱা কাণ্ডই যাতে অন্য ৰূপ ধাৰণ নকৰে তাৰ প্ৰতি চোকা নজৰ ৰাখিব লাগিব। বটদ্ৰৱাৰ অনাকাংক্ষিত আৰু দুৰ্ভাগ্যজনক কাণ্ডটোৰেই যাতে শেষ কাণ্ড হয় তাৰ বাবে চৰকাৰ-প্ৰশাসনৰ লগতে সৰ্বস্তৰৰ নাগৰিকে সচেষ্ট হ’ব লাগিব।—

**■ জুলহাছ আলী আহমেদ**
*জাগীৰোড, মৰিগাঁও (অসম)*
*ফোন ঃ ৯৭০৬৬-৬৬১৯২*

# এক বিশ্বাসযোগ্য বিকল্পৰ প্ৰয়োজন হৈছে!

২০১৪ চনৰ নিৰ্বাচনী প্ৰচাৰৰ এটা জনপ্ৰিয় সংলাপৰ অসমীয়া ভাঙনি এনে ধৰণৰ, ‘আপোনালোকে শাসকক বহু সুযোগ দিলে, এইবাৰ এটা সুযোগ এগৰাকী সেৱকক দিয়ক’। দেশৰ ৰাজনীতিৰ বাবে গুৰুত্বপূৰ্ণ আছিল ২০১৪ৰ নিৰ্বাচন, কিয়নো কংগ্ৰেছ দলক শাসনৰ পৰা ওফৰাই দেশৰ জনগণে ভাজপা দলক বিকল্প হিচাপে বাছি লৈছিল। দেশৰ ৰাজনৈতিক জলবায়ু পৰিৱৰ্তনৰ লগে লগে অসমতো কংগ্ৰেছ বিৰোধী জুইকুৰাই ইন্ধন লাভ কৰিছিল। ক্ষোভৰ বহিঃপ্ৰকাশ ইভিএমত হ’ল। কংগ্ৰেছৰ বিকল্প হিচাপে ভাজপাৰ ছবি জনমানসত স্বচ্ছ হৈ উঠিল, গঠন হ’ল চৰকাৰ। কংগ্ৰেছ ক’লা কৰা বহু নেতা-পালিনেতায়ো পোছাক সলাই গেৰুৱা হ’ল। বিকল্প হিচাপে দেশৰ ৰাজনীতিত ভাজপা প্ৰতিষ্ঠা হ’ল সঁচা, কিন্তু এক শক্তিশালী আৰু বিশ্বাসযোগ্য বিকল্প হিচাপে নিজকে প্ৰতিষ্ঠা কৰাত সফল হ’ল জানো ভাজপা? নিঃসন্দেহে থিতাপি লোৱাৰে পৰা দলটোৱে অহৰহ নিজৰ শক্তি বৃদ্ধিত গুৰুত্ব দি আহিছে, সেই অনুপাতে পদক্ষেপবোৰো ৰাইজৰ দৃষ্টিগোচৰ নোহোৱা নহয়, কিন্তু সেয়াই জানো সমান্তৰালভাৱে বিশ্বাসযোগ্য হিচাপে দলটোক প্ৰতিষ্ঠা কৰাত সফল হৈছে? বিগত কাৰ্যকালৰ অন্য নালাগে বৃহৎ গণ আন্দোলনৰ সূচনা কৰা বা জনগণ বিৰোধী কাৰ্যকলাপৰ দুই-তিনিটা যদি উদাহৰণ লওঁ, যেনে নাগৰিকত্ব সংশোধনী আইন, কৃষি আইন, সম্পদ ব্যক্তিগতকৰণ, তীব্ৰ মূল্যবৃদ্ধি এইবোৰে যে আজিৰ তাৰিখত এক বৃহৎ সংখ্যক জনসাধাৰণক ভাজপাৰ প্ৰতি মোহ ভংগ কৰিছে সেই কথা নুই কৰিব নোৱাৰি। অৰ্থনীতিৰ পাটীগণিত অলপ হ’লেও বুজি পোৱা নাগৰিকে জি.ডি.পি.ৰ গ্ৰাফ নিৰীক্ষণ কৰি আছে। সবল অৰ্থনীতিৰ দাবী আৰু ত্ৰিশ বছৰ পিছত দেশৰ অৰ্থনীতি বিশ্বৰ শীৰ্ষত থকা সপোনৰ আঁৰৰ বাস্তৱখিনি উপলব্ধি কৰিব পৰা সচেতন মহলো আজি সংকিত হৈছে। বহুতে আজি নীৰৱে বেলদত প্ৰতিবাদ কৰিবলৈ লৈছে। মূল্যবৃদ্ধিয়ে জুৰুলা কৰা সাধাৰণ শ্ৰেণীটোৱেও আজি হিতাধিকাৰী হ’বলৈ ভয় কৰা হৈছে। নিশ্চয়তাহীনতাই গ্ৰাস কৰা সাধাৰণ শ্ৰেণীটোক আজি প্ৰয়োজন হৈছে বিকল্পৰ। কেৱল বিকল্পই নহয়, এক শক্তিশালী বিশ্বাসযোগ্য বিকল্প।

যদিহে অসমৰ প্ৰেক্ষাপটত আলোচনা কৰোঁ, বিকল্পৰ অভাৱে জনসাধাৰণক বিভ্ৰান্ত কৰা নাই। নাগৰিকত্ব সংশোধনী আইনবিৰোধী সচেতন অসমীয়া ৰাইজৰ সংগ্ৰামৰ ফলতো আমি লাভ কৰিছিলো দুটাকৈ জাতীয় আঞ্চলিক ৰাজনৈতিক দল। কিন্তু স্বাভিমানী অসমীয়াৰ জাতি-মাটি, ভেটি ৰক্ষাৰ আন্দোলন ৰাজপথতে সীমাবদ্ধ হৈ ৰ’ল বেলদত নহ’লগৈ এই আন্দোলন। ভাজপাবিৰোধী শিবিৰৰ ভোটো হ’ল বহুধাবিভক্ত, যাৰ ফলত পুনৰ শাসনৰ গাদীলৈ আহিল ভাজপা মিত্ৰজোঁটৰ চৰকাৰ। এতিয়া প্ৰসংগ ভাজপাবিৰোধী বা কংগ্ৰেছবিৰোধী নহয়। প্ৰসংগ যদিহে ৰাইজে বিকল্প বিচাৰে বিশ্বাসযোগ্য বিকল্প কি হ’ব? অভ্যুত্থান হ’ব নে এক বিশ্বাসযোগ্য বিকল্পৰ? আঞ্চলিকতাবাদত বিশ্বাসী আমাৰ দৰে বহুতৰে মনত প্ৰশ্ন হ’ব নতুনকৈ জন্মলাভ কৰা আঞ্চলিক ৰাজনৈতিক দল দুটা বিশ্বাসযোগ্য বিকল্প হ’ব নোৱাৰে নেকি? নে এচাম সুবিধাবাদীৰ পূৰ্বৰ কৰ্মকাণ্ডই আঞ্চলিকতাবাদৰ ওপৰত ৰাইজৰ আস্থা নাইকীয়া কৰি পেলাইছে? বিকল্প যিয়েই নহওক, আঞ্চলিকতাবাদেই হওক বা ৰাষ্ট্ৰীয়তাবাদেই হওক, আঞ্চলিক ৰাজনৈতিক দলেই হওক বা ৰাষ্ট্ৰীয় ৰাজনৈতিক দলেই হওক সেয়া হ’ব লাগিব বিশ্বাসযোগ্য। যি বিকল্পই অন্ততঃ আঞ্চলিক সমস্যাসমূহক আওকাণ নকৰে, জাতীয় বিষয়বোৰত আপোচ নকৰে। এটা কথা ঠিক যে জাতীয়তাবাদ বিসৰ্জন দি, জাতীয় ইছ্যুবোৰক বাদ দি, জাতীয় বিষয়বোৰক বাদ দি, আঞ্চলিক সমস্যাবোৰক বাদঞ্জ দি ৰাষ্ট্ৰীয়তাবাদ কোনো কাৰণতে আমি সমৰ্থন নকৰোঁ।

শেহতীয়াকৈ দেশত তৃতীয় বিকল্প শক্তিৰ অভ্যুত্থানৰ বিষয়টোও বহুলভাৱে চৰ্চালৈ আহিছে। অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনতো ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। এতিয়া লক্ষণীয় কথা এয়ে যে যদিহে তৃতীয় বিকল্প শক্তিৰ অভ্যুত্থান হয়, তেনেহলে আঞ্চলিক ৰাজনৈতিক দলসমূহৰ স্থিতি কি হ’ব? ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ সৈতে মিত্ৰজোঁটৰ বান্ধোনেৰে ৰাইজক একক বিকল্পৰ সন্ধান দিব পাৰিব নে? তৃতীয় বিকল্প শক্তিৰ স্থিতি এইক্ষেত্ৰত কি হ’ব? আঞ্চলিক ৰাজনৈতিক দলে মিত্ৰজোঁট গঠন কৰি নিজৰ অস্তিত্ব ৰক্ষা কৰাৰ লগতে জাতীয় ইছ্যুবোৰ, জাতীয় বিষয়বোৰ আৰু আঞ্চলিক সমস্যা আৰু ৰাইজৰ দাবীবোৰৰ পক্ষত সদায় মাত মাতি যাব পাৰিব নে? বিপদাপন্ন হ’ব নেকি পুণৰ আঞ্চলিকতাবাদৰ ভৱিষ্যত? ৰাইজে পুণৰ আদৰিব নেকি ভাজপাক? এনেবোৰ প্ৰশ্ন আজিৰ তাৰিখত প্ৰাসংগিক হ’বলৈ ধৰিছে। আমিও ইয়াৰ উত্তৰ বিচাৰোঁ। বিশ্বাসযোগ্য বিকল্পৰ সন্ধান সময়ে দিব, ৰাইজৰ বিবেচনাই সিদ্ধান্ত দিব। নিদিষ্টকৈ কোনো ৰাজনৈতিক দলৰ সমৰ্থন বা বিৰোধিতা নহয়, সচেতন নাগৰিক হিচাপে আমাৰ কেইটামান প্ৰশ্ন বা নিজস্ব মত। বিকল্প যিয়েই নহওক সেয়া বিশ্বাসযোগ্য হওক তাৰেই কামনা কৰোঁ।

**■ দীপাংকৰ ওজা**

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে ‘দৈনন্দিন বাৰ্তা’ৰ ‘সম্পাদকীয় পৃষ্ঠা’ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ’লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ’ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা ‘দৈনন্দিন বাৰ্তা’ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
‘দৈনন্দিন বাৰ্তা’
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# অসমীয়া যুৱক-যুৱতীৰ মনত সন্ত্ৰাসবাদ

বৰ্তমান সময়ত অসমৰ ছবিখন বৰ বেছি স্পষ্ট নহয়। যেনিয়ে চাওঁ সকলোতে মাথোঁ হিংসা আৰু হত্যা... !প্ৰতি হিংসাত মানুহে মানুহ নিচিনা হ’ল। সময়ৰ সোঁতত আমাৰ কৃষ্টি-সংস্কৃতি বিলুপ্ত হোৱাৰ উপক্ৰম হ’ল। আধুনিক শিক্ষাৰে শিক্ষিত হৈও অসমীয়া যুৱক-যুৱতীসকলে বিনা দ্বিধাই উগ্ৰপন্থী সংগঠনত যোগদান কৰা কাৰ্যই অসমৰ শিক্ষা ব্যৱস্থা আৰু চৰকাৰৰ দুৰ্বলতাকে সূচাইছে। কিয়নো উপযুক্ত শিক্ষাৰে শিক্ষিত হৈও বহু অসমীয়া যুৱক-যুৱতীয়ে সংস্থাপনৰ পথ মোকলাব নোৱৰাৰ বাবেই এনেদৰে নিষিদ্ধঘোষিত সংগঠনত যোগদান কৰাৰ অভিযোগ বহু দিনৰ পৰাই উত্থাপিত হৈ আহিছে। সেয়েহে সময় থাকোতেই যদি চৰকাৰে অসমভূমিত থকা সকলো চৰকাৰী মাটি বে-দখলমুক্ত কৰি অসমীয়া যুৱক-যুৱতীসকলক কৃষিকাৰ্য কৰিবলৈ এৰি দি চৰকাৰীভাৱে সহযোগ কৰে, তেতিয়া দেখিব যে অসম লাহে লাহে আত্মনিৰ্ভৰশীল হ’ব ধৰিছে। এনে কৰিলে আমাৰ অসম বহু প্ৰকাৰে উপকৃত হ’ব। অসমীয়া সকলো যুৱক-যুৱতীয়ে কৰ্মসংস্কৃতিৰে আগুৱাই যাব। নিবনুৱাৰ সংখ্যা কমিব। সেই কৃষি বিপ্লৱে অসমৰ মূল্যবৃদ্ধিত অৰিহণা যোগাব পাৰিব। এতিয়া প্ৰশ্ন হয়, যে দস্যু ৰত্নাকৰে কৰা অসৎ কাৰ্যৰ পৰিশেষত সেই কাৰ্যৰ পাপৰ ফল তেওঁৰ পৰিয়ালে লৈছিলনে? সেই কথা আমি সকলোৱেই জানো। ঠিক তেনেকৈ আমাৰ যুৱক-যুৱতীসকলে বাছি লোৱা সশস্ত্ৰ পথৰ অন্তত তেওঁলোকৰ সেই কৰ্মৰ ফল পৰিয়ালে গ্ৰহণ কৰিবনে? এই কথা বিবেক-বুদ্ধিৰে নিজেই নিজক এবাৰ প্ৰশ্ন কৰক।

**■ দীপামণি কামান**
*ডিব্ৰুগড়, মধুপুৰ*
*ফোন ঃ ৮১৩৪৮-৬৯৩৪৪*

# চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত বৃহৎ কেলেংকাৰী ডিব্ৰুগড় লেপেটকটাত পথ অৱৰোধেৰে মানৱ শৃংখল আছুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৩ মে' ঃ** উজনিৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত ব্যাপক দুৰ্নীতি আৰু অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উঠিছে। ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ দায়িত্বত থকা বিভাগীয় কৰ্তৃপক্ষৰ সোপাচিলা নীতিৰ বাবে বছৰ বছৰ ধৰি নিৰ্মাণ সম্পূৰ্ণ কৰিব পৰা নাই উজনিৰ কেইবাটাও স্থানত নিৰ্মাণ হ'বলগীয়া চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্য। উজনি অসমৰ অতিকৈ গুৰুত্বপূৰ্ণ ডিব্ৰুগড়-মৰাণ সংযোগী চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথটোৰ নিৰ্মাণকাৰ্য অসম্পূৰ্ণ হৈ থকাত যাতায়াতৰ ক্ষেত্ৰত ব্যাপক অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈ আহিছে। আনকি সাধাৰণ বৰষুণ দিলেই বোকা-পানীৰে উপচি পৰা ডিব্ৰুগড়-মৰাণ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত সংঘটিত হোৱা বিসংগতি আৰু অনিয়মৰ বিৰুদ্ধে প্ৰতিবাদত নামিল ছাত্ৰ সন্থা। ডিব্ৰুগড়ৰ লেপেটকটাত আজি জৰাজীৰ্ণ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটোত অৱস্থান কৰি মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থা আৰু বৰবৰুৱা আঞ্চলিক ছাত্ৰ সন্থাই ডিব্ৰুগড়-মৰাণ সংযোগী চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কাৰ্য দ্ৰুতগতিত সম্পূৰ্ণ কৰা আৰু ঘাইপথ নিৰ্মাণত সংঘটিত অনিয়ম আৰু বিসংগতিৰ তদন্তৰ দাবীত দুই সহস্ৰাধিক আছু কৰ্মীয়ে লেপেটকটাৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি মানৱ শৃংখল কাৰ্যসূচী গঢ়ি তোলে। প্ৰতিবাদকাৰীসকলে 'বিজেপি চৰকাৰ মূৰ্দাবাদ', 'নৰেন্দ্ৰ মোদী হায় হায়', 'হিমন্ত বিশ্ব শৰ্মাৰ কাম নাই', সৰ্বানন্দ সোণোৱাল মুৰ্দাবাদ', 'অসম চৰকাৰ মুৰ্দাবাদ' আদি শ্ল'গানেৰে লেপেটকটাৰ আকাশ-বতাহ কঁপাই তোলে। ইফালে প্ৰতিবাদী কাৰ্যসূচীক নেতৃত্ব প্ৰদান কৰি সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য অনিল গগৈয়ে চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত বিয়াগোম কেলেংকাৰী সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰি কয় যে ৰাষ্ট্ৰীয় ঘাইপথটো অতিশয় জৰাজীৰ্ণ। বিভাগীয় লোকসকলে কামৰ যিধৰণে তদাৰক কৰিব লাগে সেই ধৰণে কৰা হোৱা নাই। ঠিকাদাৰজনক নিয়ন্ত্ৰণ কৰিব লাগিছিল। ঠিকাদাৰজনে নিজৰ মইমতালিৰে কামবোৰ কৰি আছে। অতিশীঘ্ৰে ইয়াৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিব লাগে, অন্যথা ভয়ংকৰ আন্দোলনৰ কাৰ্যসূচী গঢ়ি তোলা হ'ব। সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি বুলবুল দত্তই কয় যে ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্য খৰতকীয়া হোৱাটো বিচাৰিছোঁ। অতি গুৰুত্বপূৰ্ণ এই পথটো চিকিৎসাৰ সংক্ৰান্তত অসম চিকিৎসা মহাবিদ্যালয়লৈ যাবলগীয়া হয়। কিন্তু বিগত ৫-৬ বছৰ ধৰি জৰাজীৰ্ণ হৈ আছে পথটো। দুৰ্ঘটনাপ্ৰৱণ ক্ষেত্ৰত পৰিণত হৈ পৰিছে পথছোৰা। চৰকাৰৰ যদি পথটো নিৰ্মাণ কৰিবলৈ ধনেই নাছিল তেন্তে পথটো নিৰ্মাণ নামত খান্দিলে কিয়? ডিব্ৰুগড়ৰ বাট-পথৰ দুৰৱস্থাৰ কাৰণে আমি আনৰ আগত লজ্জিত হ'বলগীয়া হয়। কাৰ গাফিলতিৰ কাৰণে পথটোৰ নিৰ্মাণকাৰ্য লেহেমীয়া হৈ আছে তাৰ তদন্ত কৰি অতিশীঘ্ৰে দোষীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আছুৰ নেতাগৰাকীয়ে দাবী জনাইছে। সেইদৰে প্ৰতিবাদী কাৰ্যসূচীত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অৰুণী কুমাৰ গগৈয়ে সংবাদ মাধ্যমৰ আগত কয়-- ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উন্নয়নৰ ঢাক-ঢোল কোবোৱা আৰু ডিব্ৰুগড় জিলাতে দুজনকৈ কেন্দ্ৰীয় মন্ত্ৰী আৰু এজন ৰাজ্য চৰকাৰৰ মন্ত্ৰী থকাৰ পিছতো ৰাষ্ট্ৰীয় ঘাই পথৰ দুৰৱস্থাৰ বাবে আন্দোলন কৰিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক আৰু লজ্জাবোধ কৰিছোঁ। বছৰ বছৰ ধৰি অসম্পূৰ্ণ হৈ থকা ৰাষ্ট্ৰীয় ঘাইপথটোৰ নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰক নিয়ন্ত্ৰণ কৰিব পৰা নাই হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। ডিব্ৰুগড়ৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাই পথ, অন্যান্য জৰাজীৰ্ণ বাট-পথসমূহ নিৰ্মাণ কৰি যাতায়াতৰ ব্যৱস্থা সুচল কৰি পথ নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ নকৰিলে সমগ্ৰ ডিব্ৰুগড় জিলাতে বাট-পথ অৱৰোধ কৰি তীব্ৰ আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ হুংকাৰ প্ৰদান কৰিছে। আনহাতে এই পথটোৰ নামত ঠিকাদাৰৰ বৃহৎ পৰিমাণৰ ধনৰ লেনদেন হোৱাৰো অভিযোগ তুলিছে। অতিশীঘ্ৰে পথটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ ডিব্ৰুগড় জিলা উপায়ুক্তক এখন দাবী সম্বলিত স্মাৰক-পত্ৰ প্ৰদান কৰে।





চেঙেলীয়াঝাৰ হাইস্কুলৰ পৰিৱৰ্তিত নামফলকৰ শুভ উন্মোচন

### গোলাঘাটত দুৰ্ধৰ্ষ হত্যাকাৰী নাজিদুল হুছেইনৰ ফাঁচীৰ দাবীত উত্তাল প্ৰতিবাদ

# হিন্দু যুৱ পৰিষদৰ গোচৰৰ ভিত্তিত অভিযুক্তৰ চাৰি আত্মীয়ক আটক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ২৩ মে' ঃ** গোলাঘাট বেবেজীয়া কাণ্ডৰ মূল অভিযুক্ত হত্যাকাৰী নাজিদুল হুছেইনৰ ফাঁচীৰ দাবীত আজি গোলাঘাটত বিভিন্ন দল-সংগঠনৰ লগতে বেবেজীয়াবাসীয়ে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। গোলাঘাট জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত ৰূপায়ণ কৰা প্ৰতিবাদত প্ৰতিবাদকাৰীয়ে শীঘ্ৰেই নাজিদুলক ফাঁচী দিয়া আৰু অসম পুলিচ হায় হায় ধ্বনিৰে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। উল্লেখযোগ্য যে অসম পুলিচৰ প্ৰতি এই প্ৰতিবাদ কৰাৰ মূলতে আৰক্ষীৰ জিম্মাত থকা সময়ত আঘাতপ্ৰাপ্ত হোৱা নাজিদুলক গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাৰ বাবে ভৰ্তি কৰাত স্বয়ং আৰক্ষীৰ সন্মুখতে অভিযুক্তৰ তিনি ভাতৃয়ে উদ্ভণ্ডালি কৰি চিকিৎসালয়ৰ চৌহদত এক অপ্ৰীতিকৰ পৰিৱেশৰ সৃষ্টি কৰি ঘটনা সংঘটিত হোৱা গাঁও জ্বলাই দিয়াৰো ভাবুকি প্ৰদান কৰিছিল। আৰক্ষীৰ সন্মুখতে অভিযুক্তৰ ভাতৃয়ে কৰা অসভ্যালিৰ বাবে প্ৰতিবাদকাৰীয়ে আজি অসম পুলিচকো তীব্ৰ বাক্যবাণেৰে শ্ল'গান দিয়া পৰিলক্ষিত হয়। ইফালে দেওবাৰে হিন্দু যুৱ পৰিষদৰ কৰ্মকৰ্তাই গোলাঘাট আৰক্ষী থানাত অভিযুক্ত নাজিদুলৰ তিনি ভাতৃৰ বিৰুদ্ধে তৰা গোচৰৰ ভিত্তিত চিকিৎসালয়ত উদ্ভণ্ডালিৰ সৃষ্টি কৰা ৰাহিদুৰ ইছলাম, মৈদুল ইছলাম আৰু চৰিদুল ইছলামৰ লগতে এগৰাকী মহিলাক সোধাপোছাৰ বাবে আটক কৰিছে। অৱশ্যে বাতৰি লিখাৰ পৰলৈকে এই সন্দৰ্ভত আৰক্ষীয়ে কোনো মন্তব্য আগবঢ়োৱা নাই।

# বৰপেটা জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত ৰাজীৱ গান্ধীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২১ মে' ঃ** শনিবাৰে প্ৰয়াত ৰাজীৱ গান্ধীৰ ৩১ তম মৃত্যু বাৰ্ষিকী উপলক্ষে বৰপেটা ৰাজীৱ ভৱনত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। ৰাজীৱ গান্ধীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সাংসদ আব্দুল খালেক, বৰপেটাৰ বিধায়ক আব্দুৰ ৰহিম আহমেদ আৰু জিলাৰ ভিন্ন প্ৰান্তৰ পৰা অহা কংগ্ৰেছ নেতা-কৰ্মীয়ে। আধুনিক ভাৰতৰ স্ৰষ্টা প্ৰয়াত ৰাজীৱ গান্ধী দেখুৱাই দিয়া পথ অনুসৰণ কৰা আৰু কংগ্ৰেছ দলে ভাৰতক গঢ় দিয়া বুলি মন্তব্য কৰে বিধায়কগৰাকীয়ে। এই নেতাগৰাকীক হেৰুৱাই ভাৰতবৰ্ষৰ অপূৰণীয় ক্ষতি আৰু এই কংগ্ৰেছ দলে মৰ্মে মৰ্মে উপলব্ধি কৰাৰ লগতে সাতামপুৰুষীয়া ঐক্য-সংহতিৰ বাট প্ৰয়াত ৰাজীৱ গান্ধীয়ে দেখুৱাই দিয়া আজি শান্তিৰ সমাজখনত ক্ৰমান্বয়ে ঘুণে ধৰাৰ আৰম্ভ কৰিছে। ৰাজীৱ গান্ধীয়ে দেখুৱাই দিয়া পথ অনুসৰণ কৰি পুনৰায় গোটেই পৃথিৱীত গৌৰৱ কৰিব পৰাকৈ এজন ভাৰতীয় তথা অসমবাসী হিচাপে যুগ যুগ ধৰি শান্তি-সম্প্ৰীতিৰ এখন মিলনভূমিত বসবাস কৰি থকা তেখেতে দেখুৱাই যোৱা পথেৰে আগবাঢ়িলে তেনেকুৱা এখন সমাজ পাবলৈ সক্ষম হ'ব বুলি বিশেষ মন্তব্য সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে বৰপেটাৰ বিধায়ক আব্দুৰ ৰহিম আহমেদে।

# চেঙেলীয়াঝাৰ হাইস্কুলৰ পৰিৱৰ্তিত উচ্চতৰ মাধ্যমিক বিদ্যালয় চিহ্নিত নামফলক উৰুলি-ধ্বনিৰ মাজত শুভ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৩ মে' ঃ** দৰঙৰ এখন আগশাৰীৰ চেঙেলীয়াঝাৰ হাইস্কুলক শিক্ষা বিভাগে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ পিছত আজি পুৱা ১০ বজাত বিদ্যালয়খনৰ পৰিৱৰ্তিত নাম চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে চিহ্নিত নামফলকৰ শুভ উন্মোচন কৰা হয়। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান প্ৰধান শিক্ষক হেমেশ্বৰ শৰ্মাই উৰুলিৰ-ধ্বনিৰ মাজত ফলকখন উন্মোচন কৰি তেওঁ মনত দেখা সপোনে বাস্তৱ ৰূপ লাভ কৰাত নিজকে ধন্য হোৱা বুলি উল্লেখ কৰে। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰতুল চহৰীয়াই আঁত ধৰা অনুষ্ঠানত ফলক উন্মোচনৰ আগয়ে শিক্ষক আজিজুল হকে কেৰাট পাঠ, প্ৰতুল চহৰীয়াই মঙ্গল ধ্বনিৰে অনুষ্ঠানৰ মঙ্গল কামনা কৰে। জ্যেষ্ঠ কৃতী শিক্ষক হৰিচন্দ্ৰ নাথে উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে নামকৰণ কৰাৰ হেতুকে শিক্ষকসকলৰ কাৰ্যালয় কোঠাৰ উৰুলি-ধ্বনিৰ মাজত শুভ উন্মোচন কৰে। ইয়াৰ পিছত উপস্থিত জ্যেষ্ঠ লোক, যুৱ বন্ধুসকলে বিদ্যালয়খনক লৈ মনৰ ভাব প্ৰকাশ কৰে। অনুষ্ঠানত চেঙেলীয়াঝাৰ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আব্বাছুদ্দিন আহমেদ, জ্যেষ্ঠ নাগৰিক লতিফুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰিচন্দ্ৰ শৰ্মা, নুৰ মহম্মদ আলী, চমছুদ্দিন আহমেদ, দুৰ্গেশ্বৰ চহৰীয়া, যুৱ সমাজকৰ্মী আহমদ আলী, ৰেজাউল হক, চফিক আব্দুলা, সাংবাদিক ইন্দাদুল হক, আজিজুল হক প্ৰমুখ্যে ভালেমান গণ্য মান্য লোক উপস্থিত আছিল। অনুষ্ঠানৰ অন্তত ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰতুল চহৰীয়াই উপস্থিত সকলোলৈ ধন্যবাদ জনায়।

# লক্ষীপুৰত বন্যহস্তীৰ আক্ৰমণত একেটা পৰিয়ালৰ তিনিজনৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ২৩ মে' ঃ** লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গাঁও কুৰ্শা পাখৰীত যোৱা বুধবাৰে কিশোৰ এজনক বন্যহস্তীয়ে মাৰি পেলোৱাৰ পিছত পুনৰ যোৱা নিশা গৌৰ নগৰৰ শালবাৰীত একেটা পৰিয়ালৰ তিনিজনকৈ লোকক আক্ৰমণ কৰি নিহত কৰা ঘটনাই লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলত আতংকই বিৰাজ কৰিছে। হাতীৰ আক্ৰমণত যোৱানিশা নিহত হোৱা কেইগৰাকী ক্ৰমে ৭৫ বছৰীয়া লোক মমিন আলী, ৬৬ বছৰীয়া মহিলা জহুৰা বিবি আৰু ৫০ বছৰীয়া। মহিলা ছামিৰণ বিবি বুলি জানিব পৰা গৈছে। অল্লেখ্য যে যোৱানিশা বন্যহস্তীৰ জাকটোৱে লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গৌৰ নগৰৰ শালবাৰী গাঁৱত সোমাই প্ৰায় ১৫টা পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে এই তিনিগৰাকীক হাতীৰ জাকটোৱে আক্ৰমণ কৰি নিহত কৰে। যোৱা বুধবাৰেও লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া কুৰ্শাপাখৰী গাঁৱত সোমাই ২০টাৰো অধিক পৰিয়ালৰ ঘৰ ভাঙি ধান-চাউল আদি খাই বিস্তৰ



ক্ষতিসাধন কৰাৰ লগতে জনক কোচ নামৰ কিশোৰ এজনক হাতীয়ে গচকি মাৰি পেলাইছিল। আজি প্ৰায় চাৰি বছৰ ধৰি লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলত কৰি অহা এনে তীব্ৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ পোৱাৰ ব্যৱস্থা ল'বলৈ চৰকাৰ তথা কৰ্তৃপক্ষক দাবী জনাই আহিছে যদিও কোনো সুফল নোপোৱাত ৰাইজে ৰাজপথলৈ ওলাই আহি চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্ল'গানেৰে আকাশ-বতাহ কঁপাই তুলিছিল। আজি প্ৰায় চাৰি বছৰ ধৰি লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলত হাতীৰ জাকটোৱে তীব্ৰ উপদ্ৰৱ কৰি অহাৰ উপৰি প্ৰায় ১৫ জনৰো অধিক লোকৰ মৃত্যু হৈছে। অকল এয়েই নহয়, লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলত শীতকালীন আগতীয়া ধাননি পথাৰকে ধৰি শালি ধান আদি বিভিন্ন খেতি খাই টহিলং কৰি আহিছে প্ৰায় পঞ্চাশটামান থকা বন্যহস্তীৰ জাকটোৱে। হাতীজাকৰ উপদ্ৰৱৰ সীমা যেন অতিক্ৰম কৰিছে। বন্যহস্তীৰ এনে দীৰ্ঘদিনীয়া উপদ্ৰৱৰ পৰা পৰিত্ৰাণ পোৱাৰ ব্যৱস্থা নকৰিলে পুনৰ ৰাইজে আন্দোলন গঢ়ি তুলিব বুলিও সকীয়াই দিয়াৰ লগতে ক্ষতিগ্ৰস্তসকলক উপযুক্ত ক্ষতিপূৰণ দিবলৈ দাবী জনাইছে লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলৰ ৰাইজে।

# অৱসৰপ্ৰাপ্ত শিক্ষাবিদ নৰেন দাসৰ পৰলোক খাতিকুছিত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২১ মে' ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত খাতিকুছি গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষাবিদ তথা বিশিষ্ট সমাজকৰ্মী নৰেন দাস (৮৮)ৰ কালি নিজ বাসভৱনত মৃত্যু হয়। দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হোৱাৰ লগতে শয্যাগত হৈ থকা শিক্ষাবিদগৰাকীৰ কালি আবেলি ২:৩০ মান বজাত মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অনেক গুণমুগ্ধই তেওঁক শেষ শ্ৰদ্ধা জনায়। স্থানীয় বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰয়াত দাসে অঞ্চলটোৰ প্ৰায়বোৰ সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়, খাতিকুছিৰ দুৰ্গা মন্দিৰ, অসমী জাতীয় বিদ্যালয়, বজাৰ উন্নয়ন সমিতি, বালিকা বিদ্যালয়, শ'লগুৰি সত্ৰ, পশ্চিম বনভাগ আঞ্চলিক শংকৰদেৱ সংঘ আদিয়ে শোক প্ৰকাশ কৰে। ইফালে অৱসৰপ্ৰাপ্ত শিক্ষাবিদ তথা বিজেপিৰ সক্ৰিয় কৰ্মী নৰেন দাসৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱা আৰু বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকা উপস্থিত হৈ মৃতকক শেষ শ্ৰদ্ধা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ চাৰিজন পুত্ৰ, দুগৰাকী জীয়াৰীৰ লগতে অনেক গুণমুগ্ধক এৰি থৈ যায়।

# মুছলপুৰত ১৫ দিনীয়াকৈ অনুষ্ঠিত বাণিজ্য মেলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৩ মে' ঃ** প্ৰতিকূল বতৰৰ মাজতো বাক্সা জিলাৰ সদৰ মুছলপুৰত ৰবিবাৰৰ পৰা অনুষ্ঠিত হৈছে ১৫ দিনীয়াকৈ বজালী বাণিজ্য মেলা। মুছলপুৰৰ দুৰ্গা মন্দিৰ খেলপথাৰত প্ৰাংগণত দুৰ্গা মন্দিৰ নিৰ্মাণাৰ্থে আয়োজিত এই বাণিজ্য মেলা কালি সন্ধিয়া শুভ উদ্বোধন কৰে বাক্সা জিলা বিজেপিৰ সভাপতি শৰৎ শৰ্মাই। মেলা উদ্বোধন কৰি শৰ্মাই কয় যে লকডাউনৰ পিছত বৰ্তমান অসমৰ প্ৰতিকূল হোৱা সত্ত্বেও বাণিজ্য মেলাৰ প্ৰতি গ্ৰাহকৰ যথেষ্ট আকৰ্ষণ আছে আৰু বাণিজ্য মেলাত বহুতো নতুন নতুন সামগ্ৰী উপলব্ধ হোৱাৰ বাবেই এইবাৰৰ বাণিজ্য মেলাত বহু লোকৰ আগমন ঘটিব বুলিও তেওঁ মন্তব্য কৰে। কালিৰ এই উদ্বোধনী অনুষ্ঠানত বাক্সা জিলা বিজেপিৰ সাধাৰণ সম্পাদক ৰিদীপ ডেকা, মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সুৰেন্দ্ৰ নাথ বাৰ্মা, দুৰ্গা মন্দিৰ



লগতে সকলো ঠাইতে এক স্বাভাৱিক পৰিস্থিতি বিৰাজ কৰিছে। ক'ভিডকালীন পৰিস্থিতি শান্ত হোৱাৰ পিছৰে পৰা ব্যৱসায়ীসকলেও সুচাৰুৰূপে আৰম্ভ কৰিব পাৰিছে নিজৰ নিজৰ ব্যৱসায়-বাণিজ্য। কৰোনাকালীন পৰিস্থিতিৰ পিছত আজি জিলাখনৰ প্ৰাণকেন্দ্ৰ মুছলপুৰত আৰম্ভ হোৱা এইধৰণৰ বাণিজ্য মেলাই থলুৱা তথা ক্ষুদ্ৰ ব্যৱসায়ীসকলক আৰ্থিকভাৱে কিছু সকাহ প্ৰদান কৰিব বুলি মন্তব্য কৰে। বতৰ নিৰ্মাণ সমিতিৰ সম্পাদক সুনীল ৰায়, জিলা বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ সভাপতি ব্ৰজেন পাঠককে ধৰি অঞ্চলটোৰ কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অহা ৩ জুনলৈ অনুষ্ঠিত হ'বলগীয়া এই বাণিজ্য মেলাত অসমৰ লগতে বহিঃৰাজ্যৰো অৰ্ধশতাধিক থলুৱা সাজপাৰ, খাদ্য-সামগ্ৰী, আ-অলংকাৰৰ লগতে ভিন ভিন সামগ্ৰীৰ বিপণীয়ে অংশগ্ৰহণ কৰিছে।

# আলফা সন্দেহত সাপেখাতীত সাত যুৱকক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, সাপেখাতী, ২৩ মে' ঃ** আলফা (স্বাধীন)ৰ প্ৰতি ক্ৰমান্বয়ে যেন যুৱক-যুৱতীৰ আসক্তি বাঢ়িব ধৰিছে। ৰাজ্যৰ ভিন্ন প্ৰান্তত আলফা (স্বাধীন)ক শক্তিশালী কৰাৰ স্বাৰ্থতে আলফাই আৰম্ভ কৰিছে সদস্য ভৰ্তি অভিযান। সদস্য ভৰ্তি প্ৰক্ৰিয়া চলি থকাৰ মাজতেই ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষীৰ হাতত আটক হ'ব লগা হৈছে বহুজন। চৰাইদেউ জিলাৰ সাপেখাতীত দেওবাৰে নিশা পুনৰ সাতজন যুৱক আটক হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আসাম ৰাইফলছ আৰু সাপেখাতী আৰক্ষীয়ে চলোৱা যৌথ অভিযানত আটক কৰে সাতজনকৈ যুৱকক। আটকাধীন যুৱককেইজন হ'ল ক্ৰমে সাপেখাতী টাইৰাই গাঁৱৰ অশ্বিনী কুমাৰ বৰুৱা (২১), বাকচু গাঁৱৰ দুই ভাতৃ ক্ৰমে আশীষ দাস (১৯) আৰু দেৱ দাস (১৭) আৰু একে গাঁৱৰে যতীন দাস (১৮), ৩ নং হাওঁফাওঁ গাঁৱৰ নৱ থাপা (৪৮) আৰু একে গাঁৱৰে গণেশ চেত্ৰী (২২), আৰু ৰহণ গোহাঁই গাঁৱৰ পৰা জান বৰগোহাঁই (৩৫)। যুৱক কেইজনক আটক কৰি আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে।

# বিশিষ্ট সংগীতশিল্পী গোবিন্দ কলিতাক সংগীতসূৰ্য সন্মান প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ মে' ঃ** নলবাৰীৰ বিশিষ্ট সংগীতশিল্পী তথা কৃতী শিক্ষক গোবিন্দ কলিতাক নৰ্থ ইষ্ট আৰ্টিষ্টিক টেলেন্ট এৱাৰ্ড-২০২২ বৰ্ষৰ 'সংগীতসূৰ্য' সন্মান প্ৰদান কৰে। ৰাজ্যৰ অগ্ৰণী সামাজিক সাংস্কৃতিক অনুষ্ঠান 'নৰ্থ ইষ্ট আৰ্টিষ্টিক টেলেন্ট ক্লাব'ৰ দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত সংগীত, নাটক, লোকসংগীত, বিহু আদিৰ জৰিয়তে সাংস্কৃতিক বৰপথাৰখন চহকী কৰা লোকশিল্পী গোবিন্দ কলিতাক এই বঁটা প্ৰদান কৰে। কালি গুৱাহাটীৰ পেঞ্চনাৰ ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে নৰ্থ ইষ্ট আৰ্টিষ্টিক টেলেন্ট ক্লাবৰ মুখ্য উপদেষ্টা তথা বিশিষ্ট সাহিত্যিক নঞ্জু দত্তই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে 'দৈনন্দিন বাৰ্তা'ৰ মুখ্য সম্পাদক শংকৰ গোহাঁই, জনসংযোগ বিভাগৰ উপ সঞ্চালক পুলিন ডেকা, ক্লাবৰ প্ৰশাসক পিন্টু বৰা আদি বিশিষ্ট ব্যক্তিসকল। অনুষ্ঠানটোত অতিথি হিচাপে উপস্থিত থাকে আৰোহণ ফাউণ্ডেচনৰ পৰিচালন সঞ্চালক ডঃ সীমা বৰা আৰু টেলেন্ট ক্লাবৰ উপদেষ্টা ৰুবী শইকীয়া। অনুষ্ঠানত 'নক্ষত্ৰ' নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰে জ্যেষ্ঠ সাংবাদিক চক্ৰপাণি পৰাশৰে। বিয়লি সম্বৰ্ধনা আৰু বঁটা বিতৰণী সভাত উপস্থিত থাকে দৈনিক অগ্ৰদূত কাকতৰ জ্যেষ্ঠ সাংবাদিক অৰূপজ্যোতি মহন্ত। বঁটা বিতৰণী অনুষ্ঠানত বৰগীত পৰিৱেশন কৰে ৰুবী শইকীয়াই। আনহাতে লোকগীত সম্ৰাট ৰামেশ্বৰ পাঠকৰ কালজয়ী লোকগীত 'যমুনাৰ বালিতে কানাই বহি আছে' গীতটো অতি সাৱলীলভাৱে পৰিৱেশন কৰে 'সুন্দৰ সাধনা' বঁটা প্ৰাপক শিল্পী গোবিন্দ কলিতাই। বাদ্যশিল্পীসকল ক্ৰমে ভূধৰ হালৈ, ভৱেশ চন্দ্ৰ হালৈ, মৃদুল হালৈ, কমল দাস আৰু ধৰণীধৰ কলিতা। অনুষ্ঠানত ঢোলৰ ওজা সোমনাথ বৰাক সম্বৰ্ধনা জনোৱাৰ উপৰি নৰ্থ ইষ্ট আৰ্টিষ্টিক টেলেন্ট ক্লাবৰ সমূহ বিষয়ববীয়াকে সম্বৰ্ধনা জ্ঞাপন কৰে।

# জকাই ওলোম পথাৰ গাঁৱৰ যাতায়াত পথ, গ্ৰাম্য উন্নয়নত অৱহেলাৰ অভিযোগ গাঁওবাসীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৩ মে' ঃ** ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ অন্তৰ্গত বৰবৰুৱা উন্নয়ন খণ্ডৰ জকাই গাঁও পঞ্চায়তৰ এলেকাস্থিত জকাই ওলোম পথাৰ গাঁৱৰ প্ৰধান যাতায়াত পথটোৰ শোচনীয় দুৰৱস্থাই ৰাইজক ক্ষোভিত কৰি তুলিছে। ওলোম পথাৰ গাঁৱৰ ৰাইজে গাঁওখনৰ ২ কিঃমিঃ দৈৰ্ঘ্যৰ একমাত্ৰ পথটো দেশে স্বাধীনতা লাভ কৰা ৭৫টা বছৰেও উন্নয়ন নোহোৱাত ৰাইজে স্থানীয় লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকাৰ লগতে জকাই গাঁও পঞ্চায়তৰ সভাপতিগৰাকীৰ বিৰুদ্ধে সংবাদ মাধ্যমৰ আগত ক্ষোভ উজাৰি গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। বিগত কং(ই) চৰকাৰৰ শাসনকালৰ পৰা অগপৰ দুবাৰ শাসনকালকে ধৰি বৰ্তমানৰ বিজেপি মিত্ৰজোঁট চৰকাৰৰ দিন পৰ্যন্ত স্থানীয় লাহোৱালৰ জনপ্ৰতিনিধি কেইজনে জকাই ওলোম পথাৰ গাঁৱৰ একমাত্ৰ পথটোৰ উন্নয়নত কোনো ধৰণে গুৰুত্ব নিদিয়াৰ ৰাজহুৱা অভিযোগ সাংবাদিক সকলৰ আগত প্ৰকাশ কৰিছে। আনকি ১৯৯০ চনৰ বৰ্তমানলৈকে জকাই গাঁও পঞ্চায়তৰ তৰফৰ পৰা জকাই ওলোম গাঁৱৰ একমাত্ৰ পথটোৰ উন্নয়নত কোনো ধৰণে পদক্ষেপ নোলোৱা বুলি ক্ষোভ প্ৰকাশ কৰিছে। সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদেও জকাই ওলোম গাঁৱৰ পথটোৰ উন্নয়নত আজিকোপতি পদক্ষেপ নোলোৱা বুলিও স্থানীয় ওলোম গাঁওবাসীয়ে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে। আনহাতে জকাই ওলোম পথাৰ গাঁৱৰ দাৰিদ্ৰ্য সীমাৰেখাৰ বাসিন্দাসকলে আজিলৈকে প্ৰধানমন্ত্ৰী আৱাস (গ্ৰামীণ) যোজনাৰ অধীনত আৱাস পোৱা নাই বুলিও জকাই গাঁও পঞ্চায়তৰ সভাপতিৰ বিৰুদ্ধে ক্ষোভ উজাৰে। ডিব্ৰুগড় জিলাৰ পশ্চিম ৰাজহ চক্ৰৰ অন্তৰ্গত মানকটা খনিকৰ মৌজাৰ জকাই ওলোম পথাৰ গাঁৱৰ একমাত্ৰ যাতায়াত পথটোৰ পেভাৰ ব্লক পদ্ধতিৰে নিৰ্মাণ কৰাৰ পদক্ষেপ ল'বলৈ স্থানীয় ওলোম পথাৰ গাঁৱৰ ৰাইজে লাহোৱাল সমষ্টিৰ বৰ্তমানৰ বিধায়কক দাবী জনাইছে, অন্যথা বিধায়কৰ বিৰুদ্ধেও এলানি প্ৰতিবাদী কাৰ্যসূচী হাতত লোৱাৰ হুংকাৰ প্ৰদান কৰিছে।



# পশ্চিম নলবাৰীৰ খলিহাত কৃতী শিক্ষক, সমাজ সংগঠক আজিজৰ ৰহমানক ৰাজহুৱা সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ মে' ঃ** নলবাৰী জিলাৰ পশ্চিম প্ৰান্তৰ খলিহা-বিহামপুৰ নিবাসী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, সদৌ অসম মধ্য ইংৰাজী শিক্ষক সন্থাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সমাজ সংগঠক আজিজৰ ৰহমানক কালি ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। এই উদ্দেশ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ মুকুল চক্ৰৱৰ্তীৰ সঞ্চালনাত স্থানীয় জনতা হাইস্কুলত দেওবাৰে এখন ৰাজহুৱা সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। উক্ত সম্বৰ্ধনা সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ সদ্য অৱসৰী মুৰব্বী অধ্যাপক ডঃ অৰুনী কুমাৰ ভাগৱতী, টংলা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক জয়ন্ত কুমাৰ চক্ৰৱৰ্তী, বিশিষ্ট নিবন্ধকাৰ ৰেজাউল কৰিম প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত সম্বৰ্ধনা সভাতে চৰিফুদ্দিন আহমেদ আৰু আবেদুৰ ৰহমান সম্পাদিত শিক্ষাবিদ, সমাজকৰ্মী আজিজৰ ৰহমানৰ জীৱন সম্বলিত 'পান্থ প্ৰদীপ' নামৰ এখন অভিনন্দন গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট ভূ-বিজ্ঞানী ডঃ অৰুনী কুমাৰ ভাগৱতীয়ে। সম্বৰ্ধনা সভাত অঞ্চলটোৰ অৰ্ধশতাধিক অনুষ্ঠান-প্ৰতিষ্ঠানে শিক্ষাবিদ সমাজ সংগঠক আজিজৰ ৰহমানক ফুলাম গামোচা, চেলেং, ফুলাম জাপি, মানপত্ৰ আৰু ফুলৰ থোপাৰে ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।

# যুগল চহৰীয়াৰ ডক্টৰেট ডিগ্ৰী লাভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৩ মে' ঃ** বৃহত্তৰ হাজৰিকাপাৰা তথা সমগ্ৰ দৰং জিলা খনলৈ বিশেষ কৃতিত্বৰে গৌৰৱ বহন কৰি আনিলে এগৰাকী মেধাৱী ছাত্ৰই। তেওঁ হাজৰিকাপাৰাৰ বিশিষ্ট সমাজকৰ্মী বৰ্তমান মঙ্গলদৈ নিবাসী যোগেন চহৰীয়া আৰু সৰলা চহৰীয়াৰ পুত্ৰ যুগল চহৰীয়া। তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডালাচ, টেক্সাছৰ চাউৰ্ডান মেথডিষ্ট বিশ্ববিদ্যালয়ৰ মেকানিকেল ইঞ্জিনিয়াৰিং বিভাগত Resistive Pulse Sensing of Protein Unfolding and Transport in Solid—State Nanopores শীৰ্ষক বিষয়ত গৱেষণা কৰি সুখ্যাতিৰে ডক্টৰেট ডিগ্ৰী অৰ্জন কৰিছে। উল্লেখযোগ্য যে কলিতাই সুখ্যাতিৰে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পৰা বি-টেক আৰু ত্ৰিবান্দ্ৰমৰ কেৰালা বিশ্ববিদ্যালয়ৰ পৰা এম-টেক ডিগ্ৰী অৰ্জন কৰি গৱেষণাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ গৈছিল।

# সৰুপেটাৰ ডঃ কল্পনা বৈশ্যলৈ বিশিষ্ট সাংবাদিক ৰোহিণী মেধি সোঁৱৰণী বঁটা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ মে' ঃ** সদৌ অসম সাংবাদিক সন্থা (আজু) আৰু নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাংবাদিক, সাহিত্যিক, সমাজকৰ্মী, সমাজ সংগঠক প্ৰয়াত ৰোহিণী মেধিৰ স্মৃতিত অসমৰ আগশাৰীৰ সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান বাসনা সাহিত্য গোষ্ঠীয়ে প্ৰতিবছৰে প্ৰদান কৰি অহা 'ৰোহিণী মেধি সোঁৱৰণী বঁটা' ২০২২ বৰ্ষৰ বাবে সৰুপেটাৰ বি.এইচ.বি. মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ কল্পনা বৈশ্যৰ 'অসমৰ জনগোষ্ঠীয় লোক উৎসৱ' নামৰ মৌলিক গ্ৰন্থখনৰ বাবে নিৰ্বাচিত কৰা হৈছে। অহা ৬ জুন তাৰিখে প্ৰয়াত ৰোহিণী মেধিৰ সপ্তম মৃত্যু বাৰ্ষিকী তিথিত গুৱাহাটী প্ৰেছ ক্লাবত এই বঁটাটো প্ৰদান কৰা হ'ব বুলি বাসনা সাহিত্য গোষ্ঠীৰ সভাপতি নিপজ্যোতি মেধি আৰু সম্পাদক দেৱী প্ৰসাদ অধিকাৰীয়ে এক প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে।



# ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ সভাকক্ষত উন্নয়ন সমন্বয়ৰক্ষী আৰু তদাৰকী সমিতিৰ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৩ মে'ঃ** ২২ মে'ৰ পুৱা ১০.৩০ বজাত ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ সভাকক্ষত জিলা উন্নয়ন সমন্বয়ৰক্ষী আৰু তদাৰকী সমিতিৰ বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত সভাপতিত্ব কৰে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী তেল আৰু প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ, ডিব্ৰুগড় লোকসভাৰ সাংসদ তথা ডিব্ৰুগড় জিলাৰ উন্নয়ন সমন্বয়ৰক্ষী আৰু তদাৰকী সমিতিৰ অধ্যক্ষ ৰামেশ্বৰ তেলীয়ে। বৈঠকত উপস্থিত আছিল ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱা, লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকা, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, মৰাণৰ চক্ৰধৰ গগৈ, নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, জিলা উন্নয়ন বিষয়া সঞ্জয় দত্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বীণা মেক, জিলা পৰিষদৰ সহকাৰী কাৰ্যবাহী অভিযন্তা জিতুল গগৈ, জিলা পৰিষদৰ সভাপতি ডেইজী ৰাণী ফুকন, জিলা উন্নয়ন কৰ্তৃপক্ষৰ সভাপতি অসীম হাজৰিকা, বৰবৰুৱা, জয়পুৰ, খোৱাং, লাহোৱাল, পানীতোলা, টেঙাখাত, টিংখাং খণ্ড উন্নয়ন বিষয়াসকল, গড়কাপ্তানী বিভাগ (গৃহ, পথ) জলসম্পদ, নগৰ আৰু পৰিকল্পনা বিভাগ, জলসিঞ্চন বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, শিক্ষা বিভাগ, কৃষি, বন, উদ্যোগ আৰু বাণিজ্য বিভাগ, সমাজ কল্যাণ বিভাগ ইত্যাদিৰ বিষয়াববীয়া, কৰ্মচাৰী আৰু অন্যান্য সংশ্লিষ্ট বিভাগৰ বিষয়া প্ৰতিনিধিসকল ৭ঘণ্টীয়া বৈঠকত উপস্থিত থাকে, য'ত জিলাৰ উন্নয়নৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰীগৰাকীয়ে বিশেষকৈ চাহ বাগিচাৰ শ্ৰমিকসকলৰ বিকাশ আৰু কল্যাণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকৰ আৰম্ভণিতে, সকলো খণ্ড উন্নয়ন বিষয়াৰ সৈতে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন আঁচনিৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰে। বৰবৰুৱা খণ্ড উন্নয়ন বিষয়াই জনাই যে শ্ৰমিক বাজেট অতিক্ৰম হৈছে আৰু যেতিয়া লক্ষ্য আছিল প্ৰায় ১৭ লাখ, ই প্ৰায় ২৮ লাখত উপনীত হৈছে। ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে খণ্ড উন্নয়ন বিষয়াৰ সৈতে ই-শ্ৰম কাৰ্ড আৰু আধাৰ কাৰ্ড পঞ্জীয়নৰ প্ৰগতিৰ বিষয়ে নিশ্চিত কৰোঁতে বিষয়াৰ দ্বাৰা অৱগত হয় যে চাহ বাগিচাৰ কৰ্মীসকল আৰ্থিক দিশত বঞ্চিত লোক আৰু তেওঁলোকে বৈধ নথি-পত্ৰ প্ৰস্তুত কৰিবলৈ অক্ষম হয়, যাৰ কাৰণে তেওঁলোক আধাৰ পঞ্জীয়নৰ পৰা বিৰত হয়। এই সন্দৰ্ভত বিধায়কজনে কয় যে মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে আধাৰৰ প্ৰতিষ্ঠাপনৰ পৰামৰ্শ দিছে। যি আধাৰ কাৰ্ডৰ বিপৰীতে অৰ্থ যোগানৰ ক্ষেত্ৰত ব্যৱহাৰিত কৰিব পৰা যাব। আধাৰৰ ভাৰপ্ৰাপ্ত বিষয়াই অৱগত কৰে যে নিজৰ ফটো থকা পৰিচয়-পত্ৰ আৰু নথি-পত্ৰ অবিহনে ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা স্বাক্ষাৰিত পূৰ্ণকৰণ আৰ্হি জমা দিব পাৰিব। জিলা উন্নয়ন বিষয়াই আধাৰৰ পঞ্জীয়নকৰণৰ কাৰ্যসূচী চাহ বাগিচা এলেকাত সজাগতাৰ দ্বাৰা ত্বৰান্বিত কৰিবলৈ নিৰ্দেশ দিয়ে। উপস্থিত শীৰ্ষ বিষয়াসকলে খণ্ড উন্নয়ন বিষয়াসকলক আধাৰ পঞ্জীয়নৰ বাবে বিশেষ শিবিৰৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে যাতে সকলো চাহ কৰ্মীৰ পঞ্জীয়ন হয়। খণ্ড উন্নয়ন বিষয়াসকলক ই-শ্ৰম কাৰ্ডৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে এনৰেগা আঁচনিৰ কাৰণে আৰু পঞ্চায়ত পৰ্যায়ত সভাৰ আয়োজন কৰিবলৈ নিৰ্দেশ দিয়ে। আন এটা গুৰুত্বপূৰ্ণ আঁচনি প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ-চাহ বাগিচা এলেকাত গৃহ নিৰ্মাণ কাৰ্য আৰু আপত্তিবিহীন নথিৰ কৰ্মীৰ পৰা কৰ্তৃপক্ষক আৱশ্যকতাৰ ওপৰত আলোচনা হয় আৰু আঁচনিৰ কাম ত্বৰান্বিত কৰিবলৈ নিৰ্দেশ দিয়া হয়। চতুৰ্দশ বিত্তীয় আয়োগ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত বিভিন্ন আঁচনিৰ ওপৰতো বাৰ্তালাপ হয়। ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যক্ৰমৰ অন্তৰ্গত বিভিন্ন আঁচনিসমূহ তেনে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেন্সন আঁচনি, শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনি ইত্যাদিৰ বিষয়েও উক্ত সভাত আলোচনা কৰা হয়। লোক নিৰ্মাণ বিভাগ গৃহৰ অধীনত মৰাণ ক্ৰীড়া ক্ষেত্ৰ, মৰাণ, খনিকৰত Multi Disciplinary Sports Complexৰ নিৰ্মাণ কাৰ্যৰ,অসম চিকিৎসালয় ডিব্ৰুগড়ত ,-350 bedded boys hostel,Dr.Sarita Taahniwal Ladies Hostel Building, ইত্যাদিৰ নিৰ্মাণ কাৰ্যৰ ওপৰত পৰ্যালোচনা কৰা হয়। বিদ্যালয়ৰ পৰিদৰ্শকক চাবুৱা, চেপন, নামচাং, মুকুলবাৰী, ভিতৰত, নাহৰকটীয়া, কালনী ইত্যাদি চাহ বাগিচাৰ মডেল স্কুলসমূহৰ নিৰ্মাণকাৰ্যৰ বিষয়ে তথ্য প্ৰদান কৰিবলৈ দিওঁতে, তেখেতে জনায় যে স্কুলসমূহত সঠিককৈ নিৰ্মিত পাকঘৰ আৰু খোৱাপানীৰ ব্যৱস্থাৰ প্ৰয়োজন। এই সন্দৰ্ভত বিধায়কে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লগত যোগাযোগ কৰিবলৈ নিৰ্দেশ দিয়ে। গড়কাপ্তানী বিভাগৰ (পথ) অন্তৰ্গত PMGSY-I,II and III অধীনত পথৰ নিৰ্মাণ ত্বৰান্বিত কৰিবলৈ নিৰ্দেশ দিয়া হয়। অন্যান্য গুৰুত্বপূৰ্ণ আঁচনি যেনে জলসম্পদ, জলসিঞ্চন, কৃষি, বন বিভাগৰ ওপৰতো বিতংভাৱে আলোচনা কৰা হয়। নতুনকৈ উদ্বোধিত Assam Cancer Care Foundationত OPD সেৱা কাৰ্যকৰী হৈছে আৰু চৈধ্যগৰাকী চিকিৎসকক নিযুক্তি দিয়া হৈছে। বিধায়ক প্ৰশান্ত ফুকনে আশা কৰ্মী আৰু পৰ্যবেক্ষকৰ খালী পদসমূহ শীঘ্ৰে নিযুক্তি দিবলৈ আহ্বান জনায়। স্বাস্থ্য বিভাগক জাপানীজ এনকেফেলাইটিছৰ নিচিনা ৰোগৰ কাৰণে উচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। অৱশেষত উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিষয়া আৰু প্ৰতিনিধিসকলক চাহ বাগিচাৰ কৰ্মীৰ বাবে বেংক একাউণ্টৰ যোগান আৰু বাগিচা এলেকাত এ টি এমৰ ব্যৱস্থাৰ কাৰণে নিৰ্দিষ্ট পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।



# ৰঙাইগাঁৱৰ কীৰ্তনপাৰাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ব্যাপক দুৰ্নীতিৰ অভিযোগ

## একাংশ পঞ্চায়ত প্ৰতিনিধিৰ বাবে সোণৰ কণী পৰা হাঁহলৈ পৰ্যবসিত হৈছে গ্ৰামোন্নয়ন বিভাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২৩ মে'ঃ** সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ অন্তৰ্গত কীৰ্তনপাৰা গাঁও পঞ্চায়তত গ্ৰামোন্নয়নৰ আঁচনি ৰূপায়ণৰ নামত পঞ্চায়ত প্ৰতিনিধি-বিষয়া-কৰ্মচাৰীয়ে যেন অবাধে ৰাখিছে লুণ্ঠনৰ অঘোষিত প্ৰতিযোগিতা। কীৰ্তনপাৰা গাঁও পঞ্চায়তত চতুৰ্দশ বিত্তীয় আয়োগ, এম জি এনৰেগা আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অনিয়মেই হৈ পৰিছে প্ৰকৃত নিয়ম। পঞ্চায়ত প্ৰতিনিধিৰ ধন নিদিলে হিতাধিকাৰীয়ে লাভ নকৰে পিএমএৱাইৰ আঁচনিৰ গৃহ। পিএমএৱাই গৃহৰ নামত ৪ৰ পৰা ৫ হাজাৰ টকা পৰ্যন্ত ধন লোৱাৰ অভিযোগ পঞ্চায়ত প্ৰতিনিধিৰ বিৰুদ্ধে। এজন হিতাধিকাৰীৰ নামত থকা গৃহ ধন বিনিময়ত আনৰ নামত আবণ্টন দিয়াৰো অভিযোগ। PMAY আঁচনিৰ গৃহৰ জিঅ'টেগ কৰাৰ নামত ধন সংগ্ৰহৰ অভিযোগ পঞ্চায়ত প্ৰতিনিধিৰ বিৰুদ্ধে। শ শ ভুৱা জবকাৰ্ড প্ৰস্তুত কৰি সৰকাইছে এম জি এনৰেগা আঁচনিৰ ধন। এচপৰা মাটি নেপেলোৱাকৈয়ে এম জি এনৰেগাৰ বহু আঁচনিৰ লাখ লাখ টকাৰ লুণ্ঠন চলোৱাৰ অভিযোগ। নাম সলনি কৰি এটা পথকে একাধিকবাৰ ৰূপায়ণ কৰি আবণ্টিত আঁচনিৰ ধন আত্মসাৎ কৰাৰ অভিযোগ। বিদ্যালয় চৌহদ, খেলপথাৰ, আদিত মাটি পেলোৱাৰ নামতো দুৰ্নীতি-অনিয়মেৰে চলাইছে অবাধ লুণ্ঠন। পঞ্চায়তটোত অব্যাহত থকা দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# নতুনকৈ গঠিত গোৰ্খা সন্মিলনী কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াক নেপালী সাহিত্য সভাৰ ওদালগুৰি জিলা সমিতিৰ সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৈৰবকুণ্ড, ২৩ মে'ঃ** অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ ২৭সংখ্যক ত্ৰি-বাৰ্ষিক অধিৱেশন বাক্সা জিলাৰ নিকাছিত ১৫, ১৬, ১৭ আৰু ১৮ মে' ২০২২ত চাৰিদিনীয়া কাৰ্যসূচীৰে সম্পন্ন হয়। উক্ত অধিৱেশনৰ প্ৰতিনিধি সভাত বিপুল ভোটেৰে বিজয়ী হোৱা অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সাধাৰণ সম্পাদক পদত ওদালগুৰি জিলাৰ লক্ষ্মী চেডাই, উপ-সভানেত্ৰী পদত কল্পনা শৰ্মা আৰু সম্পাদক পদত ৰমেশ দাহাল বিজয়ী হোৱাত ওদালগুৰি জিলাৰ তিনিওজন কেন্দ্ৰীয় নেত্ৰীবৰ্গক অসম নেপালী সাহিত্য সভাৰ ওদালগুৰি জিলা সমিতিয়ে সম্বৰ্ধনা জনায়। ২১ মে'ত ওদালগুৰি চহৰৰ মাজমজিয়াত অৱস্থিত গোৰ্খা ভৱনত অনুষ্ঠিত সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে জিলা সমিতিৰ সভাপতি লক্ষ্মণ অধিকাৰীয়ে। সমিতিৰ সাধাৰণ সম্পাদক মোহন কুমাৰ চেত্ৰীয়ে আঁত ধৰা সম্বৰ্ধনা সভাত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পুষ্পধৰ বাচতোলা, বিশ্বশান্তি নেপালী বিদ্যামন্দিৰ পৰিচালনা সমিতিৰ সভাপতি বিষ্ণু শৰ্মা নেউপানে, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা ওদালগুৰি জিলা সমিতিৰ সম্পাদক দুৰ্গা বস্নেত, অসম গোৰ্খা সন্মিলন ওদালগুৰি জিলা সমিতিৰ সভাপতি পৱন শৰ্মা লুইটেল, সাহিত্য সভাৰ বিভিন্ন শাখা সমিতিৰ সভাপতি, সাধাৰণ সম্পাদককে ধৰি বিশিষ্ট ব্যক্তিসকলে অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ নৱ-নিৰ্বাচিত মুখ্য সাধাৰণ সম্পাদক লক্ষ্মী চেডাই, উপ-সভানেত্ৰী কল্পনা শৰ্মা আৰু সম্পাদক ৰমেশ দাহালক নেপালী ঢাকা টুপী, খদা, ফুলাম গামোচা আদিৰে উষ্ম আদৰণি জনায়।

# আৰণ্যকৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক জৈৱ বৈচিত্ৰ্য দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৩ মে'ঃ** স্বেচ্ছাসেৱী সংগঠন আৰণ্যকৰ উদ্যোগত বংকোৱাল চিত্ৰকলা বিদ্যালয়ৰ সহযোগত কালি বোকাখাত মহকুমাৰ মহুৰামুখৰ বংকোৱাল চিত্ৰ কলা বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে 'আন্তৰ্জাতিক জৈৱ-বৈচিত্ৰ্য দিৱস ২০২২' পালন কৰা হয়। উক্ত দিৱসৰ লগত সংগতি ৰাখি পুৱা ৮ বজাত গছপুলি ৰোপণ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকি জৈব্য-বৈচিত্ৰ্য দিৱসটো শুভাৰম্ভ কৰে আৰণ্যকৰ মধ্য অসম মণ্ডলৰ সমন্বয়ক আৰিফ হুছেইনে। এই কাৰ্যসূচীত উপস্থিত থাকি গছপুলি ৰোপণ কৰে বংকোৱালৰ গাঁও প্ৰধান অজিত দাৰ, নামঘৰীয়া ভূপেন লইং, বাঞ্ছা লইং, উত্তৰ মহুৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী ডিম্পলমতী লইং, বাপুতা দাৰ, প্ৰাক্তন জিলা পৰিষদৰ সদস্য ৰঞ্জিত দাৰৰ লগতে স্থানীয় যুৱক-যুৱতী তথা ৰাইজ উপস্থিত থাকে। ইয়াৰ পিছৰ কাৰ্যসূচীত বংকোৱাল চিত্ৰকলা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মতবিনিময় আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতা পৰিচালক হিচাপে বংকোৱাল চিত্ৰকলা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আৰণ্যকৰ কাৰ্যকৰী সদস্য বাবুকান্ত দাৰে পৰিচালনা কৰে। প্ৰতিযোগিতা বংকোৱাল চিত্ৰকলা বিদ্যালয় শিক্ষক প্ৰমোদ বৰি, পল্লৱ বৰিয়ে বিচাৰক হিচাপে উপস্থিত থাকি ফলাফল ঘোষণা কৰে। প্ৰতিযোগিতা ফলাফল ঘোষণা কৰে। ফলাফল অনুসৰি পি পি-১ পৰা বৈষ্ণৱ লইং (প্ৰথম) ৰিঞ্জিমণি দাস (দ্বিতীয়), ৰিতু লইং (তৃতীয়) আৰু পি পি-২ৰ দীয়া চেত্ৰী -(প্ৰথম) প্ৰাঞ্জিত পেগু (দ্বিতীয়), তনু চেত্ৰীয়ে তৃতীয় স্থান দখল কৰে। কাৰ্যসূচীত সমাজকৰ্মী দুলাল টাইদ, লগতে ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকল উপস্থিত থাকে। এই প্ৰতিযোগিতা মুঠ ১৪০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# কয়লা মাফিয়াৰ অতপালিৰ বাবেই মৃত্যু শয্যাত 'বশিষ্ঠ গংগা'

## উপায়ুক্তলৈ নিৰ্দেশ জাৰি কৰিয়েই দায়িত্ব সামৰিছে চৰকাৰী কৰ্তৃপক্ষই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৩ মে'ঃ** অসম-নাগালেণ্ড সীমান্তৰ অবৈধ কয়লা মাফিয়া চক্ৰৰ হাতোৰাত নিঃশেষ হৈছে জলৰাশিৰ জীৱকুল। এই কয়লা মাফিয়াই পৰিকল্পিতভাৱে 'বশিষ্ঠ গংগা'খ্যাত দিখৌ নদীৰ উৎপত্তি স্থলৰ সমীপত ব্যাপক ৰূপত অবৈধভাৱে কয়লা মজুতকৰণ আৰু পিছত এই কয়লাৰ পৰা অহৰহ নিৰ্গত বিষাক্ত দ্ৰব্যই দিখৌ নদী ভয়াৱহভাৱে প্ৰদূষণ সৃষ্টি কৰাৰ সময়তেই চিৰযৌৱনা দিখৌ নদী মাফিয়া চক্ৰৰ অতপালিৰ বাবেই মৃত্যুৰ শয্যাত উপনীত হৈছে 'বশিষ্ঠ গংগা'। প্ৰতি বছৰে বাৰিষাৰ আৰম্ভণিতে দিখৌ নদীৰ জলধাৰা হঠাৎ সেউজীয়া হৈ ইয়াৰ থলুৱা প্ৰজাতিৰ মাছ আৰু জীৱকুলৰ অকাল মৃত্যু ঘটে। আতংকিত নৈপৰীয়া লোকে নদীৰ পানী খোৱা বা ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকিব লগা হয়। সেই সময়তে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰ আঞ্চলিক কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীয়ে নৈৰ পানীৰ নমুনা সংগ্ৰহ কৰে আৰু গুৱাহাটীস্থ মুখ্য কাৰ্যালয়লৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। পৰীক্ষাৰ অন্তত অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তৰফৰ পৰা নদীখনৰ পানী কিদৰে প্ৰদূষিত হ'বলৈ পাই এই সন্দৰ্ভত শিৱসাগৰ জিলা উপায়ুক্তলৈ একোখনকৈ নাটকীয়ভাৱে নিৰ্দেশ জাৰি কৰিয়েই দায়িত্ব সামৰে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ আঞ্চলিক কাৰ্যালয়ৰ বিষয়া - কৰ্মচাৰীয়ে যদি জিলাখনৰ নাজিৰা মহকুমাৰ লক্ষ্মীজান, বিহুবৰৰ পৰা শিৱসাগৰ চহৰলৈকে এই এলেকাটোৰ কোনটো স্থানত দিখৌ নদীৰ জলৰাশিক প্ৰদূষিত কৰা হৈছে তাৰ তথ্য আহৰণ কৰিব নোৱাৰে তেনে অ' এন জি চিৰ এলেকাত কিদৰে প্ৰদূষণ নিয়ন্ত্ৰণৰ তথ্য আহৰণ কৰিব তাক লৈ প্ৰশ্ন উত্থাপন হৈছে। প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগৰ এনে গাফিলতিৰ বাবেই 'বশিষ্ঠ গংগা'খ্যাত দিখৌ নদীৰ জলধাৰা অস্বাভাৱিকভাৱে প্ৰদূষিত হয় আৰু ইয়াৰ বিভিন্ন প্ৰজাতিৰ মাছ আৰু জলজীৱৰ অকাল মৃত্যু হোৱাই নহয় নদীখনেই মৃত্যুৰ শয্যাত উপনীত হৈছে।

# পখিলা খেদাৰ সময়তে চামতাৰ ৮বছৰীয়া কন্যা হিয়াশ্ৰী তালুকদাৰৰ মৃত্যু ঃ অঞ্চলজুৰি শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ মে'ঃ** অতি হৃদয়বিদাৰক জীৱনৰ পখিলা খেদাৰ সময়তে কালি এগৰাকী ৮ বছৰীয়া কন্যাৰ মৃত্যুৰ খবৰে পশ্চিম নলবাৰী অঞ্চলত শোকৰ ছাঁ পৰে। পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়াৰ অন্তৰ্গত বিহামপুৰ বাৰোৱাৰী দুৰ্গা মন্দিৰ নলবাৰী পল্লা পথৰ ওচৰৰ বিহামপুৰৰ পিতৃ কমলেশ্বৰ তালুকদাৰ আৰু মাতৃ নিজৰা তালুকদাৰৰ একমাত্ৰ কন্যা হিয়াশ্ৰী তালুকদাৰে আজি পুৱা ৮ বজাত নিজ গৃহতে অকাল বিয়োগ হয়। ঘটনাৰ বিৱৰণী মতে হিয়াশ্ৰী তালুকদাৰে জন্মৰ মাত্ৰ চাৰি বছৰতে স্নায়ুৰোগত আক্ৰান্ত হৈ পৰে। চিকিৎসকৰ পৰামৰ্শ মতে হিয়াশ্ৰীক বিভিন্ন ঠাইলৈ চিকিৎসাৰ বাবে নি পৰিয়ালটো দেউলীয়া হৈ পৰে যদিও অকণো পৰিৱৰ্তন নহ'ল। তাৰ পিছত লাহে লাহে স্বাস্থ্যৰ অৱনতি ঘটে আৰু লৰচৰ কৰিব নোৱাৰি বিছনাখনকে সাৰথি কৰি বাকী জীৱনৰ চাৰি বছৰ পাৰ কৰে। মাতৃ এগৰাকী সাধাৰণ অংগনৱাড়ী সহায়িকা হোৱা বাবে কন্যাৰ দুখ সহিব নোৱাৰি হিয়াশ্ৰীক কোলাত তুলি লৈ অংগনৱাড়ী কেন্দ্ৰলৈ লৈ আহিছিল। অতি মৰমীয়াল আছিল, পিতৃ এজন নিবনুৱা হোৱা বাবে ঘৰৰ মাটি-সম্পত্তি যি আছিল সকলো বিক্ৰী কৰি হিয়াশ্ৰীক বচাবলৈ আপ্ৰাণ চেষ্টা কৰে যদিও সকলোকে কন্দুৱাই কালি অকাল বিয়োগ হোৱাত অঞ্চলজুৰি শোকৰ বন্যা বয়। পখিলা খেদাৰ বয়সতে এনেদৰে হিয়াশ্ৰীৰ মৃত্যুই সকলোকে মৰ্মাহত কৰি তোলে।

# লাহৰীঘাটৰ ২নং টেঙাগুৰি প্ৰাথমিক বিদ্যালয়ত প্ৰাচীৰ পত্ৰিকা 'আলোক-পত্ৰ' উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৩ মে'ঃ** সম্প্ৰতি সমগ্ৰ অসমতে বিদ্যালয়সমূহত গুণোৎসৱৰ কাৰ্যসূচী চলি আছে। তাৰ ওপৰত ভিত্তি কৰি আজি মৰিগাঁও জিলাৰ লাহৰীঘাট প্ৰাথমিক শিক্ষা খণ্ডৰ অধীনস্থ ২নং টেঙাগুৰি প্ৰাথমিক বিদ্যালয়ত গুণোৎসৱৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ স্ব-প্ৰতিভাৰে সুন্দৰ লিখনি আৰু নিখুঁত চিত্ৰৰ দ্বাৰা তৈয়াৰ কৰা 'আলোক-পত্ৰ' নামৰ প্ৰাচীৰ পত্ৰিকাখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে খণ্ড সমল কেন্দ্ৰৰ সমন্বয়ক হবিবুৰ ৰহমানে। উন্মোচকৰ লগত সংগ দিয়ে বিদ্যালয়ৰ প্ৰধান শিক্ষক নজৰুল ইছলাম, ধুমকুৰা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক অনুজ কুমাৰ নাথ, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি এমদাদুল হক, সহঃ শিক্ষক গাজিবুৰ ৰহমান, আনোৱাৰ আলম আনচাৰী আৰু কলেশ্বৰ মৰাণে। উন্মোচন অনুষ্ঠানটি সঞ্চালনা কৰে সহঃ শিক্ষক ফয়জুল হকে। প্ৰাচীৰ পত্ৰিকা 'আলোক-পত্ৰ' উন্মোচন কৰাৰ পিছত বি আৰ চি হবিবুৰ ৰহমানে একলম লিখি বিদ্যালয়ৰ বাবে উচৰ্গা কৰে। উল্লেখ্য যে উক্ত বিদ্যালয়খন চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত ২০২১ - ২০২২ বৰ্ষৰ শ্ৰেষ্ঠ পৰিচালনা সমিতিৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। সম্প্ৰতি বিদ্যালয়ত ৫জন শিক্ষকে ১৪০গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ পাঠদান দিয়ে।

# পলাশবাৰীৰ উৰপুতত বিনামূলীয়া স্বাস্থ্য শিবিৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৩ মে'ঃ** দেশৰ প্ৰয়াত প্ৰধানমন্ত্ৰী তথা ভাৰতৰত্ন ৰাজীৱ গান্ধীৰ ২১ মে'ত মৃত্যু বাৰ্ষিকী উপলক্ষে পলাশবাৰীৰ উৰপুত পুথিভঁৰাল প্ৰাংগণত অসম ৰাজ্যিক এন এছ ইউ আইৰ উদ্যোগত আৰু মাৰোৱাৰী হাস্পতালৰ সহযোগত এদিনীয়া বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু ঔষধ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। স্বাস্থ্য শিবিৰৰ আৰম্ভণিতে প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে উৰপুত চতুৰ্ভুজ সত্ৰৰ প্ৰাংগণত গছপুলি ৰোপণ কৰা হয়। প্ৰায় ১৫০গৰাকী পুৰুষ-মহিলাক অভিজ্ঞ চিকিৎসক নগেন্দ্ৰ নাথ শৰ্মা আৰু তেওঁৰ সহযোগীসকলে বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষাৰ কৰাৰ লগতে ঔষধ বিতৰণ কৰে। উক্ত অনুষ্ঠানত মাৰ্কেটিং পৰিচালক ৰাছিম বৰা, ৰাজ্যিক এন এছ ইউ আইৰ সভাপতি কৃষাণু বৰুৱা, উপ-সভাপতি বিকাশ নাথ যোগী, ৰাজ্যিক এন এছ ইউ আইৰ সাধাৰণ সম্পাদক কৌশিক কাশ্যপ, জিলা এন এছ ইউ আইৰ সভাপতি ছাকিল আহমেদ আৰু জিলা এন এছ ইউ আইৰ সাধাৰণ সম্পাদক গুণিন্দ্ৰ দাস উপস্থিত থাকে। মাৰোৱাৰী হাস্পতালৰ কৰ্তৃপক্ষ আৰু উৰপুত পুথিভঁৰালৰ সমূহ সদস্যই স্বাস্থ্য শিবিৰত সহযোগিতা আগবঢ়োৱাৰ বাবে ৰাজ্যিক এন এছ ইউ আইৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰে।

### নলবাৰীৰ চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ সভা সম্পন্ন

# চৰকাৰে পুৰণি পেন্সন নীতি পুনৰ প্ৰৱৰ্তন কৰক ঃ মছিউজ জামান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ মে'ঃ** নলবাৰী জিলাৰ চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ গুৰুত্বপূৰ্ণ সভা এখন কালি দিনৰ দুই



বজাত নলবাৰী জিলা পৰিষদৰ সভাগৃহত অনুষ্ঠিত হৈ যায়। কন্দৰ্প কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাখনত ৰাজ্যিক উপ-সভাপতি মছিউজ জামানৰ লগতে ৰাজ্যিক সাংগঠনিক সম্পাদক ইফতিকাৰ আহমেদেও যোগদান কৰে। সভাত ভাষণ দি মছিউজ জামানে কয় যে চৰকাৰে পুৰণি পেন্সন নীতি পুনৰ প্ৰৱৰ্তন কৰিবই লাগিব। ই আমাৰ প্ৰাপ্য। নতুন পেন্সন নীতিয়ে একাংশক অন্ধকাৰ ভৱিষ্যতৰ ফালে ঠেলি দিব। নলবাৰী জিলা সমিতিৰ সম্পাদক আইনুল হকে আঁত ধৰা সভাখনত ৰঙিয়া জিলা সমিতিৰ সম্পাদক লৱ কুমাৰ দাসো উপস্থিত থাকে। সভাত ভাষণ দি সমিতিৰ বিষয়ববীয়া তথা সুবক্তা কালীন্দ্ৰ কলিতাই কয় যে প্ৰাপ্য আদায়ৰ বাবে আমি পৰস্পৰে সহযোগিতাৰ মনোভাবেৰে আগবাঢ়িব লাগিব। তেওঁ শিক্ষা বিভাগৰ কৰ্মচাৰীসকল একগোট কৰোৱাৰ প্ৰয়াস কৰাৰ লগতে নিজেও প্ৰাপ্যৰ বাবে যুঁজি যাব বুলি কথা দিয়ে। তেওঁ কয় যে কেঁচুৱাই কান্দিলেহে মাকে আব্দাৰ ধৰাৰ দৰে আমি দাবীৰ গ্ৰহণযোগ্যতা সম্পৰ্কে পতিয়ন নিয়াব পাৰিলেহে চৰকাৰে যথাযোগ্য গুৰুত্ব দিব। সভাখনত ভাষণ দি সুভাষ বৰ্মনে কয় যে ৰাজ্যিক নীতি নিৰ্ধাৰণ গোটৰ সিদ্ধান্তক সকলোৱে স্বাগতম জনোৱাৰ সমান্তৰালভাৱে সংস্থাৰ কাৰ্যসূচীৰ ৰূপায়ণত সহযোগিতা আগবঢ়োৱাটো জৰুৰী। সুভাষ বৰ্মনে পুৰণি পেন্সন নীতিৰ উপযোগিতা আৰু নতুন পেন্সন নীতিৰ বিচ্যুতিসমূহ পৰ্যালোচনা কৰি অপেক্ষাকৃত নতুনসকলক দাবীৰ গ্ৰহণযোগ্যতা সম্পৰ্কে বুজাই দিবলৈ জিলা সমিতিৰ বিষয়ববীয়াসকলৰ প্ৰতি আহ্বান জনায়। শিক্ষা বিভাগৰ কৰ্মচাৰী বিপুল দাসে নিজৰ প্ৰাপ্যৰ বাবে সকলোৱে সহযোগিতা বিচাৰি চিত্তাকৰ্ষক ভাষণ দিয়ে। সভাখনত কৃতী শিক্ষক ৰাণা দলৈয়ো উপস্থিত থাকে। নলবাৰীৰ বিভিন্ন বিভাগৰ কৰ্মচাৰীৰ লগতে জিলাখনৰ অন্তৰ্ভুক্ত পাঁচটা প্ৰাথমিক শিক্ষাখণ্ডৰ কিছুসংখ্যক শিক্ষকেও সভাখনত যোগদান কৰে। বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ অন্তৰ্গত শিক্ষক গোটৰ সম্পাদক-সভাপতি প্ৰমুখ্যে বিষয়ববীয়াসকলে সভাখনত দাবীৰ যুক্তিযুক্ততা সন্দৰ্ভত বলিষ্ঠ বক্তব্য আগবঢ়ায় বুলি জানিব পৰা গৈছে।

# কোকৰাঝাৰ জিলা প্ৰশাসনৰ উদ্যোগত সন্ত্ৰাসবাদবিৰোধী দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছলাকাটি, ২৩ মে'ঃ** ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগতে কোকৰাঝাৰ জিলা প্ৰশাসনে শনিবাৰে উপায়ুক্ত বাৰ্ণালী ডেকা, জ্যেষ্ঠ বিষয়াসকল আৰু জিলা প্ৰশাসনৰ কৰ্মচাৰীৰ উপস্থিতিত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সন্ত্ৰাসবাদবিৰোধী দিৱস পালন কৰে। অনুষ্ঠানত উপস্থিত থকা সকলো সদস্যক কোকৰাঝাৰৰ উপায়ুক্ত বাৰ্ণালী ডেকাই শপত বাক্য পাঠ কৰোৱাই পৰম্পৰাগত অহিংসা আৰু সহিষ্ণুতাৰ প্ৰতি অটল বিশ্বাস অক্ষুণ্ণ ৰাখি সমস্ত শক্তিৰে সকলোধৰণৰ সন্ত্ৰাস আৰু হিংসা প্ৰতিৰোধ কৰাৰ লগতে সকলোৱে মাজত শান্তি, সামাজিক সমন্বয় আৰু বুজাবুজি ৰক্ষা কৰি মানৱ জীৱন আৰু মানৱীয় প্ৰমূল্যৰাজিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা বিভেদকামী শক্তিসমূহৰ বিৰুদ্ধে যুঁজিবৰ বাবে সংকল্প লোৱা হয়। কাৰ্যসূচীত উপায়ুক্ত ডেকাই সন্ত্ৰাসবাদ বিৰোধী সন্দৰ্ভতো চমুকৈ উল্লেখ কৰি সকলকে সমগ্ৰ জিলাত ইয়াৰ বাবে সজাগতাৰ পদক্ষেপ ল'বলৈ আহ্বান জনাই।১৯৯১ চনৰ আজিৰ দিনটোতে সন্ত্ৰাসবাদীয়ে হত্যা কৰা ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ মৃত্যু বাৰ্ষিকীত প্ৰতি বছৰে সমগ্ৰ দেশতে প্ৰতি বছৰে সন্ত্ৰাসবাদ বিৰোধী দিৱস পালন কৰা হয়।

### ধৰ্মপুৰৰ বানবিধ্বস্ত অঞ্চল পৰিদৰ্শন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ

# বানে ছিগা মথাউৰি অতি সোনকালে বন্ধাৰ আশ্বাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ মে'ঃ** ধৰ্মপুৰ সমষ্টিৰ বানবিধ্বস্ত অঞ্চল পৰিদৰ্শন কৰে কালি অসমৰ উদ্যোগ, বাণিজ্য আৰু পৰিবহণ মন্ত্ৰী তথা ধৰ্মপুৰ সমষ্টিৰ বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে। সমষ্টিটোৰ পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত লখোপুৰ, কেন্দুবাৰী, গান্ধীবস্তি, শোলমাৰা আদি অঞ্চলৰ বানবিধ্বস্ত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে গান্ধীবস্তিৰ ভগ্ন মথাউৰি পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে বানত আক্ৰান্ত লোকসকলৰ লগত মতবিনিময় কৰি সকলো ধৰণৰ সহায়ৰ আশ্বাস প্ৰদান কৰে আৰু বানে ছিগা মথাউৰি সোনকালে বন্ধা হ'ব বুলিও ব্যক্ত কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীক সংগ প্ৰদান কৰে পশ্চিম নলবাৰী ৰাজহ চক্ৰ চক্ৰ বিষয়া অৰ্পণা শৰ্মা, সংলগ্ন ৰাজহ চক্ৰ বিষয়া বেদান্ত বৰুৱা, পকোৱা জিলা পৰিষদৰ সদস্য পবিত্ৰ কুমাৰ ডেকা, ২১নং উত্তৰ ক্ষেত্ৰী ধৰ্মপুৰ পঞ্চায়তৰ সভাপতি বিকাশ বৰ্মনৰ লগতে ৩৫ নং পশ্চিম ধৰ্মপুৰ পঞ্চায়তৰ সভাপতি সুভাষ বৰ্মন, মধুপুৰ মণ্ডল বিজেপিৰ সভাপতি অশোক দত্তকে ধৰি বহুকেইগৰাকী পঞ্চায়ত প্ৰতিনিধিয়ে। মন্ত্ৰী পাটোৱাৰীয়ে সংবাদ মাধ্যমৰ আগত বাটদ্ৰৱা কাণ্ডুক গৰিহণা দিয়াৰ লগতে দোষীক উপযুক্ত শাস্তি প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰে। উল্লেখ্য যে বিগত বানত পশ্চিম নলবাৰীৰ বুঢ়াদিয়া, মৰা পাগলাদিয়া আৰু কানাইখুণ্ডা নৈৰ বানে সংহাৰী ৰূপ ধাৰণ কৰিছিল। বুঢ়াদিয়াৰ বানে লখোপুৰ অঞ্চলৰ গান্ধীবস্তি আৰু সন্ধেলীৰ মাজ্ৰাপৰাত মথাউৰি ছিগাৰ উপৰি চামতা-কৈঠাৰকুছি গড়কাপ্তানী পথৰ নদলা বজাৰৰ কালভাৰ্টটো বানে এফালৰ কিছু অংশ খহাই নিছিল। প্ৰায় ৪০খনকৈ গাঁও বানৰ কবলত পৰিছিল। সম্প্ৰতি কিছু উন্নত হৈছে যদিও সম্পূৰ্ণ সুস্থিৰ হোৱা নাই পৰিস্থিতি।



# সমাজসেৱক, ধৰ্মপ্ৰাণ ব্যক্তি, সঙঘৰ বোকাখাত জিলা শাখাৰ উপ-সভাপতি দ্বিজেন্দ্ৰনাথ ৰাজখোৱাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৩ মে'ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বৰুৱাগাঁৱৰ নিৱাসী তথা শ্ৰীমন্ত শংকৰদেৱ সঙঘৰ বোকাখাত জিলা শাখাৰ প্ৰাক্তন সম্পাদক, বৰ্তমানৰ উপ-সভাপতি দ্বিজেন্দ্ৰ নাথ ৰাজখোৱা আজি অকাল মৃত্যুক সাবটি লয়। পৰিয়ালৰ সূত্ৰই সদৰী কৰা অনুসৰি পুৱাৰ পৰা নিৰুদ্দেশ হৈ আছিল লোকগৰাকী। পৰিয়ালৰ লোকে বিভিন্ন স্থানত বিচাৰ-খোঁচাৰ কৰাৰ পাছতো সন্ধান উলিয়াব পৰা নাছিল। হঠাৎ ঘৰৰ পাছফালে থকা এটা পুখুৰীত ৰাজখোৱাৰ মৃতদেহ উদ্ধাৰ কৰে পৰিয়ালৰ লোকে। গৰু বাবে পুখুৰীৰ পৰা পানী আনিবলৈ যাওঁতে অসাৱধানবশতঃ পানীত পৰি মৃত্যুৰ সন্দেহ কৰিছে পৰিয়ালৰ লোকে। কিয়নো সাঁতুৰিব জনা নাছিল ৰাজখোৱাই। ইফালে ধৰ্মপ্ৰাণ ব্যক্তিগৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে তেখেতৰ বাসগৃহত ভিৰ কৰেহি অজস্ৰজনে। আনহাতে, সঙঘৰ বোকাখাত জিলা শাখাৰ বিষয়ববীয়াসকল তেওঁৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ইফালে ঘটনাস্থলীত খুমটাই আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটলৈ প্ৰেৰণ কৰিছে।

# মৈৰাবাৰী কলেজত ৩০ লাখটকীয়া পুছা আঁচনিৰ শুভ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৩ মে'ঃ** মৰিগাঁও জিলাৰ বান-খহনীয়া আক্ৰান্ত বৃহত্তৰ মৈৰাবাৰী অঞ্চলৰ এক গুৰুত্বপূৰ্ণ উচ্চ শিক্ষানুষ্ঠান মৈৰাবাৰী মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক পূৰ্ণপৰ্যায়ৰ শিক্ষা বিষয়ক সা-সুবিধা প্ৰদানৰ ক্ষেত্ৰত মহাবিদ্যালয় পৰিচালনা সমিতিয়ে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হৈ অহাৰ সময়ত পুছা নামৰ চৰকাৰৰ ফলপ্ৰসু অভিলাসী আঁচনিৰ শুভ উদ্বোধনৰ কাম মহাবিদ্যালয়খনত সম্পূৰ্ণ হোৱাত পৰিচালনা সমিতিয়ে সন্তুষ্ট প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। ২১ মে'ত মৈৰাবাৰী মহাবিদ্যালয়ত মৰিগাঁও জিলা উপায়ুক্তৰ হৈ লাহৰীঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মানসজ্যেতি বৰাই পুছা আঁচনিৰ শুভ উদ্বোধন কৰে। জানিব পৰা মতে এই আঁচনিৰ অধীনত মহাবিদ্যালয়খনত ৩০ লাখ টকা খৰচ কৰাৰ বাবে চৰকাৰে অনুমোদন জনাইছে।

# গোসাইগাঁৱত ইউ পি পি এল দলৰ যুৱ আৰু মহিলা গোটৰ শপত গ্ৰহণ অনুষ্ঠান




**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ২৩ মে'ঃ** ইউ পি পি এল দলৰ গোসাইগাঁও জিলা সমিতিৰ যুৱ আৰু মহিলা গোটৰ নতুন সমিতিৰ শপত গ্ৰহণ অনুষ্ঠান আজি অনুষ্ঠিত হয়। তদুপৰি দলৰ গোসাইগাঁও জিলা সমিতিৰ সভাপতি অনিন্দ্ৰ বসুমতাৰীৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত ৰাজীৱ মুছাহাৰীক সভাপতি, সৌমকোৰ বসুমতাৰী আৰু হাফিজুৰ ৰহমানক সম্পাদক হিচাপে লৈ দলৰ যুৱ গোটৰ গোসাইগাঁও জিলা সমিতি গঠন কৰা হয় আৰু যুৱ সমিতিখনৰ শপত বাক্য পাঠ কৰোৱায় দলৰ কেন্দ্ৰীয় যুৱ সমিতিৰ সভাপতি সোমনাথ নাৰ্জাৰীয়ে। আনহাতে চিত্ৰা বসুমতাৰীক সভানেত্ৰী আৰু মঞ্জিলা খাতুনক সম্পাদিকা হিচাপে লৈ গঠিত হোৱা দলৰ গোসাইগাঁও জিলা মহিলা সমিতিখন আৰু গোসাইগাঁও জিলা সমিতিৰ অধীনস্থ বিভিন্ন ব্লক সমিতিসমূহক শপত বাক্য পাঠ কৰোৱায় কোকৰাঝাৰ পৌৰ সভাৰ পৌৰপতি প্ৰতিভা ব্ৰহ্মই। সভাত দলৰ মহিলা সমিতিৰ কেন্দ্ৰীয় সভানেত্ৰী বীণা গয়াৰীয়ে কৰ্মীসকলক উদ্দেশ্যি সাংগঠনিক দিশৰ ওপৰত ভাষণ আগবঢ়ায়। সভাত গোসাইগাঁও পৌৰসভাৰ পৌৰপতি প্ৰফুল্ল ইছলাৰী, কেন্দ্ৰীয় সাংগঠনিক সম্পাদিকা মুৰ্শীদা বেগম, গোসাইগাঁও জিলা সমিতিৰ সাংগঠনিক সম্পাদক লোকনাথ নাৰ্জাৰীসহ বহু নেতা-কৰ্মী উপস্থিত থাকে। সাংবাদিকে সোধা এক আহুতীয়া সাক্ষাৎকাৰত গোসাইগাঁও জিলা সমিতিৰ সভাপতি অনিন্দ্ৰ বসুমতাৰীয়ে কয় যে বি পি এফ দলৰ দলীয় কৰ্মী সকলক ধৰি ৰখাৰ বাবে বিপিএফ দলৰ চৰকাৰ গঠন হ'ব বুলি ছয় মাহৰ মূৰে মূৰে কৈ থাকে।

জনপ্ৰিয় অগ্ৰণী অনুষ্ঠান নৰ্থ ইষ্ট আৰ্টিষ্টিক টেলেণ্ট ক্লাব

# মৰিগাঁৱৰ সাংবাদিক অচ্যুত কুমাৰ নাথলৈ সংবাদ ৰত্ন বঁটা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ২৩ মে'ঃ** মৰিগাঁৱৰ উদীয়মান যুৱ সাংবাদিক অচ্যুত কুমাৰ নাথলৈ নৰ্থ ইষ্ট আৰ্টিষ্টিক টেলেণ্ট ক্লাবে সন্মানীয় 'সংবাদ ৰত্ন' বঁটা আগ বঢ়াইছে। কালি গুৱাহাটীৰ চানমাৰিস্থিত পেন্সনাৰ ভৱনত অনুষ্ঠিত নৰ্থ ইষ্ট আৰ্টিষ্টিক টেলেণ্ট ক্লাবৰ নৰ্থ ইষ্ট আৰ্টিষ্টিক টেলেণ্ট এৱাৰ্ড-২০২২ প্ৰদান অনুষ্ঠানত মৰিগাঁৱৰ সাংবাদিক অচ্যুত কুমাৰ নাথক সংবাদ ৰত্ন বঁটাটো আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। কালিৰ এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত অসমৰ বিশিষ্ট সাংবাদিক তথা 'দৈনন্দিন বাৰ্তা'ৰ স্বত্বাধিকাৰী শংকৰ গোস্বামী, বিশিষ্ট সাংবাদিক চক্ৰপাণি পৰাশৰ, নৰ্থ ইষ্ট আৰ্টিষ্টিক টেলেণ্ট ক্লাবৰ মুখ্য উপদেষ্টা নন্তু দত্ত, সভাপতি পিণ্টু বৰা, মুখ্য সম্পাদিকা ৰশ্মিৰেখা কাশ্যপসহ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে মৰিগাঁৱৰ উদীয়মান সাংবাদিক অচ্যুত কুমাৰ নাথে গুৱাহাটীৰ পৰা প্ৰকাশিত



'বাৰ্তৰি কাকত' নামৰ অসমীয়া দৈনিক কাকতখনৰ উপৰি বৰ অসম আৰু বহুকেইখন সাপ্তাহিক বাতৰি কাকতত মৰিগাঁৱৰ পৰা সাংবাদিক হিচাপে বাতৰি সেৱা আগবঢ়াই আছে। তেওঁ লাভ কৰা সংবাদ ৰত্ন সন্মানে মৰিগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিছে।

## বঙাইগাঁৱৰ দোলাইগাঁও-কুকুৰমাৰী সংযোগী পথৰ কাষত থকা ষ্ট্ৰীট লাইটসহ ৪৫টা খুঁটি চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৩ মে'ঃ** বঙাইগাঁও চহৰৰ দোলাইগাঁও-কুকুৰমাৰী সংযোগী গড়কাপ্তানী পথৰ কাষত থকা সৌৰ চালিত ষ্ট্ৰীট লাইটসহ মুঠ ৪৫ টা খুঁটি চুৰি হোৱাৰ ঘটনাই বৃহত্তৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই সম্পৰ্কত 'বৃহত্তৰ দোলাইগাঁও উন্নয়ন সমিতি'ৰ সভাপতি বীৰেন্দ্ৰ নাথ পাটগিৰিয়ে শনিবাৰে উত্তৰ বঙাইগাঁও আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ জৰিয়তে বঙাইগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ এখন এজাহাৰ দাখিল কৰিছে। উল্লেখ্য যে সৌৰ চালিত ষ্ট্ৰীট লাইটসহ মুঠ ৪৫ টা খুঁটি চুৰি হোৱাৰ ঘটনাৰ তদন্ত কৰি দুষ্কৃতিকাৰীৰ বিৰুদ্ধে উপযুক্ত আইনী শাস্তিৰ ব্যৱস্থা কৰাৰ দাবী উত্থাপন কৰিছে। লগতে উপায়ুক্তকো বিষয়টো সন্দৰ্ভত অৱগত কৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰিছে। স্মাৰকপত্ৰত উক্ত পথটোত পুনৰ ষ্ট্ৰীট লাইটসমূহ স্থাপন কৰাৰ বাবে আবেদন জনাইছে।

# বাক্সাৰ শালবাৰীত আদিবাসী ছাত্ৰ সন্থাৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৩ মে'ঃ** বাক্সা জিলাৰ মহকুমা সদৰ শালবাৰীৰ মহকুমাধিপতি কাৰ্যালয়ৰ সন্মুখত আজি আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ বাঁহবাৰী আঞ্চলিক সমিতিৰ উদ্যোগত ডলু চাহ বাগিচাৰ উচ্ছেদক লৈ দুই ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ আদিবাসী সকলৰ ওপৰত বৃটিছ শাসন নচলিব, অসম চৰকাৰ হায় হায়, আদিবাসী বিধায়ক ধ্বংস হওক, উই ৱাণ্ট জাষ্টিচ, ডলু চাহ বাগিচাত উচ্ছেদ অভিযান বন্ধ কৰক আদি শ্লোগানেৰে উত্তাল কৰি তোলে সমগ্ৰ পৰিৱেশ। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে ডলু চাহ বাগিচাৰ উচ্ছেদিত চাহ শ্ৰমিক সকলক পুনৰ সংস্থাপন আৰু ক্ষতিপূৰণৰ দাবী উত্থাপন কৰে আদিবাসী ছাত্ৰ সন্থাই। প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত বাঁহবাৰী আঞ্চলিক ছাত্ৰ সন্থাই শালবাৰী মহকুমাধিপতি কাৰ্যালয়ৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।




# নগৰবেৰাত আৰক্ষীয়ে জব্দ কৰিলে ৪৪৪ বস্তা ইউৰিয়া সাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৩ মে'ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাত আজি বৃহৎ পৰিমাণৰ ইউৰিয়া সাৰ জব্দ কৰে নগৰবেৰা আৰক্ষীয়ে। নগৰবেৰা বজাৰৰ ওচৰত কোনোবাই অবৈধভাৱে মজুত কৰি ৰাখিছিল বিগত প্ৰায় দুমাহ ধৰি ৪৪৪ পেকেট ইউৰিয়া সাৰ পৰিত্যক্ত অৱস্থাত জলজলী নৈৰ পাৰত ৰাখিছিল। সুদীৰ্ঘ দিন ধৰি জলজলী নৈৰ পাৰত পৰিত্যক্ত অৱস্থাত মজুত কৰি ৰখা এই বৃহৎ পৰিমাণৰ ইউৰিয়া সাৰৰ বিষয়ে নগৰবেৰা আৰক্ষীক অৱগত কৰায় নগৰবেৰা বজাৰ ৰক্ষণা কমিটিৰ সভাপতিগৰাকীয়ে। ইয়াৰ পিছতে নিশাৰ ভাগত নগৰবেৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিৰাল আহমেদৰ নেতৃত্বত আৰক্ষীৰ এটি দল ঘটনাস্থলীত উপস্থিত হৈ সাৰ খিনি জব্দ কৰাৰ লগতে তদন্ত অব্যাহত ৰাখে। তদন্তৰ অন্তত জব্দকৃত সাৰ খিনি মান্নান ছীড হাউছৰ বুলি আৰক্ষীয়ে নিশ্চিত হয়। ঘটনাৰ বিষয়ে নগৰবেৰা আৰক্ষীয়ে ইতিমধ্যে চি আই ডিক অৱগত কৰা বুলি সাংবাদিকক



জানিবলৈ দিয়ে। উল্লেখ্য যে, কিছুদিন পূৰ্বে নগৰবেৰাত ইউৰিয়া সাৰ কেলেংকাৰীৰ সন্দৰ্ভত চি আই ডিৰ এটি দলে অভিযান চলাই মান্নান ছীড হাউছৰ বৃহৎ কেলেংকাৰী ধৰা পেলাবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত মান্নান ছীড হাউছৰ স্বত্বাধিকাৰী মান্নান আলীক চি আই ডিৰ দলটোৱে আটক কৰি গুৱাহাটীলৈ নিয়াৰ পিছত সোধাপোছা কৰি জে'ল-হাজোতলৈ প্ৰেৰণ কৰে। এনে সাৰ কেলেংকাৰীৰ অভিযোগতে মান্নান আলী বৰ্তমান জে'লতে আছে।

# জন্মদিনত হাতীগাঁৱৰ বৃদ্ধাৰাসত অৰ্ধশতাধিক আইতাক বস্ত্ৰ-আহাৰ বিতৰণ বলেশ্বৰ ৰংপিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৩ মে'ঃ** গুৱাহাটীৰ দীপৰ বিলৰ কাষৰীয়া দেউছাল অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী, নৱজ্যোতি ক্লাবৰ সভাপতি বলেশ্বৰ ৰংপিয়ে আজি তেওঁৰ জন্মদিনটো ব্যতিক্ৰমীভাৱে উদ্‌যাপন কৰে। বিশেষকৈ গুৱাহাটীৰ হাতীগাঁও অঞ্চলত উৎপল হৰ্ষবৰ্ধনৰ তত্বাৱধানত পৰিচালিত প্ৰমোদ তালুকদাৰ সৌৰৱণী বৃদ্ধা আৱাসত থকা অৰ্দ্ধ শতাধিক আইতাৰ লগত উদ্‌যাপন কৰে। দুপৰীয়াৰ পূৰ্বে বৃদ্ধাৱাসত উপস্থিত হৈ বলেশ্বৰ ৰংপিয়ে প্ৰতিগৰাকী আইতাক সেৱা জনাই তেওঁলোকৰ আশীৰ্বাদ গ্ৰহণ কৰে। তাৰ পাছত প্ৰতিগৰাকীকে মেখেলা, চাদৰ, শাড়ীকে ধৰি যাৱতীয় বস্ত্ৰ বিতৰণ কৰে। তেনেদৰে তেওঁলোকক দুপৰীয়াৰ আহাৰ যোগান ধৰাৰ লগতে একেলগে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত আজাৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী কবিতা বড়ো ৰংপি, সমাজকৰ্মী কেষ্টৰাম ৰংপি, অশোক থাপা, সুশীল থাপা, যতীন দাস, জনপ্ৰিয় কণ্ঠশিল্পী অসীম ৰঞ্জন দাস আৰু পূৰ্ণিমা দাসকে ধৰি কেবাজনো বিশিষ্ট লোক আৰু বৃদ্ধাৱাস পৰিচালনা সমিতিৰ কেবাজনো কৰ্মকৰ্তা উপস্থিত থাকে। আনহাতে অনুষ্ঠানত নিজৰ জন্মদিনত এনে ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰি বৃদ্ধাৱাসৰ আবাসীসকলক উৎসাহিত কৰা বাবে পৰিচালনা সমিতিৰ ফালৰ পৰাও বলেশ্বৰ ৰংপিক আদৰণি জনোৱা হয়।

চেলেংহাটৰ মানৱদৰদী ব্যক্তি তুষাৰ পালৰ মহানুভৱতা

## আজি পৰ্যন্ত দৃষ্টিগোচৰ নহ'ল চৰকাৰী পক্ষৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৩ মে'ঃ** যোৰহাট জিলাৰ মৰিয়নি বিধান সভা সমষ্টিৰ অন্তৰ্গত চেলেংহাট নামচেচুৰ বাসিন্দা তুষাৰ পাল। যিজন ব্যক্তিয়ে অসহায়জনৰ ওচৰত থিয় দিয়ে প্ৰতি মুহূৰ্তত। যি সময়ত সমগ্ৰ বিশ্বৰ লগতে আমাৰ ৰাজ্যতো কৰোনা মহামাৰীয়ে কোঙা কৰিছিল, বিশ্বৰ ধনী ধনী দেশতো খাদ্যৰ নাটনি হৈছিল, সেই সময়ত তুষাৰ পালে নিজৰ গাঁঠিৰ ধন ভাঙি প্ৰায় পাঁচ হাজাৰতকৈ অধিক মানুহক মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কৰাৰ লগতে অঞ্চলটোৰ হোম কোৱাৰেন্টাইন হৈ থকা প্ৰায় তিনি শতাধিক ব্যক্তিৰ ঘৰত খাদ্য সামগ্ৰীৰ যোগান ধৰিছিল। স্থানীয় বিধায়ক আৰু ৰাজহ চক্ৰ বিষয়াৰ আবেদন মৰ্মে দুই বছৰ কাল নিজৰ ব্যক্তিগত ধনেৰে সহায় কৰিছিল বহু কেইটা দুৰ্ভগীয়া পৰিয়ালক। প্ৰচাৰ বিমুখ ব্যক্তিজনক স্থানীয় বেচৰকাৰী বহু কেইটা সন্থাই মাতি নি সম্বৰ্দ্ধনা জনাইছে যদিও আজিলৈকে চকুত নপৰিল চৰকাৰী পক্ষৰ। ভৱিষ্যতে চৰকাৰৰ সহায়-সহযোগিতা পালে এইদৰে মানৱ সেৱা আগবঢ়াই যোৱাৰ পৰিকল্পনা অটুট ৰাখিব বুলি পালে সাংবাদিকৰ আগত স্পষ্ট কৰে।

## মৰিগাঁৱত সন্ত্ৰাসবাদ বিৰোধী দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ২৩ মে'ঃ** আজি মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সন্ত্ৰাসবাদ বিৰোধী দিৱসৰ সংকল্প পাঠ কৰা হয়। জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত অতিৰিক্ত উপায়ুক্তসকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

# তামুলপুৰৰ কাউলীত বাঘৰ আতংক

## বাঘৰ সন্ধানত কুমাৰীকাটা বন বিভাগৰ অভিযান



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৩ মে'ঃ** তামুলপুৰ জিলাৰ কাউলীত মটঙা নৈৰ পাৰত আজি পুৱাৰে পৰাই বাঘৰ আতংকই বিৰাজ কৰা পৰিলক্ষিত হয়। যোৱা দেওবাৰে বিয়লিৰ ভাগত পথাৰৰ পৰা ঘৰলৈ গৰু নিবলৈ আহি এজন লোকে প্ৰথমতে বাঘটো প্ৰত্যক্ষ কৰাৰ খবৰ বিয়পি পৰে নিশাৰ ভিতৰতে। তাৰ পিছত কুমাৰীকাটা আঞ্চলিক বন বিভাগক খবৰ দিয়াত বন বিষয়া বসন্ত বড়োৰ নেতৃত্বত বন বিভাগৰ লোকে আজি পুৱাৰে পৰাই মটঙা নৈৰ পাৰত বাঘৰ সন্ধান কৰিবলৈ আহি নৈৰ কাষে কাষে বাঘৰ খোজ দেখি বাঘৰ অনুসন্ধানত নামি পৰে। বন বিভাগৰ লোকে গোটেই দিনটো নৈৰ পাৰত থকা বৃহৎ জংঘলত বাঘৰ সন্ধানত অভিযান চলায় যদিও বাতৰি লিখা পৰলৈ বাঘৰ সন্ধান পোৱা নাই বুলি জানিব পৰা গৈছে। উল্লেখ্য যে কিছুদিন পূৰ্বে ভুটানৰ পৰা বৈ অহা নৈৰ বাঢ়নী পানীত বাঘটো উটি অহাৰ সন্দেহ কৰিছে স্থানীয় লোকে।

# বিহালীৰ চাহ বাগিচাত বিধায়কৰ এম্বুলেঞ্চ প্ৰদান

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৩ মে'ঃ** বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্তই চাহ বাগিচাৰ কৰ্মী সকলৰ চিকিৎসা সেৱাৰ সুবিধাৰ্থে সমষ্টিটোৰ চাহ বাগিচাসমূহত একোখনকৈ উন্নত মানৰ এম্বুলেঞ্চ প্ৰদানৰ ব্যৱস্থা লৈছে। ২০২১-২২ বৰ্ষৰ বিধায়ক পুঁজিৰ পৰা আজি মিজিকা জান চাহ বাগিচাত এখন এম্বুলেঞ্চ বাগিচাখনৰ জ্যেষ্ঠ পৰিচালকক আনুষ্ঠানিকভাৱে বাগিচাখনৰ চিকিৎসক আৰু সমূহ কৰ্মচাৰীৰ উপস্থিতিত প্ৰদান কৰে। দুই-এদিনতে আন কেই বাখনো বাগিচাত এনেদৰে এম্বুলেঞ্চ প্ৰদান কৰা হ'ব বুলিও বিধায়ক গৰাকীয়ে বক্তব্য দাঙি ধৰে।



বিধায়ক গৰাকীৰ এনে সিদ্ধান্তক চাহ জনজাতি ছাত্ৰ সন্থাকে ধৰি বাগিচাসমূহৰ চাহ মজদুৰ সংঘৰ বিষয়ববীয়াসকলে আদৰণি জনাইছে।

# সদৌ অসম চাহু বৈশ্য তেলী সন্মিলনৰ প্ৰথমখন ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৩ মে'ঃ** ২৩ ফেব্ৰুৱাৰী, ১৯৩২ চনতে জন্ম লাভ কৰা বৃহত্তৰ অসমীয়া জাতিৰ অভিন্ন অংগ সদৌ অসম চাহু বৈশ্য তেলী সন্মিলনৰ নৱনিৰ্বাচিত সমিতিৰ প্ৰথমখন ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা কালি চৰাইদেউ জিলাৰ মৰাণহাটৰ বিষ্ণুপুৰৰ ৰবী ষষ্ঠী সৰোবৰ প্ৰেক্ষাগৃহত মৰাণ শাখাৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। সন্মিলনৰ নৱ নিৰ্বাচিত সভাপতি ৰাম কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ আঁত ধৰে কেন্দ্ৰীয় সম্পাদক প্ৰধান তিলক চাহুৱে। বিগত ২৬, ২৭ মাৰ্চত অনুষ্ঠিত সন্মিলনৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশনত নতুনকৈ দায়িত্বভাৰ গ্ৰহণ কৰা বিষয়ববীয়াসকলে কালিৰ কাৰ্যনিৰ্বাহক সভাত সংবিধানৰ নামত শপত বাক্য পাঠ কৰে। সভাত মুখ্য অতিথি হিচাপে মৰাণ অইল ইণ্ডিয়া লিমিটেডৰ উপ মুখ্য প্ৰবন্ধক কানু চাহুৰ উপৰি কাৰ্যকৰী সভাপতি জনকৰাম চাহু, প্ৰাক্তন কেন্দ্ৰীয় সভাপতি চন্দ্ৰ চাহু, পূৰ্ণকান্ত চাহু, ৰামজী চাহু, ৰামপদ বৰ্মা, গোপাল চাহু, চম্পালাল চাহু, ঔমপ্ৰকাশ চাহু, ৰঞ্জিত চাহু, পাপু চাহু, মতিলাল চাহুৱে অংশগ্ৰহণ কৰে। সভাত লক্ষীমপুৰ কেন্দ্ৰীয় অধিৱেশনত নেতৃত্ব দিয়া ৰামচন্দ্ৰ চাহু, প্ৰেমলাল চাহু, অৰুণ কুমাৰ চাহা, মথুৰা চাহু, কানাইলাল চাহু, উত্তম চাহু, অৰ্জু চাহু, গয়া চাহু, মদন চাহু, মেৱালাল গুপ্তা, লক্ষ্মণ চাহুক কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা একোখনকৈ মানপত্ৰ আৰু গামোচাৰে অভিনন্দন জনোৱা হয়। সভাত কেন্দ্ৰীয় অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ তৰফৰ জনকৰাম চাহু, তিলক চাহু আৰু ৰামজী চাহুক অভিনন্দন জনায়। সভাই আগন্তুক দিনত সংবিধানৰ আংশিক সংশোধনৰ বাবে ৫ জনীয়া এখনি সমিতি গঠন কৰে, ইয়াৰ উপৰি ৰাজ্যৰ যিসমূহ অঞ্চলত শাখা সমূহ নিষ্ক্ৰিয় অৱস্থাত আছে, সেই শাখাসমূহক সক্ৰিয় কৰাৰ লগতে পৰ্যায়ক্ৰমে জিলা সমিতি গঠন কৰি বিভিন্ন কাৰ্যসূচী হাতত লোৱাৰ লগতে সন্মিলনে ৩ মহীয়া আলোচনী উলিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত প্ৰায় শতাধিক কেন্দ্ৰীয় সমিতিৰ প্ৰতিনিধিৰ লগতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

# পশ্চিম বকতাত বান, ১০খনৰো অধিক গাঁও জলমগ্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকতা, ২৩ মে'ঃ** দিচাং আৰু দিখৌ নৈৰ বাঢ়নী পানীয়ে শিৱসাগৰ জিলাৰ ডিমৌ ৰাজহ চক্ৰৰ অন্তৰ্গত বকতা মৌজাৰ বাখৰবেঙেনা আৰু বৰবাম পঞ্চায়তৰ ১০ খনৰো অধিক গাঁও জলমগ্ন কৰিছে। বানত অঞ্চলটোৰ ইকৰাতলি, ২ নং কোঁৱৰ, মাহখোৱাবাৰী, হলঙনি, দিখৌ কিনাৰ, চৰালপথাৰ, দেউৰীটিং, খামোন, বৰপিয়ালহাবি, জৰলাটিং, অভয়পুৰীয়াটিং আদি গাঁৱৰ বাট-পথ বুৰ গৈছে। বাঢ়নী পানীয়ে বাখৰবেঙেনা বৃক্ষকে ধৰি বাখৰবেঙেনা হাইস্কুলৰ চৌহদ জলমগ্ন কৰাৰ ফলত বিদ্যালয়ৰ পাঠদানৰ লগতে পৰ্যটকৰ থলী বাখৰবেঙেনা দৰ্শনাৰ্থীৰ বাবে বন্ধ হৈ পৰিছে।

# অসম বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ পৰীক্ষাৰ ফলাফলত নগাঁৱৰ বন্নি বৰবৰাৰ সোণৰ পদক লাভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৩ মে'ঃ** শিলচৰ অসম বিশ্ববিদ্যালয়ৰ সদ্য ঘোষিত স্নাতকোত্তৰ চূড়ান্ত বাৰ্ষিকৰ ফলাফলত বন্নি বৰবৰাই মাষ্টাৰ অৱ লাইব্ৰেৰী এণ্ড ইনফৰমেশ্যন চাইঞ্চ বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখল কৰি সোণৰ পদক লাভ কৰি নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। বন্নিয়ে নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা ভূগোল সন্মানীয় বিষয় হিচাপে লৈ সুখ্যাতিৰে স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। শৈক্ষিক ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা দেখুওৱাৰ উপৰি বন্নি এগৰাকী নৃত্য শিল্পী। বন্নি নগাঁৱৰ বৰপাথৰি ঘূৰীয়াগাঁও নিবাসী ডিম্বেশ্বৰ বৰবৰা আৰু চন্দ্ৰমা বৰুৱা বৰবৰাৰ কন্যা। বন্নি বৰবৰাৰ এই সফলতাৰ বাবে অঞ্চলটোৰ বিভিন্নজনে তেওঁক অভিনন্দন জনাইছে।

# জুবিন গাৰ্গৰ সাংস্কৃতিক সন্ধিয়াৰে সামৰণি পৰিল বেতনিপাম আঞ্চলিক ব'হাগী বিদায় উৎসৱৰ সোণালী জয়ন্তী সমাৰোহৰ

## বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা স্মৃতিগ্ৰন্থ 'নাহৰ' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিচিবৰগাঁও, ২৩ মে'ঃ** ১৭ মে'ৰ পৰা তিনিদিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিহুৱা-বিহুৱতী, বিহুৰ দল, জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দল লগতে হাজাৰ-বিজাৰ লোকে খদমদমাই থকা গাই নৈৰ পাৰৰ বেতনিপাম ব'হাগী বিদায় উৎসৱৰ সোণালী জয়ন্তী সমাৰোহৰ বিহুতলীৰ ব্যস্ততা পৰহি নিশা ১১ বজাৰ পৰা কালি পুৱতি নিশালৈকে চলা জুবিন গাৰ্গৰ সংগীতানুষ্ঠানৰ পাছতেই সামৰণি পৰিছে। প্ৰথম আৰু দ্বিতীয় দিনাৰ বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ অন্তত কালিৰ শেষৰ দিনৰ কাৰ্যসূচী অনুসৰি সন্ধিয়া ৮ বজাত সোণালী জয়ন্তী সমাৰোহৰ উদযাপন সমিতিৰ সভাপতি তিলক ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনি উদ্বোধন কৰে টাই আহোম ছাত্ৰ সন্থাৰ সভাপতি লিটুল বুঢ়াগোহাঁয়ে। সাংস্কৃতিক সভাপতি জিতু দত্তই আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে উদযাপন সমিতিৰ সম্পাদক দুলাল বৰুৱাই। ইয়াৰ পিছতেই সোণালী জয়ন্তী সমাৰোহৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা আৰু মৃদু পৱন চুতীয়াই সম্পাদনা কৰা স্মৃতিগ্ৰন্থ 'নাহৰ' উন্মোচন কৰে ধেমাজি জিলা প্ৰাথমিক শিক্ষা বিষয়া কবিতা ডেকাই। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ আৰু স্থানীয় মুঠ তিনিকুৰি পাঁচজন লেখকৰ বিহু সম্পৰ্কীয় লেখা আৰু স্থানীয় কণমানিসকলে লিখা পদ্য আৰু অংকন কৰা ছবি প্ৰকাশ হোৱা তিনিশ পৃষ্ঠাৰো অধিক পৃষ্ঠা থকা স্মৃতিগ্ৰন্থখনি উন্মোচন কৰি উন্মোচক ডেকাই বেতনিপাম আঞ্চলিক ব'হাগী বিদায় উৎসৱৰ পঞ্চাশ বছৰীয়া স্বৰ্ণিল ইতিহাসৰ লগতে অঞ্চলটোৰো ঐতিহ্য সংৰক্ষিত হোৱা বুলি কয়। অসমৰ ভিন্ন জাতি-জনগোষ্ঠীৰ, অঞ্চলৰ, অনুষ্ঠানৰ বিহু সম্পৰ্কীয় লেখাসমূহে পাঠক সমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব বুলি মন্তব্য কৰে। আনহাতে স্মৃতিগ্ৰন্থৰ সম্পাদক মৃদু পৱন চুতীয়াই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ বিশেষ সভা-সমিতি, অধিৱেশন আদিত সৰুকৈ হ'লেও এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিব পাৰিলে ইতিহাস সংৰক্ষিত হয় বুলি কয়। উন্মোচন অনুষ্ঠানটিতে উদযাপন সমিতিয়ে আমন্ত্ৰিত সকলো পুৰস্কাৰৰ দাতা, অতিথি, বিশিষ্ট ব্যক্তিৰ লগতে স্মৃতিগ্ৰন্থখনিৰ



বেটুপাত অংকন কৰা কণমানি চিত্ৰশিল্পী পংখী কাজল চুতীয়াক ফুলাম জাপি, গামোচা আৰু এটি স্মাৰকেৰে সম্বৰ্দ্ধনা জনোৱা হয়। মুকলি সভাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থকা উদযাপন সমিতিৰ মুখ্য পৃষ্ঠপোষক তথা জোনাই সমষ্টিৰ বিধায়ক ভুৱন পেগুৱেও উপস্থিত ৰাইজক শুভেচ্ছা জ্ঞাপন কৰি পৰা পক্ষত বিহু সন্মিলনসমূহৰ উদ্‌যাপনৰ সময় আগুৱাই নি ব'হাগৰ প্ৰথম সপ্তাহৰ ভিতৰত ল'বলৈ আহ্বান জনায়। মুকলি সভাতে হুঁচৰি বিহু প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা চৰাইদেউ বিহু দলক এক লাখ টকা, দ্বিতীয় স্থান অধিকাৰ কৰা ধেমাজি হাবুং হুঁচৰি বিহু দলক পঞ্চাশ হাজাৰ আৰু তৃতীয় স্থান অধিকাৰ কৰা শিৱসাগৰ চেৰেকাপাৰ বিহুদলক তিনিওটা পুৰস্কাৰৰ দাতা বিধায়ক পেগুৱে পুৰস্কাৰ প্ৰদান কৰে। আনহাতে বৰবিহুৱতী প্ৰতিযোগিতাৰ প্ৰথম স্থান লাভ কৰে লখিমপুৰৰ অনন্যা ফুকন, দ্বিতীয় স্থান লাভ কৰে ধেমাজিৰ পাহাৰী বুঢ়া গোহাঁই আৰু তৃতীয় স্থান লাভ কৰে ডিব্ৰুগড়ৰ ঋতুপৰ্ণা দাসে। মুকলি সভাত ধেমাজি জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক গুণেন্দ্ৰ ডেকা, ধেমাজিৰ অতিৰিক্ত উপায়ুক্ত নন্দিতা বৰুৱা, স্মৃতিগ্ৰন্থৰ উপদেষ্টা গোলাপ বৰা আৰু সভাপতি গকুল শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী গুলপ্ৰভা গগৈ, উদ্‌যাপন সমিতিৰ উপসভাপতি ৰাজীৱ গগৈ, মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তপন কুমাৰ চুতীয়া, চিচিবৰগাঁও মহাবিদ্যালয় অধ্যক্ষ ভাস্কৰ চুতীয়া, সমগ্ৰ শিক্ষাৰ জিলা আঁচনি বিষয়া পংকজ বড়া, টাই আহোম ছাত্ৰ সন্থাৰ যুটীয়া সম্পাদক মিলন বুঢ়াগোহাঁই, উপসভাপতি দেৱজিত গগৈ, চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক ৰাজু চুতীয়া, টিএমপিকেৰ সাধাৰণ সম্পাদক তিলক দলে, সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেং, বেতনিপাম হাইস্কুলৰ প্ৰধান শিক্ষক জিতেন দুৱৰা, বেতনি পাম গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ আঞ্চলিক সদস্যা ৰূণু দুৱৰা, চিচিবৰগাঁও পঞ্চায়তৰ সভাপতি গিৰীন চুতীয়া, চিৰিপানী পঞ্চায়তৰ সভাপতি দীপ্তি বৰুৱা আদিকে কৰি অনেকজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছতেই জনপ্ৰিয় কণ্ঠ শিল্পী জুবিন গাৰ্গৰ সংগীতানুষ্ঠান আৰম্ভ হয়। জুবিন গাৰ্গৰ অনুষ্ঠান উপভোগ কৰিবলৈ প্ৰতিকূল বতৰকো নেওচি বিভিন্ন প্ৰান্তৰ পৰা হিলদল ভাঙি পাৰভঙা উচাহত হাজাৰ হাজাৰ লোকে লোকাৰণ্য হৈ পৰে বেতনিপামৰ বিহুতলী। বোকা-পানী খচকি আজি পুৱালৈকে উপভোগ কৰে জুবিন গাৰ্গ- দিগন্ত গোহাঁই-প্ৰিয়ম বনিতাৰ লগতে আন বহু কেইগৰাকীমান শিল্পীৰ দ্বাৰা অনুষ্ঠিত হয় অনুষ্ঠান।

# এছচিচিৰ ৰাজ্যিক সমিতিৰ এছচিচি শ্ৰেষ্ঠ আৰু এছচিচি বঁটা প্ৰদান অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৩ মে'ঃ** ৰাজ্যখনৰ অন্যতম শিক্ষামূলক অনুষ্ঠান ষ্টুডেণ্ট কেডেট ক্ৰুপছ চমুকৈ এছ চি চি ৰ ৰাজ্যিক সমিতিৰ উদ্যোগত কামৰূপ জিলাৰ মিৰ্জাত ২০২১ বৰ্ষৰ এছ চি চি বঁটা সমূহ প্ৰদান কৰা হয়। অসমৰ ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষাৰ আৰু কল্যাণৰ হকে ছাত্ৰ-ছাত্ৰীসকলক পুথিগত শিক্ষাৰ উপৰিও শাৰীৰিক মানসিক নৈতিক আৰু বৌদ্ধিক দিশত সবল কৰি তোলাৰ উদ্দেশ্যে সমাজৰ মঙ্গলাৰ্থে আৰু এছ চি চি সন্থাৰ সৰ্বতোপ্ৰকাৰ উন্নীতিৰ হকে সেৱা আগবঢ়োৱা এছ চি চিৰ প্ৰশিক্ষণ সম্পাদক হিৰামণি ৰহমানক ২০২১ বৰ্ষৰ এছ চি চি শ্ৰেষ্ঠ বঁটা, প্ৰচাৰ সম্পাদক দিলীপ কলিতা, উপ সভাপতি মস্তোফা কামাল, আবু তালেব আহমেদ,প্ৰশিক্ষণ সম্পাদিকা তৃষ্ণা মজুমদাৰ,অফিউন নেহাৰ, সঞ্জু সাহু, ডেইজি হাজৰিকা, তৃষ্ণা হাজৰিকা, জেৰিফা বেগম, দৃষ্টি দাস প্ৰশিক্ষণ সম্পাদক হিৰো কলিতা, মুস্তাফিৰ আলম, উৎপল দাস, ৰাজামনি আলী, নুৰ হুছেইন, আশীষ কুমাৰ বিশ্বাস, ইনামূল হক, শ্বেক ফৰিদ আদি বিষয় ববীয়াক ২০২১ বৰ্ষৰ এছ চি চি বঁটা প্ৰদান কৰি পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, এছ চি চিৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুছেইন, ৰাজ্যিক সাধাৰণ সম্পাদক শ্ৰী সঞ্জয় শৰ্মাই শুভেচ্ছা জ্ঞাপন কৰে। ২০২১ বৰ্ষৰ এছ চি চি বঁটা সমূহ প্ৰদান কৰি এছ চি চি ৰাজ্যিক সভাপতি গৰাকীয়ে কয় যে আপোনালোকৰ জীৱনৰ কৰ্তব্য পৰায়নতা, সামাজিক দায়বদ্ধতা আৰু প্ৰশিক্ষণ বিভাগত আগবঢ়োৱা সেৱাৰ বাবে ২০২১ বৰ্ষৰ এছ চি চি শ্ৰেষ্ঠ আৰু এছ চি চি বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। এই বঁটায়ে আপোনালোকৰ জীৱনত আৰু অধিক তীব্ৰ গতিত কাম কৰিবলৈ সাহস দিব।বঁটায়ে মানুহৰ জীৱনত কাম কৰিবলৈ প্ৰেৰণা দিয়ে। মই ভাবোঁ আপোনালোক সকলোৱে এছ চি চি মাজেৰে অসমৰ ছাত্ৰ-ছাত্ৰীৰ হকে নিঃস্বাৰ্থভাৱে কাম কৰি সমাজৰ মাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। ই হৈছে এছ চি চি শক্তি। এছ চি চি আগন্তুক দিনত কেনেকৈ আগবঢ়াই লৈ যাব পাৰি তাৰে হকে সকলোৱে কাম কৰিব লাগিব। মই এই বঁটা প্ৰদান কৰি নিজকে ধন্য মানিছোঁ। আশা কৰোঁ আগন্তুক দিনত নিষ্ঠা সততা আৰু একাগ্ৰতাৰে নিজৰ দায়িত্ব পালন কৰি গৈ সমাজত প্ৰতিষ্ঠা লাভ কৰক। আপোনালোকৰ প্ৰতি সদায় মোৰ শুভেচ্ছা আছে আৰু থাকিব।

# প্ৰথম পৃষ্ঠাৰ পৰা—

## বিধ্বস্ত ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ

নিৰ্লিপ্ততাৰ বিৰুদ্ধে প্ৰতিবাদ মুখৰ হৈ উঠিছে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থা। আজি জিলা ছাত্ৰ সন্থাৰ উদ্যোগত শিৱসাগৰ চহৰৰ দৰিকা দলঙৰ সমীপত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে আছুৱে। জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা তথা সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকন,জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা,সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়া,আছু নেতা পৰাগ দত্ত,পাৰ্থ প্ৰতীম বৰুৱা,সুভাষ চন্দ্ৰ দাস,অংকুৰ বৰা,দেৱজিত গগৈ,প্ৰীতম বৰগোঁহাই,অৰূপ ৰাজখোৱা,মানস প্ৰতীম বৰুৱা,জীপম বড়া,মানস প্ৰতীম দত্ত, অসম সেনাৰ নেতা মানৱজ্যোতি কলিতা,হিমন্ত শইকীয়া,ঋতুৰাজ ভৰালীৰ নেতৃত্বত সহস্ৰাধিক আছু নেতা কৰ্মীয়ে হাতে হাতে দাবী সম্বলিত প্লেকাৰ্ড,ছাত্ৰ সন্থাৰ পতাকা লৈ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদস্থলীত এন.এইচ.আই.ডি.চি.এল. হুঁচিয়াৰ,৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ শীঘ্ৰে যাতায়াতৰ সুচল কৰি তোলক, কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰী হায়ঙ্গ হায়ঙ্গ, জনসাধাৰণক সুচল যাতায়াতৰ ব্যৱস্থা প্ৰদান কৰিব নোৱাৰা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ হায় ঙ্গ হায়ঙ্গ,শিৱসাগৰ জিলাৰ ফ'ৰলেন নিৰ্মাণ কাৰ্যৰ বিসংগতি আৰু অনিয়মৰ উচ্চ পৰ্যায়ৰ তদন্তৰ ব্যৱস্থা কৰক, সময় নিৰ্দিষ্ট কৰ্মপন্থাৰে ফ'ৰলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰক,আদি ধ্বনিৰে প্ৰতিবাদকাৰী সকলে পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখযোগ্য যে শিৱসাগৰ জিলা ছাত্ৰ সন্থাই জাঁজীৰ পৰা ডিমৌ পৰ্যন্ত ৪৪ কিল'মিটাৰ পথৰ দুৰৱস্থা দূৰীকৰণৰ বাবে বিগত ১১ মাৰ্চত জিলা উপায়ুক্তক দাবী পত্ৰ প্ৰদান কৰি পথটি যাতায়াতৰ সুচল হোৱাকৈ গঢ়ি তোলা নহ'লে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ প্ৰদান কৰিছিল,যাৰ পৰিপ্ৰেক্ষিতত ১৯ মাৰ্চত শিৱসাগৰৰ জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ হস্তক্ষেপত অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগৰ অধ্যক্ষতাত জিলা উপায়ুক্তৰ সভাকক্ষত আছু, জিলা প্ৰশাসন,আৰক্ষী প্ৰশাসন আৰু এন.এইচ.আই.ডি.চি.এল. কৰ্তৃপক্ষৰ এক আলোচনা অনুষ্ঠিত হৈছিল। উক্ত আলোচনাত এনএইচআইডিচিএলৰ যোৰহাটস্থ কাৰ্যালয়ৰ প্ৰকল্প মহাপ্ৰবন্ধক গৰাকীয়ে জাঁজীৰ পৰা ডিমৌ পৰ্যন্ত পথটি যাতায়াতৰ সুচল হোৱাকৈ মেৰামতিৰ বাবে ৰাণা কনষ্ট্ৰাকচন নামৰ এটি প্ৰতিষ্ঠানক ঠিকা আবণ্টন দিয়া,মূল নিৰ্মাণ কাৰ্যৰ কাম শীঘ্ৰে কৰ্তৃপক্ষৰ তদাৰকীত ঠিকাদাৰী প্ৰতিষ্ঠানৰ দ্বাৰা সমাপন কৰা,জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষিত ৰখাৰ স্বাৰ্থত সকলো ধৰণৰ যাৱতীয় পদক্ষেপ গ্ৰহণ কৰাৰ উপৰি আছুৰ অন্যান্য দাবী সমূহ পূৰণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও অদ্যপি কোনো প্ৰতিশ্ৰুতি পূৰণ নোহোৱাত আৰু পথটো অধিক বিধ্বস্ত হৈ পৰাত আছুৱে পুনৰ ২০ মে'ত জিলা উপায়ুক্তলৈ এখনি দাবী পত্ৰ প্ৰেৰণ কৰি বিষয়টি সন্দৰ্ভত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী উত্থাপন কৰে। আৰু পৰৱৰ্তী পৰ্যায়ত আজি জিলা ছাত্ৰ সন্থাই দৰিকাপাৰত ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে এন.এইচ.আই.ডি.চি.এল.ৰ কতৃত্বশীল বিষয়াৰ লিখিত প্ৰতিশ্ৰুতি লাভ নকৰা পৰ্যন্ত প্ৰতিবাদ অব্যাহত ৰখা হ'ব বুলি প্ৰশাসনক স্থিতি স্পষ্ট কৰি দিয়ে। বহু সময় ধৰি উক্ত স্থানত ঘাইপথ অৱৰোধেৰে প্ৰতিবাদ সাব্যস্ত কৰা প্ৰতিবাদকাৰী সকলৰ সৈতে জিলা প্ৰশাসনৰ প্ৰতিনিধিৰূপে অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগ,চক্ৰ বিষয়া জীৱন কৃষ্ণ গোস্বামী উপস্থিত হৈ এন.এইচ.আই.ডি.চি.এল.ৰ যোৰহাটস্থ আঞ্চলিক কাৰ্যালয়ৰ পৰা প্ৰেৰণ কৰা জাঁজী-ডিমৌ ফ'ৰলেন নিৰ্মাণ প্ৰকল্পৰ অধীক্ষক অভিযন্তা ইমৰাণ আনচাৰী আৰু অন্যান্য বিষয়া কৰ্মচাৰীৰ সতে মত বিনিময় কৰাই দিয়াত প্ৰতিবাদকাৰী সকলে প্ৰশ্নবাণেৰে এন.এইচ.আই.ডি.চি.এল.ৰ বিষয়া কৰ্মচাৰী সকলক জবাব দিহি কৰে। পৰৱৰ্তী পৰ্যায়ত এন.এইচ.আই.ডি.চি.এল. আৰু জিলা প্ৰশাসনৰ প্ৰতিনিধিৰ যৌথ স্বাক্ষৰত আছুৰ দাবী সমূহ পূৰণৰ লিখিত প্ৰতিশ্ৰুতি প্ৰদান কৰাত অৱৰোধকাৰী সকলে অৱৰোধ প্ৰত্যাহাৰ কৰে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকনে জনসাধাৰণক সুচল যাতায়াত প্ৰদানত ব্যৰ্থ চৰকাৰ আৰু এন.এইচ.আই.ডি.চি.এল.ক কঠোৰ ভাষাৰে সমালোচনা কৰি শীঘ্ৰে এই পথছোৱাৰ মেৰামতি সম্পন্ন কৰাৰ দাবী উত্থাপন কৰে লগতে তেওঁ কয়, জাঁজীৰ পৰা ডিমৌ পৰ্যন্ত ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ ফ'ৰলেনলৈ উন্নীত কৰণ প্ৰক্ৰিয়াত আৰম্ভণিৰে পৰা ব্যাপক অনিয়ম আৰু বিসংগতি সংঘটিত হৈছে। এই সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ তদন্তৰ যোগেদি সকলোকে তদন্তৰ আওতালৈ আনি প্ৰকৃত সত্যাসত্য নিৰূপণৰ ব্যৱস্থা হ'ব লাগিব। ইয়োৰোপৰি এই অংশ নিৰ্মাণৰ ঠিকালাভ কৰা ঠিকাদাৰী প্ৰতিষ্ঠানক যিহেতু অপসাৰণ কৰা হৈছে,সেয়েহে এই পথছোৱা কি প্ৰক্ৰিয়াৰে আৰু কেনেকৈ ফ'ৰলেনলৈ উন্নীত হ'ব তাৰ এক সময় নিৰ্দিষ্ট কৰ্মপন্থা বিশিষ্ট প্ৰকল্প যুগুতাই এন.এইচ.আই.ডি.চি.এলে তথ্য ৰাজহুৱা কৰিব লাগিব। আছুৰ দাবী সন্দৰ্ভত তাৎক্ষণিকভাৱে যাৱতীয় পদক্ষেপ গ্ৰহণ নকৰিলে জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থত আছুৱে কঠোৰ জংগী গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গঢ়ি তুলি জনতাক ন্যায় প্ৰদান কৰিবলৈ বদ্ধপৰিকৰ।

## ৯ পৰিষদীয় সমষ্টিত ৫০

পৰিষদীয় সমষ্টিৰ বাবে বিজেপি দলৰ হৈ অভিজিৎ ক্ৰ, কংগ্ৰেছ দলৰ হৈ ৰূপছিং বংৰং, এএছডিচি দলৰ হৈ চন্দ্ৰ ৰংফাৰ, নিৰ্দলীয় প্ৰাৰ্থী চাৰ-ইম টেৰন, লিটছন ৰংফাৰকে ধৰি মুঠ পাঁচগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ৪ নং চ'ছে পৰিষদীয় সমষ্টিৰ বাবে বিজেপি দলৰ হৈ হেডছিং ৰংফাৰ, কংগ্ৰেছ দলৰ হৈ মাৰ্টিন টিমুং, এএছডিচিৰ হৈ ৰামছিং তেৰাং, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে বিক্ৰম হাঞ্চে, লংকিৰ্ষি টিছ' আৰু লংবি ক্ৰ'কে ধৰি মুঠ ছগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ৫ নং বংখং পৰিষদীয় সমষ্টিৰ বাবে বিজেপি দলৰ হৈ লংবিছন বে', কংগ্ৰেছ দলৰ হৈ ছিং টেৰন, চিপিআই (এম এল) দলৰ হৈ দিলীপ তেৰাং, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে জনাথন ইংতি কাঠাৰ, ক্ৰিপ্তান তেৰাং ডিলি আৰু লংবিৰ টেৰনকে ধৰি মুঠ ছগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° তুলিৰাম ৰংহাঙৰ ৬ নং বিথু-বেংখামা পৰিষদীয় সমষ্টিত বিজেপি দলৰ হৈ ড° তুলিৰাম ৰংহাং, কংগ্ৰেছ দলৰ হৈ কাংবুৰা হাঞ্চে, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে বিক্ৰম হাঞ্চে আৰু ৰাজাৰ ইংজাইকে ধৰি মুঠ চাৰিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ৭ নং কপিলী পৰিষদীয় সমষ্টিৰ বাবে বিজেপি দলৰ হৈ পৱন কুমাৰ, কংগ্ৰেছ দলৰ হৈ কাৰেং ফাংছ'পী, চিপিআই (এম এল) দলৰ হৈ বীনা বংপিপী, আম আদমী পাৰ্টীৰ হৈ অশোক কুমাৰ চৌহান, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে কুৰছিং টিমুং, বাহাং টিছ' আৰু দিলীপ চৌহানকে ধৰি মুঠ সাতগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ৮ নং হামৰেন পৰিষদীয় সমষ্টিৰ পৰা বিজেপি দলৰ হৈ মঙ্গলছিং টিমুং, কংগ্ৰেছ দলৰ হৈ ৰূপেশ বে', এএছডিচি দলৰ হৈ মেনছিং তেৰাং, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে আতাং ইংহী আৰু জনাথন টেৰনকে ধৰি মুঠ পাঁচগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। পশ্চিম কাৰ্বি আংলং জিলাৰ অন্তিমটো পৰিষদীয় সমষ্টি ৯ নং আমৰি পৰিষদীয় সমষ্টিৰ বাবে বিজেপি দলৰ হৈ বীৰা তেৰাংপী, কংগ্ৰেছ দলৰ হৈ এলিছ ইংতিপী, চিপিআই (এম এল)ৰ হৈ চন্দ্ৰ টিমুং, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে বীজেন্দ্ৰ টিমুং আৰু ধনেশ্বৰ বংহাংকে ধৰি মুঠ পাঁচগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। উল্লেখযোগ্য যে বিজেপি দলৰ হৈ মনোনয়ন পত্ৰ দাখিল অনুষ্ঠানত উপস্থিত থাকে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকা।

## ৮০০টাকৈ পৰিয়ালৰ

জীৱনলৈ। সামান্য মানদনিৰে পৰিয়াল পোহপাল দি অহা এইসকল পৰিয়ালৰ কথা চিন্তা নকৰি ৰাজ্যৰ শিক্ষামন্ত্ৰীয়ে ৰাজ্যৰ ১৬খন আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ জুন মাহৰ পৰা বন্ধ হ'ব বুলি ঘোষণা কৰাৰ পাছত কেন্দ্ৰসমূহত কৰ্মৰত কৰ্মীসকলৰ মাজত হাহাকাৰ লাগিছে। এই সন্দৰ্ভত আজি নৰ্থ লখিমপুৰ প্ৰেছক্লাবত আয়োজিত এক সংবাদ মেলত শিক্ষামন্ত্ৰীৰ এই ঘোষণাক ধিক্কাৰ দিয়াৰ লগতে মন্ত্ৰীৰ এই ঘোষণা অমানবীয় বুলি আখ্যা দিছে আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ কৰ্মী সংস্থাৰ ৰাজ্যিক সভাপতি আব্দুৰ ৰাজীৱে। তেওঁৰ অভিযোগ কিঞ্চিত পৰিমাণ মাননিৰে জীৱনৰ প্ৰায় ১৭টা বছৰ মূল্যৱান সময় পাৰ কৰিলে এই দুৰ্গতীয়া কৰ্মীসকলে। শেষ মুহূৰ্তত কিঞ্চিত মাননিৰ পৰাও বঞ্চিত কৰি শিক্ষামন্ত্ৰীয়ে এই মানবতাহীন ঘোষণাই মৰ্মাহত কৰিছে কৰ্মীবসকলৰ পৰিয়াল। শিক্ষামন্ত্ৰীৰ ঘোষণাৰ পিছত অসম সৰ্বশিক্ষা অভিযান মিছনে ১৪ মে'ত অতি গোপনভাৱে ১ জুনৰ পৰা কাৰ্যকৰী হোৱাকৈ ৮৬খন কেন্দ্ৰ সম্পূৰ্ণভাৱে বন্ধৰ নিৰ্দেশনা জিলাই জিলাই প্ৰেৰণ কৰাৰ পাই কৰ্মীসকল আতংকিত হৈ পৰিছে। সংগঠনটোৱে কৰ্মীসকলৰ ভৱিষ্যত জীৱন সুৰক্ষিত কৰিবলৈ দাবী জনাইছে আৰু অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ মৌলিক অধিকাৰ খৰ্ব নকৰিবলৈ আহ্বান জনাইছে। অন্যথা কৰ্মীসকলে পৰিয়ালৰ সৈতে ৰাজপথত নমাৰ এক প্ৰকাৰ হুংকাৰ দিছে। উক্ত নিৰ্দেশনা বাতিল কৰি এই ৮০০গৰাকী কৰ্মীক স্থায়ী সংস্থাপন দিয়াৰ দাবীত ২৫ মে'ৰ পৰা সকলো কৰ্মী কেন্দ্ৰৰ সকলো কামৰ পৰা আঁতৰি থকাৰ লগতে ৩০ মে'ত সৰ্বশিক্ষাৰ কাৰ্যালয় ঘেৰাও কৰাৰ কাৰ্যসূচী ঘোষণা কৰিছে সংস্থাটোৱে। ইয়াৰ পিছতো যদি কোনো সুফল নাপায় তেন্তে মুখ্যমন্ত্ৰীৰ বাসভৱন ঘেৰাও কাৰ্যসূচী হাতত ল'ব বুলি সকীয়াই দিছে সংগঠনটোৰ সভাপতি আব্দুৰ ৰাজীৱে। শিক্ষামন্ত্ৰী আৰু সৰ্বশিক্ষাৰ এই একপক্ষীয় সিদ্ধান্তক সহজে মানি ল'ব পৰা নাই ৰাজ্যৰ কৰ্মীসকলে। লগতে আদালতৰ দ্বাৰস্থ হোৱাৰো হুংকাৰ আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ কৰ্মী সংস্থাৰ সভাপতি আব্দুৰ ৰাজীৱৰ। উক্ত কাৰ্যসূচীৰ সময়ত কেন্দ্ৰত থকা শিশুসকলৰ চোৱা-চিতাৰ দায়িত্বৰ পৰাও আঁতৰি থাকিব সকলো কৰ্মী। উক্ত আন্দোলনৰ সময়ত কেন্দ্ৰসমূহত সৃষ্টি হ'ব পৰা কোনো পৰিস্থিতিৰ বাবে সৰ্বশিক্ষা মিছন কৰ্তৃপক্ষ জগৰীয়া হ'ব বুলি সকীয়াই দিছে।

## শৰ্মিষ্ঠা বৰাক এজনীয়া তদন্ত

ৰাজনৈতিক বিভাগৰ উপ-সচিব শৰ্মিষ্ঠা বৰাক অতিৰিক্ত দায়িত্বৰে ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) বি কে শৰ্মাৰ নেতৃত্বত গঠিত এজনীয়া তদন্ত আয়োগৰ সচিব হিচাপে নিয়োগ কৰিছে। তাৎক্ষণিকভাৱে বলবৎ হোৱা এই নিৰ্দেশ পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰা পৰ্যন্ত বাহাল থাকিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে বিগত ২০ মে'ত এই এজনীয়া তদন্ত আয়োগখন গঠন কৰিছিল।

## থানাত অগ্নিসংযোগ কৰিবলৈ

বাকী ১৬গৰাকী লোকক সোধা-পোছাৰ অন্তত আজি ঘৰলৈ যাবলৈ দিয়া হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোককেইজন হ'ল মুজিবুৰ ৰহমান (৪৯), ৰফিকুল ইছলাম (৩৬),আনোৱাৰ হুছেইন (৪২), ছাবিনা খাতুন (১৮), ৰছিদা খাতুন (৩৬) আৰু আনোৱাৰ হুছেইন (৩৫)। ধৃত লোক কেইগৰাকীক কালি সন্ধিয়া আদালতত হাজিৰ কৰোৱা হয়। নগাঁও আৰক্ষীয়ে অভিযুক্তসকলক ১৫ দিনৰ জিম্মাত বিচাৰি আৱেদন কৰে যদিও আদালতে পাঁচ দিনৰ বাবেহ পুলিচৰ জিম্মালৈ প্ৰেৰণ কৰে। সম্প্ৰতি বটদ্ৰৱা কাণ্ডৰ এই ছয় মূল অভিযুক্তক নগাঁও সদৰ থানাত জেৰা চলাই থকা হৈছে। ইপিনে, বটদ্ৰৱা কাণ্ডৰ পাছত ৰাজ্যৰ ৰাজনৈতিক ক্ষেত্ৰখনত তীব্ৰ জোকাৰণিৰ সৃষ্টি হৈছে। আইন হাতত তুলি লোৱাসকলৰ বিৰুদ্ধে ৰাজ্য চৰকাৰ তথা অসম আৰক্ষীৰ কঠোৰ স্থিতিৰ বিপৰীতে একাংশ ৰাজনৈতিক দল, নেতা তথা একাংশ সংগঠনৰ স্থিতিয়ে ৰাইজক চিন্তিত কৰি তুলিছে। তদুপৰি একাংশ জনপ্ৰতিনিধিৰো উচটনিমূলক বক্তব্য আৰু কাম-কাজে সাধাৰণ ৰাইজৰ চকু কপালত তুলিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাৰ অগ্নিগৰ্ভা পৰিস্থিতিৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰাৰ ক্ষেত্ৰত একাংশ ৰাজনৈতিক দলৰ নেতাই চেষ্টা চলাই থকাৰো গুৰুত্বৰ অভিযোগ উত্থাপিত হৈছে। বটদ্ৰৱাত সংঘটিত হোৱা হিংসাত্মক ঘটনা সন্দৰ্ভত আজি এক সংবাদ মেল সম্বোধন কৰে নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলেই। আৰক্ষী অধীক্ষক লীনা দলেই আজি বিয়লি নিজৰ কাৰ্যালয়ত আয়োজিত সংবাদ মেলত কয়— 'বটদ্ৰৱা থানা আক্ৰমণৰ ঘটনাটো এচাম সমাজবিৰোধী লোকৰ পৰিকল্পিত আছিল। পৰিকল্পিতভাৱে থানাখন জ্বলাই দিয়া হৈছিল। তেওঁলোকৰ লক্ষ্য আছিল থানাৰ নথি-পত্ৰসমূহ নষ্ট কৰা। কাৰণ এই ঘটনাৰ আঁৰত বহু অপৰাধৰ লগত জড়িত অপৰাধী লোক আছিল।' বটদ্ৰৱা আৰু ধিঙৰ বহু ভূমিত বেদখল থকাৰ কথা প্ৰকাশ কৰি আৰক্ষী অধীক্ষকগৰাকীয়ে কয়, 'এই বিষয়টো সন্দৰ্ভত উপায়ুক্তক আমি অনুৰোধ জনাইছো যাতে জিলা প্ৰশাসনে এটা জৰীপ চলাই বেদখলৰ সমূহ তথ্য উলিয়ায়।' সংবাদ মেলত আৰক্ষী অধীক্ষকগৰাকীয়ে আৰু কয়— 'ইতিমধ্যে এই ঘটনাত জড়িত ২০জন আচামীক চিনাক্ত কৰা হৈছে। এই আচামীসকলৰ ঘৰৰ পৰা কিছুমান অসামাজিক কাৰ্যকলাপ চলি থকাৰ কথাও আমি গম পাইছো। তেওঁলোকৰ ঘৰলৈ সন্দেহযুক্ত মানুহৰ চাল-চলনৰ কথা স্থানীয় লোকে অৱগত কৰাৰ লগতে তেওঁলোকৰ ঘৰত মানুহ গোট খাই মিটিং চলাৰ কথাও স্থানীয় লোকে জনাইছে। এই অসামাজিক কাম-কাজ ধুবুৰী আৰু বৰপেটা জিলাতো হৈ আছে। আনচাৰুল বাংলাদেশৰ যিটো বাংলা টিমৰ। এইটো বেগু আৰ্গেনাইজেচন।' এই ঘটনাৰ লগত জড়িত কোনো দোষী সাৰি যাব নোৱাৰে বুলি মন্তব্য কৰি আৰক্ষী অধীক্ষকগৰাকীয়ে এই ঘটনাৰ লগত জড়িত অধিকাংশই ড্ৰাগ্ছৰ বেহা, ডকাইতি আৰু বিভিন্ন অপৰাধমূলক কাৰ্যকলাপত জড়িত বুলিও সদৰী কৰে। তেওঁ কয়, 'কালি নিশা এজন অভিযুক্তৰ ঘৰত অভিযান চলাই আৰক্ষীয়ে এটা হস্তনিৰ্মিত ৰিভলভাৰ, নাইন এম এম পিষ্টলৰ চাৰি জাঁই সক্ৰিয় গুলী আৰু ছয় হাজাৰ ৫০০টা নিচাযুক্ত টেবলেট উদ্ধাৰ কৰে।' আৰক্ষী অধীক্ষকগৰাকীয়ে বটদ্ৰৱা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীয়ে সময় মতে উৰ্দ্ধতন মহলক তথ্য জনোৱা নাছিল বাবেই নিলম্বন কৰা হৈছে বুলি মন্তব্য কৰি কয়, 'অ' চিগৰাকীয়ে আচামীৰ গা বেয়া হোৱা আৰু চিকিৎসালয়ত ভৰ্তি কৰাৰ বিষয়ে উৰ্দ্ধতন পক্ষক জনোৱা নাছিল।' ইপিনে, বটদ্ৰৱা কাণ্ডৰ তদন্ত কৰোঁতে ন ন তথ্য পোহৰলৈ আহিছে বুলিও আৰক্ষী অধীক্ষকগৰাকীয়ে কয়।

**বটদ্ৰৱা থানাত অগ্নিসংযোগ কৰিবলৈ উচটনি দিছিল ছাদ্দাম আলীয়ে. : চিনাক্ত কৰিলে আৰক্ষীয়ে—** নগাঁও জিলাৰ বটদ্ৰৱা থানাত যোৱা শনিবাৰে সমবেত হোৱা উন্মত্ত দুষ্কৃতিকাৰীসকলক অগ্নিসংযোগ কৰিবলৈ উচটনি দিয়া যুৱকজনক চিনাক্ত কৰিছে নগাঁও আৰক্ষীয়ে। এই অপৰাধী যুৱকজনক পাছত নগাঁও আৰক্ষীয়ে ছাদ্দাম আলী বুলি চিনাক্ত কৰে। অভিযুক্ত ছাদ্দাম আলীৰ ঘৰ বটদ্ৰৱাৰ ছলনাবড়ীত। সম্প্ৰতি পলাতক অৱস্থাত আছে দুৰ্ধৰ্ষ অপৰাধী ছাদ্দাম আলী। উল্লেখ্য যে, পূৰ্বে ভুৱা পৰিচয়ৰে সংখ্যালঘু ছাত্ৰ বৃত্তিৰ ধন সৰকোৱাৰ বাবে ম'বাইলৰ ছিম কাৰ্ড যোগান ধৰা বুলি আৰক্ষীৰ হাতত তথ্য মজুত আছে। তদুপৰি, একেখিনি সময়তে বটদ্ৰৱা থানালৈ শিলগুটি নিক্ষেপ কৰি থানাৰ সন্মুখত সমৱেত উন্মাদপ্ৰায় জনতাক আক্ৰমণৰ উচটনি দিয়াৰ ভিডিঅ' ফুটেজত থকা যুৱকজনক লালু বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। অৱশ্যে বাতৰি যুগুত কৰা পৰ্যন্ত অভিযুক্ত লালু পলাতক অৱস্থাত আছে যদিও আৰক্ষীয়ে উক্ত অপৰাধীটোক গ্ৰেপ্তাৰ কৰিবলৈ অনুসন্ধান অব্যাহত ৰাখিছে। উত্তেজনাৰ মাজতে আজি বটদ্ৰৱাত উপস্থিত হয় কংগ্ৰেছৰ সাতজনীয়া বিশেষ কমিটী। বটদ্ৰৱা থানাৰ লংকা কাণ্ড সন্দৰ্ভত চৰজমিন তদন্তৰ বাবে অসম প্ৰদেশ কংগ্ৰেছে গঠন কৰা কংগ্ৰেছৰ প্ৰতিনিধিৰৰ দলত অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামী, বটদ্ৰৱাৰ বিধায়িকা শিৱামণি বৰা, বিধায়ক আব্দুল বাতিন, কংগ্ৰেছ নেতা সুৰেশ বৰা, আব্দুল কাদিৰকে আদি কৰি সমিতিয়ে জ্বলি ছাই হোৱা থানা পৰিদৰ্শন কৰাৰ পাছত ৰাণা গোস্বামীয়ে সাংবাদিকৰ আগত মন্তব্য কৰি কয় যে সকলো পক্ষকে লগ কৰিব কংগ্ৰেছৰ এই কমিটীয়ে। তেওঁ কয়, 'এই ঘটনা সকলো পক্ষৰ পৰাই দুৰ্ভাগ্যজনক। যিমান ডাঙৰ অপৰাধী নহওক, পুলিচ জিম্মাত মৰাটো সহজ কথা নহয়'। এই ঘটনা গ্ৰহণযোগ্য নহয়। আইনে যি ৰায় দিব আমি গ্ৰহণ কৰিম বুলি মন্তব্য কৰাৰ লগতে কমিটীৰ সভাপতি ৰাণা গোস্বামীয়ে কয়, পুলিচৰ জিম্মাত মৰা এয়াই শেষ ঘটনা হওক। যি কোনো চৰকাৰী সা-সম্পত্তি অনিষ্ট কৰাটো বেয়া, উচিত নহয়। চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশক তদন্তৰ দায়িত্ব দিয়ক। আৰক্ষীয়ে জেহাদী ধৰিছে, কিন্তু চোৰাংচোৰা ক'ত গ'ল? প্ৰশ্ন ৰাণা গোস্বামীৰ। চোৰাংচোৰা বিফল হৈছে। চৰকাৰে উচ্ছেদ কৰিব পাৰে, কিন্তু উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মতে কৰিব লাগে। প্ৰথমে উচ্ছেদিত লোকৰ সংস্থাপনৰ ব্যৱস্থা কৰি, জাননী দি পাছত উচ্ছেদ কৰা নিয়ম। ইফালে আৰক্ষীৰ ভূমিকা সম্পৰ্কে ক'বলৈ গৈ তেওঁ কয়, যদি কোনোবাই মাটিৰ তলত অস্ত্ৰ লুকুৱাই থৈছে তেতিয়াহ'লে খান্দক। কিন্তু অসম চৰকাৰে উত্তৰ প্ৰদেশ আৰু মধ্য প্ৰদেশৰ আৰ্হি লৈছে। আনহাতে, এ আই ইউ ডি এফ দলৰ হৈ ধিঙৰ বিধায়ক আমিনুল ইছলাম বটদ্ৰৱাত উপস্থিত হৈ বটদ্ৰৱা কাণ্ডক ধিক্কাৰ দিছো বুলি কয়। আৰু সঠিক তদন্তৰ আহ্বান জনায়। বটদ্ৰৱা থানাৰ অগ্নিসংযোগক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিধায়ক আমিনুল ইছলামে 'বিষটোক লৈ ৰাজনীতি কৰা হৈছে। বিশেষকৈ শাসকীয় দল বিজেপিয়ে। এ আই ইউ ডি এফৰ বিধায়কজনৰ মতে সমগ্ৰ ঘটনাক লৈ আৰক্ষীৰ ভূমিকা ৰহস্যজনক। আক্ৰমণকাৰীক প্ৰথমে আৰক্ষীয়ে কিয় বাধা নিদিলে আৰু সময় মতেই আৰক্ষীৰ উচ্চপদস্থ বিষয়াক অৱগত কিয় নকৰিলে বুলি প্ৰশ্ন বিধায়ক আমিনুলৰ। ইফালে, বটদ্ৰৱা থানা জ্বলোৱা ঘটনাৰ তৃতীয় দিনা বটদ্ৰৱাত আছুৰ সংবাদ মেল অনুষ্ঠিত হয়। সংবাদ মেলত বটদ্ৰৱা থানা জ্বলোৱা ঘটনাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে বটদ্ৰৱা আঞ্চলিক ছাত্ৰ সন্থাই। সুৱাপায়ী এজন যুৱকৰ মৃত্যুক কেন্দ্ৰ কৰি থানা আক্ৰমণৰ ঘটনা গৰিহণাৰ যোগ্য। ছালনাবড়ীৰ পৰা আহি থানা জ্বলোৱা অপৰাধীক কঠোৰ হাতেৰে দমন কৰিব লাগে। গুৰুজনাৰ জন্মস্থানৰ থানা আক্ৰমণৰ ঘটনা অসমীয়াৰ জাতীয় জীৱনত আঘাত বুলি অভিহিত কৰে বটদ্ৰৱা আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে।

**নগাঁৱৰ চোৰাংচোৰা আৰু নিৰাপত্তাৰ দায়িত্বত থকা উপ-আৰক্ষী অধীক্ষকক বদলিৰ নিৰ্দেশ ঃ নগাঁও আৰক্ষীৰ কেইবাজনো বিষয়াৰ বিৰুদ্ধে লোৱা হ'ব পাৰে ব্যৱস্থা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও ঃ** আৰক্ষীৰ চকুৰ সন্মুখতে কিদৰে এখন থানাত অগ্নিসংযোগ কৰা হ'ল তাক লৈ বৰ্তমান তদন্ত আৰম্ভ কৰিছে অসম আৰক্ষীয়ে। ঘটনা সংঘটিত হোৱাৰ দিনাই সন্ধিয়া বটদ্ৰৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কুমুদ কুমাৰ গগৈক নিলম্বন কৰাৰ পিছতে আজি নগাঁও আৰক্ষীৰ নিৰাপত্তা আৰু চোৰাংচোৰাৰ দায়িত্বত থকা উপ-আৰক্ষী অধীক্ষক দীপ্তি মালীক বদলি কৰা হয়। জানিব পৰা দীপ্তি মালীৰ স্থানত নগাঁৱত নিযুক্তি দিয়া হৈছে ১৭নং অসম আৰক্ষী বাহিনীৰ উপ-আৰক্ষী অধীক্ষক বাবুধৰ দেউৰীক। উল্লেখ্য, বটদ্ৰৱা থানাত অগ্নিসংযোগৰ পূৰ্বে প্ৰায় ১ ঘণ্টা উন্মাদ জনতাই আৰক্ষীৰ সৈতে তৰ্কযুদ্ধত লিপ্ত হৈছিল। কিন্তু সেই সময়তো নগাঁও আৰক্ষীৰ উচ্চস্তৰীয় মহলে খবৰ পোৱা নাছিল। সাধাৰণতে এনে থানাসমূহত আইন-শৃংখলাজনিত পৰিস্থিতিৰ উদ্ভৱ হ'লে লগে লগে মহকুমা আৰক্ষী বিষয়া ঘটনাস্থলীত উপস্থিত হয়গৈ। বটদ্ৰৱা আৰক্ষী নগাঁও মহকুমাৰ অন্তৰ্গত হোৱাৰ বাবে নগাঁও আৰক্ষীৰ উপ-আৰক্ষীৰ (সদৰ) দায়িত্বত থকা ত্ৰিদিৱ কুমবাঙে সেই স্থানত উপস্থিত হোৱাৰ প্ৰয়োজন আছিল যদিও তেওঁ ঘটনা সংঘটিত হোৱাৰ পিছত বহু পলমকৈহে বটদ্ৰৱা থানাত উপস্থিত হৈছিল। একেদৰে নগাঁও আৰক্ষীৰ চোৰাংচোৰা বিভাগেও এনে এক ভয়াৱহ ষড়যন্ত্ৰৰ কোনো উম্ঘামেই পোৱা নাছিল। সেয়ে আজি অসম চৰকাৰৰ গৃহ বিভাগৰ সচিব দেৱপ্ৰসাদ মিশ্ৰই চোৰাংচোৰাৰ দায়িত্বত থকা উপ-আৰক্ষী অধীক্ষক দীপ্তি মালীক বদলিৰ নিৰ্দেশ দিয়ে। আৰক্ষীৰ এক সূত্ৰৰ পৰা জানিব পৰা মতে শীঘ্ৰেই গৃহ বিভাগে নগাঁও আৰক্ষীৰ কেইবাগৰাকীও বিষয়া-জোৱানৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা লোৱাৰ সম্ভাৱনা আছে।

## কন্দলীত বন্যহস্তীৰ মৃতদেহ

হয়। আজি পুৱা বনকৰ্মীৰ এটা টহলদাৰী গোটে টহল দিয়াৰ সময়ত এটি মৃত হাতী প্ৰত্যক্ষ কৰি কঠীয়াতলী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ত খবৰ দিয়ে। বন্যহস্তীৰ জাকৰ মাজত হোৱা যুঁজৰ ফলত এই হাতীটোৰ মৃত্যু হোৱা বুলি একাংশ লোকে ধাৰণা কৰাৰ বিপৰীতে একাংশ লোকে খাদ্যৰ সংকটত পৰিয়ে মৃত্যু হোৱাৰ আশংকা কৰে। বন বিভাগৰ লোক তথা স্থানীয় ৰাইজে মৃত হাতীটোৰ অকাল মৃত্যুত শোকপ্ৰকাশ কৰাৰ লগতে চাকি-বন্তি জ্বলাই হাতীটোৰ আত্মাৰ সদ্গতি কামনা কৰে। কঠীয়াতলীস্থিত পশু চিকিৎসা কেন্দ্ৰৰ লোকে মৃত হাতীটোৰ মৰণোত্তৰ পৰীক্ষা কৰে যদিও বৰ্তমানলৈকে হাতীটোৰ মৃত্যুৰ কাৰণ জানিবলৈ সক্ষম হোৱা নাই।

## কোৱেড সন্মিলন ঃ জাপানত উপস্থিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ

সন্মিলনত অংশগ্ৰহণ কৰিব। জাপানত আজি প্ৰৱাসী ভাৰতীয়সকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়— 'স্বাধীনতাৰ এই অমৃত কালত ভাৰতৰ সমৃদ্ধিৰ, ভাৰতৰ সম্পন্নতাৰ এক সুউচ্চ ইতিহাস ৰচনা কৰিবলৈ গৈ আছে। মই যিবোৰ মূল্যবোধ পাইছো, মোক যিসকল লোকে গঢ়িছে, মোৰ বাবে এক অভ্যাসত পৰিণত হৈছে। মই মাখনৰ ওপৰত আঁক দিবলৈ ভাল নাপাওঁ, শিলত ৰেখা আঁকিবলৈহে বিচাৰোঁ'। জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিছিদাৰ আমন্ত্ৰণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে টকিঅ'ত উপস্থিত হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে ভগৱান বুদ্ধই দেখুওৱা পথ অনুসৰণ কৰিবলৈ আজিৰ পৃথিৱীখনক বহুখিনি প্ৰয়োজন বুলি মোদীয়ে কয়।

## কলিয়াবৰ মহকুমা প্ৰশাসনৰ

কৰ্তৃপক্ষয়ো বাৰিষা কালত জীৱকুলৰ সুৰক্ষাৰ বাবে সাজু হৈ উঠিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বানত সৰ্বাধিক ক্ষতি হোৱা কলিয়াবৰ মহকুমাৰ অন্তৰ্গত বুঢ়াপাহাৰ বনাঞ্চল আৰু বাগৰি বনাঞ্চলত আগতীয়াকৈ তৎপৰ হৈছে বন বিষয়া-বনৰক্ষী। ইতিমধ্যে বুঢ়াপাহাৰ বনাঞ্চলত সাজু কৰি তুলিছে ২৫খন হাত নাও, ৩খনকৈ মেচিন নাও। বানপানীৰ সৈতে মোকাবিলা কৰিবৰ বাবে পৃথকে পৃথকে সাজু কৰিছে বনকৰ্মীৰ দল। আনহাতে, বানপানীৰ সময়ত কলিয়াবৰ মহকুমাৰ অন্তৰ্গত বুঢ়াপাহাৰ আৰু বাগৰি বনাঞ্চলত কলিয়াবৰ মহকুমা প্ৰশাসনে জাৰি কৰিছে ১৪৪ ধাৰা। ৰাষ্ট্ৰীয় উদঞ্জ্যানৰ কলিয়াবৰ মহকুমাৰ অন্তৰ্গত বাগৰি আৰু বুঢ়াপাহাৰ বনাঞ্চলৰ সীমাৰে যোৱা ৩৭নং ৰাষ্ট্ৰীয় পথত কলিয়াবৰ মহকুমা প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰাৰ লগতে যান-বাহনৰ গতি নিয়ন্ত্ৰণৰ নিৰ্দেশ দিছে। বানপানীৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বন্য জীৱ-জন্তু ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি কাৰ্বি পাহাৰৰ দিশে যাতে নিৰাপদে পাৰ হ'ব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি কলিয়াবৰ মহকুমা প্ৰশাসনে জাৰি কৰে ১৪৪ ধাৰা। টাইম কাৰ্ডৰ ব্যৱস্থাৰ বাবে কলিয়াবৰ প্ৰশাসনক আগতীয়াকৈ আৱেদন জনাইছে উদ্যান কৰ্তৃপক্ষৰ। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ কিছু বৃদ্ধি হৈ অহাৰ লগে লগে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দ ঠাইসমূহ পানীয়ে বুৰাই পেলাইছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বুঢ়াপাহাৰ বনাঞ্চলৰ দ এলেকা ঠায়ে ঠায়ে জলমগ্ন হৈছে যদিও এতিয়ালৈকে ৰাষ্ট্ৰীয় উদ্যানখনৰ জীৱকুল সুৰক্ষিত হৈয়ে আছে। হাইলেণ্ডসমূহত অৱস্থান কৰা জীৱ-জন্তু অৱশ্যে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰ ভাগৰ পৰা ওলাই ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ কাৰ্বি পাহাৰলৈ যোৱা পৰিলক্ষিত হোৱা নাই। অৱশ্যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ, বন বিভাগৰ লগতে কলিয়াবৰ মহকুমা প্ৰশাসন, জখলাবন্ধা আৰক্ষী নিৰেশ আৰু বাগৰি আৰক্ষী চকীৰ আৰক্ষীও সষ্টম হৈ উঠিছে। বানৰ বাবে জীৱকুলৰ কোনো ধৰণৰ যাতে ক্ষয়-ক্ষতি নহয় তাৰ বাবে কলিয়াবৰ মহকুমা প্ৰশাসনে পূৰ্বেই ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি থকা ৰাষ্ট্ৰীয় ঘাইপথত ১৪৪ ধাৰা জাৰি কৰিছে।

## নিশা বন্যহস্তীৰ গচকত

মৃত্যুবৰণ কৰে। বন্যহস্তীয়ে এনেকৈ গচকি মাৰিলে যে শৰীৰৰ অংগ-প্ৰত্যংগবোৰ বিভিন্ন স্থানত ছিটিকি পৰি থাকিল। এই ঘটনা সংঘটিত হ'ল গোৱালপাৰা জিলাৰ লক্ষীপুৰৰ শালবাৰী আংটিহাৰা গাঁৱত। গাঁওখনত নিশা বন্যহস্তীয়ে সন্ত্ৰাস চলায় লক্ষীপুৰ নগৰৰ দাঁতিকাষৰীয়া অঞ্চলত। হাতীৰ ভয়ত নিশা উজাগৰে কটাবলগীয়া হৈছে অঞ্চলটোৰ ৰাইজে। উল্লেখ্য যে এমাহ পূৰ্বে মেধিপাৰাৰ কমল বৰ্মন, তিনিদিন পূৰ্বে কুৰ্শ্বাপাকৰীৰ জনক কোচ আৰু যোৱানিশা শালবাৰী আংটিহাৰা গাঁৱৰ দুগৰাকী মহিলাকে ধৰি এগৰাকী বৃদ্ধক বন্যহস্তীয়ে গচকি মাৰে। যোৱানিশা বন্যহস্তীৰ গচকত মৃত্যু হোৱা নিৰীহ ব্যক্তি তিনিগৰাকী হ'ল ক্ৰমে মমিন মোল্লা (৮০), পত্নী জহুৰা খাতুন (৬৬) আৰু কন্যা ছমিৰন বিবি (৫০)। অঞ্চলটোত উপদ্ৰৱ চলোৱা মাতাল ৮০টাকৈ বন্যহস্তীৰ জাকটোৱে সন্ধিয়া ৬ বজাতে গাঁওখনত প্ৰৱেশ কৰে। সেই সময়তে গাঁওখনত হুৱা-দুৱা লাগে। সেই সময়ত মমিন মোল্লাৰ পৰিয়ালটোৱে নিজৰ ভগা পঁজাটোৰ পৰা কাষৰে আন এটা পৰিয়ালৰ ৰান্ধনি ঘৰত আশ্ৰয় লয়। কিন্তু ভাগ্যৰ লিখন নাযায় খণ্ডন। বন্যহস্তীৰ জাকটোৱে তেওঁলোকে আশ্ৰয় লোৱা পঁজাটো ভাগি ভিতৰত সোমাই তিনিওকে গচকি মাৰে। লগতে গাঁওখনত কুৰিখনৰো অধিক পৰিয়ালৰ ঘৰবাৰী ভাগি লণ্ড-ভণ্ড কৰাৰ লগতে ভঁৰালৰ ধান-চাউল খাই তহিলং কৰে। ইতিমধ্যেই ২৮/২৯গৰাকী নিৰীহ ব্যক্তিক গচকি মাৰে এই ৮০টাৰ বন্যহস্তীৰ জাকটোৱে। স্থানীয় বিধায়ক আফতাব উদ্দিন মোল্লাই বন্যহস্তীৰ জাকটোক শীঘ্ৰেই এই অঞ্চলৰ পৰা কাজিৰঙা অভয়াৰণ্যলৈ স্থানান্তৰ কৰাৰ বাবে দাবী জনাইছে।

## বিটিআৰত তুংগত বাকযুদ্ধ

কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ। আজি বিটিচিৰ বাক্সা জিলাৰ অন্তৰ্গত ২২নং কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে দলীয় প্ৰাৰ্থী শংকৰ বসুমতাৰীৰ মনোনয়ন-পত্ৰ দাখিলৰ সময়ত উপস্থিত থাকি হাগ্ৰামা মহিলাৰীয়ে সাংবাদিকৰ আগত এইদৰে কয়। মহিলাৰীয়ে কয় যে ইউপিপিএল মিত্ৰজোঁটৰ এগৰাকী শীৰ্ষ নেতাই সঘনে অব্যাহত ৰাখিছে আমাৰ সৈতে যোগাযোগ। মহিলাৰীয়ে লগতে কয় যে সম্প্ৰতি বিপিএফৰ এঘাৰজন পাৰিষদ আছে। তাৰ বিপৰীতে বিজেপি আৰু ইউপিপিএল দলৰ পৰা যোগদান কৰিব ১২গৰাকীতকৈও অধিক পাৰিষদে। অৱশ্যে ভাল-বেয়া নিৰ্বাচন কৰিহে তেওঁলোকক বিপিএফে গ্ৰহণ কৰিব বুলিও তেওঁ এক তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। কাৰো নাম নোলোৱাকৈ মিত্ৰজোঁটত থকা বহু কেইগৰাকী পাৰিষদে ইউপিপিএল দলৰ প্ৰতি মুকলিকৈ অসন্তুষ্টি ব্যক্ত কৰাৰ কথাও প্ৰকাশ কৰে বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে। তেওঁ লগতে কয় যে আজি মনোনয়ন দাখিল কৰা বিপিএফ দলৰ প্ৰাৰ্থী শংকৰ বসুমতাৰীয়ে বিপিএফ দলৰ জন্মলগ্নৰে পৰা কোকলাবাৰী সমষ্টিত দলৰ সম্পাদক হৈ কাম কৰি আহিছে। শংকৰ বসুমতাৰীক সমষ্টিত সকলো জাতি-জনগোষ্ঠীৰ লোকে চিনি পায়। সেয়ে বিপিএফে সমষ্টিটোত সৰ্বাধিক ভোটত জয়যুক্ত হ'ব বুলিও মন্তব্য কৰে মহিলাৰীয়ে। আজি বিপিএফ দলৰ প্ৰাৰ্থী শংকৰ বসুমতাৰীয়ে মনোনয়ন পৰ্ব দাখিলৰ সময়ত হাগ্ৰামা মহিলাৰীৰ লগতে দলটোৰ প্ৰাক্তন বিধায়কদ্বয় মনেশ্বৰ ব্ৰহ্ম আৰু থানেশ্বৰ বসুমতাৰীয়েও সংগ দিয়ে। আনহাতে, সমষ্টিটোৰ পৰা ইউপিপিএল-বিজেপি-জিএছপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মণ্টু বড়োৱে আজি ইউপিপিএল দলৰ জিলা কাৰ্যালয়ৰ পৰা কেইবা শতাধিক সমৰ্থকক লগত লৈ এক সমদল কৰি উপায়ুক্ত কাৰ্যলয়ত নিজৰ মনোনয়ন-পত্ৰ দাখিল কৰে । মনোনয়ন-পত্ৰ দাখিলৰ সময়ত উপস্থিত থাকি বিটিচিৰ বৰ্তমানৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে সাংবাদিকৰ আগত বিপিএফ দলে উপ-নিৰ্বাচনৰ পিছত বিটিচি দখল কৰিব বুলি হাগ্ৰামা মহিলাৰীয়ে কৰা দাবীক একেবাৰে নস্যাৎ কৰে । প্ৰমোদ বড়োৱে বিগত ডেৰ বছৰে হাগ্ৰামা মহিলাৰীয়ে বিটিচিত চৰকাৰ গঠনৰ কথা কৈ থকা বুলি কটাক্ষ কৰি কয় যে দলৰ সদস্যসকলক ধৰি ৰখাৰ বাবেই হাগ্ৰামাই এনে ধৰণৰ মন্তব্য কৰি আহিছে। তেওঁ লগতে কয় যে বিপিএফৰ একাংশই এতিয়া ইউপিপিএলত আৰু আন একাংশই বিজেপিত যোগদান কৰিছে। বিটিআৰত এদিন শূন্য হৈ যাব বিপিএফ । এই বাৰৰ উপ-নিৰ্বাচনতো কোকলাবাৰী পৰিষদীয় সমষ্টিৰ পৰা ইউপিপিএল-বিজেপি-আৰু জিএছপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মণ্টু বড়োৱে বিপুল ভোটত জয়ী হ'ব। যোৱাবাৰ মই নিজে সেই সমষ্টিৰ পৰা জয়ী হৈছিলো বিপুল ভোটত। এইবাৰ মই আসনখন এৰি দিয়াত উপ-নিৰ্বাচনত আমাৰ প্ৰাৰ্থীগৰাকীয়ে নিশ্চিতভাৱে জয়ী হ'ব বুলি দৃঢ়তাৰে কয় বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। আজি মিত্ৰজোঁটৰ প্ৰাৰ্থী মণ্টু বড়োৱে মনোনয়ন-পত্ৰ দাখিল কৰাৰ সময়ত প্ৰমোদ বড়োৰ উপৰি ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰী, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, ভৱানীপুৰৰ বিধায়ক ফণী তালুকদাৰ, তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীৰ লগতে বিটিচি পৰিষদৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য তথা পাৰিষদ উপস্থিত থাকে। উল্লেখ্য যে আজি বিটিচিৰ ২২নং কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন-পত্ৰ দাখিলৰ আছিল অন্তিম দিন। আজি অন্তিম দিনা সমষ্টিটোৰ বাবে উপ-নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া চাৰিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰে। ৰিটাৰ্ণি বিষয়া আশ্ৰাফুল আমিনৰ হাতত ইউপিপিএল মিত্ৰজোঁটৰ হৈ প্ৰাৰ্থী মণ্টু বড়ো, বিপিএফৰ প্ৰাৰ্থী শংকৰ বসুমতাৰী, অবড়ো সুৰক্ষা সমিতি সমৰ্থিত নিৰ্দলীয় প্ৰাৰ্থী হীৰেন শৰণীয়া আৰু ভিপিআই দলৰ প্ৰাৰ্থী লৱ কুমাৰ বসুমতাৰীয়ে নিজ নিজ মনোনয়ন-পত্ৰ দাখিল কৰে । উল্লেখ্য, ৮ জুনত পৰিষদীয় সমষ্টিটোত অনুষ্ঠিত হ'ব উপ-নিৰ্বাচন।

## কামপুৰত বানত এজনৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৩ মে' ঃ** নগাঁও জিলাৰ কামপুৰ, কচুৱা, বৰক'লা, ৰাঙলু, ননৈ, তুলসীমুখ আদিৰ বানপৰিস্থিতি আজি সামান্য উন্নতি হৈছে যদিও আজিও হাজাৰ হাজাৰ লোক জলবন্দী হৈ আছে। প্ৰায় প্ৰতিদিনে প্ৰলয়ংকৰী বানে প্ৰাণ লৈছে বন্যাৰ্ত জনতাৰ। আজিও কামপুৰৰ ঘিলানীত এজন লোক কপিলীৰ বানত মৃত্যু হয়। প্ৰাপ্ত তথ্য অনুসৰি মৃত্যু হোৱা লোকজন কামপুৰৰ ঘিলানী আটিগাঁৱৰ বেজীয়া দাস (৪০)। স্থানীয় ৰাইজে মৃতদেহ উদ্ধাৰ কৰি আৰক্ষীক খবৰ দিয়ে। ইতিমধ্যে কামপুৰ আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

## বকতা নেমুগুৰিৰ চোলাধৰাত পানীত পৰি যুৱতীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৩ মে' ঃ** বকতা নেমুগুৰি থানাৰ অন্তৰ্গত চোলাধৰা গাঁৱত পানীত পৰি এগৰাকী যুৱতীৰ মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে চোলাধৰা গাঁও নিৱাসী ধীৰেন কোঁৱৰ আৰু পৱিত্ৰী কোঁৱৰৰ কন্যা কৃষ্ণাক্ষী কোঁৱৰে (১৮) লগৰীয়া কেইগৰাকীমানৰ লগত বিয়লি ভাগত ঘৰৰ পুখুৰীত সাঁতুৰি আছিল। কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে কৃষ্ণক্ষী কোঁৱৰ পুখুৰীৰ দ' অংশলৈ যোৱাত পানীত বুৰ যায়। বহু সময় ধৰি লগৰীয়া কেইগৰাকীয়ে তেওঁক দেখা নাপাই চিঞৰ-বাখৰ কৰাত পুখুৰীৰ কাষতে থকা পৰিয়ালৰ লোকসকলে যুৱতীগৰাকীক উদ্ধাৰ কৰি ডিমৌ আদৰ্শ চিকিৎসালয়লৈ আনে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। যি খবৰে সমগ্ৰ বকতা নেমুগুৰিৰ চোলাধৰাত শোকৰ ছাঁ পৰিছে।

## ক'ভিড পৰিস্থিতিৰ বাবেই প্ৰতি ৩০ ঘণ্টাত এজনকৈ লোক কোটিপতি হৈছে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৩ মে' ঃ** কেতিয়াবা দুৰ্যোগেও মানুহক ধনী কৰিব পাৰে। তাৰেই প্ৰমাণ পোৱা গ'ল শেহতীয়া ক'ভিড অতিমাৰীৰ পৰা। ক'ভিডৰ অচিলাতে বিশ্বত বহু লোকৰ সম্পত্তি বাঢ়িল ভাবিব নোৱৰা ধৰণে। ইয়াৰ বিপৰীতে বহু লোক হৈ পৰিল পথৰ ভিক্ষাৰী। আচৰিত যেন লাগিলেও এয়া সঁচা যে ক'ভিড পৰিস্থিতিৰ বাবেই প্ৰতি ৩০ ঘণ্টাত এজনকৈ লোক কোটিপতি হৈছে। এয়া আমি কোৱা কথা নহয়। এয়া কোৱা হৈছে অ'ফাম ইণ্টাৰনেচনেলৰ প্ৰতিবেদনত। প্ৰতিবেদনখনত প্ৰকাশ পোৱা মতে ক'ভিড-১৯ মহামাৰীৰ সময়ত প্ৰতি ৩০ ঘণ্টাত এজন নতুন কোটিপতিৰ সৃষ্টি হৈছে। আনহাতে, ক'ভিডৰ বাবেই প্ৰতি ৩৩ ঘণ্টাত প্ৰায় ১০ লাখ লোক চৰম দৰিদ্ৰতাৰ মুখলৈ গতি কৰিছে। ছুইজাৰলেণ্ডৰ দাভোছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ বাৰ্ষিক সভাত অ'ফাম ইণ্টাৰনেচনেলৰ কাৰ্যবাহী সঞ্চালক গেব্ৰিয়েলা বুচাৰে কয় যে ক'ভিডৰ বাবে কোটি কোটি লোক চৰম দুৰ্দশাৰ মাজলৈ ধাৱমান হোৱাৰ বিপৰীতে বহু লোক আকৌ ধনীৰ পৰা অধিক ধনী হৈছে। তেওঁ কয় যে ক'ভিড মহামাৰীৰ সময়ত আৰু তাৰ পিছতো খাদ্য তথা ইন্ধনৰ অত্যধিক মূল্যবৃদ্ধিয়ে তেনে ব্যৱসায়ৰ সৈতে জড়িত লোকসকলক পূৰ্বতকৈও অধিক ধনী কৰি তুলিছে। তেওঁ লগতে কয় যে ২০২০ চনৰ পৰা বিশ্বত বিলিয়নেয়াৰৰ সংখ্যা ৫৭৩ ৰ পৰা ২,৭০০ লৈ বৃদ্ধি পাইছে। ফৰ্বছৰ তথ্য বিশ্লেষণ কৰি প্ৰতিবেদনত কোৱা হৈছে যে তেওঁলোকৰ সামগ্ৰিক সম্পদ প্ৰায় ৩.৮ ট্ৰিলিয়ন ডলাৰৰ পৰা বৃদ্ধি হৈ ১২.৭ ট্ৰিলিয়ন ডলাৰ হৈছে। বিগত ২৩ বছৰৰ তুলনাত ক'ভিডৰ সময়তে কোটিপতিসকলৰ সম্পদ অধিক বৃদ্ধি পাইছে। আনহাতে, ক'ভিডৰ বাবেই ২০২২ চনত প্ৰায় ২৬৩ নিযুত লোকক চৰম দৰিদ্ৰতাৰ ফালে ঠেলি দিব দিছে।

## অসম লোকসেৱা আয়োগৰ কৰ্মচাৰীৰ বিয়োগত শোকসভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ মে' ঃ** অসম লোকসেৱা আয়োগৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° অজন্তা নাথৰ সভাপতিত্বত আজি এখনি শোকসভা অনুষ্ঠিত হয়। সভাই বিগত ২২ মে'ত অসম লোকসেৱা আয়োগৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সোণেশ্বৰ দাস পৰলোকগামী হোৱাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি একমিনিট সময় মৌনতা অৱলম্বন কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখ যে ১৯৭৮ চনৰ ১ জুনত অসম লোকসেৱা আয়োগত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাবে যোগদান কৰা সোণেশ্বৰ দাসে ২০১৮ চনৰ ৩০ ছেপ্টেম্বৰত কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। যোৱা ২২ মে'ৰ পুৱা ৫ বজাত স্বাস্থ্যজনিত কাৰণত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৩ বছৰ। তেখেতে পত্নীসহ এজন পুত্ৰ সন্তান আৰু তিনিগৰাকী কন্যা সন্তানক ইহ সংসাৰত এৰি থৈ গৈছে।

## নাৰ্ছক দুৰ্ব্যৱহাৰ কৰি আটক হোৱা তিনি অভিযুক্তৰ স্বাস্থ্য পৰীক্ষা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ২৩ মে' ঃ** গোলাঘাটৰ বেবেজীয়া হত্যাকাণ্ডত অভিযুক্ত নাজিদুলক গোলাঘাট শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত চিকিৎসা প্ৰদানৰ বাবে লৈ অনাৰ সময়তে অভিযুক্ত হত্যাকাৰীৰ তিনি ভাতৃয়ে চিকিৎসালয়ত এগৰাকী নাৰ্ছক দুৰ্ব্যৱহাৰ কৰাৰ লগতে গাঁও জ্বলাই দিয়াৰ ভাবুকি দিয়া কাৰ্যক লৈ দেওবাৰে জিলাখনৰ কেইবাটাও দল-সংগঠনে দোষী লোককেইজনক গ্ৰেপ্তাৰৰ বাবে গোলাঘাট থানাত এজাহাৰ দাখিল কৰাৰ পিছতেই নিশাই তিনি অভিযুক্ত ৰাহিদুৰ ইছলাম, মৈদুল ইছলাম আৰু চাৰিদুল ইছলামৰ লগতে এগৰাকী মহিলাক সোধা-পোছাৰ বাবে আটক কৰে। ইয়াৰ পিছতে আজি গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত আটাইকেইজন অভিযুক্তক স্বাস্থ্য পৰীক্ষা কৰা হয়। এই মুহূৰ্তলৈকে আৰক্ষীয়ে কোনো মন্তব্য আগবঢ়োৱা নাই যদিও আজি দিনটোতো বৃহস্পতিবাৰে সংঘটিত হোৱা হত্যাকাণ্ড ঘটনাৰ পৰিস্থিতি শাম কটা নাই। আজি পুনৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত গাঁওবাসীৰ লগতে বহুকেইটা দল-সংগঠনে হত্যাকাৰীৰ ফাঁচীৰ দাবী তুলি প্ৰতিবাদ সাব্যস্ত কৰে । পিছত জিলা প্ৰশাসনৰ লোকৰ বুজনিত পৰিস্থিতি কিছু শান্ত হয় যদিও প্ৰতিবাদকাৰীসকলে উপায়ুক্তক সাক্ষাৎ কৰি সমগ্ৰ ঘটনাৰ উচিত তদন্ত বিচাৰে।

## ২২ জুনত প্ৰবৃত্তি, ২৬ জুনত

সবিশেষ তথ্য ৰাজহুৱা কৰা নাই। প্ৰণিধানযোগ্য এয়ে যে কামাখ্যাৰ অম্বুবাচী মেলাত দেশ-বিদেশৰ বহু লাখ ধৰ্মীয় তীৰ্থযাত্ৰী, পৰ্যটক আৰু সাধাৰণ ভ্ৰমণকাৰীৰ সমাগম হয়। চৰকাৰে অম্বুবাচী মেলাৰ সময়ত পৰ্যটনৰ উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে। কিন্তু বিগত দুবছৰে ক'ভিড সংকটৰ বাবে পূৰ্বৰ সকলো আয়োজন স্থগিত ৰাখিছিল। এইবাৰ ২২ জুন তাৰিখত মা কামাখ্যাৰ প্ৰবৃত্তি আৰু ২৬ জুন তাৰিখে নিবৃত্তি আছে বুলি কোৱা হৈছে। চাৰি দিনৰ বাবে মন্দিৰৰ দুৱাৰ বন্ধৰ হৈ থাকিব। গতিকে আগন্তুক অম্বুবাচী মেলা পূৰ্বৰ দৰে উদ্‌যাপনৰ বিষয়ত তৎপৰ হৈ পৰিছে প্ৰশাসন।

## আমি পঢ়িব বিচাৰো কিবা এটা

ভয়ংকৰ খহনীয়াৰ কৱলত পৰি নদীত যাহ গৈছে ডাঙ্গীপাৰা প্ৰাথমিক বিদ্যালয়। চেঙা শিক্ষা খণ্ডৰ অন্তৰ্গত ডাঙ্গীপাৰা প্ৰাথমিক বিদ্যালয়খন নৈৰ বুকুত যাহ গৈছে যদিও অস্থায়ীভাৱে পাঠদান অব্যাহত ৰাখিছে নৈৰ পাৰত। যি কোনো মুৰ্হূতত সেইখিনি ঠায়ো উটুৱাই নিব পাৰে খহনীয়াই যাৰ বাবে খহনীয়াৰ এনে ভয়ংকৰ ৰূপ দেখি আতংকিত হৈ পৰিছে কাছুমাৰাৰ কাশিমপুৰ ডাঙ্গীপাৰা প্ৰাথমিক বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজে। উপায়ান্তৰ হৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ হাতযোৰ কৰি কণ কণ ছাত্ৰ-ছাত্ৰীৰ প্ৰাৰ্থনা— হিমন্ত মামা আমাৰ বিদ্যালয় ৰক্ষা কৰক, আমাৰ বিদ্যালয়খন নৈয়ে উটুৱাই নিছে, আমি পঢ়িব বিচাৰো, আমাক পঢ়াৰ সুবিধা কৰি দিয়ক। ব্ৰহ্মপুত্ৰৰ সুঁতিৰ খহনীয়াৰ তাণ্ডৱ দেখি আতংকিত কণ কণ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বিদ্যামন্দিৰ ৰক্ষা কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ হাতযোৰ কৰি কৰিছে আৰ্তনাদ। অচিৰেই কাছুমাৰা অঞ্চলত কালৰূপ ধাৰণ কৰা ব্ৰহ্মপুত্ৰৰ সুঁতি নৈৰ খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰি বিদ্যালয়খনৰ লগতে অঞ্চলবাসী ৰাইজক ৰক্ষা কৰিবলৈয়ো চৰকাৰ তথা ৰাজ্যৰ জলসম্পদ বিভাগক কাতৰ অনুৰোধ জনাইছে কণ কণ ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলটোৰ ৰাইজে। পিছে প্ৰশ্ন হয়, এইসকল শিশুৰ এনে কাতৰ আৱেদনত খহনীয়া প্ৰতিৰোধ আৰু নিৰাপদ বিদ্যালয় গৃহৰ দিহা কৰিব নে চৰকাৰৰ সংশ্লিষ্ট বিভাগে সেয়া সময়তহে হ'ব লক্ষণীয়।

# কৰ্দৈগুৰিত ভয়ংকৰ খহনীয়াৰ তাণ্ডৱ অস্তিত্বৰ সংকটত ঐতিহাসিক টিপুক শিমলুগুৰি

## স্থায়ী সমাধানৰ দাবীত সৰৱ দল-সংগঠন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ২৩ মে' ঃ** বিগত ১৯৯২ চনৰ পৰা আজিলৈকে সম্পূৰ্ণ ত্ৰিশ বছৰ কাল একেৰাহে বাৰিষা আহিলেই ব্যাপক গৰাখহনীয়া অব্যাহত থাকিলে এটা অঞ্চল আৰু কিমান দিনলৈকে টিকি থাকিব এয়া সহজেই অনুমান কৰিব পাৰি । বিগত এই ত্ৰিশ বছৰত বৃহৎ তালাপ-কৰ্দৈগুৰি অঞ্চলটোৰ মানচিত্ৰৰ পৰা কুৰিখনতকৈও অধিক গাঁও ডাঙৰী নদীৰ দ্বাৰা সংঘটিত গৰাখহনীয়াত জাহ গ'ল। সহস্ৰাধিক ভূমিহীন পৰিয়ালে অঞ্চলটোৰ একাধিক গো-চৰণীয়া ভূমিত স্ব-সংস্থাপিত হৈছিল আৰু বহু পৰিয়াল আন আন ঠাইলৈ আঁতৰি গৈ সমস্যাটোৰ পৰা সাময়িকভাৱে সকাহ পোৱা হৈছিল যদিও বিগত কিছু বছৰৰ পৰা কৰ্দৈগুৰি অঞ্চলৰ পশ্চিম-উত্তৰ দিশৰ বিশেষকৈ ঐতিহাসিক মায়ামৰীয়া টিপুক শিমলুগুৰি বজ্ৰপুৰ সত্ৰ, গৰিয়াটিং, কেৰাণি, দৰ্জিজান আৰু ভতিয়ামখালৰ ওখ ভূমিখণ্ডলৈ গৰাখহনীয়া আৰম্ভ হ'বলৈ ধৰে। ইয়াৰ ফলত এইকেইখন গাঁৱৰ কেইবাটাও পৰিয়ালৰ ঘৰ, চাহ-তামোলবাৰী, বাঁহনি আদি খহনীয়াৰ বুকুত জাহ গ'ল। এনে সময়তে সমগ্ৰ অঞ্চলটো ৰক্ষাৰ বাবে অঞ্চলটোৰ ভুক্তভোগী ৰাইজ, দল-সংগঠনে স্থায়ী সমাধানৰ বাবে গণতান্ত্ৰিকভাৱে তীব্ৰ আন্দোলন কৰি চৰকাৰক দাবী জনাই আহিছে যদিও ইয়াৰ স্থায়ী সমাধানৰ ক্ষেত্ৰত কোনো গুৰুত্ব নিদি কেৱল সাময়িক সকাহৰ বাবে ছেক্ বান্ধ, পাৰ্কুপাইন দিয়া আদি কাম কৰি কেইবা কোটিও টকা শৰাধ কৰিলে। বিগত সময়ত বিজেপি মিত্ৰজোঁট চৰকাৰৰ তদানীন্তন জলসম্পদ দপ্তৰৰ মন্ত্ৰী কেশৱ মহন্ত আৰু বৰ্তমানৰ চৰকাৰৰ জলসম্পদ দপ্তৰৰ মন্ত্ৰী পীযূষ হাজৰিকাও ইতিপূৰ্বে গৰাখহনীয়া অঞ্চল পৰিদৰ্শন কৰি গৈছিল যদিও কাৰ্যতঃ স্থায়ী সমাধানৰ বাবে কোনো পদক্ষেপেই গ্ৰহণ নকৰিলে। কালি ডুমডুমা প্ৰেছ ক্লাবৰ সাংবাদিকসকলে সমগ্ৰ খহনীয়া অঞ্চল পৰিভ্ৰমণ কৰা অৱস্থাত তালাপ-কৰ্দৈগুৰি মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পিংকু মৰাণ আৰু আটছাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি জগত নায়কে সাংবাদিক দলটোক সংগ দি বিগত ত্ৰিশ বছৰীয়া জ্বলন্ত সমস্যাটোৰ ক্ষেত্ৰত এনেদৰে ক্ষোভ প্ৰকাশ কৰি শাসনাধিষ্ঠিত চৰকাৰক কেৱল সাময়িক সকাহৰ নামত কণা হাঁহক পতান দিয়াৰ দৰে কাম নকৰি বৃহত্তৰ তালাপ-কৰ্দৈগুৰি অঞ্চলটোৰ ৰক্ষাৰ বাবে ব্ৰহ্মপুত্ৰৰ পৰা ডাঙৰী নদীলৈ বাঢ়নী পানী বৈ অহা উৎসস্থলীতে বিজ্ঞানসন্মত আঁচনিৰে মথাউৰি নিৰ্মাণ কৰিবলৈ দাবী উত্থাপন কৰে। ইপিনে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক অজয় মৰাণ আৰু সহকাৰী সম্পাদক পৱন দিহিঙীয়াৰ নেতৃত্বত এটি সঁজাতী দলে বান সমস্যাটোৰ উৎসস্থলী ভ্ৰমণ কৰি সেই স্থানতে মথাউৰি নিৰ্মাণ নকৰিলে বৃহত্তৰ অঞ্চলটো অদূৰ ভৱিষ্যতেও বান-গৰাখনীয়াৰ পৰা ৰক্ষা নপৰে বুলি মত পোষণ কৰি অচিৰেই মথাউৰি নিৰ্মাণ কৰিবলৈ দাবী জনোৱাৰ লগতে ৰাইজৰ সমস্যাক গুৰুত্ব নিদিলে চৰকাৰৰ বিৰুদ্ধে সংগ্ৰাম তীব্ৰতৰ কৰা হ'ব বুলিও সকীয়াই দিছে। লক্ষণীয় যে ডাঙৰী নদীৰ পানী কিছু কমাৰ লগে লগে ঐতিহাসিক সত্ৰখন আৰু তাৰ কেৰাণি-গৰিয়াটিং গাঁওস্থানত খহনীয়া ৰোধৰ বাবে তৎকালীন ব্যৱস্থা গ্ৰহণ নকৰিলে সমগ্ৰ কৰ্দৈগুৰি অঞ্চলটোলৈ ভয়ংকৰ বিপদ অগ্ৰসৰ হ'ব।



## বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ অধীনৰ নাৰায়ণপুৰ মণ্ডল সমল কেন্দ্ৰত সামূহিক উৎসৱ উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ মে' ঃ** সমগ্ৰ শিক্ষা নলবাৰীৰ সৌজন্যত আৰু মুকালমুৱা নাৰায়ণপুৰ-'ক' মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত ব্ৰহ্মপুত্ৰ নদীৰ চাপৰিত অৱস্থিত ১ নং চাপ্ৰাপাৰা প্ৰাথমিক বিদ্যালয়ৰ বাকৰিত ৰাতিপুৱা ৭ বজাৰ পৰা সামূহিক উৎসৱ উদ্‌যাপন কৰা হয়। সামূহিক চাফাইৰে আৰম্ভ হোৱা সামূহিক উৎসৱত বৃক্ষ ৰোপণ, শোভাযাত্ৰা আৰু বিভিন্ন বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰী, অভিভাৱক, স্থানীয় ৰাইজৰ মাজত পাৰ-পানী, ৰছী টনা, কাবাডী, চিত্ৰাংকণ, কুইজ প্ৰতিযোগিতা ইত্যাদি খেল অনুষ্ঠিত কৰা হয় । অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ সন্মানীয় শিক্ষা বিষয়া লীলাধৰ দাস মহোদয়ে। দুপৰীয়া উপস্থিত ৰাইজৰ মাজত প্ৰীতিভোজনৰ ব্যৱস্থা কৰা হয় । দিনৰ ১ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে বিশিষ্ট সমাজকৰ্মী কুব্বাছ আলী ডাঙৰীয়াই । সভাত আৰম্ভণী গীত পৰিৱেশন কৰে ১ নং চাপ্ৰাপাৰা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে । আদৰণী ভাষণ আগবঢ়ায় মুকালমুৱা-নাৰায়ণপুৰ-'ক' মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক সুনীল দাস ডাঙৰীয়াই । সভাত উপস্থিত সন্মানীয় অতিথিবৃন্দক এখন ফুলাম গামোচা, জাপি আৰু এটা গছপুলিৰে সম্বৰ্ধনা জনোৱা হয়। বিভিন্ন বিদ্যালয়ৰ পৰা উপস্থিত থকা প্ৰধান শিক্ষকক এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয় । বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ শিক্ষা বিষয়া তথা বিভিন্ন সম্প্ৰদায়ৰ জীৱন ব্যৱস্থাৰ ওপৰত বহুকেইখন চুটি ছবিৰ কাহিনী লেখক লীলাধৰ দাস মহাশয়ে বিদ্যালয়ত সমাজ জড়িতকৰণ, সমাজৰ কৰণীয়, অভিভাৱক, স্থানীয় ৰাইজৰ দায়িত্ব, কৰ্তব্য, চৰাঞ্চলত শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত এক মনোগ্ৰাহী বক্তব্য আগবঢ়ায়। চৰাঞ্চলত বিদ্যালয়ৰ ভূমিকা আৰু সমাজৰ অংশগ্ৰহণ, ভাতৃত্ববোধ, সমন্বয়, একতাৰ ওপৰত বক্তব্য আগবঢ়ায় বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ সহ:পৰিদৰ্শক কিশোৰ কুমাৰ ডেকাই। সভাত বিয়ানাম পৰিৱেশন কৰে মেৰুৱাটাৰী প্ৰাথমিক বিদ্যালয়ৰ মাতৃ গোটে । নৃত্য পৰিৱেশন কৰে নাৰায়ণপুৰ এম ই বিদ্যালয়ৰ ছাত্ৰীৰ দলে। স্থানীয় ৰাইজৰ লগতে বিভিন্ন বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীয়ে নৃত্য-গীত পৰিৱেশন কৰে । সভাত উপস্থিত থাকে বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ অন্তৰ্গত বিভিন্ন মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক সৰ্বশ্ৰী অজয় কুমাৰ মহন্ত, আনন্দ বৈশ্য, আনোৱাৰ হুছেইন, হিমাংশু মহন্ত, ৰুবুল আলী। সভাত বিশেষভাৱে আঁত ধৰে মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক আনন্দ বৈশ্যই । সভাত বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ চৰাঞ্চলত অৱস্থিত বিভিন্ন মণ্ডল সমল কেন্দ্ৰৰ পৰা নিৰ্বাচিত শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতি/মাতৃ গোটক পুৰস্কাৰ প্ৰদান কৰা হয় । সামূহিক উৎসৱৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা বিভিন্ন খেল-ধেমালিৰ বিজয়ীসকলকো পুৰস্কাৰ প্ৰদান কৰাৰ লগতে জিলা প্ৰাথমিক শিক্ষা আৰু সমগ্ৰ শিক্ষাৰ অধীনত যোৱা ২৫ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত যোগ কৰ্মশালাত অংশগ্ৰহণ কৰা শিক্ষক নাছাৰ উল্লাহক মানপত্ৰ প্ৰদান কৰা হয় । শলাগৰ শৰাই আগবঢ়ায় ১ নং চাপ্ৰাপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ছফিকুল ইছলামে।

## ধুবুৰীত ৰেডক্ৰছ ছ'চাইটীৰ নতুন কমিটী গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৩ মে' ঃ** দীৰ্ঘ বহু বছৰ বিৰতিৰ পিছত ধুবুৰী ৰেডক্ৰছ ছ'চাইটীৰ আজি পূৰ্ণাংগ কমিটী গঠন হোৱাত ৰাইজৰ মাজত আনন্দৰ সৃষ্টি হৈছে। বানাক্ৰান্ত অঞ্চল ধুবুৰী জিলাৰ ৰাইজৰ বাবে ৰেড ক্ৰছ ছ'চাইটী এটা সময়ত ৰাইজৰ বহুতো কাম কৰিছিল। যদিও দীৰ্ঘদিন ধুবুৰী ৰেড ক্ৰছ বন্ধ হৈ থকাৰ পিছত পুনৰ নতুনকৈ আজি ধুবুৰী আৱৰ্ত ভৱন প্ৰেক্ষাগৃহত জিলা উপায়ুক্ত অম্বামুথান এম পিৰ সভাপতিত্বত অনুষ্ঠিত হয় ৰেডক্ৰছ ছ'চাইটীৰ কাৰ্যনিৰ্বাহকৰ সভা। সভাত উপস্থিত থাকে অতিৰিক্ত উপায়ুক্ত মানস শইকীয়া, ধুবুৰী জিলা বিজেপিৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰসেনজিৎ দত্ত, জ্যেষ্ঠ অধিবক্তা সুশীল দাস, জ্যেষ্ঠ নাগৰিক উদয়ন চক্ৰৱৰ্তী, জ্যেষ্ঠ মহিলা চিকিৎসক ডা: মুচকুৰা আহমেদ, বিশিষ্ট সমাজসেৱক প্ৰবীৰ বৰুৱা, সাংবাদিক ৰাজীৱ শৰ্মা, সাংবাদিক প্ৰণৱাশীষ ৰয়, সাংবাদিক জ্যোতিৰ্ময় চক্ৰৱৰ্তী, ৰঞ্জিত ৰায়, সুদীপ কুণ্ডুসহ বহুতো গণ্যমান্য লোক। সভাত পুৰণি এডহক কমিটীখন ভংগ কৰি সৰ্বসন্মতিক্ৰমে চিকিৎসক দেৱময় সান্যালক চেয়াৰমেন, ভাইচ চেয়াৰমেন উদয়ন চক্ৰৱৰ্তী, কোষাধ্যক্ষ প্ৰেমসুক শেঠীয়া, সভাপতি অম্বামুথান এম পি, উপ-সভাপতি মানস শইকীয়া আৰু সম্পাদক বিজয় কুমাৰ শৰ্মাক নিৰ্বাচিত কৰি এখন ৪১ জনীয়া পূৰ্ণাংগ কমিটী গঠন কৰা হয়। সভাত ৰেড ক্ৰছ ছ'চাইটীৰ নৱনিৰ্বাচিত চেয়াৰমেন ড: দেৱময়ে কয়-- ৰেডক্ৰছ এটা মানৱ সেৱামূলক সংস্থা। দীৰ্ঘদিন বন্ধ থকাৰ পাছত নতুন কমিটী গঠন হোৱাত ৰাইজৰ সেৱামূলক কাম কৰিবলৈ সুবিধা হ'ব। নৱনিৰ্বাচিত সম্পাদক বিজয় কুমাৰ শৰ্মাই কয়-- আমি একলগ হৈ নতুন উদ্যমেৰে সেৱা আগবঢ়াই যাম। সভাত সাংবাদিক প্ৰণৱাশীষ ৰয়, উদয়ন চক্ৰৱৰ্তীসহ কেবাজন ব্যক্তিয়ে ভাষণ দিয়ে।




## ঘগ্ৰাপাৰত মীনপালকক লৈ সমবায় সমিতি গঠন সন্দৰ্ভত বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ মে' ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত হৰিমন্দিৰ প্ৰাংগণত আজি পুৱা ১১ মান বজাত ঘগ্ৰাপাৰ অঞ্চলটোৰ ভালেসংখ্যক 'মীনপালক'ক লৈ এখন 'সমবায় সমিতি' গঠন সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই অংশগ্ৰহণ কৰি নিজ ভাষণত কয় যে নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই মীনপালকসকলক লৈ এক পৰিকল্পনা কৰিছে। তেওঁলোক কিদৰে অধিক স্বাৱলম্বী হোৱাৰ লগতে এখন বজাৰ দখল কৰিব পাৰে তাক লৈ চিন্তা কৰিছে। নেতাগৰাকীয়ে পুনৰ কয় যে নলবাৰী সমষ্টিৰ সমূহ অঞ্চলক সামৰি আগন্তুক দিনত মীনপালকসকলক লৈ এখন সমবায় সমিতি গঠন কৰা হ'ব বুলিও সদৰী কৰে । যাৰ জৰিয়তে অনাগত দিনত পৰিকল্পিতভাৱে মৎস্য (মীনপালক) ব্যৱসায়ৰ লগতে সংগঠিত ৰূপত এখন বজাৰ নিৰ্মাণৰ জৰিয়তে যুৱক-যুৱতীসকলে স্বনিৰ্ভৰ দিশেৰে আগবাঢ়ি যাব



পাৰিব তাৰ আশা প্ৰকাশ কৰে। উক্ত বৈঠকত উপস্থিত থাকে ক্ৰমে নলবাৰী জিলাৰ সমবায় সমিতিৰ পঞ্জীয়ন বিভাগৰ উপ-পঞ্জীয়ক আব্দুল লতিফ, মীন উন্নয়ন বিষয়া শচীন্দ্ৰ দাসৰ লগতে বিভাগীয় বিষয়াসকলৰ উপৰি অঞ্চলটোৰ শতাধিক মীনপালকে অংশগ্ৰহণ কৰে। সভাখনৰ আঁত ধৰে বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক মনোজ ডেকাই। পিছে আগন্তুক দিনত কিমান প্ৰকৃত মীনপালকক সামৰি লয় সেয়া লক্ষণীয় বিষয় হ'ব।

### লাহৰীঘাট আঞ্চলিক দ্বীনি তালিম বোৰ্ডৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

## ১১জনীয়া সদস্যক লৈ নতুন কাৰ্যকৰী সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৩ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আঞ্চলিক দ্বীনি তালিম বোৰ্ডৰ নিজা কাৰ্যালয়ত আজি দিনৰ ২ বজাত মৌলানা ইছাহাক আলীৰ সঞ্চালনাত বোৰ্ডৰ বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত সভাপতিৰ আসন গ্ৰহণৰ পিছত কেৰাত পাঠেৰে সাধাৰণ সভাৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছত ক্ৰমে কাৰ্যসূচী অনুযায়ী উদ্দেশ্য ব্যাখ্যা কৰে উক্ত বোৰ্ডৰ সম্পাদক মৌলানা অলি উল্লাহ খানে। সম্পাদকীয় প্ৰতিবেদন পাঠ, আয়-ব্যয়ৰ হিচাপ দাখিল কৰাৰ পিছত সভাৰ উপস্থিত ৰাইজৰ প্ৰশ্নৰ উত্তৰৰ শেষত সভাপতিয়ে উক্ত হিচাপৰ খতিয়ানত চহী কৰি অনুমোদন আগবঢ়ায়। পৰ্যবেক্ষক হিচাপে মৰিগাঁও জিলা দ্বীনি তালিম বোৰ্ডৰ সম্পাদক মৌলানা ইলিয়াছ হুছেইন উপস্থিত থাকি কমিটী গঠনৰ গাইড লাইন বৰ্ণনা কৰে। ইয়াৰ পিছত পুৰণা কমিটীয়ে পদত্যাগ কৰে আৰু নতুনকৈ পুনৰ মৌলানা ইছাহাক আলীক সভাপতি আৰু অলি উল্লাহ খানক সাধাৰণ সম্পাদক হিচাপে বাছনি কৰি আগন্তুক ৩ বছৰৰ বাবে ১১ জনীয়া নতুন কাৰ্যকৰী কমিটী গঠন কৰা হয়। উল্লেখ্য যে বিগত ৪ বছৰৰ মূৰত সাধাৰণ সভা অনুষ্ঠিত হয়। আয়-ব্যয়ৰ হিচাপ সম্পাদকে দাখিল কৰা হিচাপৰ খতিয়ানত ৰাহিৰ ঘৰত ৫ হাজাৰ কিছু টকা আছে বুলি উল্লেখ কৰে। প্ৰণিধানযোগ্য যে লাহৰীঘাট আঞ্চলিক দ্বীনি তালিম বোৰ্ডৰ অধীনৰ নীতি-নিয়মত বৰ্তমান ১০ খন গাঁৱৰ ৪৬ টা ছোৱাহী মক্তৱত শিশুসকলক ইছলাম ধৰ্মীয় আমপাৰা শ্ৰেণীৰ পৰা কোৰান আৰু হাদীছৰ শিক্ষা প্ৰদান কৰা হয়।

## বিহালীৰ বৰালীমৰা বৰনামঘৰত শতবৰ্ষৰ অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৩ মে' ঃ** কালিৰ পৰা বৰালীমৰা বৰনামঘৰত দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয় শতবৰ্ষ। শতবৰ্ষৰ লগত সংগতি ৰাখি পুৱা এশখন ধৰ্মধ্বজা বৰালীমৰা ৰাইজৰ লগতে মূল ধৰ্মধ্বজা উত্তোলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক কীৰ্তি গোস্বামীয়ে । ইয়াৰ পিছতে নাম-প্ৰসঙ্গৰ মাজেৰে ভাগৱত ভ্ৰমণ কাৰ্যসূচী আৰম্ভ কৰা হয়। এই কাৰ্যসূচীভাগৰ শুভ উদ্বোধন কৰে বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্তই। বিয়লি ২ বজাত নাম-প্ৰসঙ্গ; গায়ন-বায়নৰ জোৰা আৰু সমূহীয়াভাৱে বন্তি প্ৰজ্বলন কৰা হয়। নিশালৈ বৰালীমৰা শিশুশিল্পীসকলৰ দ্বাৰা ভাওনা প্ৰদৰ্শন কৰা হয় - এই নাটৰ শুভ উদ্বোধন কৰে ডঃ দুৰ্গেশ্বৰ বৰা, অৱসৰপ্ৰাপ্ত অধ্যাপক, ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় । আজি পুৱা বৃক্ষ ৰোপণেৰে দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ৰূপক ৰমেন ফুকন, অধ্যক্ষ পূব বিহালী উচ্চতৰ মাধ্যমিক বিদ্যালয়। ইয়াৰ পিছতে স্মৃতিগ্ৰন্থ উন্মোচন কৰে ডঃ নিত্যানন্দ গগৈ, অৱসৰ প্ৰাপ্ত অধ্যক্ষ বিশ্বনাথ মহাবিদ্যালয়। তাৰ



পিছতে ধৰ্মালোচনী সভাখন আৰম্ভ কৰে। এই সভাখনৰ সভাপতি ভৱ গোস্বামী, প্ৰাক্তন সম্পাদক, অসম সত্ৰ মহাসভা। ইয়াৰ পিছতে গায়ন-বায়নেৰে আদৰি নিয়ে মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ তথা আজিৰ সভাৰ মুখ্য অতিথি মহাপ্ৰভু জনাৰ্দন দেৱ গোস্বামীক। এই ধৰ্মালোচনী সভাৰ আঁত ধৰে উদ্‌যাপন সমিতিৰ সভাপতি কীৰ্তি গোস্বামীয়ে। এই সভাত বহুকেইজন আমন্ত্ৰিত অতিথিৰ মাজত বাংশবাৰী গাংমৌথানৰ সত্ৰাধিকাৰ ৰূপম গোস্বামী, বিহালী মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰমেন বৰা আদিয়ে। নিশালৈ বৰালীমৰা যুৱবৃন্দৰ দ্বাৰা ভাওনা প্ৰদৰ্শন কৰা হয়।

## মৰাণত লেখিকা সংস্থা, অসমৰ কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৩ মে' ঃ** অসমৰ লেখিকাসকলৰ শক্তিশালী মঞ্চ লেখিকা সংস্থা, অসমৰ নৱ-নিৰ্বাচিত সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা কালি চৰাইদেউ জিলাৰ মৰাণত অনুষ্ঠিত হৈ যায়। মৰাণ শাখা লেখিকা সংস্থাৰ সহযোগত মৰাণৰ টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানৰ সভাকক্ষত কালি দিনৰ ১১ বজাৰ পৰা সংস্থাৰ নৱ-নিৰ্বাচিত সভানেত্ৰী মৃদুলা শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা এই সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সংস্থাৰ প্ৰাক্তন সভানেত্ৰীদ্বয় ৰতিপ্ৰভা গগৈ আৰু যোগমায়া গগৈ, উজনি, মধ্যম আৰু নামনি অসমৰ কাৰ্যকৰী সভানেত্ৰী ক্ৰমে কুসুম গগৈ, মামণি গগৈ বৰুৱা আৰু বৰদা শইকীয়া, সন্মানীয় সদস্যা অৰ্চনা গোহাঁই দুৱৰা, দীপ্তিময়ী গগৈ, বিচয়ন্তী সন্দিকৈ, ৰুণু সন্দিকৈ, সঙ্গীতা বৰুৱাকে ধৰি বহুকেইগৰাকী জ্যেষ্ঠা নেত্ৰীৰ পৰামৰ্শক্ৰমে সংস্থাই অনাগত দিনত ৰূপায়ণ কৰিবলৈ কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যপন্থা হাতত লয়। ইয়াৰ ভিতৰত সংস্থাৰ প্ৰতিষ্ঠাপিকা শুচিব্ৰতা ৰায়চৌধুৰীৰ ৰচনা সমগ্ৰ, পৃষ্ঠপোষক মণ্ডলীৰ জীৱনপঞ্জী, জনগোষ্ঠীয় সাধু সংগ্ৰহ কৰি প্ৰকাশ কৰা, লেখিকাসকলৰ বাবে সংস্থাৰ প্ৰতীক সম্বলিত বেজ প্ৰস্তুত, সাহিত্য কৰ্মশালা অনুষ্ঠিত কৰা, বিভিন্ন স্থানত নকৈ শাখা গঠন কৰি সংগঠনটোক অধিক শক্তিশালী কৰা আদিয়েই উল্লেখযোগ্য। সভাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা শাখাসমূহৰ পৰা অহা আঠৈকুৰি কাৰ্যনিৰ্বাহক বিষয়ববীয়া তথা সদস্যাই অংশগ্ৰহণ কৰি গঠনমূলক আলোচনা আগবঢ়ায়। এই সভাতে কাৰ্যকৰী সভানেত্ৰী কুসুম গগৈৰ দুখনকৈ গ্ৰন্থ 'গদ্য বীথিকা' আৰু 'অৰণ্যৰ ছাঁ আৰু মানুহ' উন্মোচন কৰে ক্ৰমে ৰতিপ্ৰভা গগৈ আৰু যোগমায়া গগৈয়ে। সভাৰ সামৰণিত কেন্দ্ৰীয় সমিতিৰ হৈ শলাগৰ শৰাই আগবঢ়ায় সংস্থাৰ পত্ৰিকা সম্পাদিকা বিন্দু ডেকা চৌধুৰীয়ে আৰু শাখাৰ তৰফৰ পৰা অনিমা চেতিয়াই।




## চামগুৰিৰ খাটোৱালত ডেংগু ৰোগৰ ওপৰত সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ২৩ মে' ঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত খাটোৱাল স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰত আজি ডেংগু ৰোগৰ ওপৰত এখন সজাগতা সভা অনুষ্ঠিত হয় । খাটোৱাল গাঁও পঞ্চায়তৰ সভাপতি নৱজ্যোতি হীৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সজাগতা সভাখনত খাটোৱাল স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ সামূহিক স্বাস্থ্য বিষয়া যামিনী বৰুৱাই ডেংগু ৰোগৰ ওপৰত ভাষণ প্ৰদান কৰে । সামূহিক স্বাস্থ্য বিষয়াগৰাকীয়ে সজাগতা সভাখনত ডেংগু ৰোগৰ পৰা ৰক্ষা পাবলৈ আগতীয়াকৈ কেনেকৈ সাৱধান হ'ব লাগে তাৰ ওপৰত ভাষণ প্ৰদান কৰে । খাটোৱাল স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ সহ-আঁচনি প্ৰবন্ধক গোবিন শইকীয়াই আঁত ধৰা উক্ত সজাগতা সভাখনত স্বাস্থ্য কৰ্মী নুৰেজা বেগম, শেৱালি বৰা, দ্বিজেন্দ্ৰ শৰ্মা আৰু বিশিষ্ট সমাজকৰ্মী নিছিকান্ত হীৰা খাটোৱাল গাঁৱৰ গাঁওবুঢ়া মণিকা হীৰা, প্ৰাক্তন শিক্ষক ভোগেশ্বৰ বৰাকে ধৰি খাটোৱাল গাঁও পঞ্চায়তৰ বহুকেইজন বিষয়ববীয়াকে ধৰি বহুকেইগৰাকী আশা কৰ্মী আৰু ছুপাৰভাইজৰ উপস্থিত থাকে। উক্ত সজাগতা সভাখনত খাটোৱাল স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলসমূহৰ বহু লোক উপস্থিত থাকে বুলি খাটোৱাল স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ সামূহিক স্বাস্থ্য বিষয়া যামিনী বৰুৱাই জানিবলৈ দিয়ে।




## দ্বাৰকুছি এবিএমছুৰ তামুলপুৰ জিলা উপায়ুক্তক শিক্ষা সমস্যাক লৈ স্মাৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৩ মে' ঃ** সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা, চমুকৈ এবিএমছুৰ দ্বাৰকুছি আঞ্চলিক সমিতিয়ে আজি বৃহত্তৰ দ্বাৰকুছি অঞ্চলৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষক আৰু আন্তঃগাঁথনিৰ অভাৱৰ বিষয়ে উল্লেখ কৰি সেইবোৰ বিদ্যালয়ৰ সমস্যাবোৰ শীঘ্ৰে সমাধানৰ হেতু তামুলপুৰ জিলাৰ উপায়ুক্তক সাক্ষাৎ কৰি এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। স্মাৰক-পত্ৰত উল্লেখ কৰা মতে বৃহত্তৰ দ্বাৰকুছিৰ পূব দ্বাৰকুছি আদৰ্শ প্ৰাথমিক বিদ্যালয়ত ১১৯জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন, ২নং পূব দ্বাৰকুছি আদৰ্শ প্ৰাথমিক বিদ্যালয়ত ৭৯জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষকে পাঠদান কৰি আছে। আনহাতে ২নং পূব দ্বাৰকুছি আদৰ্শ প্ৰাথমিক বিদ্যালয়ত আৰু শ্বহীদ মোজাম্মিল হক প্ৰাথমিক বিদ্যালয়কে ধৰি দ্বাৰকুছি অঞ্চলৰ কেবাখনো বিদ্যালয়ত ন্যূনতম আন্তঃগাঁথনিৰো অভাৱ। সেয়ে শিক্ষাৰ অধিকাৰ আইন-২০০৯ অনুসৰি ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্তি আৰু বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীৰ গুণগত শিক্ষা নিশ্চিতকৰণৰ বাবে এবিএমছুৰ দ্বাৰকুছি আঞ্চলিক সমিতিয়ে দাবী উত্থাপন কৰে।

## চেলেংগুৰি পঞ্চজ্যোতি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী গগন মহন্তৰ পৰলোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২৩ মে' ঃ** কাকপথাৰ চেলেংগুৰিৰ পঞ্চজ্যোতি সত্ৰৰ সত্ৰাধিকাৰ প্ৰভু শ্ৰীশ্ৰী গগন মহন্তৰ যোৱা ২০ মে'ত ৭৭ বছৰ বয়সত বৈকুণ্ঠপ্ৰয়াণ ঘটে। সত্ৰাধিকাৰগৰাকীক সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতি, পৰম্পৰাৰে শেষকৃত্য সম্পন্ন কৰাৰ পিছতেই আজি তিলনী কৰ্মভাগি ধৰ্মীয় ৰীতি-নীতিৰে অনুষ্ঠিত কৰে। এই তিলনীৰ দিনটোতে সত্ৰৰ প্ৰাঙ্গণত গুৰুজনাক সুঁৱৰি নম্ৰকান্ত মৰাণৰ সঞ্চালনাত এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সত্ৰৰ পৰিচালনা সমিতিৰ সম্পাদক মাণিক দত্তই আঁত ধৰা স্মৃতিচাৰণ সভাত উপস্থিত থাকি বক্তব্য ৰাখে তিনিচুকীয়া জিলা সত্ৰ মহাসভাৰ সভাপতি বীৰেন মহন্ত, সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সভাপতি লম্বেশ্বৰ মৰাণ, সাধাৰণ সম্পাদক মণ্টু চেতিয়া, শিক্ষক অজিত দহোতীয়া, গোলোক চেতিয়া প্ৰমুখ্যে কৰি বহুতো গণ্যমান্য ব্যক্তিয়ে উপস্থিত থাকি গুৰুজনাক শ্ৰদ্ধা জনাই বক্তব্য প্ৰদান কৰে । তিলনীত অগণন ভক্ত সমাজে অংশগ্ৰহণ কৰে । সভাত চন্দন দহোতীয়াক সম্পাদক হিচাপে লৈ এখনি সম্পাদনা সমিতি গঠন কৰি গুৰুজনাৰ কাজ-কৰ্মভাগি প্ৰকাশৰ প্ৰস্তাৱ গ্ৰহণ কৰে।



## বজালী জিলাৰ নৱনিযুক্ত উপায়ুক্তক সম্বৰ্ধনা জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ২৩ মে' ঃ** বজালী জিলা চৰকাৰী সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ তৰফৰ পৰা আজি বজালী জিলাৰ নৱনিযুক্ত উপায়ুক্ত কাবেৰী বি শৰ্মাক কাৰ্যালয়তে শৰাই, জাপি আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় বজালী জিলাৰ সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ সভাপতি মহেন্দ্ৰ দাসে। এই সভাত যোগান বিভাগৰ বিষয়াসকলক ক্ৰমে সুনীল দাস, মৃন্ময় ভৰালী আৰু নিতুল শৰ্মাকো সম্বৰ্ধনা জনোৱা হয়। বজালী জিলা চৰকাৰী সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ ভালেসংখ্যক এজেন্ট এই কাৰ্যসূচীত উপস্থিত থাকে। আজি অনুষ্ঠিত সম্বৰ্ধনা সভাখনত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয়। এই সভাত সন্থাৰ ফালৰ পৰা সভাপতি তথা প্ৰতিনিধি মহেন্দ্ৰ দাসকো সম্বৰ্ধনা জনায়।

**NOTICE**

Application in prescribed form affixing non refundable court fee stamp of Rs.8.25 are hereby invited from the contractors/ Firms/ Enterprises for renewal of their Registration under Class-Ill category for the year 2022-23 and will received by the undersigned during office hours up to 15-06-2022 under the following terms and conditions.

1. Up to date clearance certificate of Income Tax.
2. Up to date GST with Composite name (GRN) copy.
3. Copy of PAN card.
4. Previous Registration No. must be quoted in the application and attached along with the form.
5. Bank Accounts No. and Address.
6. Up to date labour certificate and licence.

Necessary application form along with the detail terms and conditions may had from the office of the undersigned during the working days up to 5.00 PM on 15 June/2022 by paying an amount of Rs. 200/- (Rupees two hundred) only in the IPO (50% for Sc/ST/OBC/MOBC) duly pledged in favour of the Executive Engineer(PHE), Guwahati Division No.II, Guwahati-781021.

Sd/-
Executive Engineer(PHE)
Guwahati Division No.II
Guwahati-781021

Janasanyog /D/3886/22



গোলাঘাট কাণ্ডৰ প্ৰতিবাদ বিভিন্ন দল-সংগঠনৰ, সোমবাৰে

# বটদ্ৰৱা কাণ্ডক তীব্ৰ গৰিহণা হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২৩ মে' ঃ** নগাঁও জিলাৰ বটদ্ৰৱাত সংঘটিত ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমে। কালি এক প্ৰেছ বিবৃতিৰ জৰিয়তে পৰিষদৰ কেন্দ্ৰীয় সভাপতি লোকেশ্বৰ শইকীয়া আৰু সাধাৰণ সম্পাদক মাধৱ দাসে কয় যে আৰক্ষীৰ জিম্মাত থকা এজন অভিযুক্তৰ মৃত্যুক কেন্দ্ৰ কৰি দুই সহস্ৰাধিক দুষ্কৃতিকাৰীয়ে আৰক্ষীক বৰ্বৰ আক্ৰমণ কৰি থানা জ্বলাই দিয়াৰ কাৰ্যক ধিক্কাৰ দি কঠোৰ ভাষাৰে সমালোচনা কৰাৰ লগতে বাতৰি পৰিবেশন কৰিবলৈ অহা সাংবাদিককো নিৰ্মম প্ৰহাৰ কৰা ঘটনাই গুৰুজনাৰ পৱিত্ৰ ভূমি বটদ্ৰৱাত এক কলংকিত দিন হিচাপে পৰিগণিত কৰিলে। এই ঘটনাক পূৰ্ব-পৰিকল্পিত আখ্যা দি নেতাদ্বয়ে কয় যে গুৰুজনাৰ পৱিত্ৰ ভূমিত কেইবা দশক ধৰি সত্ৰৰ ভূমি বেদখল হৈ আহিছে আৰু এই বেদখলকাৰীসকলে এই ঘটনাক কৌশলগতভাৱে এক অন্য ৰূপ দিয়াৰ চেষ্টা চলাইছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত এই ঘটনাই অশনি সংকেত অনাৰ লগতে গুৰুজনাৰ জন্মস্থানৰ সাংস্কৃতিক ঐতিহ্য আৰু সাধাৰণ জনতাৰ নিৰাপত্তাৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনিছে। একেটা বিবৃতিতে বিশ্ব আৰু দাসে কয় যে অসমৰ য'ত য'ত অবৈধ দখলকাৰীৰ প্ৰভাৱ আছে তাতে এনে বিক্ষিপ্ত ঘটনা নোহোৱা নহয়, বৰঞ্চ সময়ে সময়ে এনে ঘটনাৰ পুনৰাবৃত্তি হৈয়ে থাকে বুলি অভিযোগ কৰে। সেয়েহে এই ক্ষেত্ৰত হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমে বিগত দিনৰে পৰা অবৈধ দখলকাৰীৰ বিৰুদ্ধে মাত মাতি অহাৰ লগতে সত্ৰ-দেৱালয়, মঠ-মন্দিৰৰ ভূমি বেদখলমুক্ত কৰিবলৈও দাবী জনাই আহিছে আৰু সনাতনী সত্তাক সজাগ, সচেতন আৰু সক্ৰিয় হৈ থাকিবলৈ আহ্বান জনাইছে। শেষত অসম চৰকাৰক বটদ্ৰৱাত সংঘটিত ঘটনাৰ লগত জড়িত দুষ্কৃতিকাৰীৰ বিৰুদ্ধে কঠোৰতম শাস্তি বিহাৰ লগতে সকলো বেদখলকৃত ভূমিত উচ্ছেদ অভিযান চলাই যাবলৈ আহ্বান জনায় পৰিষদৰ নেতাদ্বয়ে।

## ঘগ্ৰাপাৰৰ জনতাৰ সদনত অংশ গ্ৰহণ বিধায়ক জয়ন্ত মল্ল বৰুৱাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ মে' ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ বৰ্ষপূৰ্তি উপলক্ষে কালি ১৩ নং ঘগ্ৰাপাৰ গাঁও পঞ্চায়তত্তো আধাৰশিলা স্থাপন আৰু জনতাৰ সদন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কালি পুৱা ১১ বজাত ঘগ্ৰাপাৰ হৰিমন্দিৰ বাকৰিত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক তথা প্ৰভাৰী মৃগেন শৰ্মাই আঁত ধৰা সভাত উপস্থিত থাকে নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱা, ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মনীষা কলিতা, বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ বিষয়া নৰেন্দ্ৰ কুমাৰ তালুকদাৰ, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকা, ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য পংকজ ডেকা, ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মা, কাউন্সিলৰ মনেশ্বৰ ভৰালী, বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীকে ধৰি পঞ্চায়তখনৰ গাঁওসভাৰ সদস্য-সদস্যা, বুথ বিজেপিৰ সভাপতিকে প্ৰমুখ্য কৰি প্ৰায় তিনি সহস্ৰাধিক ৰাইজে অংশগ্ৰহণ কৰে। উক্ত সভাত বিধায়ক জয়ন্ত মল্ল বৰুৱাই পোনপটীয়াকৈ ৰাইজে আঁচনিসমূহ লাভ কৰিছে নে নাই, লগতে বিভিন্ন সমস্যাৰ বুজ লয়। ৰাইজেও পোনপটীয়াকৈ বিধায়কক নিজৰ অভাৱ-অভিযোগৰ বিষয়ে অৱগত কৰায়। উক্ত সভাত পৰাই বিধায়ক জয়ন্ত মল্ল বৰুৱাই সংবাদ মাধ্যমক আগত উল্লেখ কৰে যে প্ৰকৃত হিতাধিকাৰীক আঁচনিসমূহ প্ৰদান কৰি দুৰ্নীতিমুক্ত সমাজ গঢ়াৰ চেষ্টা কৰিব। যিসকল ভুৱা ৰেচন কাৰ্ড আছে আৰু অৰুণোদয়ৰ ভুৱা হিতাধিকাৰী আছে তেওঁলোককো চিনাক্তকৰণৰ ব্যৱস্থা অব্যাহত ৰাখিছে বুলি সদৰী কৰে। উক্ত অনুষ্ঠানটিতে উন্নয়ন পুঁজিৰ দ্বাৰা অনুমোদিত দুখন আৰু এম জি এনৰেগাৰ অধীনত ৰূপায়ণ কৰিব লগা দুখন আঁচনিৰ আধাৰশিলা বিধায়কগৰাকীয়ে স্থাপন কৰে।

## 'অসমীয়া অভিযন্তা'ৰ উদ্যোগত তেজপুৰ বিশ্ববিদ্যালয়ত 'সাহস' শীৰ্ষক আলাপ অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৩ মে' ঃ** 'অসমীয়া অভিযন্তা'ৰ উদ্যোগত তথা তেজপুৰ বিশ্ববিদ্যালয় শিক্ষাৰ্থী পৰিষদৰ সহযোগত কালি তেজপুৰ বিশ্ববিদ্যালয়ত 'সাহস' শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে উদ্যোক্তা 'অসমীয়া অভিযন্তা' হৈছে ৰাজ্যখনৰ বিভিন্ন অভিযান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা গঠিত এটা সংস্থা। এই সংস্থাই পোনপ্ৰথমে এটা মনোৰঞ্জনধৰ্মী মুখপুথিৰ পৃষ্ঠা হিচাপে আত্মপ্ৰকাশ কৰিছিল যদিও যোৱা ক'ভিডকালীন সময়ছোৱাত ডিজিটেল সামাজিক মাধ্যমত বিভিন্ন শৈক্ষিক তথা সামাজিক অনুষ্ঠান আয়োজনেৰে 'অসমীয়া অভিযন্তা'ৰ নিজা কৰ্মক্ষেত্ৰ প্ৰসাৰিত হয়। বিভিন্ন প্ৰত্যাহ্বান তথা বাধা নেওচি সমাজৰ বিভিন্ন ক্ষেত্ৰত সংগ্ৰামৰ মাজেৰে আগুৱাই যোৱা প্ৰতিভাধৰ আৰু সফল ব্যক্তিসকলৰ স'তে মত বিনিময়ৰ উদ্দেশ্যৰে এই 'সাহস' শীৰ্ষক আলাপ অনুষ্ঠানটো কালি অনুষ্ঠিত হয়। ধাৰণা, জ্ঞান, সৃষ্টিশীলতা আৰু বিকাশৰ লক্ষ্যৰে আয়োজিত এই মত বিনিময় অনুষ্ঠানত ৰাজ্যৰ ভিন ভিন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলক সেই সফল ব্যক্তিসকলৰ সংগ্ৰামী কাহিনীৰে প্ৰেৰণা দিয়াৰ এই যাত্ৰা 'অসমীয়া অভিযন্তা'ই তেজপুৰ বিশ্ববিদ্যালয় প্ৰাংগণৰ পৰাই শুভাৰম্ভ কৰে। অনুষ্ঠানটোত আমন্ত্ৰিত বিশেষ অতিথি ৰূপে উপস্থিত থাকে যুৱ-সাংবাদিক চক্ৰপাণি পৰাশৰ, তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ উপ-অধীক্ষক তথা বিশিষ্ট অভিনেত্ৰী ডাঃ জাহানাৰা বেগম, জনপ্ৰিয় ফেশ্বন ডিজাইনাৰ নন্দিনী বৰকাকতি আৰু যুৱপ্ৰজন্মৰ জনপ্ৰিয় চিত্ৰশিল্পী নীলিম মহন্ত। তেজপুৰ বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ ছাত্ৰ শুভম গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটিৰ লক্ষ্য-উদ্দেশ্য ব্যাখ্যা কৰে 'অসমীয়া অভিযন্তা'ৰ সহ-প্ৰতিষ্ঠাপক মঞ্জুৰুল কৰিম হকে। আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁলোকৰ জীৱনৰ প্ৰত্যাহ্বান আৰু প্ৰতিঘাতৰ মাজেৰে আগবঢ়া সফলতাৰ কাহিনী ব্যক্ত কৰে। শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰে আলাপ আৰু তেওঁলোকৰ সৈতে মত বিনিময়ৰ মাজেৰে মনোগ্ৰাহী হৈ উঠা অনুষ্ঠানটোত তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক পলাশ প্ৰতিম দত্ত আৰু অধ্যাপক মৌচুমী কন্দলীৰ উপৰি বহুকেইজন গণ্য-মান্য ব্যক্তিও উপস্থিত থাকে।

## চামগুৰিৰ ফুকনটোল নামঘৰত অখণ্ড ভাগৱত পাঠৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ২৩ মে' ঃ** নগাঁও জিলাৰ চামগুৰিস্থিত ফুকনটোল নামঘৰত ১৯ মে'ৰ পৰা অনুষ্ঠিত হোৱা অখণ্ড ভাগৱত পাঠৰ কালি অগণন ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত সফল সামৰণি পৰে। জানিব পৰা মতে নামঘৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন আধ্যাত্মিক আৰু সাংস্কৃতিক কাৰ্যসূচীৰে চামগুৰিৰ ফুকনটোল নামঘৰত ১৯ মে'ৰ দিনা পুৱা প্ৰাত:প্ৰসঙ্গ, ধৰ্মধ্বজা উত্তোলন আৰু ভাগৱত ভ্ৰমণেৰে আৰম্ভ হোৱাৰ পিছত ২০, ২১ আৰু ২২ মে' তাৰিখে দিনৰ ১১ বজাত অখণ্ড ভাগৱত পাঠৰ সামৰণি পৰাৰ লগতে সন্ধ্যা ৭ বজাৰ পৰা 'ৰাম বিজয়' নামৰ অসমীয়া ভাওনা অনুষ্ঠিত হয় বুলি জানিব পৰা গৈছে। নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ পৰা আহি উক্ত দিনকেইটাত ভাগৱত পাঠ ও ব্যাখ্যা আগবঢ়োৱা পাঠকসকল হ'ল-- পদুম বৰা, বিপুল বৰা (ডিফলু), পবীন্দ্ৰ বৰা, গোবিন ডেকা, বিপুল বৰা (শিঙিয়া), সুবোধ বৰা, কুঞ্জ বৰা, ৰত্নেশ্বৰ বৰা, মৃদুল ভৰালী, ঘনকান্ত বৰা, সৰুমল বৰা, অনুপ হাজৰিকা, ডিম্বেশ্বৰ দাস, পূৰ্ণ বৰা, অন্নৰাম বৰা, হেম বৰা, সোণমণি বৰা, মিলাৰাম গায়ন(নামঘৰীয়া), নগেন বৰা, কমল বৰা, নৃপেন ভূঞা, নৰেন শইকীয়া, খগেন গগৈ, সুনীল গগৈ, মহেন্দ্ৰ মেধী, পূৰ্ণকান্ত বৰা, জিন্টু চাংমাই, নৃপেন শইকীয়া, লোকেশ্বৰ শইকীয়া। আনহাতে ২২ মে'ৰ সন্ধ্যা ৭ বজাৰ পৰা আৰম্ভ হোৱা 'ৰাম বিজয়' নামৰ অসমীয়া ভাওনাখন পৰিচালনা কৰে ভূপেন বৰাই বুলি উদ্‌যাপন সমিতিৰ বিষয়ববীয়া নগেন বৰা, গোপাল হাজৰিকা, বসন্ত বৰা আৰু ঝৰ্ণা মেধীয়ে জানিবলৈ দিয়ে।

## বঙাইগাঁও জিলা অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষক সন্থাৰ সাধাৰণ সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৩ মে' ঃ** সদৌ অসম অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষক সন্থাৰ বঙাইগাঁও জিলা সমিতিৰ এখন সাধাৰণ সভা দেওবাৰে অনুষ্ঠিত হয়। বঙাইগাঁও চহৰৰ বীৰবল্লভ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত জিলা সমিতিৰ সভাপতি হিৰণ্য কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক চৰিণ কুমাৰ ৰায়ে। সেইদৰে সম্বৰ্ধনা পৰ্বৰ আঁত ধৰে সহকাৰী সম্পাদক ছাইদুল হকে। কেন্দ্ৰীয় সমিতিৰ সভাপতি সুৰেশ্বৰ ডেকা, কাৰ্যকৰী সভাপতি আব্দুল আহমেদ আৰু সম্পাদক মুকুল মেধি উপস্থিত থকা সভাখনত শিক্ষক সমাজৰ সাম্প্ৰতিক আৰু শেহতীয়া স্থিতিৰ বিষয়ে আলোচনা হয়। আলোচনা কালত কেন্দ্ৰীয় সমিতিৰ সভাপতি সুৰেশ্বৰ ডেকাই তেওঁলোকৰ দৰমহা প্ৰদান প্ৰক্ৰিয়াটো চিলিংমুক্ত কৰি স্থানীয় কোষাগাৰৰ জৰিয়তে প্ৰদান কৰাত অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ক ধন্যবাদ জ্ঞাপন কৰে। লগতে অনাগত দিনত এন পি এছ, মৃত শিক্ষকৰ পৰিয়ালক এককালীন সাহায্য আৰু অন্যান্য প্ৰাপ্য সুবিধাসমূহ প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীৰ ওপৰত গভীৰ আস্থা প্ৰকাশ কৰে। সভাত লগতে অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষক সমাজৰ ভৱিষ্যৎ সুনিশ্চিতকৰণ আৰু নিৰাপত্তাৰ লগত আপোচ কৰা নহ'ব বুলিও ব্যক্ত কৰে।

## প্ৰতিষ্ঠিত ব্যৱসায়ী প্ৰসন্ন দাসৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৩ মে' ঃ** মহানগৰীৰ আজাৰা থানাৰ অন্তৰ্গত ধাৰাপুৰ মাজৰবাহৰস্থিত সৰবৰহী ব্যক্তি তথা প্ৰতিষ্ঠিত ব্যৱসায়ী প্ৰসন্ন দাসৰ কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৫৬ বছৰ। বৃহত্তৰ ধাৰাপুৰ অঞ্চলৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগতে ধাৰাপুৰ ছাত্ৰ সন্থা, পশ্চিম গুৱাহাটী ছাত্ৰ সন্থা, অসম গণ পৰিষদ, অসম প্ৰদেশ কংগ্ৰেছ কমিটী আদিৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ থকাৰ উপৰি ৰামচাৰাণী গাঁও পঞ্চায়ত সমবায় সমিতিৰ কেবাবছৰ ধৰি উপ-সভাপতিৰ দায়িত্ব বহন কৰিছিল। প্ৰয়াত দাসৰ মৃত্যুত ধাৰাপুৰ তালুক, ধাৰাপুৰ ছাত্ৰ সন্থা, ৰামচাৰাণী গাঁও পঞ্চায়ত সমবায় সমিতি, ধাৰাপুৰ আঞ্চলিক ৰঙালী বিহু সন্মিলনী আদিৰ লগতে বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে দুজনী জীয়াৰী আৰু আত্মীয়-স্বজনসহ অগণন গুণমুগ্ধক এৰি থৈ যায়। প্ৰয়াত দাসৰ মৃত্যুত বৃহত্তৰ ধাৰাপুৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। কালি বিয়লি অগণন গুণমুগ্ধৰ উপস্থিতিত ধাৰাপুৰ শ্মশানত প্ৰয়াত দাসৰ শেষকৃত্য সম্পন্ন কৰা হয়।




গুৱাহাটীত কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু উচ্ছেদিত পৰিয়ালৰ প্ৰতিবাদ, সোমবাৰে

## ভাওৰাগুৰীত সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ সাধাৰণ সভা

### ভাওৰাগুৰী আঞ্চলিক সমিতি পুনৰ গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ২৩ মে' ঃ** সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত কালি এক সাধাৰণ সভা অনুষ্ঠিত হয়। গোসাইগাঁও মহকুমাৰ ভাওৰাগুৰীত জিলা সভাপতি ইন্দ্ৰজিৎ দেবনাথৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ ভাওৰাগুৰী আঞ্চলিক সমিতি পুনৰ গঠন কৰা হয়। চন্দন সাহাক সভাপতি আৰু পাপন কুণ্ডুক সাধাৰণ সম্পাদক হিচাপে লৈ মুঠ ৩১ জনীয়া এখন শক্তিশালী আঞ্চলিক সমিতি গঠন কৰা হয়। উক্ত সভাত উপস্থিত থাকি সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ সভাপতি গোপাল ঘোষে নৱগঠিত আঞ্চলিক সমিতিক শুভেচ্ছা জ্ঞাপন কৰি সংগঠনৰ নীতি-নিয়ম মানি কাম কৰি যাবলৈ আহ্বান জনোৱাৰ লগতে ভাওৰাগুৰী অঞ্চলত ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ শিক্ষা লাভৰ বাবে এখন মহাবিদ্যালয় স্থাপন কৰি দিয়াৰ বাবে চৰকাৰক দাবী জনায়। আনহাতে এন আৰ চি পুনৰীক্ষণ সন্দৰ্ভত ক্ষেত্ৰীয় সভাপতিগৰাকীয়ে কয় যে মহামান্য উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত কোটি কোটি টকা ব্যয় কৰি এন আৰ চি প্ৰস্তুত কৰা হৈছে আৰু এন আৰ চিৰ চূড়ান্ত তালিকা প্ৰকাশ কৰাৰ পাছত দল-সংগঠনে মিঠাই খাই আনন্দ-উল্লাস কৰিছে। তেনে ক্ষেত্ৰত এন আৰ চি পুনৰীক্ষণ কৰাৰ অৰ্থই হ'ল অসমত বসবাস কৰা বাঙালীসকলক হাৰাশাস্তি কৰা। ডি-ভোটাৰ আৰু বিদেশীৰ নামত হাৰাশাস্তিৰ সন্মুখীন হৈ অহা বাঙালীসকলক চৰকাৰে পুনৰ হাৰাশাস্তি কৰি নিঃশেষ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে বুলি সভাপতিগৰাকীয়ে অভিযোগ কৰে। তেওঁ আৰু কয় যে এই সংগঠনটোৱে ডি-ভোটাৰ, ডিটেনচন কেম্প আদি কৰি কেবাটাও দাবী উত্থাপন কৰি অসম তথা দিল্লীতো বিভিন্ন গণতান্ত্ৰিক আন্দোলনৰ জৰিয়তে চৰকাৰক দাবীসমূহ মানি ল'বলৈ আহ্বান জনোৱা হৈছে যদিও কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে কোনো ধৰণৰ সঁহাৰি জনোৱা নাই। হিন্দুৰ চৰকাৰ বুলি কোৱা বিজেপি চৰকাৰক সোনকালে সংগঠনটোৰ দাবীসমূহ মানি লৈ এই জাতিটোক শান্তিপূৰ্ণভাৱে জীয়াই থকাৰ ব্যৱস্থা কৰি দিবলৈ আহ্বান জনোৱাৰ লগতে ছেটেলাইট কাউঞ্চিলৰ দাবী কৰে, অন্যথা তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে। সভাত জিলাৰ সাধাৰণ সম্পাদক দীপক দাস, কাৰ্যকৰী সভাপতি সমৰ দাসৰ লগতে কেইবাখনো গাঁৱৰ গাঁওবুঢ়া, বিশিষ্ট ব্যক্তি, সমাজকৰ্মীৰ লগতে সংগঠনৰ সদস্যসকল উপস্থিত থাকে।

## ডিব্ৰুগড়ত আম আদমী পাৰ্টী (আপ)ৰ মহা যোগদান কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৩ মে' ঃ** অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত বিকল্প দল হিচাপে 'আপ'ৰ জনপ্ৰিয়তা বাঢ়িছে,' --এই মন্তব্য কৰিলে পূৰ্বৰ কংগ্ৰেছ নেতা তথা বৰ্তমান আপৰ নেতা মনোজ ধানোৱাৰে। দেওবাৰে মনোজ ধানোৱাৰ আৰু দ্বিজেন গগৈৰ আহ্বানত ডিব্ৰুগড় লাহোৱালৰ মটক চাহ বাগিচাৰ খেলপথাৰত আয়োজন কৰা হয় এক বিশাল যোগদান কাৰ্যসূচী। উক্ত কাৰ্যসূচীত আপৰ ৰাজ্যিক প্ৰভাৰী ৰাজেশ শৰ্মাৰ লগতে কেইবাগৰাকীও শীৰ্ষ নেতৃত্ব উপস্থিত থকা অনুষ্ঠানত অন্য ৰাজনৈতিক দল-সংগঠনৰ সদস্যৰ লগতে বহু বুদ্ধিজীৱীসহ প্ৰায় দুই সহস্ৰাধিক লোকে আপত যোগদান কৰে। উক্ত অনুষ্ঠানত ১৭জন অন্য দলৰ নিৰ্বাচিত তথা সক্ৰিয় ৱাৰ্ড মেম্বাৰেও আপত যোগদান কৰাটো এক লক্ষণীয় বিষয়। আম আদমী পাৰ্টী এটা নিকা দল, নিকা ৰাজনীতি কৰাৰ ওপৰত বিশ্বাস কৰে, লগতে ৰাইজৰ কেজৰিৱালৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে বাবেই কালি ডিব্ৰুগড়ৰ কেৱল লাহোৱাল সমষ্টিতে ইমান মানুহে যোগদান কৰিছে বুলি মন্তব্য কৰে মনোজ ধানোৱাৰে। দিল্লীত কেজৰিৱাল চৰকাৰে কেনেদৰে শাসন কৰিছে সেয়া অসমৰ ৰাইজে দেখিছে। কেজৰিৱাল চৰকাৰৰ দায়িত্ববোধ, নিকা ভাবমূৰ্তি দেখি ৰাইজ আকৰ্ষিত হৈয়ে এনেদৰে বিকল্প চৰকাৰ বিচাৰি ওলাই আহিছে বুলি মন্তব্য কৰে ৰাজ্যিক প্ৰভাৰী ৰাজেশ শৰ্মাই। সেইবাবেই দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালৰ আদৰ্শ লৈ বিজেপিৰ অপশাসন ঝাৰুৰে পৰিষ্কাৰ কৰিব বুলি পণ লৈ উপস্থিত ৰাইজে জয় আম আদমী পাৰ্টী, জয় আই অসম, জয় ভাৰত মাতা আদি ধ্বনিৰে কালিৰ অনুষ্ঠান উত্তাল কৰি তোলে।

## ৰণ্‌দিয়া (শতদল) সাহিত্য সভাৰ এই মাহৰ বিশিষ্ট অতিথি পদ্মশ্ৰী ডঃ সূৰ্য হাজৰিকা


**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২৩ মে' ঃ** ৰঙিয়াৰ ৰণ্‌দিয়া (শতদল) সাহিত্য সভাই 'মাহটোৰ বিশিষ্ট অতিথিৰ লগত অনুষ্ঠান' অহা ৩০ মে' সোমবাৰে আয়োজন কৰিছে। এই মাহৰ বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকিব অসমৰ বিশিষ্ট সাহিত্যিক পদ্মশ্ৰী ডঃ সূৰ্য হাজৰিকা। অন্তৰঙ্গ অনুষ্ঠানৰ লগতে অসম সাহিত্য সভাৰ ইতিহাস সম্বৃদ্ধ স্বয়ং ডঃ সূৰ্য হাজৰিকাৰ দ্বাৰা নিৰ্মিত 'চিৰ চেনেহী মোৰ ভাষা জননী' নামৰ তথ্যচিত্ৰখনিও প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব। সাহিত্য সভাৰ প্ৰথম অধিৱেশনৰ সভাপতি পদ্মনাথ গোহাঞিবৰুৱাৰ পৰা আৰম্ভ কৰি শেহতীয়া পৰিৱেশলৈ হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰে তথ্যচিত্ৰখনিত সাহিত্যানুৰাগীসকলে প্ৰত্যক্ষ কৰাৰ সুযোগ পাব। ইতিমধ্যে এই তথ্যচিত্ৰখনিয়ে হাজোত অনুষ্ঠিত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসত উপভোগ কৰি বিজ্ঞসকলে প্ৰশংসা কৰাৰ উপৰি ইয়াৰ গুৰুত্ব একমুখে স্বীকাৰ কৰিছে। উল্লেখ্য যে প্ৰতিষ্ঠা বৰ্ষতে স্বৰ্ণ আৰু শতদল শাখাৰ স্বীকৃতিপ্ৰাপ্ত ৰঙিয়াৰ ৰণ্‌দিয়া সাহিত্য সভাই প্ৰতিমাহে বিশিষ্ট অতিথিৰ লগত অন্তৰঙ্গ অনুষ্ঠান পাতি অসম সাহিত্য সভাক গণমুখী কৰাৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আহিছে। সেয়ে বৃহত্তৰ ৰঙিয়াৰ সাহিত্যানুৰাগীসকলক অসম সাহিত্য সভাৰ এই তত্ত্বগধুৰ তথ্যচিত্ৰখনি দেখুৱাই উপকৃত কৰাৰ লগতে সাহিত্য সভাক গণমুখী কৰাৰ বাবে এই প্ৰচেষ্টা হাতত লোৱা হৈছে বুলি সম্পাদক হেমন্ত কলিতাই জানিবলৈ দিছে। ৰঙিয়া ৰাইজমেল কৃষক শ্বহীদ ভৱনত আবেলি ৪ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা অনুষ্ঠানটিত সকলো ৰাইজৰ উপস্থিতি আৰু সহযোগ কামনা কৰিছে ৰণ্‌দিয়া (শতদল) সাহিত্য সভাই।

## ৰাভা কৃষ্টি সন্মিলনৰ নতুন কমিটীৰ শপত গ্ৰহণ অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২৩ মে' ঃ** সদৌ ৰাভা কৃষ্টি সন্মিলনৰ নতুন কমিটীৰ শপত গ্ৰহণ অনুষ্ঠানটি ২১ মে'ত দুধনৈৰ উদয়পুৰস্থিত সন্মিলনৰ মুখ্য কাৰ্যালয়ত সম্পন্ন হয়। দিনৰ ১১ বজাত অনুষ্ঠিত হোৱা শপত গ্ৰহণ অনুষ্ঠানত সদৌ ৰাভা কৃষ্টি সন্মিলনৰ উপদেষ্টা তথা প্ৰাক্তন সভাপতি প্ৰকাশ ৰাভাই উপস্থিত থাকি সন্মিলনৰ নতুন সমিতিৰ সভাপতি-সম্পাদক প্ৰমুখ্যে বিষয়ববীয়াসকলক শপত বাক্য পাঠ কৰোৱায়। এই শপত গ্ৰহণ অনুষ্ঠানত নতুন সমিতিৰ সভাপতি দীপক পাম, উপ-সভাপতি বুদ্ধেশ্বৰ ৰাভা, সম্পাদক কামেশ্বৰ ৰাভা দয়নাঙ, সহ-সম্পাদক ৰবীন, সাংগঠনিক সম্পাদক অমূল্য ৰাভা, সঞ্জয় ৰাভা, প্ৰচাৰ সম্পাদক কৃষ্ণা ৰাভা, বিত্ত সম্পাদক কৰ্মেশ্বৰ ৰাভা, মুখপত্ৰ সমিতিৰ শিৱ প্ৰসাদ হাদু, বাণীকান্ত ৰাভা উপস্থিত থাকে। উল্লেখযোগ্য যে যোৱা ১৭ এপ্ৰিলত দুধনৈ কামাৰবৰী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত সদৌ ৰাভা কৃষ্টি সন্মিলনৰ ৬৪ সংখ্যক বাৰ্ষিক অধিৱেশনত সন্মিলনৰ নতুন কমিটীখন গঠন কৰা হৈছিল।

## ঐতিহাসিক লক্ষীমপুৰ মীন মহলৰ সভাকক্ষত দৰং জিলা বিহু সুৰক্ষা সমিতিৰ প্ৰীতি সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৩ মে' ঃ** দৰং জিলা বিহু সুৰক্ষা সমিতিৰ উদ্যোগত বিহু বিচাৰক আৰু বিহুদল সমূহৰ মাজত প্ৰীতি সভা এখন লক্ষীমপুৰ আঞ্চলিক মীন মহল সমিতিৰ সভাকক্ষত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। দৰং জিলা বিহু সুৰক্ষা সমিতিৰ সম্পাদক দিপুল ডেকাই আঁত ধৰা সভাখন সঞ্চালনা কৰে বিহু সুৰক্ষা সমিতিৰ সভাপতি হৰেন্দ্ৰ ৰাজবংশীয়ে। বিশিষ্ট পেঁপুৱৈ ধৈৰ্যধৰ ডেকাৰ পেঁপা বাদনেৰে আৰম্ভ হোৱা সভাত লক্ষীমপুৰ আঞ্চলিক মীন মহল সমিতিৰ সভাপতি উপেন্দ্ৰ ডেকা, সম্পাদক দীন ডেকা, বিহু সুৰক্ষা সমিতিৰ উপদেষ্টা ভাৰত নাথ, অনিল বড়া, বিহু সুৰক্ষা সমিতিৰ মুখ্য প্ৰশিক্ষক জয়ন্ত ডেকা, বিহু সুৰক্ষা সমিতিৰ উপ-সভাপতি ইকবাল ৰচিদ হাজৰিকা, জগন্নাথ শইকীয়াৰ উপৰি সাঁচিপাত বিহুৱা দল, ছিপাঝাৰ; বৰজলাহ বিহুদল, টংলা; বিৰিণা বিহুদল, কলাইগাঁও; দৰঙী বিহুদল, মঙলদৈ; চিলাৰায় আঞ্চলিক বিহুদল, হাজৰিকাপাৰা; উদয়জ্যোতি বিহুদল, ধোপগুৰিৰ প্ৰতিনিধি সকলে অংশগ্ৰহণ কৰে। বিহুদলৰ প্ৰতিনিধিসকলে বিহুতলীত বিহু পৰিৱেশনৰ ক্ষেত্ৰত পোৱা তিতা, কেহা, মিঠা অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰা সভাৰ মাজতে উদয়জ্যোতি বিহুদলে পৰিৱেশন কৰা মুকলি বিহুৱে সকলোকে আপ্লুত কৰে। সমিতিৰ সাংগঠনিক সম্পাদক অজয় ডেকাইশলাগৰ শৰাইপ্ৰদান কৰাৰ পিছতে সভাখনৰ সামৰণি কৰে।




তৃণমূল কংগ্ৰেছৰ প্ৰতিবাদ, গুৱাহাটীত সোমবাৰে

## খেলুৱা মণ্ডল যুৱ মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৩ মে' ঃ** শিৱসাগৰ জিলা যুৱ মৰ্চাৰ অধীনস্থ খেলুৱা মণ্ডল যুৱ মৰ্চাৰ এখনি কাৰ্যনিৰ্বাহক সভা কালি খেলুৱা মণ্ডলৰ অন্তৰ্গত ৰাজহুৱা প্ৰেক্ষাগৃহত সম্পন্ন হয়। যুৱ মৰ্চাৰ ৰাজ্যিক সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য নীলকমল কোঁৱৰ উপস্থিত থকা সভাখনত টৈল্য গগৈয়ে সভাপতিত্ব কৰে। সভাখনত অংশগ্ৰহণ কৰি ভাৰতীয় জনতা পাৰ্টীৰ মানস সন্দিকৈয়ে, জিলাৰ সাধাৰণ সম্পাদক প্ৰণৱ চেতিয়া, বিশ্ব ভূঞা আদি বিষয়ববীয়া সকলে ভাৰতীয় জনতা পাৰ্টীৰ ইতিহাস, আগন্তুক দিনত যুৱ মৰ্চাৰ কৰণীয়ৰ লগতে সামাজিক মাধ্যম আদিৰ ওপৰত মত প্ৰদান কৰে। সভাত উপস্থিত থাকে যুৱ মৰ্চাৰ শিৱসাগৰ জিলা সভাপতি গৌতম সন্দিকৈ, সাধাৰণ সম্পাদক ৰাহুলজ্যোতি গগৈ, উপ-সভাপতি সমীৰণ বৰদলৈ, দৃষ্টিপ্ৰিয়া দত্ত, সম্পাদক নৱ বৰুৱা, প্ৰভাৰী জিতু নেওগ, অনিৰ্বাণ বৰগোহাঁই, বিজেপিৰ মণ্ডলৰ সভাপতি ৰুবুল বৰা, শিৱসাগৰ জিলা বিজেপিৰ সভাপতি ময়ূৰ বৰগোঁহাই আদি। এই সভাতে কেইবাজনো যুৱকে বিজেপিত যোগদান কৰে।

## মুছলপুৰত ১৫ দিনীয়াকৈ অনুষ্ঠিত বাণিজ্য মেলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৩ মে' ঃ** প্ৰতিকূল বতৰৰ মাজতো বাক্সা জিলাৰ সদৰ মুছলপুৰত কালিৰে পৰা অনুষ্ঠিত হৈছে ১৫ দিনীয়াকৈ বজালী বাণিজ্য মেলা। মুছলপুৰৰ দুৰ্গা মন্দিৰ খেলপথাৰ প্ৰাংগণত দুৰ্গা মন্দিৰ নিৰ্মাণাৰ্থে আয়োজিত এইবাণিজ্য মেলা কালি সন্ধিয়া শুভ উদ্বোধন কৰে বাক্সা জিলা বিজেপিৰ সভাপতি শৰৎ শৰ্মাই। মেলা উদ্বোধন কৰি শৰ্মাই কয় যে লকডাউনৰ পিছত বৰ্তমান অসমৰ লগতে সকলো ঠাইতে এক স্বাভাৱিক পৰিস্থিতি বিৰাজ কৰিছে। ক'ভিডকালীন পৰিস্থিতি শান্ত হোৱাৰ পিছৰে পৰা ব্যৱসায়ীসকলেও সুচাৰুৰূপে আৰম্ভ কৰিব পাৰিছে নিজৰ নিজৰ ব্যৱসায়-বাণিজ্য। কৰোনাকালীন পৰিস্থিতিৰ পিছত কালি জিলাখনৰ প্ৰাণকেন্দ্ৰ মুছলপুৰত আৰম্ভ হোৱা এই ধৰণৰ বাণিজ্য মেলাই থলুৱা তথা ক্ষুদ্ৰ ব্যৱসায়ীসকলক আৰ্থিকভাৱে কিছু সকাহ প্ৰদান কৰিব বুলি মন্তব্য কৰে। বতৰ প্ৰতিকূল হোৱা সত্ত্বেও বাণিজ্য মেলাৰ প্ৰতি গ্ৰাহকৰ যথেষ্ট আকৰ্ষণ আছে আৰু বাণিজ্য মেলাত বহুতো নতুন নতুন সামগ্ৰী উপলব্ধ হোৱাৰ বাবেই এইবাৰৰ বাণিজ্য মেলাত বহু লোকৰ আগমন ঘটিব বুলিও তেওঁ মন্তব্য কৰে। কালিৰ এই উদ্বোধনী অনুষ্ঠানত বাক্সা জিলা বিজেপিৰ সাধাৰণ সম্পাদক ৰিদীপ ডেকা, মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সুৰেন্দ্ৰ নাথ বাৰ্মা, দুৰ্গা মন্দিৰ নিৰ্মাণ সমিতিৰ সম্পাদক সুনীল ৰায়, জিলা বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ সভাপতি ব্ৰজেন পাঠককে ধৰি অঞ্চলটোৰ কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অহা ৩ জুনলৈ অনুষ্ঠিত হ'বলগীয়া এইবাণিজ্য মেলাত অসমৰ লগতে বহিঃৰাজ্যৰো অৰ্ধশতাধিক থলুৱা সাজপাৰ, খাদ্য-সামগ্ৰী, আ-অলংকাৰৰ লগতে ভিন ভিন সামগ্ৰীৰ বিপণীয়ে অংশগ্ৰহণ কৰিছে।

## দৰং মহাবিদ্যালয় এলুমনী সন্থাৰ নতুন কাৰ্যনিৰ্বাহকৰ শপত গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৩ মে' ঃ** ৰাজ্যৰ এখন অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান দৰংমহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা গঠিত এলুমনী সন্থাৰ ২০২২-২৪ৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখনে কালি বিয়লি মহাবিদ্যালয়খনৰ এলুমনী ভৱনত শপত গ্ৰহণেৰে আগন্তুক কাৰ্যকালৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰে। উল্লেখ্য যে শেহতীয়াকৈ সাধাৰণ সভাৰ দ্বাৰা গঠন হোৱা নতুন কাৰ্যনিৰ্বাহকৰ প্ৰথমখন সভা কালি বিয়লি আৰম্ভ হোৱাৰ পূৰ্বে সন্থাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক তথা মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ অৱনী কুমাৰ শৰ্মাই বৰ্তমান কাৰ্যকালৰ কাৰ্যনিৰ্বাহকৰ সকলো বিষয়ববীয়া আৰু সদস্যক শপত বাক্য পাঠ কৰোৱায়। ইয়াৰ পিছতেই পূৰ্বৰ তথা বৰ্তমানৰ কাৰ্যকালৰো সাধাৰণ সম্পাদক ডঃ মনোজ কুমাৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছত বৰ্তমানৰ কাৰ্যকালৰ সভাপতি আৰু মহাবিদ্যালয়খনৰ অধ্যাপক ডঃ ধৰ্মেন্দ্ৰ কুমাৰ শৰ্মাৰ পৌৰোহিত্যত প্ৰথমখন কাৰ্যনিৰ্বাহক সভাত প্ৰাক্তন ছাত্ৰ তথা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ পলাশমণি শইকীয়াই এই সন্থাৰ জৰিয়তে বিভিন্ন অঞ্চলৰ শিক্ষাৰ্থীসকলক সামৰি শিক্ষাৰ্থীৰ উদ্ভাৱনী শক্তি বৃদ্ধিৰ কেতবোৰ কাৰ্যসূচী গ্ৰহণৰ পোষকতা কৰাৰ লগতে সামাজিক দায়বদ্ধতাৰে সন্থাৰ কাম-কাজ আগুৱাই নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা, প্ৰাক্তন ছাত্ৰী মিনু দেৱীৰ লগতে সকলো বিষয়ববীয়া আৰু উপদেষ্টাসকলৰ উপস্থিতিত অনুষ্ঠিত সভাখনত জ্যেষ্ঠ সদস্য নৃপেন বৰাই সন্থাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক জীৱনৰ পাঠ দিব পৰা আলোচনাৰ অনুষ্ঠানৰ পোষকতা কৰি সময়ে সময়ে মহাবিদ্যালয়খনত তেনে অনুষ্ঠানৰ আয়োজন কৰাৰ ক্ষেত্ৰত অভিমত ব্যক্ত কৰে। আনহাতে নৱনিৰ্বাচিত সভাপতি ডঃ ধৰ্মেন্দ্ৰ কুমাৰ শৰ্মাৰ লগতে সদস্য তথা অধ্যাপক ডঃ বিধান বৰা, বৰ্তমানৰ যুটীয়া সম্পাদক, অধিবক্তা পৰমা কাকতি, সদস্য গৌৰৱ মহন্ত, ৰাজেশ জালান, প্ৰীতম বৰা, দেৱাঞ্জন পাঠক আদিয়েও পৰামৰ্শমূলক ভাষণ প্ৰদান কৰা সভাখনত মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৰতন দত্তই বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমাজ সচেতনতা গঢ়ি তোলাৰ ওপৰত কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ ওপৰত পৰামৰ্শ আগবঢ়ায়। সভাত আগন্তুক দুবছৰৰ বাবে কৰ্মসূচী যুগুত কৰি সন্মিলনীৰ আজীৱন সভ্য ভৰ্তিৰ বাবে বিশেষ উদ্যোগ লোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ উপৰি অহা জুনৰ প্ৰথম সপ্তাহত এক কেৰিয়াৰ কাউঞ্চেলিং কাৰ্যসূচী অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। আনহাতে এলুমনী ভৱন নিৰ্মাণৰ বাবে বহল ভিত্তিত আলোচনা কৰি বিশদ পৰিকল্পনাৰে আগবঢ়াৰ সিদ্ধান্ত গ্ৰহণ কৰি সন্থাৰ কাম-কাজ সু-পৰিচালনাৰ বাবে চাৰিখন উপসমিতি গঠন কৰা হয়। সেই অনুসৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ পংকজ বৰুৱাক সমন্বয়ক হিচাপে লৈ প্ৰচাৰ উপসমিতি, ৰাজেশ জালানক সমন্বয়ক হিচাবে লৈ নিৰ্মাণ উপসমিতি, ৰতন দত্তক সমন্বয়ক হিচাপে লৈ সামাজিক সচেতনতা উপসমিতি আৰু নৃপেন বৰা আৰু দীপা দাসক যুটীয়া সমন্বয়ক হিচাবে লৈ সাহিত্য আৰু সাংস্কৃতিক উপসমিতি গঠন কৰা হয়। উল্লেখ্য যে আগন্তুক কাৰ্যকালৰ বাবে ডঃ ধৰ্মেন্দ্ৰ কুমাৰ শৰ্মাক সভাপতি, বিজয় শইকীয়া, অশ্বিনী কুমাৰ শৰ্মা, ডঃ গহন মহন্ত আৰু ডঃ জ্যোতিকমল হাজৰিকাক উপসভাপতি, ডঃ মনোজ কুমাৰ হাজৰিকাক সাধাৰণ সম্পাদক, পংকজ বৰুৱা, পৰমানন্দ কাকতিক যুটীয়া সম্পাদক, অৰুণিম দাস আৰু ডঃ দুলাল চন্দ্ৰ দাসক সহকাৰী সম্পাদক তথা নৃপেন বৰা, অতুল কটকী, ৰাজেশ জালান, দীপা দাস, সত্য প্ৰতিম বৰুৱা, ডঃ বিধান বৰা, গৌৰৱ মহন্ত, সুদীপ্ত বৰুৱা, ৰতন দত্ত, ডঃ হেমন্ত জ্যোতি নাথ, ইন্দ্ৰাণী কলিতা, প্ৰীতম বৰা, দেৱাঞ্জন পাঠক, ৰুবী বৰা, সত্য শইকীয়া আৰু বাৰ্লিন কুমাৰ শইকীয়াক কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য হিচাপে লৈ নতুন কাৰ্যকালৰ বাবে এলুমনী সংস্থাটোৰ সমিতিখন গঠন কৰা হৈছিল।



এছিয়া কাপ পুৰুষৰ হকী প্ৰতিযোগিতা

## পাকিস্তানৰ লগত ড্ৰ খেলি অভিযান চেম্পিয়ন ভাৰতৰ

**নতুন দিল্লী, ২৩ মে' ঃ** ডিফেণ্ডিং চেম্পিয়ন ভাৰতে ইণ্ডোনেছিয়াৰ জাকাৰ্টাত আৰম্ভ হোৱা এছিয়া কাপ পুৰুষৰ হকী প্ৰতিযোগিতাত ড্ৰ খেলি নিজৰ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে ভাৰতৰ পুৰুষৰ হকী দলে আজি প্ৰথমখন মেচ খেলে পাকিস্তানৰ বিৰুদ্ধে। প্ৰথমে গ'ল কৰাৰ পাছতো অন্তিম ক্ষণত গ'ল হজম কৰি মেচখনত পইণ্ট ভগাই লয় ভাৰতৰ পুৰুষৰ হকী দলে। উল্লেখ্য যে আজি খেলৰ অষ্টম মিনিটত কাৰ্থী চেলভামৰ জৰিয়তে ভাৰতে প্ৰথমে মেচত অগ্ৰগতি লাভ কৰাৰ পাছত দলে জয়ৰ দিশে অগ্ৰসৰ হয়। কিন্তু পকিস্তানৰ হৈ আব্দুল ৰানাই ৫৯ মিনিটত পেনাল্টি কৰ্ণাৰত গ'ল কৰি মেচত সমতা স্থাপন কৰিবলৈ সক্ষম হয় আৰু প্ৰতিবেশী দলটোৰ হৃদয় ভাঙি পেলায়। ইয়াৰপূৰ্বে তৃতীয় মিনিটত পেনাল্টি কৰ্ণাৰৰ ৰূপত পাকিস্তানে প্ৰথমটো গ'ল দিয়াৰ সুযোগ লাভ কৰিছিল যদিও ভাৰত সেয়া ৰক্ষা কৰে। আজি পাকিস্তানৰ লগত ১-১ গ'লত ড্ৰ' খেলা ভাৰতে পৰৱৰ্তী মেচত কাইলৈ জাপানৰ বিৰুদ্ধে খেলিব।

# থমাছ কাপৰ চেম্পিয়ন ভাৰতীয় দলক আৰ্থিক পুৰস্কাৰ প্ৰদান বেডমিণ্টন ফেডাৰেছনৰ

**নতুন দিল্লী, ২৩ মে' ঃ** ইতিহাস গঢ়ি ৭৩ বছৰ পাছত থমাছ কাপ বেডমিণ্টনৰ খিতাপ লাভ কৰা ভাৰতীয় পুৰুষ দলক ইতিপূৰ্বে এই গৌৰৱময় সফলতাৰ বাবে ঘোষণা কৰা আৰ্থিক পুৰস্কাৰ আজি আনুষ্ঠানিকভাৱে প্ৰদান কৰে ভাৰতীয় বেডমিণ্টন ফেডাৰেছনে। এই উপলক্ষ্যে নতুন দিল্লীত হোৱা এক অনুষ্ঠানত ভাৰতীয় বেডমিণ্টন ফেডাৰেছনে থমাছ কাপ বিজয়ী ভাৰতীয় পুৰুষ দলক এক কৌটি টকাৰ চেক প্ৰদান কৰাৰ লগতে দলৰ প্ৰশিক্ষকসহ অন্য সহকাৰী সদস্যসকলক ২০ লাখ টকাৰ চেক দিয়ে। উল্লেখ্য যে ভাৰতৰ পুৰুষ দলে পুনৰ নিজৰ শক্তি আৰু দৃঢ়তাৰে যুঁজ দি ইতিহাস ৰছনাৰে যোৱা সপ্তাহত থমাছ কাপ বেডমিণ্টনৰ খিতাপ লাভ কৰিছিল। কালি থমাছ কাপৰ চেম্পিয়ন ভাৰতীয় বেডমিণ্টন দলৰ লগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও নিজৰ বাস ভৱনত বাৰ্তালাপ কৰিছিল। অনুষ্ঠানত অংশ গ্ৰহণ কৰে অসমৰ মুখ্যমন্ত্ৰী তথা ভাৰতীয় বেডমিণ্টন সন্থাৰ সভাপতি হিমন্ত বিশ্ব শৰ্মায়ো। উপস্থিত থাকে কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী অনুৰাগ সিং ঠাকুৰ। উল্লেখ্য যে থমাছ কাপ বেডমিণ্টনৰ ফাইনেলত ভাৰতৰ পুৰুষ দল মুখামুখি হৈছিল পূৰ্বৰ ১৪ বাৰৰ বিজয়ী ইণ্ডোনেছিয়াৰ। প্ৰথমবাৰৰ বাবে ফাইনেল খেলা ভাৰতৰ পুৰুষ দলে প্ৰথম তিনিখন মেচতে জয়ী হৈ ৩-০ ৰ ব্যৱধানত ইণ্ডোনেছিয়াক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে চেম্পিয়ন খিতাপ লাভ কৰে। লক্ষ্য সেন একক মেচত জয়ী হোৱাৰ পাছত ডাবলছত চিৰাগ আৰু ৰেংকিৰেড্ডীয়েও নিজৰ মেচত জয়ী হয়। তৃতীয় মেচত কিদাম্বি শ্ৰীকান্তে জয়লাভ কৰি ভাৰতক ৩-০ ৰ ব্যৱধান মেচ জয় কৰোৱাৰ লগতে ইতিহাস গঢ়ি থমাছ কাপ বেডমিণ্টনৰ খিতাপ লাভ কৰোৱায়। উল্লেখ্য যে ছেমিফাইনেলত ডেনমাৰ্কক ৩-২ ৰ ব্যৱধানত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হোৱা ভাৰতৰ পুৰুষ দলৰ সপোন আৰু লক্ষ্য আছিল ইতিহাস সৃষ্টি কৰা। ইয়াৰপূৰ্বে ভাৰতীয় পুৰুষ দলটোৱে শক্তিশালী মালয়েছিয়া আৰু ডেনমাৰ্কক হৰুৱাই নিজৰ দক্ষতা প্ৰদৰ্শন কৰি বিশ্ব বেডমিণ্টনৰ এই সন্মানীয় প্ৰতিযোগিতাখনত প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছিল। আজিৰ অনুষ্ঠানত উপস্থিত থাকে প্ৰশিক্ষক গোপীচান্দ, দলৰ মেনেজাৰ অসমৰে গৌতম মহন্ত আৰু ভাৰতীয় দলৰ সদস্যসকল।



# পেছাদাৰী বক্সিং প্ৰতিযোগিতাৰ দ্বিতীয় মেচতো অভিজিতৰ জয়লাভ

**গুৱাহাটী, ২৩ মে' ঃ** বক্সিং ৰিঙত আকৌ এবাৰ অংকুৰিত হ'ল 'জয় আই অসম', 'অভিজিত জিন্দাবাদ' ধ্বনি। অসমীয়া গামোছা লৈ বক্সিং ৰিঙত সাফল্যৰ উল্লাসেৰে অসম জননীৰ প্ৰতিভাবান আৰু এজন সন্তানে গৌৰৱান্বিত কৰিলে অসমীয়া জাতীক। উল্লেখ্য যে অসমৰ প্ৰথম পেছাদাৰী বক্সাৰৰূপে বিশ্ব বক্সিং পৰিষদ আৰু এচিয়ান বক্সিং পৰিষদৰ অধীনত নতুন দিল্লীত ৰয়েল স্পৰ্টচ প্ৰমোশ্যনছে আয়োজন কৰা পেছাদাৰী বক্সিং প্ৰতিযোগিতাত অসম সন্তান অভিজিত বৰুৱাৰ অপ্ৰতিৰুদ্ধ অপৰাজেয় যাত্ৰা অব্যাহত আছে। প্ৰতিযোগিতাত যোৱানিশাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত অভিজিত মুখামুখি হয় উত্তৰ প্ৰদেশৰ শিৰম তিৱাৰীৰ। মাত্ৰ ১৯ ছেকেণ্ডতে ৰিঙত শিৰমক ধাৰাশায়ী কৰি নকআউট কৰি দিয়ে অভিজিতে। তাৰপাছতে ষ্টেডিয়ামত অংকুৰিত হ'ল 'জয় আই অসম', 'অভিজিত জিন্দাবাদ' ধ্বনি। ইফালে, অভিজিতৰ জন্মস্থান যোৰহাটত আৰম্ভ হয় অবতৰীয়া দীপাৱলীও। ইয়াৰপূৰ্বে প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলতে জয়লাভ কৰি চমকপ্ৰদ আৰম্ভনি কৰিছিল অভিজিতে। প্ৰথম ৰাউণ্ডৰ মেচত অভিজিতে প্ৰতিদ্বন্দ্বী হিতেশ কাচানক হেলাৰঙে নক আউট কৰি পেছাদাৰী বক্সিং জগতত নিজৰ গৌৰৱময় অভিযান আৰম্ভ কৰিছিল। অভিজিতে দহ ছেকেণ্ডৰ ভিতৰতে বিধ্বস্ত কৰিছিল প্ৰতিদ্বন্দ্বী হিতেশ কাচানক। অভিজিতৰ নিৰ্দয় পাঞ্চত ধৰাশায়ী হৈ ৰিঙত বাগৰি পৰা প্ৰতিদ্বন্দ্বী হিতেশ কাচানে হাত উঠাই আত্মসমৰ্পন কৰাত ৰেফাৰীয়ে মেচ সমাপ্তৰ সংকেট দিয়ে। সেই সফলতাৰে দৃঢ় হৈ থকা অভিজিতে যোৱানিশা দ্বিতীয় ৰাউণ্ডৰ মেচখনত আৰম্ভনিৰ পৰাই আত্মবিশ্বাসৰে খেলে আৰু প্ৰত্যাশিত সফলতা লাভ কৰে। এই সফলতাৰে পৰৱৰ্তী ৰাউণ্ডলৈ উন্নীত হোৱা অভিজিতে তৃতীয় মেচ খেলিব বিদেশৰ ভূমিত। অহা ১৫-২০ জুনৰ ভিতৰত টানজানিয়াত হ'ব অভিজিতৰ পৰৱৰ্তী মেচ। প্ৰতিদ্বন্দ্বীও এইবাৰ বিদেশী বক্সাৰ হ'ব। কিন্তু এতিয়াও নিশ্চিত হোৱা নাই অভিজিতৰ প্ৰতিদ্বন্দ্বী। তৃতীয় ৰাউণ্ডৰ মেচত সফলতা লাভ কৰিলেও ৰন্ড ৰাউণ্ডত প্ৰৱেশ কৰিব অসম সন্তান।



## প্ৰথম ইনিংছত অগ্ৰগতি ডিব্ৰুগড়-বিশ্বনাথ-শিলচৰৰ

**গুৱাহাটী, ২৩ মে' ঃ** চলিত নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ মেচত বঙাইগাঁৱৰ বিৰুদ্ধে শক্তিশালী স্থিতিত উপনীত হৈছে ডিব্ৰুগড়। উল্লেখ্য যে সৌৰভ সাহা (১৩৪ ৰাণ) আৰু ঈষান আহমেদৰ (১২৩ ৰাণ) শতকেৰে ডিব্ৰুগড়ে প্ৰথম ইনিংছত ৩৬৪-৭ ৰাণ কৰে। কিন্তু দ্বিতীয় দিনাৰ খেলৰ অন্তত বঙাইগাঁও দলে ৮৬ ৰাণতে প্ৰথম ইনিংছ সামৰে। উল্লেখ্য যে বঙাইগাঁও আৰু ডিব্ৰুগড়ৰ মাজৰ নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মেচখন চলি আছে নেহৰু ষ্টেডিয়ামত। ইফালে, জজ খেলপথাৰত চলি আছে কাৰ্বি আংলং আৰু বিশ্বনাথ চাৰিআলিৰ মেচ। শ্ৰাৱন কুমাৰৰ (১০৪ ৰাণ) শতকেৰে বিশ্বনাথে প্ৰথম ইনিংছত কৰে ২৯৫ ৰাণ। উল্লেখ্য যে ইয়াৰপূৰ্বে কাৰ্বি আংলঙে প্ৰথম ইনিংছত কৰিছিল ১৭৯ ৰাণ। ইফালে আমিনগাঁৱত চলি থকা মেচত তিনিচুকীয়াই প্ৰথম ইনিংছত ১৪৯ ৰাণ কৰাৰ পাছত আজি শিলচৰে প্ৰথম ইনিংছত ১৬৩ ৰাণ কৰি অগ্ৰগতি লাভ কৰে। কিন্তু দ্বিতীয় ইনিংছত তিনিচুকীয়াই ১৭৭ ৰাণ কৰিছে। কাইলৈ অন্তিম দিন। তিনিচুকীয়াৰ আকাশ চেত্ৰী আৰু শিলচৰৰ ৰাহুল সিংঙে পাঁচটাকৈ উইকেট পায়। উল্লেখ্য যে নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰা ১২ টা দলক চাৰিটা গ্ৰুপত বিভক্ত কৰা হৈছে। গ্ৰপ 'এ'ৰ মেচ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত খেলিছে গুৱাহাটী, মৰিগাঁও আৰু তেজপুৰে। ইফালে, জজ খেলপথাৰত গ্ৰুপ 'বি'ৰ মেচ খেলিছে এন এফ ৰেলৱে, বঙাইগাঁও আৰু ডিব্ৰুগড়ে । একেদৰে গ্ৰুপ 'চি'ৰ মেচ আমিনগাঁৱত খেলিছে নগাঁও, তিনিচুকীয়া আৰু শিলচৰে। আনহাতে, বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামৰ দ্বিতীয় খেলপথাৰত গ্ৰুপ 'ডি'ৰ মেচত খেলিছে বৰপেটা, বিশ্বনাথ আৰু কাৰ্বি আংলঙে। প্ৰতিখন মেচ তিনিদিনীয়া কৰা হৈছে।



আইপিএলত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে হ'বলগীয়া কোৱালিফায়াৰৰ পূৰ্বে গুজৰাটৰ খেলুৰৈ

### ৰাষ্ট্ৰীয় মাষ্টাৰ গেমছত তিতাবৰৰ খেলুৱৈৰ সাফল্য

# ষাঠিৰোৰ্দ্ধ্বৰ ক্ষীৰদা কলিতা, দেৱ বৰা, বিৰজা দাস, অঞ্জলি দাসে আঁজুৰি আনিলে পদক

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, তিতাবৰ, ২৩ মে' ঃ** কেৰালাৰ থিৰুৱান্তপুৰমৰ চন্দ্ৰশেখৰ নায়াৰ ষ্টেডিয়ামত ১৮-২২ মে'লৈ অনুষ্ঠিত হোৱা চতুৰ্থ সংখ্যক ৰাষ্ট্ৰীয় মাষ্টাৰ গেমছত তিতাবৰৰ বৃহত্তৰ চুঙী অঞ্চলৰ চাৰিগৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰি কেইবাটাও পদক দখল কৰি সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অঞ্চলটোৰ চুঙী চাংছোৱা গাঁৱৰ ৬০ উৰ্ধৰ খেলুৱৈ ক্ষীৰদা কলিতাই জেবলিন, ডিচকাছ আৰু শ্বটপুটত এককভাৱে সোণৰ পদক আৰু ৪০০ মিটাৰ দলীয় ৰিলেৰেছত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। একেদৰে বৃহত্তৰ চুঙী অঞ্চলৰ বৰবামচুঙী গাঁৱৰ ৬০ উৰ্ধৰ দেৱ বৰাই ৩০০ মিটাৰ, ৮০০ মিটাৰ আৰু ৩ কিঃ মিঃ খোজকঢ়াত ৰূপৰ পদক, ০০ উৰ্ধৰ বিৰজা দাসে ৩০০ মিটাৰ, ৮০০ মিটাৰ আৰু ৩ কিঃ মিঃ খোজকঢ়াত একক ভাৱে সোণৰ পদক আৰু অঞ্জলি দাসে ৩ কিঃ মিঃ খোজকঢ়াত ৰূপৰ পদক, ৪০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক আৰু ৪০০ মিটাৰ দলীয় ৰিলেৰেছত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। কেউগৰাকী খেলুৱৈৰ এনে সাফল্যই সমগ্ৰ অঞ্চলটোক গৌৰৱান্বিত কৰাৰ লগতে ক্ৰীড়া ক্ষেত্ৰত কোনো সা-সুবিধা নথকাকৈ একক প্ৰচেষ্টাৰে সফলতা অৰ্জন কৰিবলৈ সক্ষম হোৱা খেলুৱৈসকলক তিতাবৰ জিলা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলন, অনন্যা গ্ৰাম্য সংগঠন, স্বেচ্ছাসেৱী অনুষ্ঠান 'অংগনা', 'স্বৰাজ', তামোলবাৰী নৱজ্যোতি যুৱ সংঘ, চাংচোৱা নামঘৰ পৰিচালনা সমিতি, সাংবাদিক প্ৰসেনজিৎ ৰাজখোৱা, বিশিষ্ট সমাজকৰ্মী ৰতি বৰা, সোমেশ্বৰ বৰা, ফুলেন হাজৰিকা, স্থানীয় যুৱকৰ্মী জগত শইকীয়া, মনজিৎ বৰুৱা (জোণ্টি), শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মধ্য তিতাবৰ আঞ্চলিক শাখাৰ সম্পাদক অৱনি বৰা, মনজিৎ বৰুৱা (ভাইটি), সদৌ অসম অনুসূচিত জাতি যুৱ পৰিষদৰ সাংগঠনিক সম্পাদক অভিজিৎ হাজৰিকা, ধলাজানৰ যুৱকৰ্মী ধ্ৰুৱজ্যোতি বৰুৱা, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জীৱিকা সখী জীনা দত্তৰাজখোৱা, অনন্যা গ্ৰাম্য সংগঠনৰ সম্পাদিকা মিনাক্ষী বৰা, উদ্যমী মহিলা ডিম্পী গগৈ বৰুৱা আদিয়ে অভিনন্দন জনাইছে।

# অভিজিত বৰুৱাক ৰাজকীয়ভাৱে আদৰিবলৈ সাজু হৈছে যোৰহাটবাসী

**গুৱাহাটী, ২৩ মে' ঃ** অসমৰ প্ৰথম পেছাদাৰী বক্সাৰৰূপে বিশ্ব বক্সিং পৰিষদ আৰু এচিয়ান বক্সিং পৰিষদৰ অধীনত নতুন দিল্লীত ৰয়েল স্পৰ্টচ প্ৰমোশ্যনছে আয়োজন কৰা পেছাদাৰী বক্সিং প্ৰতিযোগিতাত অশ্বমেধৰ ঘোঁৰাৰ দৰেই আগুৱাই যোৱা অসম সন্তান অভিজিত বৰুৱাক ৰাজকীয়ভাৱে আদৰিবলৈ সাজু হৈছে যোৰহাটবাসী। উল্লেখ্য যে অহা ২৬ মে'ত গৃহভূমিত উপস্থিত হ'ব অভিজিত। প্ৰতিযোগিতাৰ যোৱানিশাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত অভিজিত মুখামুখি হয় উত্তৰ প্ৰদেশৰ শিৰম তিৱাৰীৰ। মাত্ৰ ১৯ ছেকেণ্ডতে ৰিঙত শিৰমক ধাৰাশায়ী কৰি নকআউট কৰি দিয়ে অভিজিতে। এয়া তেওঁৰ ক্ৰমাগত দ্বিতীয়টো সফলতা। ইয়াৰপূৰ্বে প্ৰথম মেচত অভিজিতে দহ ছেকেণ্ডৰ ভিতৰতে বিধ্বস্ত কৰিছিল প্ৰতিদ্বন্দ্বী হিতেশ কাচানক। উল্লেখ্য যে ২০১১ ত যোৰহাটত খালী ভৰিৰে ২৪ ঘণ্টা দৌৰি গিনীজ ৱৰ্ল্ড ৰেকৰ্ড গঢ়িবলৈ সক্ষম হোৱা অভিজিত বৰুৱাই পৰৱৰ্তী সময়ত অসম আৰক্ষীত যোগদান কৰে যদিও ২০১৪ ত চাকৰি ত্যাগ কৰি পেছাদাৰী বক্সিঙৰ কঠোৰ অনুশীলনত ব্ৰতী হয়। তেওঁ যোৱা এটা বছৰ হাৰিয়ানাত ৰাজেশ কিশানৰ ওচৰত পেছাদাৰী বক্সিঙৰ প্ৰশিক্ষণ গ্ৰহণ কৰি প্ৰতিযোগিতাৰ বাবে নিজকে সাজু কৰি তোলে। যোৱানিশাৰ বিজয় সাব্যস্ত কৰাৰ পাছত 'দৈনিক অগ্ৰদূত'ৰ লগত হোৱা বাৰ্তালাপত তেওঁ কয়, 'এই জয়ে মোক আত্মবিশ্বাস অধিক দৃঢ় কৰি তুলিছে। পেছাদাৰী বক্সিং খেলাৰ কোনো অভিজ্ঞতা নাছিল। সেয়ে চাপ আছিল যদিও ৰিঙত প্ৰৱেশ কৰাৰ পাছত আত্মবিশ্বাসী হৈ খেলিছিলো। মানসিক শক্তি আছিল মোৰ মূল অস্ত্ৰ।' উল্লেখ্য যে ভৱিষ্যতে তেওঁ বিশ্ব বক্সিং চেম্পিয়নশ্বিপত (ডব্লিউ বি চি) অংশগ্ৰহণ কৰি বিশ্ব চেম্পিয়নশ্বিপ অৰ্জন কৰাৰ সপোন বুকুত বান্ধি ৰাখিছে। উল্লেখ্য যে পৰৱৰ্তী খেলৰ প্ৰতিদ্বন্দ্বী কোন হ'ব সেয়া এতিয়াও নিশ্চিত হোৱা নাই। পেছাদাৰী বক্সিং প্ৰতিযোগিতাৰ নিয়ম অনুসৰি তেওঁৰ পৰৱৰ্তী প্ৰতিদ্বন্দ্বিতা বিদেশী খেলুৱৈৰ বিৰুদ্ধে হোৱাটো নিশ্চিত। অহা ১৫-২০ জুনৰ ভিতৰত টানজানিয়াত হ'ব অভিজিতৰ পৰৱৰ্তী মেচ।



*আইপিএলৰ প্ৰথমখন কোৱালিফায়াৰৰ পূৰ্বে ৰাজস্থান ৰয়েলছৰ খেলুৱৈৰ অনুশীলন*

# প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈ ফ্ৰেন্স অপেনৰ পৰা বিদায় জাপানৰ অ'চাকাৰ



**পেৰিছ, ২৩ মে' ঃ** গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ পৰা প্ৰথম ৰাউণ্ডতে বাহিৰ হৈছে জাপানৰ নাওমি অ'চাকা। আজি হোৱা মেচত ভুলৰ ফলত পইণ্ট হেৰুওৱা জাপানী তাৰকাগৰাকীয়ে আমেৰিকাৰ আমাণ্ডা এনিছিমোভাৰ হাতত ৭-৫, ৬-৪ ৰ ব্যৱধানত পৰাস্ত হয়। মেচখনত অ'চাকাই মুঠ আঠটা ডাবল ফ'ল্ট আৰু ২৯টা অবাধ্যতামূলক ভুল কৰে। উল্লেখ্য যে যোৱাবছৰ বিতৰ্কিতভাৱে প্ৰতিযোগিতাখন এৰি দিয়াৰ ১২ মাহৰ পিছত আজি কৰ্টত নমি প্ৰথম ৰাউণ্ডতে ফ্ৰেন্স অ'পেনৰ অভিযান সামৰে অ'চাকাই। বিশ্বৰ প্ৰাক্তন এক নম্বৰ স্থান আৰু চাৰিবাৰৰ গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা বিজয়ী অ'চাকাই ২০২১ ত সংবাদ মাধ্যমৰ প্ৰতিশ্ৰুতিসমূহ পালন কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু ফ্ৰেন্স অ'পেনৰ পৰা আঁতৰি আহিছিল। সংবাদমেলৰ বিৰোধিতা কৰাৰ বাবে অ'ছাকাক জৰিমনাও বিহা হৈছিল আৰু গ্ৰেণ্ড শ্লেম নিষিদ্ধ কৰাৰ ভাবুকি দিয়া হৈছিল। ইফালে, ফ্ৰেন্স অ'পেনত ইগা ছিয়াটেকে আজি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে ইউক্ৰেইনৰ কোৱালিফায়াৰ লেছিয়া চুৰেংকোক ৬-২, ৬-০ ত পৰাস্ত কৰি। এয়া তেওঁৰ ২৯ খন মেচৰ বিজয়ী দৌৰৰ যাত্ৰা। উল্লেখ্য যে বিশ্বৰ এক নম্বৰ স্থানত থকা ইগাই যোৱা পাঁচখন প্ৰতিযোগিতাত জয়লাভ কৰি তিনিটা প্ৰচেষ্টাত দ্বিতীয়বাৰৰ বাবে ফ্ৰেন্স অ'পেনৰ বাবে খিতাপ জয়ৰ লক্ষ্য লৈছে। ক'ৰ্ট ফিলিপ চেট্ৰিয়েৰত ছাদৰ তলত খেলা মেচত জয়ৰ বাবে মাত্ৰ ৫৪ মিনিটৰ প্ৰয়োজন হয় ইগাক। ২০২০ ৰ চেম্পিয়নগৰাকীয়ে ইউক্ৰেইনৰ ডায়ানা ইয়াষ্ট্ৰেমস্কা বা আমেৰিকান এলিছন ৰিস্কেৰ বিৰুদ্ধে পৰৱৰ্তী মেচত অংশ ল'ব।

## নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত ছেমি ফাইনেলত তেজপুৰ

**গুৱাহাটী, ২৩ মে' ঃ** তেজপুৰে মৰিগাঁৱক এক ইনিংছ আৰু ৪০ ৰাণত পৰাস্ত কৰি চলিত নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে মৰিগাঁৱে প্ৰথম ইনিংছত ১৬৩ ৰাণ কৰাৰ পাছত তেজপুৰে অনুৰাগ তালুকদাৰৰ (১১০ ৰাণ) শতকেৰে ৩৬০-৭ ৰাণ কৰিছিল। মৰিগাঁৱৰ ভৈৰৱ ভড়ালীয়ে পাঁচটা উইকেট পায়। কিন্তু দ্বিতীয় ইনিংছত মৰিগাঁৱ দলে ১৫৭-৯ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ইয়াৰপূৰ্বে তেজপুৰে গুৱাহাটীৰ বিৰুদ্ধেও তিনি পইণ্ট লাভ কৰিছিল। উল্লেখ্য যে এ চি এৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামৰ মুল খেলপথাৰত হোৱা তিনিদিনীয়া মেচখন ড্ৰ ৰূপে সমাপ্ত হয় যদিও তেজপুৰে প্ৰথম ইনিংছৰ অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰিছিল গুৱাহাটীৰ বিৰুদ্ধে। মেচখনত তেজপুৰে প্ৰথম ইনিংছত ৩৭৪ ৰাণ কৰাৰ পাছত গুৱাহাটীয়ে হৃশিকেশ তামুলীৰ (১০১ ৰাণ) শতকৰ সত্তেও প্ৰথম ইনিংছত ২১৩ ৰাণ কৰি ফল'অনৰ সন্মুখীন হয়। তেজপুৰৰ সিদ্ধাৰ্থ শৰ্মাই ছটা উইকেট লাভ কৰি দলক তিনি পইণ্ট দিয়াত সহায় কৰে। ইফালে, মৰিগাঁৱৰ এয়া দ্বিতীয় ব্যৰ্থতা। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথমখন গ্ৰুপ মেচত মৰিগাঁৱৰ বিৰুদ্ধে এক ইনিংছ আৰু ২২ ৰাণত জয়লাভ কৰিছিল গুৱাহাটীয়ে।

# ভাৰোত্তোলন প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**গুৱাহাটী, ২৩ মে' ঃঃ** শিৱসাগৰ জিলা পৰিষদৰ কাৰ্যালয় চৌহদত আজি 'য়াৰি-৫ ক্লাব' নামৰ ক্ৰীড়া আৰু সাংস্কৃতিক উৎকৰ্ষ সাধনৰ বাবে এটি ক্লাবৰ শুভ উদ্বোধন কৰা হয়। 'য়াৰি-৫ ক্লাব'টো উদ্বোধন কৰি শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া তথা য়াৰি-৫ ক্লাবৰ সভাপতি অশ্বিনী কুমাৰ দলেই কয় যে য়াৰি-৫ ক্লাবৰ অৰ্থ হৈছে 'বিজুলীৰ দৰে উজ্বলি উঠা'। ক্ৰীড়াক্ষেত্ৰত বিভিন্ন খেলুৱৈ অলিম্পিকৰ সপোন দেখা শিৱসাগৰৰ প্ৰতিভাৱান খেলুৱৈসকলক লগত লৈ য়াৰি-৫ ক্লাৱে উঠি অহা প্ৰজন্মক উৎসাহিত কৰা মানসেৰে এই য়াৰি-৫ ক্লাবটো গঠন কৰা হয় বুলি তেওঁ মন্তব্য কৰাৰ লগতে কয় যে, শিৱসাগৰ জিলাই ভাৰোত্তোলন খেলত ইতিমধ্যে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বহুতো খেলুৱৈৰ সৃষ্টি কৰিছে আৰু কেইবাটাও প্ৰশিক্ষণ কেন্দ্ৰ শিৱসাগৰৰ বিভিন্ন গ্ৰামাঞ্চলত চলাই আছে। কিন্তু শিৱসাগৰ নগৰৰ মাজমজিয়াত আৰম্ভ কৰা এই ক্লাবটোৱে আজি বহুদিনীয়া এটি অভাৱ পূৰণ কৰিলে বুলিও মন্তব্য কৰে। এই ক্লাবৰ জৰিয়তে শিৱসাগৰ নগৰৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ ৮ বছৰ বয়সৰ পৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণ ল'ব পাৰিব বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে। সভাত শিৱসাগৰ জিলাৰ ভাৰোত্তোলন সভাৰ সম্পাদক ধ্ৰুৱজ্যোতি বৰা, শিৱসাগৰ জিলা সন্থাৰ উপ-সভাপতি উৎপল শৰ্মা, শিৱসাগৰ জিলাৰ ভাৰোত্তোলন সন্থাৰ যুটীয়া সম্পাদক অসীম দত্তকে প্ৰমুখ্য কৰি গৌৰাংগ বৰা, প্ৰশিক্ষক ৰঞ্জন দত্ত, ৰিতু গগৈ, দুলজিৎ বৰুৱা, আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ অনন্ত ৰাজকোঁৱৰ, মিনতি দিহিঙীয়া, জমিৰ হুছেইন, খ্যাতি দৰ্শনা বৰাৰ লগতে শৰীৰ চৰ্চাৰ আন্তঃৰাষ্ট্ৰীয় বিচাৰক অদিতি দত্ত, পৌৰসভাৰ উপ-পৌৰপতি সঞ্জীৱ বৰা, ৱৰ্ল্ড ফিটনেচ ফেডাৰেচনৰ শিৱসাগৰ জিলা সভাপতি ধ্ৰুৱজ্যোতি হাজৰিকাৰ লগতে বিভিন্ন সমাজ আৰু খেলজগতৰ লগত জড়িত ব্যক্তি তথা খেলুৱৈ উপস্থিত থাকে। সভাখনিৰ আঁত ধৰে ৱ'ৰ্ল্ড ফিটনেছ ফেডাৰেচন, অসমৰ সাধাৰণ সম্পাদক তথা শিৱসাগৰ জিলা ভাৰউত্তোলন সন্থাৰ কোষাধ্যক্ষ আৰু শিৱসাগৰ জিলা যোগ প্ৰশিক্ষক জয়ন্ত বেজে। প্ৰশিক্ষণ কেন্দ্ৰটোত প্ৰশিক্ষণ গ্ৰহণ কৰিব বিচৰা ইচ্ছুক ছাত্ৰ-ছাত্ৰীৰ লগতে সকলো প্ৰশিক্ষাৰ্থীক ৭০০২০-৫৫৯৯৬, ৯৯৫৭২-৬৫৯৮৫ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।



*ছানৰাইজাৰ হায়দৰাবাদ আৰু পঞ্জাবৰ মাজত অনুষ্ঠিত আইপিএল খেলৰ এটি মুহূৰ্ত*

# দেৰগাঁৱৰ বাঁহগুৰিত ৰাজ্যিক ভিত্তিক কিক্ বক্সিং প্ৰশিক্ষণ শিবিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২৩ মে' ঃ** কিক্ বক্সিঙে এতিয়া বিশেষ জনপ্ৰিয়তা লাভ কৰা দেখা গৈছে ৰাজ্যৰ ভিন্ন প্ৰান্তত। নগৰ অঞ্চলৰ সমান্তৰালভাৱে ভিতৰুৱা অঞ্চলসমূহতো ধাৰাবাহিকভাৱে চলা দেখা গৈছে কিক বক্সিঙৰ অনুশীলন। গোলাঘাট প্ৰ' কিক্ বক্সিং আৰু বক্সিং এছ'চিয়েচনৰ উদ্যোগত দেৰগাঁৱৰ নদীকাষৰীয়া ব্ৰহ্মপুত্ৰ অঞ্চলৰ বাঁহগুৰি হোলী গ্ৰেইছ স্কুলৰ প্ৰাংগণত ২১ আৰু ২২ মে'ত দুদিনীয়াকৈ ৰাজ্যিক ভিত্তিক কিক্ বক্সিঙৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। অসমৰ যোৰহাট-মৰিগাঁৱকে ধৰি বহুকেইখন গাঁৱৰ শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই শিবিৰটোত অসম প্ৰ' কিক্ বক্সিং আৰু বক্সিং এছ'চিয়েচনৰ সভাপতি বিশাল তালুকদাৰ, অসম মুৱাই থাই কাউঞ্চিলৰ কাৰ্যকৰী সভাপতি মিন্টু ৰাজবংশী, আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ জানু কৰ্ণ, প্ৰশিক্ষক সৌৰভ পাছুং, চন্দন হাজৰিকা আৰু পদ্ম বড়ো উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। শিবিৰটিৰ সামৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি এটি সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। গোলাঘাট প্ৰ' কিক্ বক্সিং আৰু বক্সিং এছ'চিয়েচনৰ প্ৰেছ উপদেষ্টা কুমুদ বৰাই আঁত ধৰা অনুষ্ঠানটিত কিক্ বক্সিং আৰু বক্সিং এছ'চিয়েচনৰ প্ৰশিক্ষক তথা ৰাজ্যিক বিষয়ববীয়াসকলৰ লগতে শিবিৰটোত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থকা বিশিষ্ট সমাজকৰ্মী ড° ৰমানন্দ দাস, আপকুৰ কেন্দ্ৰীয় সহ-সম্পাদক প্ৰণৱ চক্ৰৱৰ্তী, বাক্সা জিলা প্ৰমুখ সুব্ৰত শীল, ওদালগুৰি বজৰংগ জিলা সংযোজক কন্দৰ্প বৰুৱা, পংকজ গগৈ আৰু সাংবাদিক পলাশ বৰাক সম্বৰ্ধনা জনোৱা হয়। দেৰগাঁও নগৰৰ পৰা বহু ভিতৰুৱা অঞ্চলটোত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত ৰাজ্যিক ভিত্তিক প্ৰশিক্ষণ শিবিৰটোক লৈ স্থানীয় ৰাইজ উৎফুল্ল হৈ পৰে। শিবিৰটো সফলতাৰে সম্পন্ন হোৱাত স্থানীয় ৰাইজৰ সহযোগিতাৰ শলাগ লয় গোলাঘাট কিক্ বক্সিং আৰু বক্সিং এছ'চিয়েচনৰ সভাপতি প্ৰমানন্দ পাছুঙে।

# ৰাষ্ট্ৰীয় পৰ্যায়ত উজলিল নগাঁৱৰ চাৰি খেলুৱৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৩ মে' ঃ** নিজৰ পাৰদৰ্শিতাৰে ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম কঢ়িয়াই আনিলে নগাঁৱৰ চাৰি খেলুৱৈয়ে। নগাঁও চহৰৰ পৰা ১০ কিঃ মিঃ নিলগৰ ৰণথলি জলাহ গাঁৱৰ সুসন্তান বিদ্যুৎ বৰাই পাৱাৰলিফ্‌টিঙত পাৰদৰ্শিতা অৰ্জনেৰে ৰাজ্যখনৰ লগতে নগাঁৱলৈ সন্মান কঢ়িয়াই আনিছে। অলপতে ছটিশগড়ৰ ঢালিৰাজহাৰত 'ইণ্ডিয়ান পাৱাৰলিফ্‌টিং ফেডাৰেশ্যন'ৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ পাৱাৰলিফ্‌টিং প্ৰতিযোগিতাত বিদ্যুৎ বৰাই ১২০ কেজি শাখাত (জুনিয়ৰ) প্ৰথম স্থান দখল কৰি সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে । বিদ্যুৎ বৰাই ইয়াৰ পূৰ্বেও এই ক্ষেত্ৰৰ যোগেদি ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম বুটলিবলৈ সক্ষম হৈছিল । উক্ত প্ৰতিযোগিতাখনত বিদ্যুৎ বৰাৰ লগতে নগাঁও জিলাৰ পৰা আন তিনিগৰাকী খেলুৱৈয়েও পদক লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰে ৫৩ কেজি শাখাত (জুনিয়ৰ) মিঠুন বৰ্মনে ৰূপৰ পদক, ৬৯ শাখাত (জুনিয়ৰ) বন্তি বৰাই ব্ৰঞ্জৰ পদক, ৮৪ কেজি শাখাত( জুনিয়ৰ) মৌচুমী বৈশ্যই ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে চাৰি খেলুৱৈৰ সাফল্যত অঞ্চলবাসীৰ লগতে নগাঁওবাসী ৰাইজ উৎফুল্ল হৈ পৰিছে।








## ৰাষ্ট্ৰীয় পৰ্যায়ত উজলিল বৰপেটা ফুল কংটেক্ট কাৰাটেত ১০ গৰাকী ছাত্ৰ-ছাত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৩ মে' ঃ** ১৪ আৰু ১৫ মে'ত অনুষ্ঠিত হৈ যোৱা ভাৰতীয় ৱৰ্ল্ড কাৰাটে ফেডাৰেচনৰ অধীনত ফুল কংটেক্ট কাৰাটে চেম্পিয়নশ্বিপত বৰপেটাৰ ফুল কংটেক্ট কাৰাটে অৰ্গেনাইজেচনৰ ১০ গৰাকী




ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি বৰপেটালৈ সুনাম কঢ়িয়াই আনিছে। ১০ গৰাকী প্ৰতিযোগীয়ে বঁটা আৰু পদক লাভ কৰিবলৈ সক্ষম হৈছে। এই দহগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে বিদিশা দাস, জ্যোতিৰ্ময় দাস, জিজ্ঞাসা দাস, অনাঙ্গ মেধি, মেৰুৰাজ কাশ্যপ, ভূবান্তিকা দাস, জোন দাস, জ্যোতিষ্মান দাস, ভায়'লিনা কাশ্যপ আৰু ড্ৰিমজিত দাস। এইসকল ছাত্ৰ-ছাত্ৰীয়ে বৰপেটাৰ দক্ষিণহাটীস্থিত কাৰেটে শিবিৰত প্ৰশিক্ষক নিখিল দাস আৰু অজয় দাসৰ তত্বাৱধানত প্ৰশিক্ষণ লৈ আছে।

## শদিয়াৰ পৰা ধুবুৰীলৈ চাইকেল যাত্ৰাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৩ মে' ঃ** ড্ৰাগ্‌ছমুক্ত অসম, প্লাষ্টিক বৰ্জন, গছ ৰোপণ, গঁড় হত্যা ৰোধ আৰু চাইকেল চলাওক সুস্থ থাকক -- এই পাঁচটা মূল উদ্দেশ্য হাতত ৰাখি গহপুৰ চাইকেলিং ক্লাবৰ তৰফৰ পৰা শদিয়াৰ পৰা ধুবুৰীলৈ চাইকেল যাত্ৰা আজি সমাপ্ত কৰে। ১ মে'ৰ দিনা গহপুৰ চাইকেলিং ক্লাবৰ পৰা পাঁচজন যুৱক ক্ৰমে অৰবিন্দ নেৱাৰ, দেৱাশীষ বৰগোহাঁই, আকাশ সূত্ৰধৰ, ডিম্পু বৰা, নয়নজ্যোতি বৰদলৈয়ে পাঁচটা মূল উদ্দেশ্য হাতত লৈ গোটেই অসম চাইকেলেৰে ভ্ৰমণ কাৰ্যসূচী হাতত লৈছিল ।প্ৰায় ২,৩০০ কিলোমিটাৰ তেওঁলোকে চাইকেল যাত্ৰা কৰি আজি ধুবুৰীত সমাপ্ত কৰে। এদিনত দলটোৱে ৮০-১০০ কিলোমিটাৰ যাত্ৰা কৰিছিল। বাটত তেওঁলোকে বিভিন্ন বাধা অতিক্ৰম কৰি ধুবুৰীত উপস্থিত হয় দলটো।




অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি ৱাটছএপ কৰক
Janasanyog /D/3832/22



Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811. 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat -94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646


শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি